


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা




ত্ৰয়োদশ বছৰ ■ সংখ্যা ৪৬ ■ গুৱাহাটী ■ বুধবাৰ, ২১ ছেপ্টেম্বৰ, ২০২২, ৪ আহিন, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 46 Dainandin Barta ■ Guwahati, Wednesday ■ 21 Setpember, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only

## কাকীত সোপাধৰাৰ অপপ্ৰচাৰেৰে কবিতা লিখি জে'ললৈ গ'ল এজন

### পোষ্টটো শ্বেয়াৰ কৰাৰ বাবে এগৰাকী মহিলাক গ্ৰেপ্তাৰ ঃ লংকাৰ লস্কৰপথাৰতো গ্ৰেপ্তাৰ অন্য দুই অপপ্ৰচাৰকাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ১৯ ছেপ্টেম্বৰ ঃ** সোপাধৰাৰ উৰাবাতৰিৰ আতংকই নিদ্ৰা হৰিছে হোজাই আৰক্ষীৰ। বিগত প্ৰায় এটা সপ্তাহে উৰাবাতৰিত কাণ নিদিবলৈ ৰাইজক সজাগ কৰাৰ চেষ্টা অব্যাহত ৰাখিছে হোজাই জিলাৰ প্ৰতিখন থানাৰ আৰক্ষীয়ে। মাইকযোগে সজাগতামূলক প্ৰচাৰো চলাইছে হোজাই আৰক্ষীয়ে। ■ ৮ পৃষ্ঠাত



*অস্কাৰলৈ গুজৰাতৰ ছবি 'চেল' শ্ব' অফিচিয়েলী নিৰ্বাচিত*

### আকৌ আহিছে প্ৰধানমন্ত্ৰীৰ প্ৰণাম আঁচনি

## উপকৃত হ'ব সকলো খেতিয়ক

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২০ ছেপ্টেম্বৰ ঃ** আকৌ আহিছে প্ৰধানমন্ত্ৰীৰ প্ৰণাম আঁচনি। ১৫ আগষ্টত স্বাধীনতা দিৱসৰ ভাষণৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষকসকলক ৰাসায়নিক সাৰৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ আহ্বান জনাইছিল। তেওঁ কৃষকসকলক প্ৰাকৃতিক কৃষি পদ্ধতি গ্ৰহণ কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে কৈছিল, ■ ৮ পৃষ্ঠাত



### ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনি

# ১,২৫০ টকাকৈ পাব অৰুণোদয় হিতাধিকাৰীয়ে

**অৰুণোদয় আঁচনিত নতুনকৈ অন্তৰ্ভুক্ত হ'ব ৮ লাখ মহিলা ঃ ১০ লাখক নতুনকৈ ৰেচন কাৰ্ড ঃ ৫২ লাখ পৰিয়ালক ৫ লাখ টকাৰ স্বাস্থ্য বীমা কাৰ্ড ঃ তেজপুৰত ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সনেৰ অধীনত এককালীন সাহায্য প্ৰদানৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ ঃ**

ৰাজ্যৰ ১১,৮৯৬ গৰাকী বিধৱা মহিলালৈ ২৫ হেজাৰ টকাৰ চেক ঃ বানত ক্ষতিগ্ৰস্ত ৩০৮টা পৰিয়ালক এক লাখকৈ অনুদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২০ ছেপ্টেম্বৰ ঃ** দুখীয়া মহিলাসকলৰ সৱলীকৰণৰ বাবে ৰাজ্য চৰকাৰে আৰম্ভ কৰা দেশৰ ভিতৰতেই সৰ্ব বৃহৎ জনকল্যাণমুখী আঁচনি অৰুণোদয়ৰ হিতাধিকাৰীসকলে অহা মাহৰ পৰা এহেজাৰ টকাৰ পৰিৱৰ্তে প্ৰতি মাহে লাভ কৰিব ১২৫০ টকাকৈ। একেদৰে ৰাজ্যখনত পুনৰ ৮ লাখ মহিলাক অৰুণোদয় আঁচনিৰ অধীনলৈ অনা হ'ব। আনহাতে ২০২৩ চনত প্ৰতিটো বিধানসভা সমষ্টিতে ৩০ হাজাৰ মহিলাক অৰুণোদয় আঁচনিৰ জৰিয়তে সহায় কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি আজি তেজপুৰত মন্তব্য কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। তেওঁ লগতে কয় যে, নতুনকৈ দহ লাখ পৰিয়ালক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব ■ ৮ পৃষ্ঠাত

### তেজপুৰত নিযুক্তি সম্পৰ্কে বৃহৎ ঘোষণা মুখ্যমন্ত্ৰীৰ

## ২৩ ছেপ্টেম্বৰত দহ হাজাৰক নিযুক্তি

**৬ মাহত প্ৰতিশ্ৰুতি পুৰণ হ'ব ১ লাখ নিযুক্তিৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২০ ছেপ্টেম্বৰ ঃ** দেওবাৰে ৫২৬২টা আৰক্ষীৰ বিভিন্ন পদত নিবনুৱা যুৱক-যুৱতীয়ে সম্পূৰ্ণ স্বচ্ছ আৰু নিকা ভাৱে নিযুক্তি লাভ কৰাৰ পিছত তামোল এখনো খুৱাব নলগীয়াকৈ ■ ৮ পৃষ্ঠাত

## ব্যক্তিগত খণ্ডৰ প্ৰেমত ৰাজ্য চৰকাৰ

### শিক্ষক বদলি, ই-সুবিধা, কৰ-কাটল ব্যক্তিগত খণ্ডৰ হাতত

**দৈনন্দিন বাৰ্তাৰ সংবাদ, ২০ ছেপ্টেম্বৰ ঃ** পৰিচালনাৰ ব্যৰ্থতা ঢাকিবলৈ এতিয়া চৰকাৰে প্ৰায়বোৰ কাম ব্যক্তিগত খণ্ডৰ ওচৰত বাধ্য হৈছে শিৰ নত কৰিবলৈ। শিক্ষা বিভাগে সুচাৰুৰূপে শিক্ষকৰ বদলিৰ দৰে কাম ফেৰা নিয়াৰিকৈ পালনতো ব্যৰ্থ হৈ শিক্ষক বদলিৰ দায়িত্ব অৰ্পণ কৰিছে ব্যক্তিগত খণ্ডক। এতিয়াৰে পৰা 'গ্ৰেছিয়া' নামৰ প্ৰতিষ্ঠানটোৱে শিক্ষক বদলিৰ দায়িত্ব চম্ভালিব। অথচ শিক্ষা বিভাগটোত বিষয়া-আমোলাৰ লগতে কৰ্মচাৰীৰে গিজ্‌গিজাই আছে। শেহতীয়াকৈ গুৱাহাটী পৌৰ নিগমৰ অস্তিত্বক নস্যাৎ কৰি সম্পত্তিৰ কৰ-কাটল আদায়ৰ দায়িত্ব অৰ্পণ কৰিবলৈ সাজু হৈছে চৰকাৰ। মন্ত্ৰী অশোক সিংঘলৰ মন্তব্য— মহানগৰীৰ ছল্লিশ ■ ৮ পৃষ্ঠাত



দৰঙত ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত এককালীন আৰ্থিক সাহায্য প্ৰদান

## 'দৰঙক বানমুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে সম্ভৱপৰ সকলোখিনি কৰিব'

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি দৰং জিলাত ৰাজ্য চৰকাৰৰ ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন ■ ৮ পৃষ্ঠাত

**অসমৰ পৰা দুখীয়া নামৰ শব্দটো নাইকিয়া কৰাৰ লক্ষ্যৰে অসম চৰকাৰে কাম কৰি আছে ঃ মন্ত্ৰী হাজৰিকা**

### কেন্দ্ৰীয় শ্বহীদ দিৱসত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

## গহপুৰৰ ঐতিহাসিক থানাখন আটক ধুনীয়াকৈ সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব



### মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিলে মহকুমা চিকিৎসালয়, ষ্টেডিয়াম ঃ কেইবাখনো আঁচনি ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গহপুৰ, ২০ ছেপ্টেম্বৰ ঃ** গহপুৰত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্বহীদ দিৱস উদ্‌যাপন কৰা হয়। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ তেতিয়াৰ দৰং জিলাৰ গহপুৰতো দামামা বাজি উঠিছিল। ভাৰত ত্যাগ আন্দোলনৰ আজিৰ দিনটোতে গহপুৰৰ যুৱতী কনকলতা বৰুৱা আৰু নলবাৰীৰ মুকুন্দ ■ ৮ পৃষ্ঠাত



*ঢকুৱাখনাত খহনীয়া, মঙলবাৰৰ ছবি*

## তেজপুৰত সেনা জোৱানৰ আত্মহত্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২০ ছেপ্টেম্বৰ ঃ** তেজপুৰস্থিত সেনাৰ চতুৰ্থ ক'ৰত কৰ্মৰত এজন জোৱানে আজি পুৱা আত্মহত্যা কৰিছে। উল্লেখ্য যে জোৱানজনে পিষ্টলৰে এই ঘটনা সংঘটিত কৰে। পঞ্জাবৰ অমৃত সিং নামৰ জোৱানজনৰ মৃতদেহ আজি দিনৰ প্ৰায় ২.৪৫ বজাত তেজপুৰ কনকলতা অসামৰিক ■ ৮ পৃষ্ঠাত

## ৰাহুল গান্ধীয়ে কংগ্ৰেছৰ সভাপতি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনা শূন্য

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২০ ছেপ্টেম্বৰ ঃ** ৰাহুল গান্ধীয়ে কংগ্ৰেছৰ সভাপতি পদ গ্ৰহণ কৰিবলৈ অনিচ্ছুক। কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীয়ে দলটোৰ সভাপতি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনা নাই, কংগ্ৰেছৰ এটা সূত্ৰই আজি এই কথা জনাইছে। কংগ্ৰেছৰ সূত্ৰই জনোৱা মতে ৰাহুল গান্ধীয়ে দলৰ ভাৰত জোড়ো যাত্ৰা এৰি দিল্লীলৈ উভতি নাযায়। বৰ্তমান এই যাত্ৰা কেৰালাত আছে আৰু ২৯ ছেপ্টেম্বৰত কৰ্ণাটকত প্ৰৱেশ কৰিব। কংগ্ৰেছৰ ■ ৮ পৃষ্ঠাত

## জনজাতিকৰণত প্ৰতাৰণা

### কোচ ৰাজবংশী বাচাও, বিজেপি হাটাও শ্ল'গানেৰে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব আক্ৰাছুৱে ঃ ছয় জনগোষ্ঠীয় ঐক্য মঞ্চৰ অসম বন্ধৰ কাৰ্যসূচীলৈ পূৰ্ণ সমৰ্থন ঃ জনগোষ্ঠীটোৰ সমস্যাক অসমৰ জ্বলন্ত সমস্যা হিচাপে গ্ৰহণ কৰি সকলো জাতি-জনগোষ্ঠীকে সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান ঃ কোচ ৰাজবংশীসকলক বাদ দি অসম কেতিয়াও সুৰক্ষিত হ'ব নোৱাৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২০ ছেপ্টেম্বৰ ঃ** কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত বৰ্তমানৰ বিজেপি চৰকাৰৰ যি প্ৰতাৰণা আৰু ভেঁকো-ভাওনা সেয়া আৰু সহ্য কৰা নহ'ব। চৰকাৰৰ এনে কাৰ্যৰ বিৰুদ্ধে আমি প্ৰতিবাদী কাৰ্যসূচী হাতত ল'ম। এই মন্তব্য সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ। মঙলবাৰে বঙাইগাঁও চহৰৰ বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদ মেলত সংগঠনটোৰ নেতৃত্বই এই মন্তব্য কৰে। সংবাদ মেলত আক্ৰাছুৰ সভাপতি বলোৰাম বৰ্মন আৰু সাধাৰণ সম্পাদক সোণাধৰ ৰায়ে ক্ষোভ প্ৰকাশ কৰি কয় যে কোচ ৰাজবংশী জনগোষ্ঠীৰ আৱেগ আৰু অনুভূতিক লৈ যিদৰে বাৰম্বাৰ বিজেপি ■ ৮ পৃষ্ঠাত

## ভকত-বৈষ্ণৱৰ সমাগম নাই

### আৰক্ষী-নিৰাপত্তাৰক্ষীৰ আৱেষ্টনীত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰ ঃ সংঘাতৰ পৰিণতিত নিমাওমাও পৰিৱেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২০ ছেপ্টেম্বৰ ঃ** ক্ষমতাকেন্দ্ৰিক সংঘাতে তুংগত উঠা গোলাঘাট জিলাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰত ভকত-বৈষ্ণৱৰ সমাগমৰ পৰিৱৰ্তে আজিও আৰক্ষী, নিৰাপত্তাৰক্ষীয়ে গিজগিজাই আছে। যিকোনো মুহূৰ্ততে অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হোৱাৰ আশংকাত গোলাঘাট জিলা প্ৰশাসনে কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা অব্যাহত ৰাখিছে। উল্লেখ্য যে, নামঘৰৰ পৰিচালনা সমিতি আৰু কৰ্ণধাৰ সমিতিৰ মাজত সংঘাত সৃষ্টি হৈ ১৯ ছেপ্টেম্বৰত নামঘৰ ভাগৰ মূল প্ৰৱেশদ্বাৰত তলা লগাই বন্ধ কৰি দিয়া হৈছিল। কালিৰ তলা লগোৱা কাৰ্যত বহু ভক্তপ্ৰাণ বৈষ্ণৱ নিৰাশাত ঘূৰি ■ ৮ পৃষ্ঠাত




## কলকাতাৰ শিল্পী লোপামুদ্ৰা মিত্ৰক 'জীৱনজোৰা সাধনা বঁটা' প্ৰদান সাংস্কৃতিক মন্ত্ৰী বিমল বড়াৰ

**জয়ন্ত হাজৰিকাৰ জন্ম দিৱস**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ ছেপ্টেম্বৰ ঃ** মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত ব্যতিক্ৰম মাছড' শীৰ্ষক সংস্থাটোৱে আয়োজন কৰা সংগীত শিল্পী জয়ন্ত হাজৰিকাৰ ৭৯সংখ্যক জন্ম দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি সাংস্কৃতিক মন্ত্ৰী বিমল বড়াই জয়ন্ত হাজৰিকাৰ গীতে আমাৰ মনক যুগে যুগে অনুৰণিত কৰি থাকিব বুলি প্ৰকাশ কৰে। ■ ৮ পৃষ্ঠাত

### চণ্ডীগড়ৰ পিছত এইবাৰ মুম্বাই

## ছোৱালীৰ শৌচাগাৰৰ এমএমএছ ভাইৰেল !

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২০ ছেপ্টেম্বৰ ঃ** পঞ্জাবৰ চণ্ডীগড়ৰ মোহালি বিশ্ববিদ্যালয়ৰ এমএমএছ কেলেংকাৰিক লৈ বিতৰ্ক চলি থকাৰ মাজতে মুম্বাইতো একে ধৰণৰ ঘটনা পোহৰলৈ আহিছে। এজন ব্যক্তিক তেওঁৰ মোবাইল ফোনৰ ■ ৮ পৃষ্ঠাত

## নগাঁৱত পুৰণি পেন্সন নীতি বাহাল ৰখাৰ দাবীত প্ৰাথমিক শিক্ষকৰ ধৰ্ণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২০ ছেপ্টেম্বৰ ঃ** আজি অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ নেতৃত্বত নগাঁৱত প্ৰাথমিক স্তৰৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে তেওঁলোকৰ বিভিন্ন দাবীৰ সমৰ্থনত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ আহ্বানত, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ নেতৃত্বত নগাঁও, কলিয়াবৰ আৰু হোজাই মহকুমা সমিতিৰ সহযোগত নগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ চৌহদত শিক্ষক সমাজে এই কাৰ্যসূচী ৰূপায়ণ কৰে। শিক্ষক-শিক্ষয়িত্ৰীসকলে তেওঁলোকৰ দাবীৰ সমৰ্থনত বিভিন্ন ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। পুৰণি পেন্সন নীতি বাহাল ৰখা, সকলো প্ৰকাৰৰ ঠিকাভিত্তিক শিক্ষকৰ চাকৰি নিয়মীয়া কৰা, ৰাষ্ট্ৰীয় শিক্ষা নীতিত থকা শিক্ষকবিৰোধী সকলো দফা প্ৰত্যাহাৰ কৰা, দেশৰ সকলো ৰাজ্যতে সপ্তম দৰমহা বিধি প্ৰয়োগ কৰি বিধি মতে প্ৰাপ্য আদায় দিয়া, শিক্ষাত ব্যক্তিগত অংশীদাৰিত্ব বন্ধ কৰা আদি ■ ৮ পৃষ্ঠাত

## মাজুলীত আহিনীয়া ধুমুহা

### ধুমুহাত বিস্তৰ ক্ষতি ঃ মাজুলীৰ অৰ্ধশতাধিক গাঁৱৰ তিনি শতাধিক লোকৰ বাসগৃহ ধুমুহাত ক্ষতি ঃ বিদ্যুৎ সেৱা ব্যাহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ২০ ছেপ্টেম্বৰ ঃ** মাজুলীত ধুমুহাৰ প্ৰভাৱত প্ৰায় অৰ্ধশতাধিক গাঁৱৰ তিনি শতাধিক লোকৰ বাসগৃহৰ বিস্তৰ ক্ষতিসাধন হয়। আজি পুৱতি নিশা অহা ধুমুহাৰ প্ৰভাৱত দিক্‌বিদিক হেৰুৱাই পেলাই বহু পৰিয়ালে। ধুমুহা-বৰষুণত মাজুলীৰ বিভিন্ন অঞ্চলত বিস্তৰ ক্ষতি সাধন কৰে। বৰষুণৰ লগতে প্ৰচণ্ড ধুমুহাত মাজুলীৰ দুটা ৰাজহ চক্ৰ ক্ৰমে মাজুলী আৰু উজনি মাজুলীৰ অন্তৰ্গত প্ৰায় তিনি শতাধিক পৰিয়ালৰ বাসগৃহ ক্ষতি হয়। মাজুলী ৰাজহ চক্ৰৰ অন্তৰ্গত ভূৰামৰা, গুৱলাবাৰী, ডেকাশেনচোৱা, যোৰবিল, ধোঁৱাচালা, পতিয়া, কামাৰগাঁও, নামকাটনি, কমলাবাৰী সত্ৰ, টটয়াকে আদি কৰি বহু গাঁও ক্ষতি হোৱাৰ লগতে ■ ৮ পৃষ্ঠাত







# প্ৰাপ্য বিচাৰি যোৰহাটত প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰতিবাদী কাৰ্যসূচী




**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ২০ ছেপ্টেম্বৰ ঃ** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ নেতৃত্বত আজি জিলা প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ত একঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তাৎপৰ্যপূৰ্ণ যে বিগত দিন ধৰি চৰকাৰে প্ৰাথমিক শিক্ষকসকলৰ সমস্যাসমূহ সমাধান নকৰা বাবে এনেধৰণৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। আজিও শিক্ষক সন্মিলনীয়ে নতুন পেন্সন নীতি বাতিল কৰি পুৰণি পেন্সন নীতি বাহল ৰাখা, সকলো প্ৰকাৰ ঠিকাভিত্তিক শিক্ষকৰ চাকৰি নিয়মীয়া কৰা, ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ত থকা শিক্ষকবিৰোধী সকলো দফা প্ৰত্যাহাৰ কৰক, দেশৰ সকলো ৰাজ্যতে সপ্তম দৰমহা বিধি প্ৰয়োগ কৰক আৰু শিক্ষাত ব্যক্তিগত ৰাজহুৱা অংশীদাৰিত্ব বন্ধ কৰক আদি দাবীক লৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ আহ্বানত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ নেতৃত্বত আৰু যোৰহাট প্ৰাথমিক শিক্ষক সন্মিলনীৰ তত্বাৱধানত জিলা প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয় সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। শীঘ্ৰে উক্ত দাবীসমূহ ৰূপায়ণ নকৰিলে অনাগত দিনসমূহত ইয়াতকৈ অধিক জংগী আন্দোলন গঢ়ি তোলা হুংকাৰ প্ৰদান কৰে।




# ডিব্ৰুগড়ত ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত এককালীন আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২০ ছেপ্টেম্বৰ ঃ** আজি ডিব্ৰুগড়ৰ মানকটা কছাৰীবাৰীত অৱস্থিত শ্ৰীশ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত ডিব্ৰুগড় জিলাৰ হিতাধিকাৰীসকলক ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত এককালীন আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভ অনুষ্ঠানৰ যোগেদি আৰ্থিক সাহায্য প্ৰদান কৰা হয়। অনুষ্ঠানত প্ৰেক্ষাগৃহত উপস্থিত হিতাধিকাৰীসকলে ৰাজ্যৰ তেজপুৰ কলেজিয়েট ক্ষেত্ৰ, তেজপুৰ, শোণিতপুৰ জিলাৰ পৰা অসম মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে হিতাধিকাৰীক অনুমোদন-পত্ৰ প্ৰদান কৰা পোনপটীয়া প্ৰচাৰ প্ৰত্যক্ষ কৰে। আউনীআটী প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুমোদন-পত্ৰ বিতৰণ কাৰ্যসূচীত উপস্থিত আছিল ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, দুলীয়াজানৰ বিধায়ক টেৰচ গোৱালা, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু, জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া বীণা মেচ, জিলা উন্নয়ন বিষয়া সঞ্জয় দত্ত, বিভাগীয় বিশিষ্ট ব্যক্তি-প্ৰতিনিধিসকলসহ বিষয়া কৰ্মচাৰী আৰু ৰাইজ। উক্ত আঁচনিৰ জৰিয়তে ১৮ বছৰৰ পৰা ৪৫ বছৰ বয়সলৈকে স্বামীহীনা মহিলাক ২৫,০০০টকা এককালীন সাহায্য নিজৰ পৰিয়ালৰ সমৰ্থনৰ কাৰণে প্ৰদান কৰা হয়। এই আঁচনিৰ যোগেদি সমগ্ৰ ডিব্ৰুগড় জিলাত ৩৫৭গৰাকী স্বামীহীনা মহিলাক এককালীন সাহায্য প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীৰ বিতৰণ অনুষ্ঠানৰ অন্তত শ্ৰীশ্ৰী আউনীআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত আনুষ্ঠানিকভাৱে উপস্থিত বিধায়ক আৰু বিষয়াসকলে ৬গৰাকী বিধৱা মহিলা— জুনমণি ৰাজপুত, সাৱিত্ৰী শইকীয়া, সোণালী সোণোৱাল, বিদ্যাৰ্থী বৰুৱা, ডালিমী কোঁৱৰ আৰু বান্ধিনী কুঁৱৰৈক অনুমোদন-পত্ৰ প্ৰদান কৰে। ইয়াৰ পিছত উপস্থিত অন্য হিতাধিকাৰীসকলকো অনুমোদন-পত্ৰ বিতৰণ কৰা হয়।

## লংকাৰ অকচেক পথাৰত পোষণ মাহ উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ২০ ছেপ্টেম্বৰ ঃ** হোজাই জিলাৰ লংকা সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত অকচেক পথাৰ গাঁও পঞ্চায়তৰ এলেকাধীন অংগনৱাড়ী কৰ্মী-সহায়িকাসকলৰ দ্বাৰা ৰাষ্ট্ৰীয় পোষণ অভিযান উপলক্ষে পোষণ মাহৰ ব্যাপক প্ৰস্তুতি চলিছে। এই উপলক্ষে আজি ৰোহিণী পথাৰ অংগনৱাড়ী কেন্দ্ৰত অনুষ্ঠিত এখন সভাত প্ৰকল্পটিৰ ছুপাৰভাইজৰ মিনতি দেৱী উপস্থিত থাকি পোষণ অভিযান কাৰ্যসূচী ৰূপায়ণৰ লক্ষ্য আৰু উদ্দেশ্য আলোকপাত কৰে। প্ৰায় ২৯খন অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকা উপস্থিত থকা আলোচনা সভাত তেওঁ প্ৰসংগক্ৰমে কয় যে শিশুসকলক যিমানেই মৰম কৰিব আৰু ভালকৈ শিকাব সিমানেই নিজৰ সন্তান উপকৃত হ'ব। সেয়েহে নিজৰ সন্তান বুলি গণ্য কৰি শিশুক আগবঢ়াই লৈ যাওক। এনেদৰে তেওঁ কৰ্ম কৰাৰ বাবে প্ৰেৰণা যোগায়। স্থানীয় জ্যেষ্ঠ নাগৰিকে আঁত ধৰা এই সভাখনতে স্থানীয় জ্যেষ্ঠ শিক্ষক আব্দুল মন্নান লস্কৰ, ফখৰুল ইছলাম, হিফজুৰ ৰহমান, উদীয়মান যুৱক বিলাল উদ্দিনকে ধৰি ভালেমান লোক উপস্থিত আছিল। শেষত পোষণ মাহ সুচাৰুৰূপে পৰিচালনাৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় নাগৰিক মেহবুব আলম তাপাদাৰক সভাপতি, আব্দুল মান্নান লস্কৰক উপ-সভাপতি আৰু ফখৰুল ইছলামক সম্পাদক হিচাপে লৈ এখন পৰিচালনা সমিতি গঠন কৰি ২৭ ছেপ্টেম্বৰত অকচেকপথাৰ গাঁও পঞ্চায়ত কাৰ্যালয়ত অনুষ্ঠিত হ'বলগীয়া পোষণ মাহ কাৰ্যসূচী সফল কৰিবলৈ যাৱতীয় প্ৰস্তুতি হাতত ল'বলৈ দায়িত্ব অৰ্পণ কৰা হয়।

# ধুবুৰীত বিধৱা মহিলাক এককালীন আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২০ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাত আজি ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত এককালীন আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে ধুবুৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজন কৰা হয় এক অনুষ্ঠানৰ। ধুবুৰী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিশ্বজিৎ গোস্বামী প্ৰমুখ্যে বিভিন্ন উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াসকল আৰু হিতাধিকাৰী মহিলাৰ উপস্থিতিত অনুষ্ঠিত কাৰ্যসূচীত মুঠ তিনিগৰাকী বিধৱা মহিলাক আনুষ্ঠানিকভাৱে পঁচিশ হেজাৰ টকাৰ অনুমোদন-পত্ৰ প্ৰদান কৰা হয়। ধুবুৰী জিলাত পঞ্চায়ত আৰু পৌৰ এলেকাৰ মুঠ ৩৭১গৰাকী ১৮-৪৫ বছৰ বয়সৰ বিধৱা মহিলাক সদ্যহতে এককালীন আৰ্থিক সাহায্যৰ বাবে তালিকাভুক্ত কৰা হৈছে। তেওঁলোকক ধনৰাশি বেংক একাউন্টত পোনপতীয়াকৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে। স্থানীয় বিডিঅ'ৰ জৰিয়তে মহিলাসকলক এককালীন আৰ্থিক সাহায্যৰ অনুমোদন-পত্ৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে। উল্লেখ্য যে ধুবুৰী জিলা পুথিভঁৰালত আয়োজিত অনুষ্ঠানৰ মাজতে



তেজপুৰত অনুষ্ঠিত এককালীন আৰ্থিক সাহায্য প্ৰদানৰ কেন্দ্ৰীয় শুভাৰম্ভ অনুষ্ঠান আৰু তাত মুখ্য অতিথি হিচাপে উপস্থিত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ভাষণ অনলাইনযোগে পোনপতীয়াকৈ দেখুওৱা হয়।

# গোসাঁইগাঁৱৰ কাছিয়াবাৰীত দুৰ্ধৰ্ষ মটৰচাইকেল চোৰক গ্ৰেপ্তাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২০ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ ভাৰত-ভূটান সীমান্তৰ সাপকাটা আৰক্ষী চকীৰ অন্তৰ্গত কাছিয়াবাৰীত আজি এটা দুৰ্ধৰ্ষ মটৰচাইকেল চোৰক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। কালি কাছিয়াবাৰী বজাৰত এএছ-১৬-এইচ-৯৩১১ নম্বৰৰ হিমালয়ান মটৰচাইকেলখনৰ গৰাকী জিৰেন বসুমতাৰীয়ে বজাৰৰ এটা ঠাইত ৰাখি বজাৰ কৰিবলৈ যায়। তেওঁ বজাৰ কৰি কিছু সময় পাছত আহি মটৰচাইকেলখন তাত নেদেখি হতভম্ব হৈ পৰে। লগে লগে তেওঁ ঘটনাৰ বিষয়ে সাপকাটা আৰক্ষী চকীৰ আৰক্ষীক অৱগত কৰাত আৰক্ষীয়ে মটৰচাইকেলখন উদ্ধাৰ কৰাৰ বাবে অভিযান আৰম্ভ কৰে। কাছিয়াবাৰীৰ নিলগতে এটা গাঁৱলীয়া পথেৰে মটৰচাইকেলখন ঠেলি লৈ যোৱা অৱস্থাত আৰক্ষীয়ে মটৰচাইকেলসহ ঠেলি লৈ যোৱা চোৰটোক আটক কৰে। আৰক্ষীক দেখি মটৰচাইকেলখন ঠেলি লৈ যোৱা আনজালু মুছাহাৰী (২৬) নামৰ যুৱকজনে মটৰচাইকেলখন এৰি পলাবলৈ ধৰে যদিও স্থানীয় ৰাইজৰ সহযোগত আৰক্ষীয়ে খেদি খেদি মটৰচাইকেল চোৰটোক গ্ৰেপ্তাৰ কৰে। আটকাধীন চোৰটোক সাপকাটা আৰক্ষী চকীত আনি জেৰা কৰাত এই চুৰি কাণ্ডৰ লগত আৰু দুটা চোৰ জড়িত থকাৰ তথ্য লাভ কৰে আৰক্ষীয়ে। ইতিমধ্যে পলাই যোৱা দুটা চোৰক কৰায়ত্ত কৰাৰ বাবে আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে বুলি সাপকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া শিৱপ্ৰসাদ কলিতাই জানিবলৈ দিয়ে।

## কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ ২৩ ছেপ্টেম্বৰত ধুবুৰীত কাৰ্যনিৰ্বাহক সভাৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ অন্যতম শক্তিশালী সংগঠন কোচ-ৰাজবংশী সংগ্ৰাম সমিতি চমুকৈ কে আৰ এছ এছৰ এখন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক বৈঠক অহা ২৩ ছেপ্টেম্বৰত ধুবুৰী জিলাৰ ৰতিয়াদহ হাইস্কুল প্ৰাঙ্গণত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানমৰ্মে অনুষ্ঠিত কৰা হৈছে। উক্ত দিনা দিনৰ ১১ বজাৰ পৰা ৰতিয়াদহ হাইস্কুল প্ৰাঙ্গণত অনুষ্ঠিতব্য কাৰ্যনিৰ্বাহক সভাখনত অসমৰ ভূমিপুত্ৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ ন্যায্য-প্ৰাপ্য মৰ্যাদা প্ৰদান আন্দোলনৰ অগ্ৰগতিৰ পৰ্যালোচনা তথা জনজাতিৰ মৰ্যাদাৰ দাবীত আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ, সাংগঠনিক কৰ্মসূচী, সন্থাৰ ভৱিষ্যৎ কৰ্ম আঁচনি নিৰ্ণয়, অন্যান্য প্ৰসংগকে আদি কৰি জাতীয় জীৱনৰ লগত জড়িত ভালেকেইটা বিষয়ত পুংখানুপুংখভাৱে আলোচনামৰ্মে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। গুৰুত্বপূৰ্ণ বৈঠকখনিত কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়া, কাৰ্যনিৰ্বাহকৰ সদস্য-সদস্যা, উপদেষ্টা মণ্ডলী, জিলা সমিতি, মহকুমা সমিতিসমূহৰ সভাপতি, সম্পাদক, বিত্ত সম্পাদকসকল, কোচ-ৰাজবংশী মহিলা সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সভানেত্ৰী-যুটীয়া সম্পাদকদ্বয়কে প্ৰমুখ্য কৰি নেতৃবৃন্দক নিশ্চিতভাৱেই উপস্থিত থাকিবলৈ কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি কোচ ৰূপজ্যোতি দত্তই আহ্বান জনাইছে।

# বিধায়ক তেৰচ গোৱলাক কাষত বহুৱাই ডিব্ৰুগড় অসম চাহ জনগোষ্ঠী ছাত্ৰ সন্থাৰ সংবাদ মেল

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২০ ছেপ্টেম্বৰ ঃ** ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান নকৰা দিশত বিধায়ক তেৰচ গোৱলাক কাষতে বহুৱাই ককৰ্থনা কৰিলে শাসিত বিজেপিৰ চৰকাৰক ডিব্ৰুগড়ত অসম চাহ জনজাতি ছাত্ৰ সন্থাই। চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ধিৰাজ গোৱলাই বিধায়ক তেৰচ গোৱলাক কাষত বহুৱাই স্পষ্ট মতামত আগবঢ়ালে—'আমাক বাৰে বাৰে এই চৰকাৰখনে ঠগিছে, আমি কিন্তু মনে মনে বহি নাথাকো, যেতিয়ালৈকে চৰকাৰে আমাক নিজৰ পাপ্য প্ৰদান নকৰে আমি ছয় জনগোষ্ঠী ঐক্যমঞ্চই সংগ্ৰাম কৰি যাম। আমি অহা ২২ ছেপ্টেম্বৰত জনতা ভৱন ঘেৰাও কৰি ২৬ ছেপ্টেম্বৰত অসম বন্ধ ঘোষণা কৰিছোঁ। আমাৰ ঐক্যমঞ্চক চৰকাৰে পৃথক কৰিবৰ বাবে চেষ্টা কৰিছে যদিও আমি এনে হ'ব নিদিওঁ।' ইফালে, সাংবাদ মেলতে বিধায়ক তেৰচ গোৱলাৰ সাংবাদিকৰ প্ৰশ্নত মন্তব্য—মই এই জনগোষ্ঠীৰ এই ছাত্ৰ মঞ্চৰ পৰাই সংগ্ৰাম কৰি জনজাতিকৰণৰ দাবী উত্থাপন কৰি আজি বিধায়ক হ'লোঁ, কিন্তু চৰকাৰৰ এই সিদ্ধান্তত মই দুখ পাইছোঁ। মই ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু দেশৰ প্ৰধানমন্ত্ৰীক এই দিশত বিশেষভাৱে পদক্ষেপ হাতত ল'বলৈ অনুৰোধ কৰিছোঁ। যদি অহা নিৰ্বাচনৰ আগে ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান নকৰে তেতিয়া আমি বহু দিশত ৰাজনৈতিকভাৱে বিফল হ'ব লাগিব।' ডিব্ৰুগড় চহৰৰ আমোলাপট্টি নাট্য মন্দিৰত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত চাহ জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ সহযোগত এখন বিশেষ সাধাৰণ পৰিষদৰ সভাত অংশগ্ৰহণ কৰিছিল ডিব্ৰুগড়ৰ দুলীয়াজান সমষ্টিৰ বিধায়ক তেৰচ গোৱলাই। তাৰ পাছতে সম্বোধন কৰা সংবাদ মেলত এই মন্তব্য বিধায়কজনৰ।






## বিহালীত হাতী পোৱালিৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২০ ছেপ্টেম্বৰ ঃ** হাতী-মানুহৰ সংঘাত অব্যাহত থকাৰ সময়তে মঙলবাৰে বিহালী সমষ্টিৰ বালুপাৰা গাঁৱত সংঘটিত হৈছে অন্য এক অঘটন। মঙলবাৰে পুৱা উদ্ধাৰ হয় এটা মৃত হাতী পোৱালি। জানিব পৰা মতে এখন চাহ বাগিচাৰ এটা নলাত পৰি মৃত্যু হয় বনৰীয়া হাতী পোৱালিটোৰ। ঘটনাস্থলীত বৰগাং বনাঞ্চলিক বন বিষয়া চক্ৰপাণি ৰয়ৰ নেতৃত্বত বনকৰ্মী দল উপস্থিত হৈ আৰম্ভ কৰিছে তদন্ত। ইফালে মৃত হাতী পোৱালিটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষা কৰে বন বিভাগে।

## ধুবুৰীত 'দিশা'ৰ বৈঠক সম্পন্ন

# সাংসদ বদৰুদ্দিন আজমলৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত বিভিন্ন বিভাগৰ কামৰ পৰ্যালোচনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২০ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ সমিতি (দিশা)ৰ এখন গুৰুত্বপূৰ্ণ বৈঠক আজি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ তথা ধুবুৰী জিলা 'দিশা'ৰ অধ্যক্ষ মৌলানা বদৰুদ্দিন আজমলৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকখনত বিভিন্ন বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰা হয়। বৈঠকত স্বাস্থ্য, লোকনিৰ্মাণ, জলসম্পদ, জিলা পৰিষদ, জিলা গ্ৰামোন্নয়ন অভিকৰণ, জনস্বাস্থ্য কাৰিকৰী, কৃষি, ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান, বেংক, সৰ্বশিক্ষা, মধ্যাহ্ন ভোজন, চৰ অঞ্চল উন্নয়ন, জলসিঞ্চন, মীন, টেলিকম, বেংক আদি বিভিন্ন বিভাগৰ কাম-কাজ আৰু কাৰ্যসূচীৰ পুংখানুপুংখ পৰ্যালোচনা কৰাৰ লগতে জনপ্ৰতিনিধিসকলে বিভাগবোৰৰ বিষয়াসকলক বিভিন্ন বিষয় সন্দৰ্ভত পোনপতীয়াকৈ প্ৰশ্ন কৰে আৰু আঁচনি ৰূপায়ণ সন্দৰ্ভত গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। বৈঠকত বৰ্তমান চলি থকা আঁচনি আৰু প্ৰকল্পসমূহৰ ৰূপায়ণ খৰতকীয়া কৰাৰ লগতে ধুবুৰী জিলাৰ উন্নয়নৰ বাবে ল'বলগীয়া পদক্ষেপৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। বিগত 'দিশা' বৈঠকৰ কাৰ্যবিৱৰণী আৰু ইয়াৰ ভিত্তিত গ্ৰহণ কৰা কাৰ্য ব্যৱস্থাৰ বিষয়েও বৈঠকত আলোচনা কৰা হয়। ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ মৌলানা বদৰুদ্দিন আজমলে আজিৰ বৈঠকতে ধুবুৰী পৌৰসভাৰ পদেন সদস্য হিচাপে শপত গ্ৰহণ কৰে। বৈঠকত গৌৰীপুৰ সমষ্টিৰ বিধায়ক নিজানুৰ ৰহমান, বিলাসীপাৰা পূব সমষ্টিৰ বিধায়ক ছামচুল হুদা, কে'বাজনো বিধায়কৰ প্ৰতিনিধি, ধুবুৰী পৌৰসভাৰ পৌৰপতি ডাঃ দেৱময় সান্যালকে ধৰি বিভিন্ন পৌৰসভাৰ পৌৰপতি, পাৰিষদ, ধুবুৰী জিলা পৰিষদৰ সদস্য প্ৰমুখ্যে কে'বাজনো পঞ্চায়ত প্ৰতিনিধি, ধুবুৰী জিলাৰ উপায়ুক্ত অন্বামুথন এম পি, জিলা উন্নয়ন আয়ুক্ত কান্তা দাসৰ লগতে জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

# ওদালগুৰিত কেওট জাতীয় পৰিষদৰ উদ্যোগত শ্বহীদ দিৱস

## ভাৰত ত্যাগ আন্দোলনৰ শ্বহীদ কনকলতা বৰুৱাক স্মৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২০ ছেপ্টেম্বৰ ঃ** ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ শ্বহীদ বীৰাঙ্গনা কনকলতা বৰুৱাৰ স্মৃতিত আজি ওদালগুৰি চহৰৰ গান্ধী ময়দানত ওদালগুৰি জিলা কেওট জাতীয় পৰিষদৰ উদ্যোগত শ্বহীদ দিৱস পালন কৰা হয়। শ্বহীদ দিৱসৰ কাৰ্যসূচী অনুসৰি ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত অৱসৰী শিক্ষক নৰেশ্বৰ ডেকাই গান্ধীজীৰ প্ৰতিমূৰ্তিত আৰু ওদালগুৰি পৌৰসভাৰ উপ-পৌৰপতি প্ৰাচুৰ্য দাস আৰু জ্যেষ্ঠ সাংবাদিক গুণজিৎ দাসে শ্বহীদ কনকলতা বৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ পিছতে ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰতিগৰাকী শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। শ্বহীদ দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত স্মৃতিচাৰণ সভাত উপস্থিত থাকি ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত অৱসৰী শিক্ষক নৰেশ্বৰ ডেকাই ভাৰতৰ স্বাধীনতা আন্দোলন সন্দৰ্ভত ভাষণ আগবঢ়ায়। ওদালগুৰি জিলা কেওট জাতীয় পৰিষদৰ প্ৰধান সম্পাদক ধনদীপ বৰাই আঁত ধৰা এই অনুষ্ঠানত ওদালগুৰি পৌৰসভাৰ পৌৰপতি ৰাকেশ বড়ো, উপ-পৌৰপতি প্ৰাচুৰ্য দাস, ওদালগুৰি সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক দ্বিজেন বায়ন, ওদালগুৰি জিলা কেওট জাতীয় পৰিষদৰ সভাপতি যাদৱ ডেকাসহ আন কে'বাজনো ব্যক্তিয়েও শ্বহীদ কনকলতা বৰুৱা তথা দেশৰ স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগৰ বিষয়ে ভাষণ আগবঢ়ায়। ইপিনে, শ্বহীদ দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত আন্তঃ বিদ্যালয়-মহাবিদ্যালয় কুইজ প্ৰতিযোগিতাত এছব'ফোৰ্ড একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে প্ৰথম, এছপায়াৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে দ্বিতীয় আৰু ওদালগুৰি মহাবিদ্যালয়ে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। আজিৰ এই অনুষ্ঠানত ওদালগুৰিৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**LOST**

I have lost my HS registration card No-083238 for the session 2020-21.

Farhana Tasnim
D/O Baktiar Rahman.
Bhalukdubi, Goalpara.

**LOST**

I have lost my HSLC marksheet Roll-B 09, No-258 and HS marksheet Roll-0395, No-20004

Debendra Maru.
S/O Sohanlal Maru.
Milannagar, Goalpara.

## ৰাশিফলত আজিৰ দিনটো

**৪ আহিন, বুধবাৰ, ২১ ছেপ্টেম্বৰ, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা একাদশী, নক্ষত্ৰ ঃ পুষ্যা, জন্ম ৰাশি ঃ কৰ্কট**
**সূৰ্যোদয়- ৫-১৪-৪৪, সূৰ্যাস্ত- ৫-১৯-১৮**



■ **মেষ** ঃ উন্নত চিন্তা-ভাৱনা ■ **বৃষ** ঃ দাম্পত্য সুখ ■ **মিথুন** ঃ ৰোগ বৃদ্ধি ■ **কৰ্কট** ঃ ক্ৰীড়াত শুভ ■ **সিংহ** ঃ প্ৰেমত সফল ■ **কন্যা** ঃ নতুন উদ্যোগ ■ **তুলা** ঃ স্থান পৰিৱৰ্তন ■ **বৃশ্চিক** ঃ সন্তানৰ পৰা আনন্দ ■ **ধনু** ঃ কৰ্মক্ষেত্ৰত উন্নতি ■ **মকৰ** ঃ উত্তম বস্ত্ৰ লাভ ■ **কুম্ভ** ঃ ঘৰুৱা সম্পদ বৃদ্ধি ■ **মীন** ঃ কৰ্মত অৱহেলা।

**GOVERNMENT OF ASSAM OFFICE OF THE CHIEF ENGINEER: PWD: BUILDING: ASSAM: CHANDMARI: GUWAHATI-3.**

**No. CE/TB-lll/87/2021/5**

**PRESS NOTICE**

The Spl. Chief Engineer, P.W.D. (Building) Health & Education, Assam, on behalf of the Governor of Assam invites bids for the following works under P.W.D. (Bldg.), Assam from registered contractors having requisite experience in similar nature of work Details may be seen at e-procurement portal website i.e. www.assamtenders.gov.in

| Sl. No. | State/ Package | Name of Work | Approx Value of Work (Re. In Lakh) | Bid Security |
|---|---|---|---|---|
| 1 | PICU/ Nagaon/01 | Establishment of 14 bedded fully equipped PICU of T.B. ward (New Construction) in the B. P. Civil Hospital, Nagaon (Construction of 14 bedded PICU with MGPS with additional oxygen outlet, manifold plant room. donning & doffing area with doctors lounge, toilet changing room, centralized A.C. system with UV treated return and throw, CCTV surveillance with central control room, Automatic fire detection and fighting system, Generator, UPS etc.) | 470.40 | (2% for General, and 1% for Reserved category) |
| 2 | PICU/ Diphu/01 | Establishment of 23 bedded fully equipped PICU for COVID 19 Pandemic at Diphu Medical College and Hospital, Diphu (Construction of 23 bedded PICU with MGPS with additional 02 outlet, manifold plant room. donning & doffing area with doctors lounge, toilet changing room, centralized A.C. system with UV treated return and throw, CCTV surveillance with central control room, Automatic fire detection and fighting system, Generator, UPS etc.) | 404.33 | |

Note:- 1. NIT value may be changed during uploading of tender in the website, which may be seen in Detailed NIT of the bid document.
2. The bidders must be enrolled in www.assamtenders.gov.in

Sd/-
Spl. Chief Engineer, P.W.D. (Building), Health & Education
Assam, Chandmari, Guwahati-3.

Janasanyog/C/10446/22

# কাব্য চৰ্চা, অসমৰ সফলতাৰে ছটা বছৰ অতিক্ৰম আৰু সন্মান বিভূষণ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ২০ ছেপ্টেম্বৰ ঃ** দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে কাব্য চৰ্চা, অসমৰ বৰ্ষপূৰ্তি উপলক্ষে হোজাই জিলাৰ ডবকাৰ গণিপুৰত ষষ্ঠ বাৰ্ষিক কাব্যানুষ্ঠান- ২০২২ অনুষ্ঠিত হয়। অনুষ্ঠানখনিৰ লগত সংগতি ৰাখি কবি আৰু কবিতা বিষয়ক এক আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আলোচনা-চক্ৰত উপস্থিত থাকে লক্ষীমপুৰৰ এলটিকে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° ৰমেশ কুমাৰ কাকতি, বিশিষ্ট অনুবাদক, কবি সমালোচক তথা ডবকাৰ হাজী আনফৰ আলী কলেজৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ড° হাছিনুচ চুলতান, গোলাঘাটৰ বিশিষ্ট কবি ৰুনাল্ডো টাইড, ব'দালি আলোচনীৰ মুখ্য সম্পাদিকা স্পানানী গগৈ চেতিয়া, সম্পাদক মহেশ্বৰ বসুমতাৰী, দীপিকা ফুকন, শিৱসাগৰৰ চৈয়দা চায়ৰা বেগম, বিভা বিন্দু কোঁৱৰ, নলবাৰীৰ দেৱৰ্ষি গৌতম, তেজপুৰৰ ঝৰ্নালী শৰ্মা বৰকটকী, নগাঁৱৰ ৰিজুমণি দেৱী, মামু বৰা, অশোক ৰাম ভট্টাচাৰ্য, হাইছ উদ্দিন আহমেদ, কৰবী লিগিৰা, পশ্চিম কাৰ্বি আংলঙৰ নিৰলা ইংহিপীয়ে। আমন্ত্ৰিত অতিথি কবি আৰু হোজাইৰ প্ৰায় দুকুৰি কবিয়ে কবিতা পাঠ কৰে। কবিতা পাঠৰ অনুষ্ঠানটি সঞ্চালনা কৰে কবি আলহাজ মোস্তাফা আহমেদৰ লগতে সহযোগ কৰে শ্বাহনেৱাজ লস্কৰে। দ্বিতীয় কাৰ্যসূচী 'আজিৰ কবিতা' বিষয়ৰ ওপৰত আলোচনা-চক্ৰ অনুষ্ঠিত কৰা হয়। আলোচনা-চক্ৰ সঞ্চালনা কৰে ড° হাছিনুচ চুলতানে আৰু সহযোগ কৰে কাব্য চৰ্চা, অসমৰ প্ৰতিষ্ঠাপক তথা মুখ্য প্ৰশাসক ৰফিক উদ্দিনে। অনুষ্ঠানটিত ৰফিক উদ্দিনৰ সম্পাদিত যৌথ কাব্য সংকলন আৱাজ, স্বাহনেৱাজ লস্কৰৰ 'প্ৰেম আৰু জীৱনৰ স্বাৰ্থত' ৰাজুল আহমেদৰ 'আই-বোপাই' কাব্যগ্ৰন্থ উন্মোচন কৰা হয়। ইয়াৰ উপৰিও কে'বাগৰাকী ব্যক্তিক সন্মান বিভূষণ কৰা হয়। শিক্ষক জুবেৰ আহমেদ আৰু কামাল উদ্দিন চৌধুৰীক আব্দুল বাৰী খান সোঁৱৰণী বঁটা- ২০২২ প্ৰদান কৰা হয়। শুভানুধ্যায়ী সন্মান- ২০২২ প্ৰদান কৰা হয় ড° ৰমেশ কুমাৰ কাকতি, চৈয়দা চায়ৰা বেগম, অশোক কুমাৰ ভট্টাচাৰ্যক। কাব্যচৰ্চা সন্মান-২০২২ প্ৰদান কৰা হয় কবি কৰবী লিগিৰা আৰু সাংবাদিক তথা কবি ছাদিকুজ জামানক, কাব্যমিত্ৰ সন্মান-২০২২ প্ৰদান কৰা হয় মিনতি দেৱী কাকতি আৰু নুৰ উদ্দিন আহমেদক। সংবাদ সেৱাত কফিল উদ্দিন বৰভূঞাক সম্বৰ্ধনা জনোৱা হয়। সমাজ সেৱাত চাহাব উদ্দিন মজুমদাৰ, হাফিজ আলহাজ কলন্দৰ আলী বৰলস্কৰ আৰু ডাঃ এনামুল হক চৌধুৰীক সম্বৰ্ধনা জনোৱা হয়। সভাত সভাপতিত্ব কৰে কবি মুজাম্মিল আলীয়ে। সভাখনৰ আঁত ধৰে ৰিজুমণি দেৱী, মইদুল আলম বৰভূঞা আৰু শ্বাহ আব্দুল আজিজ খানে। অসমৰ ভিন্ন প্ৰান্তৰ পৰা আহি অনুষ্ঠানত উপস্থিত হোৱা কবি আৰু কাব্যপ্ৰেমী সমাজলৈ কাব্য চৰ্চা অসমৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে কাব্য চৰ্চা, অসমৰ প্ৰতিষ্ঠাপক তথা মুখ্য প্ৰশাসক ৰফিক উদ্দিনে।



## ওদালগুৰিত জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ধৰ্ণা

**ওদালগুৰি, ২০ ছেপ্টেম্বৰ ঃ** অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ আহ্বানত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ নেতৃত্বত জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত ধৰ্ণা কাৰ্যসূচী ।আজি ২০চেপ্তেম্বৰত অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ আহবানত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ নেতৃত্বত ওদালগুৰি আৰু ভেৰগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ তত্ত্বাৱধানত এক ঘন্টীয়া ধৰ্ণা কাৰ্যসূচী জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যলয় ওদালগুৰিত অনুষ্ঠিত হৈ যায় । তেওঁলোকৰ দাবী সমূহ ক্ৰমে শিক্ষাত সকলো প্ৰকাৰৰ ঠিকাভিত্তিক শিক্ষকক নিয়মীয়া কৰক ২০২০ ত থকা ৰাষ্ট্ৰীয় শিক্ষানীতি শিক্ষক বিৰোধী সকলো দা প্ৰত্যাহাৰ কৰক বাহাল ৰাখক পুৰণি পেঞ্চন নীতি দেশৰ সকলো ৰাজ্যতে সপ্তম দৰমহা বিধি প্ৰয়োগ কৰক, বিধিমতে প্ৰাপ্য আদায় দিয়ক ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্ব (PPP) বন্ধ কৰক আদি দাবী জনায় ।





## বিত্তমন্ত্ৰীক সাক্ষাৎ ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ, স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ২০ ছেপ্টেম্বৰ ঃ** সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ বিষয়ববীয়াৰ এক প্ৰতিনিধি দলে সমাজ কল্যাণ, বিত্ত তথা যোৰহাট জিলাৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগক সাক্ষাৎ কৰি এক আলোচনাত মিলিত হয়। যোৰহাট আৰ্তত ভৱনৰ সভাকক্ষত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ প্ৰতিনিধি দলটোৱে অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ বিভিন্ন সমস্যাৰ বিষয়ে মন্ত্ৰীগৰাকীক অৱগত কৰে। কেঁচা পাতৰ নিম্নগামী মূল্য, মাটিৰ পট্টাৰ সমস্যা আদি সম্বলিত এখন স্মাৰক-পত্ৰ মন্ত্ৰীগৰাকীক প্ৰদান কৰা হয়। উক্ত আলোচনাত মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, যোৰহাট জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মন, তিতাবৰ মহকুমাৰ মহকুমাধিপতি গায়ত্ৰী দেৱীদাস হাংগলেই, সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ কেন্দ্ৰীয় সভাপতি ৰাজেন বৰা, বিত্ত সম্পাদক ৰাজীৱ গোহাঁই, ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ যোৰহাট জিলা সমিতিৰ সভাপতি জীৱন শইকীয়া, সাধাৰণ সম্পাদক কৃষ্ণপ্ৰসাদ শৰ্মাকে আদি কৰি বিষয়ববীয়াসকল উপস্থিত থাকে। মৰিয়নি ৰাজহ চক্ৰৰ এলেকাধীন ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ অৰ্ধশতাধিক খেতিয়কে পট্টাৰ বাবে আবেদন কৰিছে যদিও এজনো খেতিয়কে মাটিৰ পট্টা আজিকোপতি পোৱালৈ সক্ষম নোহোৱাৰ বিষয়টো জিলা সমিতিৰ সাধাৰণ সম্পাদক কৃষ্ণপ্ৰসাদ শৰ্মাই মন্ত্ৰী অজন্তা নেওগক অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে অসমৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ সমস্যাবিলাক সমাধান কৰাৰ আশ্বাস দিয়ে।

## ধেমাজিত ৩৪৮ বিধৱা মহিলালৈ বিধৱা পেন্সন

### বানত ক্ষতিগ্ৰস্ত ৬২টা পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান অনুষ্ঠানৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২০ ছেপ্টেম্বৰ ঃ** আজি সমগ্ৰ ৰাজ্যৰ সমান্তৰালভাৱে ধেমাজি জিলাতো ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত এককালীন আৰ্থিক সাহায্য আৰু বানত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালক আৰ্থিক সাহায্য প্ৰদানৰ আজি শুভাৰম্ভণি অনুষ্ঠানটি ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। ধেমাজি উন্নয়ন খণ্ডৰ বিষয়া নবীন কামানে আঁত ধৰা সভাখনত আদৰণী ভাষণ ৰাখে ধেমাজি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰফুল্ল দেউৰীয়ে। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম চৰকাৰৰ শ্ৰমমন্ত্ৰী তথা ধেমাজি জিলাৰ অভিভাৱক মন্ত্ৰী সঞ্জয় কিষাণে অংশগ্ৰহণ কৰি কয় অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিখন মুকলি কৰি মহিলাসকলৰ সহায়ৰ হাত আগবঢ়াইছে। শাসনাধিষ্ঠিত চৰকাৰখনে মহিলাসকলক অধিক গুৰুত্ব প্ৰদান কৰি আহিছে আৰু আমাৰ বিভিন্ন আঁচনিৰ দ্বাৰা মহিলাসকল উপকৃত হৈছে বুলি উল্লেখ কৰে। তদুপৰি আৰ্থিকভাৱে দুৰ্বল পৰিয়ালসমূহে কিছু হ'লেও সকাহ পাব বুলি অৱগত কৰে। আজিৰ এই অনুষ্ঠানত ১৪নং লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱায়ো উক্ত আঁচনিখন সম্পৰ্কত অতি গুৰুত্বপূৰ্ণ বক্তব্য ৰাখে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানত ২০১৯ চনৰ এপ্ৰিল মাহৰ পাছত স্বামীহীন হোৱা ধেমাজি জিলাৰ ৩৪৮গৰাকী বিধৱা মহিলাক ইন্দিৰা মিৰি বিধৱা পেন্সন আঁচনিৰ দ্বাৰা ২৫,০০০ টকাৰ আৰ্থিক সাহায্য আৰু বানত ক্ষতিগ্ৰস্ত হোৱা ৬২টা পৰিয়ালক ১ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে ১১৪নং জোনাই সমষ্টিৰ বিধায়ক ভুবন পেগু, ধেমাজি জিলা পৰিষদৰ সভাপতি মোহন গগৈ, ধেমাজিৰ উপায়ুক্ত অসীম কুমাৰ ভট্টাচাৰ্য, অতিৰিক্ত উপায়ুক্ত নন্দিতা বয় গোহাঁই, জিলা বিজেপিৰ সভাপতি প্ৰেম দত্ত উপস্থিত থকাৰ লগতে ধেমাজি জিলা পৰিষদ আৰু উন্নয়ন খণ্ডসমূহৰ বিষয়ববীয়া, কৰ্মকৰ্তাসকল উপস্থিত থাকে। ইফালে, আজিৰ পৰা ১৮ বছৰৰ পৰা ৪৫ বছৰৰ মাজৰ বয়সৰ সকলো বিধৱা মহিলালৈকে এই আঁচনি খোলা থাকিব আৰু প্ৰতিগৰাকী এনে মহিলাই ২৫,০০০ হাজাৰ টকাকৈ এই ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ যোগেদি লাভ কৰিব বুলি সভাত উল্লেখ কৰে।



শিৱসাগৰত ৩০ ছেপ্টেম্বৰত মুক্তি পাবলগীয়া অসমীয়া বোলছবি 'ব্ৰীজ'ৰ প্ৰচাৰৰ কিছু মুহূৰ্ত


### নগাঁৱত ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ এককালীন আৰ্থিক সাহায্য প্ৰদান

# অহাবৰ্ষৰ গ্ৰীষ্মকালৰ পৰা লোডশ্বেডিং নহয় ঃ মন্ত্ৰী গাৰ্লোছা



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২০ ছেপ্টেম্বৰ ঃ** নগাঁও সাংস্কৃতিক প্ৰকল্পৰ সভাগৃহত আজি অনুষ্ঠিত এক অনুষ্ঠানত ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত নগাঁও জিলাৰ একাংশ বিধৱা মহিলাক এককালীন সাহায্য প্ৰদান কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰাজ্যৰ শক্তি আৰু সমবায় আদি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছাই কয় যে বৰ্তমানৰ চৰকাৰে মহিলা সবলীকৰণৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিছে। স্বামীৰ মৃত্যুৰ পিছত তেওঁলোকৰ পৰিবাৰসকল বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিধৱা মহিলাসকলৰ কল্যাণৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ দ্বাৰা বিধৱা মহিলাসকল উপকৃত হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে যে বিধৱা মহিলাসকলে মাহিলী পেন্সনৰ উপৰিও এককালীনভাৱে ২৫ হাজাৰ টকাৰ আৰ্থিক সাহায্য লাভ কৰিব। প্ৰথম পৰ্যায়ত এই আঁচনিৰ জৰিয়তে প্ৰায় ১২ হাজাৰ বিধৱা মহিলা উপকৃত হ'ব। ইফালে, সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে বিদ্যুতৰ লোডশ্বেডিংকে ধৰি বিভিন্ন সমস্যাৰ বিষয়ে কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। সমগ্ৰ ৰাজ্যখনত দেখা দিয়া বিদ্যুৎ সমস্যাসমূহ সমাধানৰ প্ৰয়াস কৰি থকা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শীঘ্ৰে এই সমস্যাসমূহৰ সমাধান হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। লগতে মন্ত্ৰীগৰাকীয়ে অহাবৰ্ষৰ গ্ৰীষ্মকালৰ পৰা লোডশ্বেডিং নহয় বুলিও উল্লেখ কৰে। অনুষ্ঠানত বিধায়ক ৰূপক শৰ্মা, জিলা উপায়ুক্ত নৱেন্দ্ৰ শাহ, অতিৰিক্ত উপায়ুক্ত দেৱাশিষ বৰা, নগাঁও জিলা পৰিষদৰ সভানেত্ৰী মুনমণি দাস বৰা, মুখ্য কাৰ্যবাহী বিষয়া অৰুণ শৰ্মা আদিয়ে অংশগ্ৰহণ কৰে। ইপিনে, মন্ত্ৰীগৰাকীয়ে আজি বিদ্যুৎ বিভাগৰ বিভিন্ন বিষয়া-কৰ্মচাৰীৰ সৈতে নগাঁও আৰ্তত ভৱনত এক পৰ্যালোচনা বৈঠকত মিলিত হয়। উক্ত বৈঠকত বিধায়ক ৰূপক শৰ্মাও উপস্থিত থাকে।

## জ্যেষ্ঠ শিল্পী মানিক চন্দ্ৰ দাসৰ মৃত্যু



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ উজানবজাৰ জাহাজঘাটৰ কুমাৰপাৰা নিবাসী মানিক চন্দ্ৰ দাসৰ বাৰ্ধক্যজনিত ৰোগত ১৯ ছেপ্টেম্বৰ নিশা ১২.৩০ বজাত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত বয়স হৈছিল ৭৬ বছৰ। ১৯৪৫ চনৰ ৩১ ডিচেম্বৰত উজানবজাৰত জন্ম গ্ৰহণ কৰা মানিক চন্দ্ৰ দাস অঞ্চলটোৰ এগৰাকী সৰুৱাই আৰু ধাৰ্মিক ব্যক্তি আছিল। ভাৰত চৰকাৰৰ গীত-নাট বিভাগত চাকৰি কৰা তেওঁ এগৰাকী প্ৰতিভাশালী শিল্পী আছিল। তদুপৰি তেওঁ আছিল এজন নাট্য পৰিচালক। বিভিন্ন নাটকত নৃত্য পৰিচালনা কৰিছিল। অসমৰ লগতে ভাৰতৰ বিভিন্ন ঠাইত নৃত্য প্ৰদৰ্শন কৰি প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছিল। অবসৰৰ পিছত তেওঁ একশৰণ নাম-ধৰ্মৰ এগৰাকী একনিষ্ঠ সেৱক হৈ বিভিন্ন ধাৰ্মিক সভাত অংশগ্ৰহণ কৰিছিল। এজন কৌতুক শিল্পী হিচাপেও জনপ্ৰিয় আছিল। তেওঁৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত পত্নী মিনু দাস, পুত্ৰ ফটো সাংবাদিক সঞ্জয় দাস আৰু এগৰাকী কন্যাৰ লগতে বহুবাৰী বোৱাৰী, জোঁৱাই আৰু নাতি-নাতিনীক ইহ সংসাৰত এৰি গৈছে।


NEMCARE Group of Institutions

Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Assam, ASTU Govt. of Assam, ANC Govt of Assam

ADMISSION OPEN FOR 2022-23

OUR COURSES

- B Pharm
- BSc Nursing
- D Pharm
- GNM
- B Pharm (Lateral)
- Master in Hospital Administration

CALL NOW FOR MORE INFORMATION | *Special Scholarship Available | Education Loan Facilities Available

98540 07355 | 98540 07356 | www.ngiguwahati.in | info@ngiguwahati.in

Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125

*T&C applicable



কেনৰা বেংক Canara Bank (A Government of India Undertaking) | সিণ্ডিকেট Syndicate

**বিক্ৰী জাননী**

**মৰাণ টাউন শাখা**
এ. টি. ৰোড, ডাকঘৰ ঃ মৰাণ
জিলা- ডিব্ৰুগড়, অসম-৭৮৫৬৭০

**ই-নিলাম বিক্ৰী জাননী, স্থাৱৰ সম্পত্তিৰ কাৰণে, চিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল অচেটছ এণ্ড এনফৰ্চমেণ্ট অৱ ছিকিউৰিটী ইণ্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**

জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক আৰু লগতে বিশেষভাৱে ঋণ লওঁতা আৰু গেৰেণ্টাৰক অৱগত কৰা হ'ল যে তলত উল্লেখ কৰা ছিকিয়ৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত স্থাৱৰ সম্পত্তি যিটো কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়াই কনষ্ট্ৰাকটিভ/শাৰীৰিক অধিগ্ৰহণ কৰে, বিক্ৰী হ'ব **"য'ত আছে"** আৰু **"যি ধৰণে আছে"** ভিত্তিত **৩১.১০.২০২২** তাৰিখত কানাড়া বেংকৰ তলৰ উল্লেখ কৰা শাখাৰ ঋণ লওঁতা আৰু গাৰেণ্টাৰৰ পৰা অনাদায়সমূহ আদায় কৰাৰ বাবে।
আমানত ধন জমা (ইএমডি) দিব লাগিব **২৭.১০.২০২২** তাৰিখ বা তাৰ পূৰ্বে বিয়লি ৪.০০ বজাত।
নিলাম হ'ব **"অনলাইন ই-নিলাম"** পদ্ধতিৰে http://indianbankseauction.com মাধ্যমেৰে।
**নিলামৰ তাৰিখ আৰু সময় ঃ ৩১.১০.২০২২, দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ।**
(বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)
শাখা, ঋণ লওঁতা/গেৰেণ্টাৰ, অনাদায় ধনৰ লগতে ইএমডি আৰু সম্পদৰ বিৱৰণ, সংৰক্ষিত মূল্য সম্পৰ্কত সবিশেষ ঃ

| ক্ৰঃ নং | (ক) ছিকিয়ৰ্ড ক্ৰেডিটৰ/শাখাৰ নাম আৰু ঠিকনা (খ) ঋণ লওঁতা/গেৰেণ্টাৰৰ নাম | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | (ক) মুঠ অনাদায় (টকা) ঃ (খ) সংৰক্ষিত মূল্য (টকা) ঃ (গ) ইএমডি (টকা) ঃ (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) ঃ |
|---|---|---|---|
| ১। | (ক) কানাড়া বেংক, মৰাণ টাউন শাখা, এ. টি. ৰোড, ডাকঘৰ ঃ মৰাণ, জিলা- ডিব্ৰুগড়, অসম-৭৮৫৬৭০ (খ) ঋণ লওঁতা/গেৰাণ্টাৰ ঃ ডলফিন ফ্ৰণ্টলাইন চাৰ্ভিছে স্বত্বাধিকাৰী ঃ ৰাজীৱ কুমাৰ চিৰাকল | ভূমি আৰু বিল্ডিঙৰ সকলো অংশ, পৰিমাপ হ'ল- ৮বি-০কে-০এল, আৱৰি আছে দাগ নং-১১২ আৰু ১১৩, পি পি নং-১৯, অৱস্থিত আছে- খোৱাং টি ই ৩১৯ নং এনএলআৰ গ্ৰাণ্ট গাঁও, মৌজা-খোৱাং, জিলা- ডিব্ৰুগড়, অসম (৭৮৫৬৭৫)। নামত আছে শ্ৰী ৰাজীৱ চিৰাকল। সম্পদৰ চাৰিসীমা ঃ উত্তৰে- পথ, দক্ষিণে- ১১৮নং দাগৰ ভূমি, পূবে- ১১৪নং দাগৰ ভূমি, পশ্চিমে- ৰে'লৰে ভূমি আৰু ট্ৰেক। | (ক) মুঠ অনাদায় ঃ ৪২,৬৯,৯৯৯/- + অতিৰিক্ত সুত আৰু ব্যয়। (খ) সংৰক্ষিত মূল্য ঃ ২৮.০০ লাখ (গ) ইএমডি ঃ ২.৮০ লাখ (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ২০,০০০/- |

বিক্ৰীৰ ক্ষেত্ৰত সবিশেষ তথ্য আৰু চৰ্তৰ বাবে কানাড়া বেংকৰ ৱেবছাইট (www.canarabank.com)ত দিয়া 'ই-নিলাম' লিংক চাওক বা যোগাযোগ কৰিব পাৰিব মেনেজাৰ, মৰাণ টাউন শাখা, যোগাযোগ নং ঃ ৯৬৭৮৬৯৬৪৪৬ কাৰ্যালয় চলি থকা সময়ত যিকোনো কৰ্ম দিনত।

**তাৰিখ ঃ ১৯.০৯.২০২২, স্থান ঃ মৰাণ টাউন** — **কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক**



IIFL FINANCE

CIN: **L67100MH1995PLC093797**
**Reg Office:** IIFL House, Sun Infotech Park, Road No. 16V, Plot No.B-23, Thane Industrial Area, Wagle Estate, Thane - 400604
Tel: (91-22) 41035000 • Fax: (91-22) 25806654
• E-mail: reach@iifl.com • Website: www.iifl.com

**সোণৰ গহনা নিলামৰ বাবে ৰাজহুৱা জাননী**

**ইয়াৰ দ্বাৰা জনসাধাৰণক জনোৱা হয় যে গ'ল্ড লোন একাউণ্ট নম্বৰ,** GL12830154, GL13056648, GL13414324, GL13655666, GL13835723, GL14225696, GL14249936, GL14319239, GL14378423, GL14385236, GL14390248, GL14397784, GL14398814, GL14399300, GL14415853, GL14417466, GL14417548, GL14441175, GL14454120, GL14463801, GL14470750, GL14476145, GL14482499, GL14500216, GL14501156, GL14512199, GL14513018, GL14513268, GL14517271, GL14518890, GL14531327, GL14535870, GL14552103, GL14562420, GL14564798, GL14578433, GL14578749, GL14579399, GL14580906, GL14594424, GL14607026, GL14630462, GL14631559, GL14658259, GL14659857, GL14659981, GL14666254, GL14676733, GL14697132, GL14718764, GL14726755, GL14754737, GL14763612, GL14834128, GL14844973, GL14891341, GL14916055, GL14926370, GL14939186, GL14939496, GL14939691, GL14942672, GL14958605, GL14991513, GL15002886, GL15013101, GL15019244, GL15019768, GL15052874, GL15074988, GL15094566, GL15099988, GL15148705, GL15150750, GL15155115, GL15158944, GL15159955, GL15166979, GL15194100, GL15200533, GL15212619, GL15233919, GL15235425, GL15241713, GL15294210, GL15297685, GL15310830, GL15325152, GL15325838, GL15329676, GL15335247, GL15353418, GL15381437, GL15393465, GL15393632, GL15393828, GL15393995, GL15414452, GL15416148, GL15422038, GL15455178, GL15462507, GL15477837, GL15478569, GL15484261, GL15510376, GL15515985, GL15525779, GL15528508, GL15539051, GL15568403, GL15571331, GL15575999, GL15583610, GL15591396, GL15594279, GL15594528, GL15595524, GL15605108, GL15615572, GL15618343, GL15620432, GL15625220, GL15630512, GL15701286, GL15717851, GL15731948, GL15733107, GL15739180, GL15764304, GL15774041, GL15787782, GL15789074, GL15797339, GL15801878, GL15820072, GL15832429, GL15847285, GL15869124, GL15881145, GL15883726, GL15885548, GL15892956, GL15895570, GL15904179, GL15905972, GL15940785, GL15946566, GL15951781, GL15954385, GL15957498, GL15962502, GL15971761, GL15973271, GL15978818, GL15982482, GL15984388, GL15990057, GL16012680, GL16014378, GL16015596, GL16065777, GL16068923, GL16070824, GL16077541, GL16086329, GL16087908, GL16092344, GL16118557, GL16151429, GL16155904, GL16161937, GL16167814, GL16183878, GL16188488, GL16208773, GL16212936, GL16233093, GL16261080, GL16270401, GL16281524, GL16298477, GL16318086, GL16324879, GL16327323, GL16346396, GL16347758, GL16401479, GL16403555, GL16412351, GL16413979, GL16419013, GL16436876, GL16453779, GL16464890, GL16502647, GL16507875, GL16510668, GL16513020, GL16521163, GL16525144, GL16538755, GL16546473, GL16546950, GL16556264, GL16587760, GL16594955, GL16622971, GL16625097, GL16649821, GL16652274, GL16652344, GL16652413, GL16659046, GL16671889, GL16698428, GL16708730, GL16708897, GL16722652, GL16723263, GL16735570, GL16753197, GL16826383, GL16844896, GL16848742, GL16901576, GL16903124, GL16907678, GL16913106, GL16915786, GL16922032, GL16948055, GL16954965, GL16975869, GL16984740, GL16988568, GL17007125, GL17012253, GL17017720, GL17025380, GL17026151, GL17030578, GL17032436, GL17034654, GL17062035, GL17063405, GL17067082, GL17080498, GL17086549, GL17088193, GL17102279, GL17106227, GL17106268, GL17109540, GL17132743, GL17141526, GL17142884, GL17143807, GL17147700, GL17152853, GL17160525, GL17168268, GL17183017, GL17185327, GL17199612, GL17212587, GL17214172, GL17214822, GL17274676, GL17305723, GL17316979, GL17317307, GL17320684, GL17330727, GL17338999, GL17375499, GL17381151, GL17393281, GL17402189, GL17419533, GL17437847, GL17438322, GL17453987, GL17467570, GL17480389, GL17499532, GL17512815, GL17574447, GL17586144, GL17589989, GL17595139, GL17613645, GL17614021, GL17614046, GL17617321, GL17619628, GL17636468, GL17646981, GL17651108, GL17651555, GL17653530, GL17661609, GL17663305, GL17664340, GL17676463, GL17716362, GL17729962, GL17737033, GL17741337, GL17766407, GL17783231, GL17799093, GL17803193, GL17806473, GL17821304, GL17824270, GL17828676, GL17846575, GL17858363, GL17861130, GL17861390, GL17861455, GL17862843, GL17891417, GL17899968, GL17900116, GL17940599, GL17941072, GL17958107, GL17959691, GL17963652, GL17972625, GL17989997, GL17991189, GL17993131, GL17997460, GL18003469, GL18017343, GL18026454, GL18029425, GL18030502, GL18030525, GL18030531, GL18030678, GL18030681, GL18033657, GL18033947, GL18038192, GL18038472, GL18041153, GL18041810, GL18043323, GL18048563, GL18052020, GL18053032, GL18056095, GL18057891, GL18059365, GL18066468, GL18071185, GL18071414, GL18074501, GL18079008, GL18079021, GL18085008, GL18085945, GL18088167, GL18104941, GL18109573, GL18110893, GL18131566, GL18134812, GL18139755, GL18167057, GL18179183, GL18231860, GL18275411, GL18280494, GL18281733, GL18294868, GL18304770, GL18315842, GL18317917, GL18333239, GL18336286, GL18348815, GL18353054, GL18385205, GL18404030, GL18409838, GL18444142, GL18445271, GL18452242, GL18453991, GL18459835, GL18463037, GL18474303, GL18495850, GL18503656, GL18512798, GL18515602, GL18519223, GL18526518, GL18527924, GL18544715, GL18549248, GL18553816, GL18554817, GL18603257, GL18620200, GL18627507, GL18629661, GL18648594, GL18658992, GL18660202, GL18669014, GL18677023, GL18679947, GL18682036, GL18685570, GL18685715, GL18690401, GL18692858, GL18707918, GL18708385, GL18712163, GL18712619, GL18734605, GL18741284, GL18753958, GL18754590, GL18759536, GL18762755, GL18767463, GL18768589, GL18778342, GL18784859, GL18815311, GL18821914, GL18837506, GL18839167, GL18840863, GL18846165, GL18850016, GL18854197, GL18855056, GL18862366, GL18862917, GL18863819, GL18866350, GL18866819, GL18867177, GL18870032, GL18872378, GL18876008, GL18876378, GL18877051, GL18877708, GL18884605, GL18884721, GL18895700, GL18900029, GL18907411, GL18914610, GL18914635, GL18916386, GL18921113, GL18921245, GL18924523, GL18928136, GL18951403, GL18953251, GL18957207, GL18965192, GL18978109, GL18985985, GL18991039, GL18993897, GL19008179, GL19015019, GL19016117, GL19020274, GL19027112, GL19029072, GL19032372, GL19040768, GL19042801, GL19049718, GL19051238, GL19058831, GL19069317, GL19103852, GL19125972, GL19131789, GL19137396, GL19139408, GL19141924, GL19157216, GL19159064, GL19161367, GL19167228, GL19176912, GL19198611, GL19200047, GL19201766, GL19213652, GL19220934, GL19221617, GL19223168, GL19229025, GL19229263, GL19231065, GL19237106, GL19240671, GL19240715, GL19242664, GL19249383, GL19258676, GL19261810, GL19263823, GL19267953, GL19268026, GL19271786, GL19280719, GL19281762, GL19281866, GL19288324, GL19289057, GL19290015, GL19290840, GL19291816, GL19302774, GL19303595, GL19305249, GL19312345, GL19315085, GL19315539, GL19326003, GL19341749, GL19348266, GL19359769, GL19362771, GL19363250, GL19363792, GL19375126, GL19378726, GL19389502, GL19392242, GL19395744, GL19399111, GL19409376, GL19410452, GL19415004, GL19417381, GL19419142, GL19421971, GL19425415, GL19430207, GL19433721, GL19438699, GL19446613, GL19447748, GL19457819, GL19462228, GL19474463, GL19476743, GL19477941, GL19500307, GL19504171, GL19513518, GL19520119, GL19538042, GL19544614, GL19554290, GL19562689, GL19566832, GL19576874, GL19577571, GL19586788, GL19587916, GL19588776, GL19589130, GL19609187, GL19611151, GL19620860, GL19627190, GL19629890, GL19633949, GL19635955, GL19640311, GL19643440, GL19647129, GL19648913, GL19656456, GL19667069, GL19709536, GL19713989, GL19722700, GL19725854, GL19731639, GL19734271, GL19747811, GL19748836, GL19756289, GL19757347, GL19759482, GL19765656, GL19767575, GL19768301, GL19769108, GL19784491, GL19787277, GL19790080, GL19795571, GL19797689, GL19815455, GL19817091, GL19829728, GL19834372, GL19834860, GL19844533, GL19847689, GL19869518, GL19874015, GL19896960, GL19899534, GL19906050, GL19907687, GL19915934, GL19917556, GL19918621, GL19920924, GL19950229, GL19953563, GL19972597, GL20005956, GL20048828, GL20052188, GL20058415, GL20079732, GL20090082, GL20099526, GL20103952, GL20109640, GL20116081, GL20116214, GL20116759, GL20117804, GL20129838, GL20130025, GL20130560, GL20136900, GL20146375, GL20154659, GL20157146, GL20157853, GL20162357, GL20178222, GL20183279, GL20190984, GL20193315, GL20193602, GL20195416, GL20198681, GL20206677, GL20212598, GL20213485, GL20220388, GL20224270, GL20228908, GL20240237, GL20246264, GL20265878, GL20275273, GL20289728, GL20300522, GL20313881, GL20323170, GL20333795, GL20349902, GL20381551, GL20408623, GL20445614, GL20460462, GL20463496, GL20475889, GL20480240, GL20480675, GL20482678, GL20517894, GL20536302, GL20547057, GL20552605, GL20552795, GL20553094, GL20554739, GL20581564, GL20583399, GL20586796, GL20588072, GL20609277, GL20624023, GL20631393, GL20668741, GL20671109, GL20676646, GL20715303, GL20715498, GL20725151, GL20726766, GL20728895, GL20730717, GL20732094, GL20741546, GL20758631, GL20762687, GL20766400, GL20776935, GL20779237, GL20797655, GL20812417, GL20826455, GL20831352, GL20849038, GL20854797, GL20863378, GL20864837, GL20871943, GL20891217, GL20891751, GL20893768, GL20894367, GL20905314, GL20906395, GL20907092, GL20911557, GL20915752, GL20924844, GL20930655, GL20930756, GL20931049, GL20955190, GL20957756, GL20958837, GL20962866, GL20976786, GL20980465, GL20999964, GL21001644, GL21002209, GL21004797, GL21008870, GL21038471, GL21043749, GL21046320, GL21048220, GL21065456, GL21071972, GL21072130, GL21101813, GL21106011, GL21117226, GL21118786, GL21120708, GL21121311, GL21124972, GL21125752, GL21126173, GL21129096, GL21129505, GL21130886, GL21145675, GL21150435, GL21153637, GL21165567, GL21171083, GL21171828, GL21172297, GL21173794, GL21174489, GL21175278, GL21175992, GL21176568, GL21176721, GL21176962, GL21176996, GL21179383, GL21180086, GL21181100, GL21182794, GL21182937, GL21184962, GL21185606, GL21189075, GL21190416, GL21191204, GL21191966, GL21192892, GL21194121, GL21194159, GL21194909, GL21195241, GL21196020, GL21196033, GL21201172, GL21203916, GL21206167, GL21206388, GL21206818, GL21207389, GL21207682, GL21207974, GL21208205, GL21210175, GL21210528, GL21210583, GL21211951, GL21212961, GL21213091, GL21213129, GL21214525, GL21217338, GL21217389, GL21222717, GL21226217, GL21227335, GL21227798, GL21233943, GL21234967, GL21235797, GL21236300, GL21242824, GL21245076, GL21246188, GL21246304, GL21247076, GL21247852, GL21248256, GL21248374, GL21249436, GL21249618, GL21249748, GL21249978, GL21250228, GL21250505, GL21251177, GL21251704, GL21253242, GL21259994, GL21260264, GL21262353, GL21264091, GL21264510, GL21266121, GL21266461, GL21268484, GL21269412, GL21269860, GL21270032, GL21276341, GL21277605, GL21277731, GL21279519, GL21280889, GL21282273, GL21282461, GL21282521, GL21282628, GL21282960, GL21284253, GL21285640, GL21288291, GL21292890, GL21297338, GL21297644, GL21298219, GL21298732, GL21298855, GL21300372, GL21300776, GL21307179, GL21307936, GL21308351, GL21308380, GL21309457, GL21310130, GL21310359, GL21310726, GL21312750, GL21317628, GL21317762, GL21318107, GL21318128, GL21318195, GL21318261, GL21318286, GL21318916, GL21318972, GL21319042, GL21321274, GL21321383, GL21325110, GL21326048, GL21326709, GL21326807, GL21327637, GL21327703, GL21327735, GL21327816, GL21328053, GL21329344, GL21330662, GL21331461, GL21331500, GL21331516, GL21332285, GL21335107, GL21335296, GL21335741, GL21337705, GL21338501, GL21339441, GL21353670, GL21356002, GL21359821, GL21362993, GL21366513, GL21368110, GL21377879, GL21377918, GL21379742, GL21380238, GL21380911, GL21382449, GL21383741, GL21384593, GL21385179, GL21386916, GL21387487, GL21388692, GL21389991, GL21390618, GL21392755, GL21400258, GL21401320, GL21401663, GL21402138, GL21404262, GL21406169, GL21406344, GL21406681, GL21406869, GL21407019, GL21407437, GL21407530, GL21407636, GL21409212, GL21411309, GL21417623, GL21418179, GL21421898, GL21423827, GL21423846, GL21423927, GL21424530, GL21424746, GL21424778, GL21425287, GL21425723, GL21425924, GL21426009, GL21426640, GL21427636, GL21428771, GL21429926, GL21430565, GL21435569, GL21436175, GL21437550, GL21438208, GL21438544, GL21439511, GL21440091, GL21440286, GL21441975, GL21442159, GL21442688, GL21442701, GL21443099, GL21443997, GL21444221, GL21444643, GL21446008, GL21446456, GL21446784, GL21446944, GL21446985, GL21447271, GL21452740, GL21453790, GL21454332, GL21454518, GL21455862, GL21455977, GL21457268, GL21457597, GL21457732, GL21458462, GL21459501, GL21461020, GL21461073, GL21461158, GL21463715, GL21469396, GL21469864, GL21470043, GL21470517, GL21470817, GL21471186, GL21472167, GL21473196, GL21474389, GL21474606, GL21474672, GL21475316, GL21476382, GL21476946, GL21478313, GL21478534, GL21479032, GL21479177, GL21479636, GL21480691, GL21482882, GL21483206, GL21484216, GL21485321, GL21486095, GL21486278, GL21486672, GL21487228, GL21491664, GL21492749, GL21493057, GL21493836, GL21494912, GL21497325, GL21497458, GL21502537, GL21503353, GL21505011, GL21505501, GL21507826, GL21508090, GL21508727, GL21509242, GL21509414, GL21511056, GL21511775, GL21511997, GL21512156, GL21512316, GL21512731, GL21513300, GL21520944, GL21521274, GL21521379, GL21521614, GL21523425, GL21524623, GL21525040, GL21527101, GL21527318, GL21527964, GL21527992, GL21528541, GL21529969, GL21534247, GL21534981, GL21535120, GL21535974, GL21541606, GL21543639, GL21544209, GL21545321, GL21550166, GL21551304, GL21552154, GL21552300, GL21553344, GL21553518, GL21554312, GL21555714, GL21555776, GL21558481, GL21559194, GL21560597, GL21565865, GL21566802, GL21567733, GL21567908, GL21568835, GL21570564, GL21570629, GL21572105, GL21572144, GL21572297, GL21572347, GL21572911, GL21573673, GL21573994, GL21574214, GL21575232, GL21575877, GL21581156, GL21584277, GL21587458, GL21587758, GL21588000, GL21588602, GL21588981, GL21589374, GL21590157, GL21590316, GL21590721, GL21591284, GL21591402, GL21591553, GL21591832, GL21593281, GL21593732, GL21595465, GL21701340, GL21701827, GL21702081, GL21731868, GL21822364, GL21874072, GL21874821, GL21898827, GL21909721, GL21944115, GL21993021, GL21999976, GL22024699, GL22029755, GL22183756, GL22329714, GL22520722, GL22630568, GL22810677, GL22827127, GL23040069.

আমি বন্ধকত থোৱা সোণৰ গহনাৰ নিলাম **24-09-2022**-ৰ ৰাতিপুৱা **10.00** বজাত পৰ্যায়ক্ৰমে মহকুমা / কেন্দ্ৰত আয়োজন কৰিছো য'ৰ পৰা এনে ল'ন লোৱা হৈছিল। এনে সদৰ / কেন্দ্ৰসমূহৰ ঠিকনা আমাৰ ৱেবচাইট **www.iifl.com** ত অৱগত কৰা হৈছে। আদায় নিদিয়া সকলো গ্ৰাহকৰ নিলামৰ জাননীৰ দ্বাৰা পূৰ্বেই অৱগত কৰা হৈছিল। আদায় নিদিয়া ঋণ লওঁতা সকলৰ বন্ধকত থোৱা সোণৰ গহনা আৰু অন্যান্য সবিশেষ, সংশ্লিষ্ট সদৰ / কেন্দ্ৰসমূহত উপলব্ধ। নিলাম প্ৰক্ৰিয়াৰ বিষয়ে সংশ্লিষ্ট শাখাসমূহত উপলব্ধ। এই জাননী প্ৰকাশ পোৱাৰ পিছতো আদায় নিদিয়া ঋণ লওঁতা সকলৰ প্ৰযোজ্য মূল্যসমূহৰ সৈতে সম্পূৰ্ণ বকেয়া আদায় দিয়াৰ বাবে বিকল্প থাকে, কিন্তু এই বিকল্প নিলামৰ তাৰিখ পৰ্যন্তহে প্ৰযোজ্য। যি কি নহওঁক, যি সকল ঋণ লওঁতাই **21-09-2022**-ৰ এই প্ৰকাশনৰ দিনত বা ইয়াৰ পিছত তেওঁলোকৰ বকেয়া ধন আদায় দিয়ে, সেই সকলে আনুপাতিক প্ৰকাশন মূল্যও আদায় দিব লাগিব।

ডাক দিয়া সকলক **23-09-2022**-ত সোণৰ গহনা পৰীক্ষণ কৰি তেওঁলোকৰ ক্ৰয়ৰ পৰিমাণ জনাবলৈ আমন্ত্ৰণ জনোৱা হৈছে। সোণৰ গহনা ''যেনেকৈ আছে য'ত আছে'' স্থিতি অনুসৰি নিলাম কৰা হৈছে। এই নিলাম কোম্পানীয়ে নিৰ্দ্ধাৰণ কৰা প্ৰক্ৰিয়া তথা নিয়ম আৰু চৰ্তৰ আধাৰত কৰা হ'ব। সংশ্লিষ্ট আদায় নিদিয়া সকলৰ ক্ষেত্ৰত কৰা এই নিলাম যদি নিলামৰ দিনত সম্পূৰ্ণ নহয়, তেন্তে বন্ধকত থোৱা সোণৰ গহনা পৰৱৰ্তী দিন (সমূহ) ত পুনৰ জাননীৰ অবিহনে কৰা হ'ব। নিলামৰ নিয়ম আৰু চৰ্তসমূহ কোম্পানীৰ স্ব-বিবেচনাত সলনি কৰা হ'ব। নিলামত ভাগ লোৱা আৰু ডাক গ্ৰহণ কৰাটো কেৱল কোম্পানীৰ স্ব-বিবেচনাত হ'ব।

আইআইএফএল ফাইনেন্স লিমিটেডে কোনো আগতীয়া জাননী নিদিয়াকৈ নিলাম তালিকাৰ পৰা যি কোনো একাউণ্ট আঁতৰোৱাৰ অধিকাৰ সংৰক্ষিত ৰাখে আৰু কোনো আগতীয়া জাননী নিদিয়াকৈ নিলামৰ তাৰিখ বাতিল / সলনি কৰাৰো অধিকাৰ সংৰক্ষিত ৰাখে।

**Date: 21-09-2022**

যি কোনো অন্য সবিশেষৰ বাবে অনুগ্ৰহ কৰি যোগাযোগ কৰক: — প্ৰাধিকৃত বিষয়া

**IIFL FINANCE LTD, 2nd Floor, Dipannita Complex, G S Road, Dispur, Guwahati - 781006 • Contact: 8876520262** — (আইআইএফএল ফাইনেন্স লিমিটেড)



SBFC | SMALL BUSINESS FINCREDIT

**এছ বি এফ চি ফাইনেন্স প্ৰাঃ লিঃ**

পঞ্জীয়ন কাৰ্যালয় ঃ ইউনিট নং- ১০৩, প্ৰথম মহলা, চি এণ্ড বি স্কোৱাৰ, সংগম কমপ্লেক্স, চি টি এছ নং- ৯৫এ, ১২৭, আন্ধেৰি কুৰ্লা ৰোড, গাঁও চকলা, আন্ধেৰি (ই), মুম্বাই-৪০০০৫৯। টেলিফোনঃ+৯১ ২২৬৭৮৭৫৩০০। ফেক্সঃ +৯১ ২২৬৭৮৭৫৩৩৪। www.SBFC.com। কৰ্পোৰেট আইডেনটিটি নং ঃ ইউ ৬৭১৯০এম এইচ ২০০৮ পি টি চি ১৭৮২৭০

**ৰাজহুৱা জাননী**

**ৰাইজক ইয়াৰ দ্বাৰা অৱগত কৰা হ'ল যে বন্ধকত ৰখা সোণৰ গহণা নিলাম কৰা হ'ব এছ বি এফ চি ফাইনেন্স প্ৰাইভেট লিমিটেডৰ দ্বাৰা ২৭.০৯.২০২২ৰ ১০.৩০ বজাত, এছ বি এফ চি ফাইনেন্স প্ৰাইভেট লিমিটেড, ডিব্ৰুগড় শাখা, মাৰফৎ হনুমান ড্ৰাগছ, দ্বিতীয় মহলা, এইছ এছ ৰোড, ডিব্ৰুগড়, পিন-৭৮৬০০১, অসমৰ ঠিকনাত আৰু ফোন নংঃ ৯১৩৬৯৫০৩১০।**
আমাৰ বিভিন্ন গ্ৰাহকৰ লোন একাউণ্টৰ ভিত্তিত সোণৰ গহণাসমূহ নিলাম কৰা হ'ব যিসকলে ঋণ আদায়ত ব্যৰ্থ হৈছে। আমাৰ নিলামৰ জাননী ঋণ লওতালৈ প্ৰেৰণ কৰা হৈছিল। আমাৰ বিভিন্ন গ্ৰাহকৰ তলত উল্লেখ কৰা শাখা সমূহত আদায় দিব লগা ধনৰ বাবেই সোণৰ গহণাৰ নিলাম কৰা হ'ব।
এপি ০০১৯৯২৩০, এপি ০০২৬৬৫৮৫, এপি ০০৩১২৩৫৩, এপি ০০৩১৩৩৭৫, এপি ০০৩৩৪৪৭৩, এপি ০০৩৮৩৭৯৭, এপি ০০৩৯৮০৩৬, এপি ০০৩৯৯৩৯৮, এপি ০০৪১৫০৪৩, এপি ০০৪৩০৪০৯, এপি ০০৪৪১৩৪৫, এপি ০০৪৪৮৬৯৮

**গুৱাহাটী শাখাৰ নিলাম অনুষ্ঠিত হ'ব ২৭.০৯.২০২২ৰ ১০.৩০ বজাত, এছ বি এফ চি ফাইনেন্স প্ৰাইভেট লিমিটেড, শাখা ঠিকনাঃ জালুকবাৰী জামামছজিদৰ বিপৰীতে, এম আৰ এফ টায়াৰ শ্ব'ৰুমৰ ওপৰত, জালুকবাৰী, গুৱাহাটী, অসম। পিন ৭৮১০১৪, ফোন ৭৩০৪৫৮৮১৫২।**
**গুৱাহাটী শাখা ঃ** এপি ০০২৭৮৩০২, এপি ০০৩২০৫২০, এপি ০০৩৩৯৬৭৮, এপি ০০৩৪১৩২৬, এপি ০০৩৪৮১৯৮, এপি ০০৩৫২৬৪০, এপি ০০৩৭৭৩৩৪, এপি ০০৩৯৩৬৮৪, এপি ০০৩৯৭৬৯৯, এপি ০০৩৯৮২৪৫, এপি ০০৪৪০০৫৯, এপি ০০৪৪০৮৬০

**যোৰহাট শাখাৰ নিলাম অনুষ্ঠিত হ'ব ২৭.০৯.২০২২ৰ ১০.৩০ বজাত, এছ বি এফ চি ফাইনেন্স প্ৰাইভেট লিমিটেড, শাখা ঠিকনাঃ পি পি প্লাজা, প্ৰথম মহলা, ৰূপহী আলী, যোৰহাট- ৭৮৫০০১, অসম। ফোন ঃ ৯১৩৬৯৫০৩০৯**
**যোৰহাট শাখা ঃ** এপি ০০১৮৭০৮৯, এপি ০০১৯০৪৮২, এপি ০০১৯১১৪৮, এপি ০০২০৬০০০, এপি ০০২১১০৩১, এপি ০০২১২১৮৭, এপি ০০২৬৭৯৯৩, এপি ০০২৭৮৭৮৮, এপি ০০৩১৭৬৬০, এপি ০০৩২৪১৯২, এপি ০০৩৩৪৫৫০, এপি ০০৩৩৬২১১, এপি ০০৩৪২১০৭, এপি ০০৩৪৫১৩০, এপি ০০৩৪৬১১৪, এপি ০০৩৫১২৩০, এপি ০০৩৬৯২৪১, এপি ০০৩৭২৮৮৫, এপি ০০৩৯১৬০৯, এপি ০০৩৯২৩৩০, এপি ০০৪২১১৮১, এপি ০০৪২১৭২৭, এপি ০০৪২৩৯৬৮, এপি ০০৪৩২১৬৭, এপি ০০৪৪০৭১২, এপি ০০৪৪৮৩৬২, এপি ০০৪৬১৬৫৫, এপি ০০৪৬৬০১৫

**নগাঁও শাখাৰ নিলাম অনুষ্ঠিত হ'ব ২৭.০৯.২০২২ৰ ১০.৩০ বজাত, এছ বি এফ চি ফাইনেন্স প্ৰাইভেট লিমিটেড, শাখা ঠিকনাঃ প্ৰথম মহলা, নটৰাজ হোটেলৰ পিছফালে, হয়বৰ গাঁও, নগাঁও, পিন ৭৮২০০২। ফোন ঃ ৭৩০৪৫৮৮১৫৪।**
**নগাঁও শাখা ঃ** এপি ০০২৮১৯৪২, এপি ০০২৯১২০৩, এপি ০০২৯১৩৩১, এপি ০০৩০১২০০, এপি ০০৩০১৫২২, এপি ০০৩০১৫৭৫, এপি ০০৩০৪৫৪৪, এপি ০০৩০৪৯৮৬, এপি ০০৩০৬২২৭, এপি ০০৩০৭৬৫৩, এপি ০০৩০৮১৮৭, এপি ০০৩০৯০৮৬, এপি ০০৩১০০০৪, এপি ০০৩১০৬৯৮, এপি ০০৩১৫৮৩১, এপি ০০৩১৮৮৭২, এপি ০০৩২০৫৩৫, এপি ০০৩২৯২২১, এপি ০০৩৩০৮৩৯, এপি ০০৩৩২৪৫৬, এপি ০০৩৩৫১৬৩, এপি ০০৩৩৮৩৬১, এপি ০০৩৪১২৫৬, এপি ০০৩৫০৮৯৫, এপি ০০৩৫৩৭৫৮, এপি ০০৩৫৪৫৭৯, এপি ০০৩৫৫৯৩২, এপি ০০৩৫৭৫৩৭, এপি ০০৩৬২০৩৩, এপি ০০৩৬৯৭৫৪, এপি ০০৩৭৭৫২৯, এপি ০০৩৭৭৮৩৫, এপি ০০৩৭৮৭০৪, এপি ০০৩৭৮৮৬৯, এপি ০০৩৮৫৯৮৯, এপি ০০৩৯৬৫২৭, এপি ০০৪০৭৫৪১, এপি ০০৪০৭৫৯৪, এপি ০০৪০৭৮৮৬, এপি ০০৪০৭৯২৮, এপি ০০৪০৬৭০৫, এপি ০০৪৩০৯০৩, এপি ০০৪৩১৯৮১, এপি ০০৪৩৭৯১৭, এপি ০০৪৩৭৯৩৯, এপি ০০৪৪০৬৪২, এপি ০০৪৪৯০৩৯, এপি ০০৪৪৯৮৯৩, এপি ০০৪৫০০৩৫, এপি ০০৪৫০৬৫৭

**ৰঙিয়া শাখাৰ নিলাম অনুষ্ঠিত হ'ব ২৭.০৯.২০২২ৰ ১০.৩০ বজাত, এছ বি এফ চি ফাইনেন্স প্ৰাইভেট লিমিটেড, শাখা ঠিকনা ঃ প্ৰথম মহলা, এন টি ৰোড, ৱাৰ্ড নং- ৫, কানাড়া বেংক কেম্পাছ, ৰঙিয়া, অসম, পিন ৭৮১৩৫৪।**
**ৰঙিয়া শাখা ঃ** এপি ০০৩৫০৮৬১, এপি ০০৩৫২৮৪৩, এপি ০০৩৬৯৯৪৭, এপি ০০৩৭৪৬৯০, এপি ০০৩৭৬২২৬, এপি ০০৩৭৮৭৩৪, এপি ০০৩৯০৭৩০, এপি ০০৪১৭৯৯৯, এপি ০০৪২০৮৬৮, এপি ০০৪৩১৭৫৭, এপি ০০৪৩২৮৫৩, এপি ০০৪৩৬৯৩৫, এপি ০০৪৩৯৮২৭

**শিলচৰ শাখাৰ নিলাম অনুষ্ঠিত হ'ব ২৭.০৯.২০২২ৰ ১০.৩০ বজাত, এছ বি এফ চি ফাইনেন্স প্ৰাইভেট লিমিটেড, শাখা ঠিকনা ঃ হস্পিতাল ৰোড, অম্বিকাপট্টি পইণ্ট, প্ৰথম মহলা, ফু'ডচ এণ্ড ফ্লেভাৰৰ ওপৰত, শিলচৰ- ৭৮৮০০৪।**
**শিলচৰ শাখাঃ** এপি ০০৩৪১৬২৬, এপি ০০৩৪৫৪১৮, এপি ০০৩৪৬৪২০, এপি ০০৩৫২০৬৫, এপি ০০৩৫২০৬৮, এপি ০০৩৫৪২৯৭, এপি ০০৩৬০৩৩৪, এপি ০০৩৬৯১৪৩, এপি ০০৩৬৯৪২৩, এপি ০০৩৮৪০১৩, এপি ০০৩৮৭৬০৯, এপি ০০৪২২৪১২, এপি ০০৪৩১৭৮৯, এপি ০০৪৩২০৯৯, এপি ০০৪৩৭৫৩৪

**শিৱসাগৰ শাখাৰ নিলাম অনুষ্ঠিত হ'ব ২৭.০৯.২০২২ৰ ১০.৩০ বজাত, এছ বি এফ চি ফাইনেন্স প্ৰাইভেট লিমিটেড, শাখা ঠিকনা ঃ জি এন জি ৰোড, মহাদেৱী মেডিকেল ষ্টোৰৰ বিপৰীতে, জিলা- শিৱসাগৰ (অসম) পিন- ৭৮৫৬৪০। ফোন- ৯১৬৩৯৫০৩২০**
**শিৱসাগৰ শাখা ঃ** এপি ০০২০৮০০৩, এপি ০০২১২১২৭, এপি ০০২১২৪৯০, এপি ০০২৪৫৬৭৯, এপি ০০২৭০০৭৫, এপি ০০২৭২০৬৭, এপি ০০২৮১৪৩২, এপি ০০২৯১৪৬৩, এপি ০০৩০১৩১৭, এপি ০০৩০১৭৫০, এপি ০০৩১১৫৩২, এপি ০০৩২২৩৬৬, এপি ০০৩২৭৯১৭, এপি ০০৩৩০২১৬, এপি ০০৩৪৩০০২, এপি ০০৩৪৩৭৫৭, এপি ০০৩৪৬৭১২, এপি ০০৩৫২৬০২, এপি ০০৩৫৩৬৭৯, এপি ০০৩৫৩৯২৮, এপি ০০৩৬২০৫৯, এপি ০০৩৬৮৬৮৬, এপি ০০৩৬৯৩৯১, এপি ০০৩৭৭০৯২, এপি ০০৩৭৭৬৭২, এপি ০০৩৮২৬৮৯, এপি ০০৩৮৫৫৩১, এপি ০০৩৮৬৭৪৭, এপি ০০৩৮৬৭৬০, এপি ০০৪০০৪৬৫, এপি ০০৪০৬৩৪৫, এপি ০০৪০৬৪৪২, এপি ০০৪০৬৫০৯, এপি ০০৪১২০১০, এপি ০০৪২০৯০৩, এপি ০০৪২১৪৮০, এপি ০০৪২২৬৬৪, এপি ০০৪২৩১৮০, এপি ০০৪২৩২৪৪, এপি ০০৪৪৭০৮৯

**তেজপুৰ শাখাৰ নিলাম অনুষ্ঠিত হ'ব ২৭.০৯.২০২২ৰ ১০.৩০ বজাত, এছ বি এফ চি ফাইনেন্স প্ৰাইভেট লিমিটেড, শাখা ঠিকনা ঃ ডি বি মাৰ্ট, স্প্ৰিং ভেলী হোটেলৰ বিপৰীতে, এন চি ৰোড, তেজপুৰ, শোণিতপুৰ, অসম, পিন- ৭৮৪০০১।**
**তেজপুৰ শাখাঃ** এপি ০০৩২৪৫৪৫, এপি ০০৩২৬৯৮৩, এপি ০০৩২৯০৮৪, এপি ০০৩৩৪৪৯৩, এপি ০০৩৪৭৬৭৫, এপি ০০৩৬৯৬৮৮, এপি ০০৩৭০৯৩৩, এপি ০০৩৭১৩৩৮, এপি ০০৩৭৭৭৭৮ এপি ০০৩৮৩৯১৮, এপি ০০৪১৩০৭৩, এপি ০০৪১৩৩১৮, এপি ০০৪২১০৮৭, এপি ০০৪২২৪৭২

**তিনিচুকীয়া শাখাৰ নিলাম অনুষ্ঠিত হ'ব ২৭.০৯.২০২২ৰ ১০.৩০ বজাত, এছ বি এফ চি ফাইনেন্স প্ৰাইভেট লিমিটেড, শাখা ঠিকনা ঃ দ্বিতীয় মহলা, জাংকি কমপ্লেক্স, চিৰাপট্টি ৰোড, এইচ ডি এফ চি বেংকৰ বিপৰীতে, ডাক-তিনিচুকীয়া, পিন- ৭৮৬১২৫, অসম, ফোন- ৯১৩৬৯৫০৩১১**
**তিনিচুকীয়া শাখাঃ** এপি ০০৮৭৮১৮, এপি ০০২১০৮৮৮, এপি ০০২১৩২৬৭, এপি ০০২৪৫২০০, এপি ০০২৪৭২৬৩, এপি ০০২৭০৩৮৫, এপি ০০৩০৩৬৪১, এপি ০০৩১৫৫৩৬, এপি ০০৩২৮৮২৮, এপি ০০৩৫২৭৫৮, এপি ০০৩৫৪৬৬৫, এপি ০০৩৭৬৮৯২, এপি ০০৩৭৮৩০৩, এপি ০০৩৭৯২২৬, এপি ০০৩৯২৭৮৭, এপি ০০৩৯৪৩৪৭, এপি ০০৩৯৪৮৭৭, এপি ০০৩৯৬৭১৯, এপি ০০৪০১২৪৬, এপি ০০৪১৬৫২৮, এপি ০০৪২৫৭৩৮, এপি ০০৪৩২২১৯, এপি ০০৪৩৩০৮৭

অধিক তথ্যৰ বাবে অনুগ্ৰহ কৰি যোগাযোগ কৰিব পাৰিব এছ বি এফ চি ফাইনেন্স প্ৰাইভেট লিমিটেড, যোগাযোগ নং- ১৮০০-১০২-৮০১২ (এছ বি এফ চি ফাইনেন্স প্ৰাইভেট লিমিটেডৰ দ্বাৰা কৰ্তৃত্ব সংৰক্ষিত থাকিব একাউণ্ট সমূহৰ নিলাম/ স্থগিত / বাতিল কৰিবলৈ কোনো ধৰণৰ পূৰ্ব জাননী নিদিয়াকৈ)

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২১ ছেপ্টেম্বৰ ■ ২০২২ ■ ৪ আহিন

## মেধা আৰু পৰিশ্ৰমৰ সফল আৰক্ষীৰ নিযুক্তি প্ৰক্ৰিয়া

অসম আৰক্ষী আৰু অসম কমাণ্ডো বেটেলিয়নৰ উপ-পৰিদৰ্শক (সশস্ত্ৰ আৰু নিৰস্ত্ৰ)ৰ লগতে কনিষ্টবল (নিৰস্ত্ৰ আৰু সশস্ত্ৰ) পাঁচ সহস্ৰাধিক পদৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। অসম ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি পৰিষদে অৱশেষত ৱেবছাইটত এই ফলাফল আপলোড কৰিছে অসম আৰক্ষীৰ মুঠ ৫,২৬২টা বিভিন্ন পদৰ নিযুক্তিৰ ফলাফল। সঞ্চালকগৰাকীয়ে অৰ্থাৎ আৰক্ষী নিযুক্তি ব'ৰ্ডৰ অধ্যক্ষ ভাস্কৰজ্যোতি মহন্তই এখন সংবাদ মেলত সদৰী কৰি কয় যে সম্পূৰ্ণ নিকা আৰু স্বচ্ছতাৰে অসম আৰক্ষীয়ে পুনৰ এক বৃহৎ নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ সক্ষম হৈছে। যোৱা মে'ত অসম আৰক্ষীৰ ৯০০৫টা পদৰ নিযুক্তি সম্পন্ন হোৱাৰ পিছত এইবাৰ দ্বিতীয়টো বৃহৎ নিযুক্তি সম্পন্ন হোৱাৰ বাবে আগবাঢ়িছে। ২২ ছেপ্টেম্বৰত খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত বাছনিভুক্ত প্ৰাৰ্থীসকলক আনুষ্ঠানিকভাৱে নিযুক্তি-পত্ৰ বিতৰণ কৰা হ'ব। সঞ্চালকগৰাকীয়ে কয় যে এই পৰীক্ষাৰ মুঠ পদৰ বাবে ৭ লাখ ৭ হাজাৰ ৩২৮ প্ৰাৰ্থীয়ে আবেদন কৰিছিল আৰু পৰীক্ষা অনুষ্ঠিত হৈছিল ১৪খন জিলাত। উল্লেখ্য যে অসম আৰক্ষীত মহিলাৰ সংখ্যা বৃদ্ধি কৰা হৈছে আৰু ঘোষিত ফলাফলত সশস্ত্ৰ আৰু নিৰস্ত্ৰ শাখাত প্ৰায় ১৪ শতাংশ মহিলাক বাছনি কৰা হৈছে। মহিলা বেটেলিয়নৰ নিযুক্তি লাভ কৰাসকলক ভৱিষ্যতে প্ৰশিক্ষণ দি বীৰাংগনা গ্ৰুপত অন্তৰ্ভুক্ত কৰা হ'ব। অসম আৰক্ষীৰ ৩৩টা বেটেলিয়নৰ আটাইকেইটাতে বৰ্তমান প্ৰশিক্ষণ চলি থকা বাবে নতুনকৈ নিযুক্তিপ্ৰাপ্ত কমাণ্ডোসকলক প্ৰশিক্ষণৰ বাবে আৰক্ষীৰ প্ৰশিক্ষণ কেন্দ্ৰৰ অভাৱ হোৱাৰ পৰিপ্ৰেক্ষিতত সেনাৰ সহায়ত সেনা প্ৰশিক্ষণ স্থানত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। অৱশ্যে অসম আৰক্ষীৰ নিয়ম অনুসৰি প্ৰশিক্ষণ দিয়া হ'ব। ইয়াৰ বাবে বিজ্ঞানসম্মত আধুনিক আৰক্ষী প্ৰশিক্ষণ পদ্ধতি তৈয়াৰ কৰা হৈছে। পূৰ্বতে হৈ যোৱাৰ দৰে এইবাৰো স্বচ্ছ আৰু নিকা ব্যৱস্থাৰে নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰা হৈছে বুলি সঞ্চালকপ্ৰধানগৰাকীয়ে দাবী কৰিছে। ইতিমধ্যে শিক্ষিত যুৱকে নিযুক্তি লাভ কৰাত ৰাজ্য চৰকাৰৰ এই নিযুক্তি প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকা আছিল বুলি প্ৰমাণ হোৱাৰ কথাই তেওঁলোকৰ পিতৃ-মাতৃ তথা পৰিয়ালৰ লোকে এনে নিকা পদ্ধতিৰে নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰাত সকলোৱে আনন্দ প্ৰকাশ কৰিছে। বানবিধ্বস্ত অতি দৰিদ্ৰ পৰিয়ালৰ যুৱক-যুৱতীয়ে নিযুক্তি লাভ কৰিছে, যাৰ কাৰণে সেইসকল পৰিয়ালৰ মুখলৈ হাঁহি ঘূৰি আহিছে। সাফল্যত উৎফুল্লিত পৰিয়ালৰ লগতে সমগ্ৰ অসমবাসীও আনন্দিত হৈছে আৰু বহু কৃষক পিতৃ-মাতৃৰ আশা পূৰণ কৰিবলৈ বহু সপোন সাৰ্থক হোৱাত জীৱনৰ পৰম সৌভাগ্য। মুঠতে ৰাজ্যৰ চৌদিশে আনন্দ আৰু উল্লাসৰ জোৱাৰত ৰাজ্যবাসী উটি-ভাহি গৈছে সদ্যঘোষিত নিযুক্তি প্ৰক্ৰিয়া শুদ্ধ আৰু নিকা হৈছে। এই কথাষাৰ সৰ্বত্ৰ ৰাজ্যবাসীৰ মনত কোঁচে কোঁচে সোমাই গৈছে। সম্প্ৰতি বিশেষকৈ ডেকাচামক আকৃষ্ট কৰাৰ সময় আহি পৰিছে। সময়ত বাঢ়ি অহা দুৰ্নীতিয়ে অসমৰ ডেকাচামক হতাশাত বুৰাই পেলাইছিল। দালাল শ্ৰেণীৰ প্ৰকোপত ৰাইজ অতিষ্ঠ হৈ পৰিছিল। আনকি বহুতে বিপথে পৰিচালিত হ'বলৈও বাধ্য হৈ পৰিছিল। নিৰাশা আৰু হতাশাত যুৱক-যুৱতীসকলে অসমৰ সামাজিক ব্যৱস্থাৰ অপূৰ্ব সংস্কৃতি দৰ্শনৰ প্ৰতি নৱ-প্ৰজন্মক আকৃষ্ট কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। তেনে নকৰাৰ ফলতেই আজি নৱ-প্ৰজন্মই পথভ্ৰষ্ট হৈ বেলেগ বেলেগ দিশৰ প্ৰতি আকৃষ্ট হৈছে। ধনী-দুখীয়াৰ দূৰত্ব বাঢ়ি গৈছে। কিন্তু এই নিযুক্তিয়ে ধনী-দুখীয়া নিৰ্বিশেষে কেৱল মেধাৰ ভিত্তিত সম্পন্ন হৈছে। এই নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ নিয়াৰিকৈ কৰা বাবে অসম চৰকাৰ বিশেষকৈ আৰক্ষী বিভাগক ধন্যবাদ দিবই লাগিব। কেৱল এয়াই নহয়, ৰাজ্যৰ আন বিভাগৰ নিযুক্তিসমূহো নিশ্চয়কৈ স্বচ্ছ আৰু নিকা পদ্ধতিৰে সম্পন্ন হ'ব বুলিয়েই ৰাইজে আশা প্ৰকাশ কৰিছে। এইক্ষেত্ৰত চৰকাৰে বিশেষ মনোযোগ দিব লাগিব। বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীয়ে দুৰ্নীতিৰ বিৰুদ্ধে যি সহনশীলতাৰ কথা কৈ আহিছে ৰাইজ তাত সন্তুষ্ট। পৰৱৰ্তী সময়ত এই বিষয়টোৰ প্ৰতি চৰকাৰ তথা মুখ্যমন্ত্ৰীয়ে শান্তিৰ পৰিৱেশ যাতে বিঘ্নিত নহয় তাৰ প্ৰতি আৱশ্যক হ'লে কঠোৰৰ পৰা কঠোৰ হ'ব লাগিব। কিন্তু এচাম লোকৰ ক্ষমতালিপ্সা আৰু সহজ ধনৰ লাভৰ পৰিৱেশ স্তব্ধ কৰিব পাৰিলেহে অসমীয়া ৰাইজ আৰু ৰাজ্যখন আগুৱাই যোৱাত সুবিধা হ'ব। লগতে বিকাশ আৰু উন্নতিৰ ক্ষেত্ৰত এখোজ আগুৱাই যাব।

# আমাৰ সমাজ বেয়া হোৱাৰ কাৰণসমূহ



■ অমল চন্দ্ৰ কোঁৱৰ

আমাৰ সমাজ কিয় বেয়া হৈছে? বিভিন্ন ভাষা-ভাষিক, বিভিন্ন ধৰ্মাৱলম্বী, বিভিন্ন সংস্কৃতিৰ লোকে বাস কৰা এই সমাজখন দিনক দিনে কিয় বেয়া হৈছে? এখন সমাজত অসমীয়া, বড়ো, মিছিং, কাৰ্বি, আহোম, কছাৰী, কোচ, চুতীয়া, বামুণ, গোসাঁই, কলিতা, কেওট, মজদুৰ, হিন্দু, মুছলমান, শিখ, জৈন, খ্ৰীষ্টান আদি বিভিন্ন ধৰণৰ মানুহে বাস কৰে। ইয়াকে আমি অসমৰ বৃহত্তৰ সমাজ বুলি কওঁ। অসমখন এতিয়া সৎ মানুহৰ বাবে ঠাই নাইকিয়া হৈছে। গোটেই অসমখনেই অসৎ মানুহেৰে ভৰি পৰিছে। ইয়াত সৎ মানুহৰ স্থান নাই। যেনেকৈ ভূমিকম্প আহিলে কাৰো ক'তো থাকিবলৈ ঠাই নাইকিয়া হয়, ঠিক তেনেকৈ এতিয়া আমাৰ সমাজখনত সৎ মানুহ থাকিবলৈ ঠাই নাইকিয়া হৈছে। আমাৰ এই সমাজবোৰ বেয়া হোৱাৰ আচল কাৰণ বাৰু কি?

এতিয়া আমি আমাৰ সমাজখন বেয়া হোৱাৰ আচল কাৰণবোৰলৈ আহোঁ। যেতিয়াই কোনো এখন সমাজত বেয়া মানুহক আগস্থান দিয়া হয় তেতিয়াই সেই সমাজখন গেলিবলৈ আৰম্ভ কৰে। এখন সমাজে কাৰোবাক বেয়া বুলি জানিও ই ভয়তেই হওক বা প্ৰতিপত্তিৰ বাবেই হওক সন্মান দিব, আগস্থান দিব কিবা অনুষ্ঠান পাতি গামোচা পিন্ধাব, সমীহ কৰিব তেতিয়াৰ পৰাই লাহে লাহে সেই সমাজখন গেলিবলৈ আৰম্ভ হ'ব। আমি যদি আমাৰ নিজৰ অঞ্চললৈ চাওঁ তেতিয়া দেখিবলৈ পাম কোনবিলাক মানুহক সমাজত আগস্থান দিয়ে? যাক আমি বেয়া বুলি জানো কিন্তু তাৰ ধন আছে বা বাহুত বল আছে তেনে লোকক বাৰু আমি সমাজত আগস্থান দিয়া নাই নে? আমাৰ সমাজখন আইন-শৃংখলাৰ আধাৰত পৰিচালিত হয়। কিমান জন বেয়া মানুহ, পুঁজিপতি, বদ্‌মাচ লোক কাৰাগাৰত আছে? যাৰ আধাৰত দেশৰ সংবিধান পৰিচালিত হৈছে সেই সংবিধান স্বাৰ্থপৰ নেহৰুৰ শ্ৰুতলিপিত লিখিছিল আম্বেদকাৰে। কিন্তু এইখন সংবিধানত আচল দোষী, ধন থকা অপৰাধী সহজেই ওলাই যাব পৰা ডাঙৰ ডাঙৰ সুৰুঙা আছে। এই সংবিধানখন এনেভাৱে ৰচনা কৰা হৈছে যে ইয়াত থকা একা-বেঁকা কেঁকুৰিবিলাকৰ যোগেদি ধনী, মহাজন দুৰ্নীতিপৰায়ণ ঠিকাদাৰ, ধৰ্ষণকাৰী, ডাঙৰ ডাঙৰ ৰাজনীতিবিদ, দেশদ্ৰোহী, হঠকাৰীবিলাক ওলাই যাব পাৰে আৰু সৎ, সাধু, নীতিপৰায়ণ, সাধাৰণ লোকবিলাক বেহুৰ মাজত সোমাই পৰে অভিমন্যুৰ দৰে। গতিকে আমাৰ এইখন সমাজত কিয় বেয়া মানুহৰ সংখ্যা বেছি নহ'ব?

আমাৰ সমাজত এতিয়া আমি দেখিবলৈ পাইছো, যিবিলাক নিজ হাতেৰে বন্দুক লৈ মানুহ হত্যা কৰিছিল আৰু এদিন এইবিলাক হত্যাকাৰীক ধৰিবলৈ চৰকাৰে সেনাবাহিনী পৰ্যন্ত নিয়োগ কৰিছিল। কিন্তু কালক্ৰমত তেনে ধৰণৰ হত্যাকাৰী নিজে নিজে আহি ধৰা দিয়াত চৰকাৰে আকৌ এইখন সংবিধানৰ আধাৰতেই তেনে হত্যাকাৰীক দেখা মাত্ৰকেই গুলীয়াই মৰা বা গোটেই জীৱন অন্ধকাৰ কাৰাগাৰত ৰখাৰ পৰিৱৰ্তে চৰকাৰী দেহৰক্ষী প্ৰদান কৰি মাহেকীয়া ভাত্তা প্ৰদান কৰিছে। গতিকে সমাজ বেয়া নহ'ব কিয়? কণ কণ শিশুক বোমা দি উৰুৱাই দিয়াসকলক এতিয়া আমাৰ সমাজে জোতা-চেণ্ডেলৰ মালা পিন্ধোৱাৰ পৰিৱৰ্তে পিন্ধাইছে ফুলাম গামোচা, গতিকে সমাজ কিয় বেয়া নহ'ব? দেৱালীত ফটকা ফুটোৱাৰ দৰে বোমা ফোটোৱাজনকো চৰকাৰে দেখা মাত্ৰকেই যদি গুলীয়াই মাৰি দিলেহেঁতেন তেতিয়া হয়তো আৰু কোনেও তেনে ধৰণৰ কাম কৰিবলৈ সাহস নকৰিলেহেঁতেন। কিন্তু চৰকাৰে তেনে কৰাৰ পৰিৱৰ্তে সেইসকলৰ বাবে মাহিলি মোটা অংকৰ ধন খৰচ কৰি সুন্দৰকৈ বন্দী বুলি জে'লত ৰাখিছে। দেশ স্বাধীন কৰিবলৈ গৈ যাকে-তাকে হত্যা কৰাকেইটাই অসমৰ পৰা ধন নি বিয়াবাৰু পাতি বিদেশত সংসাৰ চলাই নিজৰ ল'ৰা-ছোৱালীক বিদেশী দামী স্কুলত পঢ়াই এতিয়া নিজে ধৰা দিয়াত এইসকল দেশদ্ৰোহীক গুলীয়াই মৰাৰ পৰিৱৰ্তে চৰকাৰী দেশৰক্ষী প্ৰদান কৰি মাহেকীয়া ভাত্তা দিছে। যিখন দেশত প্ৰতিদিনে তিনি হাজাৰ নাগৰিকৰ বাবে এজন মাত্ৰ কনিষ্টবল, সেইখন দেশত বহু মানুহ হত্যা কৰা একো একোজন হত্যাকাৰীক প্ৰদান দুই-তিনিজন দেহৰক্ষী। গতিকে আমাৰ সমাজ বেয়া নহ'ব কিয়? আন কোনোবাই কাৰোবাক হত্যা কৰা দূৰৰে কথা এটা চৰ মাৰিলেও এইখন সংবিধাৰ মতে জে'লত থাকিব লাগে। কিন্তু বহু নিৰীহ মানুহ হত্যা কৰিও সমাজত গামোচা পিন্ধিবলৈ পায়, গতিকে তেনেকুৱা সমাজ ক'ৰ পৰা ভাল হৈ থাকিব? এনে ধৰণৰ হত্যাকাৰীক আইনে বাৰু শাস্তি দিব পাৰিবনে?

অসমত হৈ থকা এনে ধৰণৰ হত্যা, ধৰ্ষণবিলাকৰ অপৰাধী বাৰু কেতিয়াবা জে'ল বা ফাঁচী হ'বনে? অসমত সঘনে হৈ থকা ধৰ্ষণৰ ঘটনাৰ বিৰুদ্ধে প্ৰতিবাদ হয় কিন্তু কিছু দিনৰ পিছত সেই ধৰ্ষণকাৰী সমাজত টিঘিল-ঘিলাই থাকে। অসমীয়া বা কোনো হিন্দু লোকক অত্যাচাৰ কিম্বা ধৰ্ষণ বা হত্যা কৰিলে হিন্দু-মুছলমানৰ সংঘাত বুলি কোৱা বুদ্ধিজীৱী বাঁওপন্থী সমাজকৰ্মীসকলে কিন্তু অসমত শেহতীয়াকৈ হোৱা ধৰ্ষণৰ বিৰুদ্ধে নিমাত। এতিয়া আহো অসমৰ অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰলৈ যিসকলে দীৰ্ঘদিন ধৰি সাহিত্য চৰ্চা কৰা বুলি কৈ নিজৰ চকীখনত ফেভিকুইক লগাই বহি আছে তেওঁলোকে কিন্তু বৰ বিশেষ সমাজ সেৱা কৰা দেখা নাযায়। কোনো দিনা কোনো এখন বাতৰি-কাকতৰ এটা প্ৰবন্ধও লিখি নোপোৱাজন সাহিত্য সভাৰ বিষয়ববীয়া যেতিয়া হ'ল তেতিয়া বাৰু আমাৰ এইখন সাহিত্য সভা হৈ থাকিবনে? কেৱল মাত্ৰ চৰকাৰী-বেচৰকাৰী বঁটা সংগ্ৰহ কৰাত ব্যস্ত থকা এইসকল সাহিত্যিকে কেনেদৰে অসম সাহিত্য সভাখন গোবৰে-জাবৰে খেচেৰা কৰিলে আমি বাৰু দেখা নাইনে? সাহিত্য চৰ্চাৰ মন্ত্ৰটোও নজনাসকলে সাহিত্য সভাৰ বিষয়ববীয়া, খেতিৰ লগত সম্পৰ্ক নথকা লোকে কৃষকৰ নেতা, শিক্ষানুষ্ঠানৰ লগত সম্পৰ্ক নথকাসকল ছাত্ৰ সংগঠন, জাতিৰ প্ৰতি কোনো দায়বদ্ধাত নথকাসকল জাতীয়তাবাদী নেতা হ'লে বাৰু আমাৰ সমাজখন কিয় বেয়া নহ'ব? আমি দেখিছো শ শ মানুহ হত্যা কৰি এতিয়া চৰকাৰী দেহৰক্ষী লৈ সমাজত গামোচা পিন্ধি দপদপাই থকাসকলক বাৰু আমি কোনে দেখা নাই? আপুনি বা মই যদি এজনো মানুহ হত্যা কৰোঁ তেতিয়া এইখন ভাৰতীয় সংবিধানেই আপোনাক বা মোক বাৰু ফাঁচী নিদিলেহেঁতেনে? দেশ স্বাধীন কৰিবলৈ গৈ গাঁৱৰ ডেকা ল'ৰাবিলাকক উচটাই মৰিবলৈ এৰি দি এতিয়া লিডাৰকেইটাই ঘৰলৈ ঘূৰি আহি কেনেদৰে বিলাসী জীৱন কটাইছে সেই কথা আমি কোনে দেখা নাই?

আমাৰ সমাজত তেনেকুৱা লোকেই আদৰণীয়, সন্মানীয় ব্যক্তি যেতিয়া হয় তেতিয়া বাৰু আমাৰ সমাজখন নেগেলিবনে? যাব পাৰিবনে তাৰ গেলা গোন্ধত ভাল মানুহ ওচৰলৈ? বা সমাজে দিবনে সৎ মানুহক সন্মানিত কৰি আগস্থান? কেতিয়াও সমাজৰ বাবে এটকাও পকেটৰ খৰচ কৰি নোপোৱাজনে সকলো সভা-সমিতিতে সভাপতি বা তেনে ধৰণৰ আগস্থান লৈ থাকে তেতিয়া বাৰু এখন সমাজ ভাল হৈ থাকিবনে?

যিখন সমাজত কেৱল সংগ্ৰাম, বিপ্লৱ, ধৰ্ণা, অসম বন্ধ দি পৰিয়াল চলাই থাকে এচামে সেইখন সমাজ বাৰু কেতিয়াবা আমি ভাল হোৱাৰ আশা কৰিব পাৰোনে? আমি বাৰু সমাজৰ এনে ধৰণৰ দুৰ্নীতিপৰায়ণ, হত্যাকাৰী, লুণ্ঠনকাৰীসকলক সমাজৰ সকলো কামতে আগস্থান দি আমিয়েই বাৰু সমাজখন গেলিবলৈ দিয়া নাইনে? এইবোৰ লোকক আমিয়েই বাৰু এটা সময়ত হত্যাকাৰী বুলি চিএৱা নাছিলোনে? শিশু হত্যাকাৰীও যেতিয়া সমাজত গামোচা পায়, সমাজৰ ৰাজহুৱা মঞ্চত সন্মান পায় তেতিয়া বাৰু সমাজ বেয়া নহৈ কি হ'ব? আহক আমি সমাজৰ এনে ধৰণৰ লোকসকলক গোটেই জীৱন অন্ধকাৰ কাৰাগাৰত ৰখাৰ ব্যৱস্থা কৰোঁ আৰু উদ্ধাৰ কৰোঁ আমাৰ সমাজখন।

*ফোন ঃ ৮৮১১৮-৪৮৬০৯*

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### এতিয়াৰ শিশু ভৱিষ্যতৰ সু-নাগৰিক

এতিয়াৰ শিশু ভৱিষ্যতৰ সু-নাগৰিক, এই কথাষাৰ শুনিবলৈ সহজ যেন লাগিলেও কথাষাৰৰ তাৎপৰ্য কিন্তু বহুত গভীৰ। আজিৰ শিশুসকলৰ ওপৰতেই সমাজ বা দেশৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে। শিশুটো সুনাগৰিক হ'বলৈ হ'লে তাৰ জন্মগ্ৰহণ কৰা তথা সোণালী শৈশৱ পাৰ কৰা পৰিৱেশে বহুতখিনি প্ৰভাৱ পেলায়। প্ৰাচীন কালত নাগৰিক বুলিলে অকল নগৰত বাস কৰা মানুহক বুজাইছিল কিন্তু বৰ্তমান সময়ত ইয়াৰ পৰিসৰ বৃদ্ধি হৈছে। শিশুক সুনাগৰিক কৰিবলৈ হ'লে ঘৰখনে বা শিক্ষা গ্ৰহণ কৰা বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে তাক সপোন দেখুৱাব পাৰিব লাগিব। এক সুস্থ পৰিৱেশ গঢ়ি তুলিব লাগিব। আমি জানো যে শিশুৱে যি দেখে তাকে শিকে। শিশুৱে প্ৰশংসাৰে ভৰা পৰিৱেশত থাকিলে তাৰ আত্মবিশ্বাস বৃদ্ধি হয়। আনহাতে, তাৰ সম্পূৰ্ণ বিপৰীত ছবি এখনো আমি দেখিবলৈ পাওঁ অৰ্থাৎ শিশু যেতিয়া সমালোচনাৰ মাজত সময় অতিবাহিত কৰিব লগা হয় তেতিয়া আত্মবিশ্বাসহীন তথা ভয়াতুৰ হয়। গতিকে শিশুক সু-নাগৰিক কৰিবলৈ মানসিক আৰু শাৰীৰিকভাৱে তাক সবল কৰি তুলিবই লাগিব যিটো অভিভাৱকৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু সমাজখনৰো প্ৰধান দায়িত্ব। বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি থকা সময়তে সমাজ বিজ্ঞানত সন্নিৱিষ্ট দেশৰ মৌলিক অধিকাৰ আৰু মৌলিক কৰ্তব্যৰ পাঠটো ভালদৰে শিশুক হৃদয়ংগম কৰোৱা উচিত। বৰ্তমান সমাজ ব্যৱস্থাত নিজৰ অধিকাৰৰ বিষয়ে সজাগ হোৱাটো অতিকৈ প্ৰয়োজন অন্যথা নিজৰ প্ৰাপ্য আৰু প্ৰতিভা বিকাশত খোজে প্ৰতি সমস্যাৰ সৃষ্টি হ'ব আৰু আমাৰ কৰ্তব্য আমি সুচাৰুৰূপে পালন কৰাত অসমৰ্থ হ'ম। শিশুক নিজৰ কৰ্মৰ প্ৰতি দায়িত্বশীল হ'বলৈ শিকাব লাগিব। শিশুক সুনাগৰিক কৰিবলৈ হ'লে সমাজখনে এটা সুন্দৰ বাতাবৰণ সৃষ্টি কৰিবই লাগিব। শিশুক পঢ়াৰ প্ৰতি আগ্ৰহী কৰাৰ বাবে গাঁৱত পুথিভঁৰাল নিৰ্মাণ কৰাটো অতি আৱশ্যক। পুথিভঁৰালত বিদ্যালয়ৰ পাঠ্যপুথিৰ লগতে দেশ প্ৰেমমূলক গ্ৰন্থ বা আলোচনী ৰখাটো প্ৰয়োজন। বিদ্যালয়ৰ পাঠ্যপুথিতে আমি দেখিছো বা নিজেও পঢ়িছো 'দেশ এখনৰ উন্নয়নৰ কাৰণে সুনাগৰিকৰ কৰ্তব্য' নামৰ অতি গুৰুত্বপূৰ্ণ পাঠটো। এই পাঠটোৰ সাৰমৰ্ম প্ৰত্যেকজন শিশুৱে হৃদয়ংগম কৰাটো এখন কল্যাণকামী ৰাষ্ট্ৰৰ বাবে আৱশ্যক। শিশুক সু-নাগৰিকৰূপে গঢ়ি তুলিবলৈ পাঠ্যপুথিৰ জ্ঞানৰ লগতে অভিভাৱক-অভিভাৱিকা তথা সমাজৰ নাগৰিকসকল সচেতন হৈ শিশুক মূল্যবোধৰ শিক্ষা দিয়াটো অতি প্ৰয়োজন।

■ কমলেশ কাঞ্চন

*ফোন ঃ ৭০০২৪-২৩৭৯৯*

## মানৱ কল্যাণৰ হকে কাম কৰা প্ৰকৃত লোকসকল কোন?

■ চৈয়দ আচিক আহমেদ

আপুনি কেতিয়াবা ভাবিচেনে সমাজৰ আটাইতকৈ প্ৰবৃত্ত বৃত্তি কোনটো? সমাজৰ প্ৰকৃত নায়ক-নায়িকা কোন? এই সমাজত আপুনি বিভিন্ন ধৰণৰ বৃত্তি দেখিবলৈ পাব, তাৰ ভিতৰত এজন চিকিৎসকে বিচাৰে আপোনাৰ সোনকালে বেমাৰ হৈ তেওঁৰ ওচৰলৈ যাওক, এনে খুব কমসংখ্যক চিকিৎসক পোৱা যাই যি দেশৰ মানুহৰ স্বাস্থ্যৰ নামত কৰ্ম কৰি এখন সু-স্বাস্থ্যৱান সমাজ গঢ়িব তুলিব বিচাৰে। এজন বেংকাৰে বিচাৰে আপুনি লোন লৈ ঋণগ্ৰস্ত হওক। এজন চোৰে বিচাৰে আপুনি ধনী হৈ আৰামত শুই দিন কটাওক । তেনেদৰে বিভিন্ন বৃত্তিত বিভিন্ন আচৰণ প্ৰকাশ পোৱাতো স্বাভাৱিক, ঠিক সেইদৰে প্ৰায়ভাগ ব্যৱসায়ীয়ে বিচাৰে আপোনাৰ পৰা কেনেকৈ নিৰ্ধাৰিত মূল্যতকৈ দুগুণ লাভ কৰিব পাৰে। এজন মেকানিকে বিচাৰে আপোনাৰ গাড়ীখন সোনকালে বেয়া হওক আৰু তেওঁৰ ওচৰলৈ লৈ যাওক । আকৌ একাংশ বৃত্তিত মানুহৰ কথা লগাই ফুৰিব লগা হয় দুই নম্বৰী নহ'লে কাম নচলে। আন একাংশ বৃত্তিত সন্মুখত ভদ্ৰতাৰ মুখা পিন্ধি পাছফালৰ পৰা হানি থাকিবলগীয়া হয়। আকৌ একাংশ বৃত্তিত মিছা কথা নহ'লে কাম নচলে আনকি কেতিয়াবা টকাৰে ন্যায় কিনা-বেচা হয়। একাংশ সংগঠনে কেমাৰৰ সন্মুখত বৰকৈ চিঞৰে, (সকলো সংস্থা বা সংগঠনেই তেনেকুৱা নহয়, একাংশই নিস্বাৰ্থভাৱে মানৱ কল্যাণৰ হকে কাম কৰি আছে) কেৱল প্ৰচাৰৰ নামত বলিয়া হাতে-কামে একো কৰিব নোৱাৰে, ন্যায়-অন্যায় গভীৰ দৃষ্টিৰে চাবলৈ নিবিচাৰে। আমাৰ এই সমাজত নিঃস্বাৰ্থ বৃত্তি তথা সেৱা আগবঢ়োৱা লোকৰ ভিতৰত এনে কিছুমান বৃত্তি বা সেৱা আছে যি মানুহৰ কল্যাণৰ হকে চিন্তা কৰে। আপুনি কেতিয়াবা ভাবিচেনে ধনী মানুহৰ লোভ বেছি, যিমান সম্পত্তি আছে তাতকৈ তেওঁলোকে আৰু বেছিকৈ বিচাৰে। !সমাজত এনেকুৱা কিছুমান মানুহ আছে যি অজস্ৰ ধনী হোৱা সত্বেও নিজৰ সম্পত্তিৰ মাজত সীমাবদ্ধ নাথাকি ৰাইজৰ স্বাস্থ্য, শিক্ষা আদিৰ দৰে কল্যাণমূলক কামত ব্যৱহাৰ কৰে। এওঁলোক সমাজৰ প্ৰকৃত ধনী মানুহ নহয় জানো? ক'বলৈ গ'লে মানুহ ধন-সম্পত্তিৰে নহয়, ধনী হয় মনৰে । এইবোৰ মানুহে নিজৰ লগতে আনকো আগুৱাই নিব বিচাৰে বাবে প্ৰকৃত বহল মনৰ গৰাকী বুলি ক'ব পাৰি। তেনেদৰে এই সমাজত বিভিন্ন বৃত্তিৰ ভিতৰত শিক্ষক, কৃষি আৰু দেশৰ জোৱানসকলৰ কথা কেতিয়াবা মনলৈ আহেনে বাৰু? শিক্ষক, কৃষি আৰু দেশৰ জোৱান এই তিনিওটা বৃত্তি নিঃস্বাৰ্থভাৱে আৰু সততাৰ পৰিচয়ৰ প্ৰতীক । কৃষকসকলৰ ওপৰত ভিত্তি কৰি মানুহৰ খাদ্য নিৰ্ভৰশীল। কিন্তু আমি তেওঁলোকক নিম্ন চকুৰে চাওঁ, মনত হীন ভাবৰ সৃষ্টি কৰো। মনত ৰাখিব— প্ৰত্যেকে প্ৰত্যেকৰ স্থানত শ্ৰেষ্ঠ। যেনেদৰে এজন চকীদাৰৰ কাম প্ৰধান শিক্ষকে কৰিব নোৱাৰে, তেনেদৰে প্ৰধান শিক্ষকৰ কাম চকীদাৰে কৰিব নোৱাৰে। প্ৰকৃততে এই সকলো কথা আমাৰ মানসিকতাৰ ওপৰত নিৰ্ভৰশীল, আপুনি তাক কেনেকুৱা দৃষ্টিভংগীৰে লক্ষ্য কৰিছে। সততাৰ প্ৰতীক আৰু নিঃস্বাৰ্থ বৃত্তিৰ ভিতৰত আটাইতকৈ লেখত লব'লগীয়া আন দুটা বৃত্তি হৈছে দেশৰ জোৱান আৰু শিক্ষক সমাজ । শিক্ষক সমাজ আৰু দেশৰ জোৱান কেতিয়াও চেলিব্ৰেটীৰ দৰে নহয় বা আমি তেওঁলোকক চেলিব্ৰেটীৰ দৰে গুৰুত্ব নিদিওঁ । এজন চেলিব্ৰেটীৰ মৃত্যু হ'লে ফেচবুক, ষ্টেটাছ, ছ'চিয়েল মিডিয়াৰ জৰিয়তে ভাইৰেই কৰি দিয়ে। চেলিব্ৰেটী আহিলে নিজকে সৌভাগ্যৱান বুলি ভাবিবলৈ লয়, ফটো তুলিবলৈ হেতা-ওপৰা লাগে কিন্তু এজন দেশৰ জোৱান বা এজন শিক্ষকৰ মৃত্যু হ'লে কিমানেই চেলিব্ৰেটীৰ দৰে ভাইৰেল কৰে বাৰু? কিমানেই শিক্ষক আৰু দেশৰ জোৱানৰ লগত ছেল্‌ফি তুলিবলৈ বিচাৰে? এওঁলোক আচলতে আমাৰ সমাজৰ প্ৰকৃত নায়ক-নায়িকা। কিয়নো এজন জোৱানে নিজৰ জান-প্ৰাণৰ কথা নাভাবি দেশ ৰক্ষাৰ স্বাৰ্থত প্ৰাণ আহুতি দিবলৈ সাজু থাকে। তেওঁলোকে বিচাৰে নিজৰ প্ৰাণ গ'লেও দেশৰ মানুহবোৰ সুৰক্ষিত হৈ থাকক। নিজৰ সন্তান, পৰিয়ালক এৰি গুচি আহি কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হয়। তেনেদৰে শিক্ষক সমাজ ছাত্ৰ-ছাত্ৰীৰ বাবে জীৱনটো উৎসৰ্গা কৰে (একাংশ কলংকিত শিক্ষকৰ বাহিৰে)। শিক্ষক হোৱাৰ দিনাৰ পৰাই তেওঁলোকৰ এটা বান্ধোন থাকে। শিক্ষকে আনৰ দৰে সময় নষ্ট কৰি ইচ্ছা মতে দিন কটাব নোৱাৰে। কেতিয়াবা নিজৰ পৰিয়ালৰ সমস্যাও ভালদৰে ভাবিবলৈ সময় নাথাকে, তেওঁলোকে কেতিয়াবা কিতাপ নতুবা অন্য প্ৰয়োজনীয় বস্তু লগত নিবলৈ পাহৰি যায় । পুৱা শুই উঠাৰ পৰাই তেওঁলোকৰ এটাই চিন্তা কেনেদৰে সময়ত ছাত্ৰ-ছাত্ৰীৰ ক'ৰ্চখিনি শেষ কৰিব পাৰি। নিঃস্বাৰ্থভাৱে অহৰহ কষ্ট কৰে কেৱল ছাত্ৰ-ছাত্ৰীক আগুৱাই নিয়াৰ বাবে। ব্যস্ততাৰ মাজতো ফোন ধৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰশ্নৰ উত্তৰ দিবলৈ কয়— 'কোৱাচোন কি আছিলে 'শিক্ষক হ'ল এডাল মমবাতিৰ দৰে, যি নিজক গলি গলি আনক পোহৰ দিয়ে। মাক-দেউতাকে সন্তান জন্মহে দিয়ে কিন্তু তাৰ ব্যক্তিত্বৰ বিকাশ পৰা আদি কৰি জ্ঞানৰ চকু মকুলি কৰে একমাত্ৰ শিক্ষকে। তেন্তে সেই শিক্ষকৰ আমি মূল্য কিয় নুবুজো? শিক্ষক সমাজো নিজৰ অভিভাৱকৰ দৰে। মই ভাবো এজন পুৰুষ শিক্ষকৰ ভূমিকা দেউতাক নতুবা ভাতৃৰ দৰে, যেনেদৰে এজন পুৰুষে তেওঁৰ সন্তান নতুবা ভাতৃ-ভগ্নীক হাতত হাত ধৰি খোজকাঢ়িবলৈ শিকায়, বিপদৰ সময়ত দৌৰি যাবলৈ সাজু থাকে । তেনেদৰে এজনী শিক্ষয়িত্ৰীৰ ভূমিকাও মাতৃৰ সমতুল্য নতুবা বায়েকৰ দৰে। এজনী শিক্ষয়িত্ৰীয়ে মাতৃ নতুবা বায়েকৰ দৰে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীক অনুশাসন কৰি বুজাই আহিব পৰা সামৰ্থ্য লেখত ল'বলগীয়া, যি ছাত্ৰ-ছাত্ৰীয়ে নিসংকোচভাৱে মুক্ত মনৰে নিজৰ সমস্যা শিক্ষয়িত্ৰীৰ আগত অৱগত কৰিবলৈ কুণ্ঠাবোধ নকৰে। মুঠৰ ওপৰত শিক্ষানুষ্ঠানত নাৰী-পুৰুষ উভয়ে প্ৰয়োজন, এটা মুদ্ৰাৰ ইপিঠি সিপিঠি, সেয়া যিয়ে নহওক কিয় শিক্ষক সমাজে শিক্ষাৰ্থীৰ সমস্যা সমাধানত সাহস, উৎসাহ দি আগুৱাই যাবলৈ পথ দেখুৱায়। শিক্ষকে নিজে উচ্চ স্থান পাব নিবিচাৰি তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চ স্থান পোৱাতো চাবলৈ বিচাৰে। তেন্তে এই সমাজত প্ৰকৃততে নায়ক-নায়িকা শিক্ষক সমাজ, দেশৰ জোৱান, মানৱৰ কল্যাণৰ হকে কৰ্ম কৰি অহা লোকসকল আৰু কৃষকসকলক বুলি ক'ব পাৰো নে?!

*ফোন ঃ ৯৩৬৫৮-৬৫০৮২*

## মাননীয় সম্পাদক মহোদয়—

আজিকালি উচ্চ মাধ্যমিক পৰীক্ষাৰ উত্তৰ বহীত বিশেষকৈ অসমীয়া আৰু ইংৰাজী বিষয়টোত পৰীক্ষকে ব্যাকৰণ অনুসৰণ নকৰে মানে সকলো কথাই সৰলীকৰণ কৰা হৈছে। গতিকে এটা আভাস পালে বা থাকিলেই হ'ল। পৰীক্ষকেও এটা দীঘল প্ৰশ্নৰ উত্তৰত ১০ নম্বৰৰ ভিতৰত ১০ই দিয়া পৰিলক্ষিত হয়। কিয়নো, শিক্ষা যিহেতু নম্বৰকেন্দ্ৰিক আনহাতে, এটা প্ৰশ্ন (Query) আহে কিয় ১০ নম্বৰৰ ভিতৰত ১০ নাপালে?! ইয়াৰ দ্বাৰা বুজা যায় যে কাছ আৰু শহা একেলগে দৌৰিবই লাগিব। ধৰ্মসংকট আৰু অনাকাংক্ষিত প্ৰশ্ন (Query)ৰ বাবে পৰীক্ষকে নিঃসংকোচে ১০ৰ ভিতৰত ১০ নম্বৰেই দিয়ে। নিজৰ ইচ্ছা-অনিচ্ছাক একাষৰীয়াকৈ থৈ পূৰাপূৰি ১০ নম্বৰকেই দিলোঁ, যিহেতু আমিবোৰ মাথোঁ ভাৰৰীয়া। চি বি এছ চি (CBSE)ৰ লগত ফেৰ মাৰিব লাগিবটো। এতিয়াটো সেই আগৰ যুগ নাই; কেৱল নম্বৰহে লাগে। গতিকে তথৈবচ। অতিসম্প্ৰতি এনে এটা মনোভাবেৰেই সংপৃক্ত আজিৰ শিক্ষক সমাজ। আজিকালি এই শব্দটোৱে মানুহক ধৰ্মসংকটত পেলাইছে। যিটো দুৰ্ভাগ্যজনক কৰুণ সত্য বুলিয়েই ক'ব লাগিব। এতিয়া মানুহক মূল্যবোধৰ শিক্ষা নালাগে কেৱল ধন উপাৰ্জনৰ শিক্ষাহে লাগে। সহজে ধন ঘটাৰ কৌশল আয়ত্ত কৰিব লাগে; এইটো হ'ল আজিকালিৰ ধ্যান-ধাৰণা। নম্বৰ লাভৰ প্ৰতিযোগিতাৰ দৌৰত তিষ্ঠি থাকিবলৈ হ'লে ভাষাগত (Literacy) বিষয়টোত ১০০ৰ ভিতৰত ১০০ পাবই লাগিব। আজিৰ শৈক্ষিক প্ৰেক্ষাপটত এয়া যেন এক শাশ্বত সত্য। ঠিক তেনেকুৱা এটা ধাৰণাই (অমূলক) সাধাৰণ মানুহৰ দুচকুৰ সন্মুখত তল্‌বলকৈ উন্মোচিত হৈছে! Marksheetখন শুৱনি কৰাৰ স্বাৰ্থত অধিকাংশ শিক্ষকে ছাত্ৰ-ছাত্ৰীক নৈতিকতাৰ শিক্ষা প্ৰদান কৰিবলৈ পাহৰি গৈছে, কোমল কোমল মগজুত সুমুৱাই দিছে- তোমালোকে ৯৫+ পাবই লাগিব। কিছুমান বেচৰকাৰী খণ্ডৰ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীৰ আৱেগত প্ৰচণ্ড আঘাত কৰা পৰিলক্ষিত হৈছে। অনাহকত তথা বলপূৰ্বকভাৱে সিহঁতৰ মনোজগতত প্ৰৱেশ কৰি নম্বৰ লাভৰ তাগিদাৰ জৰিয়তে ভীতিগ্ৰস্ত কৰি তুলিছে। হয়তো, কাৰণ হিচাপে আজিকালি শব্দটোৱেই প্ৰাধান্য পাব। অত্যধিক গৃহ কৰ্ম (Home work)ৰ জৰিয়তে কোমল বয়সৰ ছাত্ৰ-ছাত্ৰীৰ মাজহাড় বেঁকা কৰা শিক্ষকসকলে ভাবি চাবলৈ আহৰি নাপায় যে সিহঁতৰো এটা আকাংক্ষা আছে মুকলি আকাশৰ তলত খেল-ধেমালি কৰাৰ। কেৱল বিদ্যালয় চৌহদৰ ভিতৰত উপলব্ধ এটুকুৰা সামান্য সীমাবদ্ধ ঠায়েই যথেষ্ট নহয়। কেতিয়াবা কেতিয়াবা কিছুমান শিশু ছাত্ৰ-ছাত্ৰী মানসিক ৰোগৰ প্ৰভাৱত পৰে কিয়? অপৰাধপ্ৰৱণ হয় কিয়? খিংখিঙীয়া স্বভাৱৰ হয় কিয়? ইয়াৰ অন্তৰালত মনস্তাত্বিক কাৰণ নথকা নহয়।! সেই কাৰণ আৰু উৎস ক'ত- অনুসন্ধানৰ নিতান্তই প্ৰয়োজনীয়তা আছে। গা এৰা দিয়া মনোভাবৰ বাবে কোনোবাই যদি বংশগত (Genetical) কাৰণ আৰু পৰিয়ালৰ বাবে এনে হোৱা বুলি কয় তেন্তে ভুল হ'ব। কেৱল পৰিয়ালক দোষাৰোপ কৰাটো পৰিতাপজনক। অপ্ৰত্যাশিতভাৱে ধৰ্মসংকট অনা আজিকালি শব্দটোৰ বাবেই আমাৰ অসমীয়া ল'ৰা-ছোৱালীয়ে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত আশানুৰূপ ফল লাভ নকৰে নেকি?!এগৰাকী সুশিক্ষিত সন্মানীয় ইউ পি এছ চি (UPSC)ৰ সদস্যই ব্যাকৰণ নিশ্চয়টো অনুসৰণ কৰিব। কিয়নো, তেনে ব্যক্তিয়ে নিজেও পুংখানুপুংখকৈ ব্যাকৰণ শিকি আহিছে।!গতিকে, অসমৰ নম্বৰকেন্দ্ৰিক শিক্ষা পদ্ধতিক ঘিণ কৰাটো স্বাভাৱিক। সেয়ে, নম্বৰকেন্দ্ৰিক শিক্ষা পদ্ধতি অৰ্থহীন!ওপৰোক্ত সংক্ৰান্তত ব্যক্তিমাত্ৰেই আত্মপ্ৰত্যয়েৰে হুমুনিয়াহ কাঢ়ি ক'বলৈ বাধ্য হ'ব যে অসমৰ নম্বৰকেন্দ্ৰিক শিক্ষা পদ্ধতি অতি ভুল শিক্ষা ব্যৱস্থা। সচাঁকৈয়ে শিক্ষা আকাশৰ দৰে বহল আৰু সাগৰৰ দৰেই গভীৰ। আমিবোৰ মাথোঁ নাদৰ ভেকুলী। কিম্‌অধিক কিমতি।

■ হেৰম্ব নাথ

*ফোন ঃ ৭০০২৭-৯৭৫৪০*

## ৰাজনীতি আগ্ৰাসন আৰু আচৰণ-ব্যৱহাৰত শালীনতা

মানুহ সামাজিক প্ৰাণী। সকলো জীৱৰ ওপৰত মানুহক শ্ৰেষ্ঠ হিচাপে গণ্য কৰা হয়, কাৰণ মানুহৰ চিন্তা কৰিব পৰা ক্ষমতা আছে। সাধাৰণ মানুহৰ ধাৰণা ৰাজনীতি মানেই মাজৰাতিৰ খেল। সকলো যেন ৰঙা সূতাৰ মেৰপাক। বৰ্তমান সময়ত ৰাজনীতি ক্ষেত্ৰখনতো ভাষাৰ অশালীনতা প্ৰত্যক্ষভাৱে দেখা পোৱা যায়। মন কৰিবলগীয়া যে ৰাজনীতিৰ লগত জড়িত ব্যক্তিসকল আমাৰ মাজৰে এজন। সাধাৰণ মানুহেই নিৰ্বাচন কৰা তথাকথিত নেতা। কিন্তু আজিকালি সামাজিক মাধ্যমত আলোচনা হোৱা বিষয় হৈ পৰিছে ৰাজনীতি ক্ষেত্ৰৰ ভাষা অবাধ আশীলতা। নিজৰে প্ৰতিদ্বন্দ্বীক হেয় জ্ঞান কৰি অসংগতিমূলক বাক্যবাণ, যিবোৰে সাধাৰণ ৰাইজৰ মাজত বিসংগতি সৃষ্টি কৰে। বিৰোধী পক্ষৰ লগত সূচনা হোৱা বাক-বিতণ্ডাত অসংযতমূলক কথাৰো সূচনা হোৱা দেখা যায়। ৰাজনীতিত বিৰোধী পক্ষ থকালৈকে বিভিন্ন সমালোচনা চলিবই, গতিকে ৰাইজৰ ৰজা হিচাপে প্ৰতিষ্ঠিত হৈ কথাৰ, আচৰণ সংযত হৈ সকলোকে স-সন্মান কৰিব লাগে। বাক্ স্বাধীনতাৰ অধিকাৰ খৰ্ব কৰাটো আইনসংগত নহয়। যিহেতু উপদেশতকৈ আৰ্হি শ্ৰেষ্ঠ। গতিকে বৰমূৰীয়াসকলে নিজেই নিজক শুদ্ধ কৰিলেহে সমাজ শুদ্ধ হ'ব।

■ কৰবী ভূঞা

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

## গছ কটাসকলক শাস্তি দিবনে?

গছ নাথাকিলে কোনো প্ৰাণী জীয়াই নাথাকিব। গছ-গছনিয়ে প্ৰকৃতিৰ ভাৰসাম্যতা ৰক্ষা কৰে। সেয়েহে আমি অসমৰ সকলো জনগণে প্ৰতি মাহতে এটাকৈ গছপুলি ৰুই তাক ডাঙৰ হোৱালৈকে প্ৰতিপালনৰ দায়িত্ব ল'লেহে আমিবোৰ জীয়াই থাকিম। অন্যথা এচামে এনেদৰে গছ কাটি শেষ কৰিছে যে আমি বাচি থকাই মচকিল্ হৈ পৰিব। তাৰ মাজতে চাৰিলেনযুক্ত পথ নিৰ্মাণৰ বাবেও বহু গছ কাটি পেলোৱা হৈছে। দেশৰ বাহিৰত হোৱা হ'লে গছবোৰক ৰক্ষণাবেক্ষণ দিহে পথ নিৰ্মাণ কৰিলেহেঁতেন। কিন্তু অসমৰ বেলিকা এয়া সম্ভৱপৰ নহয়গৈ। চৰকাৰেও চকু মুদা কুলিৰ ভাও ধৰি নীৰৱে সকলো চাই থাকে। তদুপৰি প্ৰশ্ন হয় যে গাঁৱে-ভূঞে গছ কটা সেই দস্যুবোৰক আৰক্ষী প্ৰশাসনে নাইবা চৰকাৰে কিবা শাস্তি দিবনে? নে নিজৰ দলৰ তৃণমূল পৰ্যায়ৰ ল'ৰাকেইটাই গছ কাটি বিক্ৰী কৰি খাই আছে বাবে সিহঁতক ৰেহাই দিব? এনেদৰেই অসমৰ বিভিন্ন অঞ্চলত বন দস্যুৱে গছ-গছনি কাটি তহিলং কৰিছে। যাৰ ফলত দৈনিক বতৰৰ সাল-সলনি হোৱা দেখা গৈছে। সঘনে ভূমিকম্প হৈছে। বৰষুণৰ পৰিমাণ কমি গৈছে যদিও হঠাতে হোৱা বৰষুণে চহৰ-নগৰ সকলোতে বানপানীৰ সৃষ্টি কৰিছে। ফলস্বৰূপে সাধাৰণ যাতায়াতৰ সমস্যাই দেখা দিছে। গছে কেৱল অক্সিজেন যোগান ধৰাই নহয়, বাটৰুৱাক ছাঁ দিয়ে। জীৱ-জন্তুৰ আশ্ৰয়স্থল হয়। গছৰ ফলমূলে জীৱকুলক খাদ্য হিচাপে অৰিহণা যোগায়। গতিকে গছৰ পৰা ইমানবোৰ উপকাৰৰ কথা জানিও কিয় দস্যুহঁতে গছ কাটি পৃথিৱীখন ধ্বংস কৰিব খুজিছে? ইও আজিৰ দিনত ডাঙৰ প্ৰশ্ন। সেয়েহে তেনে বন দস্যুসকলক চৰকাৰে যিকোনো প্ৰকাৰে চিনাক্ত কৰি গছ কটা বন্ধ কৰিব লাগে আৰু দস্যুসকলক উপযুক্ত শাস্তি দিব লাগে। তেতিয়াহে আমাৰ প্ৰকৃতি থাকিব। প্ৰকৃতি থাকিলেহে আমি থাকিম।

■ দীপামণি কামান

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### মুখ্যমন্ত্ৰী ভগৱান, তেওঁলোকে কয়

অসমৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পৰা ড° হিমন্ত বিশ্ব শৰ্মাই দুখীয়া জনতাৰ স্বাৰ্থত যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া অভূতপূৰ্ব। চৰকাৰ ৰাইজৰ স্বাৰ্থত সমাজৰ প্ৰগতিৰ স্বাৰ্থত সেই কথা মুখ্যমন্ত্ৰী মহোদয়ে কামেৰে দেখুৱাই গৈ আছে। আগতেও অসমত ভাল আৰু দক্ষ মুখ্যমন্ত্ৰী আছিল। কিন্তু শৰ্মা ডাঙৰীয়াৰ দৰে দুখীয়া প্ৰজাৰ অন্তৰত ঠাই পোৱা নাছিল। এটা সময়ত মানুহে ভাবি লৈছিল চাকৰি পাবলৈ উপযুক্ত শিক্ষাৰ লগতে ৰাজনৈতিক নেতাৰ আশীৰ্বাদ লাগিব। কোনো মন্ত্ৰী বা বিধায়ক লগ পাবলগীয়া হ'লে লগত স্থানীয় কৰ্মী নিব লাগিব, কিজানি কামটো নহ'ব। আগতে দুখীয়া পিতৃ-মাতৃয়ে সন্তানৰ চাকৰি হ'ব বুলি ক'বলৈ সাহস কৰিব নোৱাৰে কাৰণ পৰীক্ষাৰ নম্বৰৰ বাহিৰে তেওঁলোকৰ অন্য একো নাই। এক অৰ্থত দুখীয়াৰ মেধাৰ মূল্য নাই।

কিন্তু আজি যেন কিছু সলনি হ'ল। আজি দুখীয়া পিতৃয়ে মূৰ দাঙি ক'ব পাৰে— মোৰ ছোৱালীয়ে টে'ট পৰীক্ষাত বেছি নম্বৰ পাইছে চাকৰি পাবই। আজি ৰাইজে জনসভাৰ মাজতো মুখ্যমন্ত্ৰী বা দক্ষ কেবিনেট মন্ত্ৰীক দুখৰ কথা ক'ব পাৰে, উচিত সমাধান পাব পাৰে। অনলাইনৰ জৰিয়তে যি কোনো তথ্য পাব পাৰে।

ভগৱানৰ ওপৰতো বোলে অভিযোগ থাকে সেই বাবে কণা বিধাতা বুলি কোনোৱে কয়। আজি আমাৰ জনপ্ৰিয় মুখ্যমন্ত্ৰীকো অভিযোগ কৰে। সেইদৰে বহু বিষয়াক হাতে-লোটে ধৰি গ্ৰেপ্তাৰ কৰি আছে, যিটো আগতে দেখা পোৱা নাছিল। বাহিৰা টকা ঘটা আৰু ঘোচ দি কাম আদায় কৰা প্ৰবৃত্তিবোৰ যেন সহজে নেৰাব।

ধনী ঘৰৰ চোতালত পৰি থকা স্কুটীখন চুবলৈ ভয় কৰা দুখীয়া ছোৱালীজনীয়ে পৰীক্ষাত নম্বৰ পাই নিজে স্কুটীৰ গৰাকী হৈ মুখ্যমন্ত্ৰীক ভগৱান বুলি কয়। এহাজাৰ টকাৰ বাবে চিন্তা কৰিব লগা পৰিয়াটোৱে পুত্ৰৰ চাকৰি হ'লে। ড্ৰাগ্‌ছৰ কবলত পৰি বিপথে যোৱা সন্তানক ড্ৰাগ্‌ছ মুক্ত কৰিব পৰা। তালু ফুটা শিশুক লৈ চকুপানী মচি থকা মাক-দেউতাকে যেতিয়া শিশুক সুস্থ কৰিব পাৰে। তেওঁলোকে মুখ্যমন্ত্ৰীক ভগৱান বুলি কয়। ঘোচ দিয়া-ঘোচ লোৱা বিষাক্ত পৰম্পৰা ঘৰে ঘৰে আঁতৰ কৰাৰ সংকল্প নল'লে, স্বচ্ছতা নহ'ব।

■ পৱন কুমাৰ বৰা

## ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে কানিয়াজাত আদৰ্শ অংগনাৱাড়ী কেন্দ্ৰত সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২০ ছেপ্টেম্বৰ ঃ** মাজুলী সংহত শিশু উন্নয়ন প্ৰকল্প, কমলাবাৰীৰ অধীনৰ কমলাবাৰী চক্ৰৰ মুখ্য সেবিকা জুটি বাৰীৰ আৰু জিলা সমাজ কল্যাণ সমন্বয়ক পংকজ পায়েঙৰ সহযোগত মুঠ ৫৮টা অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী-সহায়িকাৰ সহযোগত কানিয়াজান আদৰ্শ অংগনৱাড়ী কেন্দ্ৰত ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে এখন সজাগতা সভা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকি কমলাবাৰী শিশু উন্নয়ন প্ৰকল্প বিষয়া কণিকা পাইট, জিলা সমাজ কল্যাণ বিষয়া তথা সহকাৰী আয়ুক্ত দেৱনাৰায়ণ হাজৰিকা, জিলা পৰিষদৰ সভানেত্ৰী পাপু হাজৰিকা দত্ত, মাজুলী জিলা যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি মুনিন্দ্ৰ ভূঞা, পটীয়া উপ-স্বাস্থ্য কেন্দ্ৰৰ বিষয়া প্ৰাঞ্জল বৰুৱা, এএনএম হীৰা বৰা শইকীয়া, পৰিচালনা সমিতিৰ নৱজ্যোতি পায়েং, বিদ্যালয়ৰ প্ৰধান শিক্ষক ইন্দ্ৰেশ্বৰ বেগনে শিশুসকলৰ সৰ্বাঙ্গীণ উন্নয়নৰ হকে পৰামৰ্শমূলক মন্তব্য আগবঢ়ায়। অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মীসকলে আৰু কেন্দ্ৰৰ কণ কণ শিশুসকলে কবিতা আবৃত্তি, নৃত্য, সমবেত সংগীত, জাতীয় সংগীত পৰিৱেশন কৰি অনুষ্ঠানটি সৰ্বাঙ্গসুন্দৰ কৰি তোলে।



*মাজুলীত ধুমুহাত উভালি পৰা গছ*

## আৰক্ষীৰ জালত নাৰী সৰবৰাহকাৰী চক্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ২০ ছেপ্টেম্বৰ ঃ** ধনশিৰি মহকুমাৰ বৰপথাৰ আৰক্ষীয়ে দেওবাৰে গ্ৰেপ্তাৰ কৰিছে সন্দেহযুক্ত চাৰি নাৰী সৰবৰাহকাৰীক। বৰপথাৰ নগৰৰে এগৰাকী বিবাহিতা হিন্দু মহিলাক বিয়াৰ প্ৰলোভনেৰে জয়নাল হক (৩০) নামৰ যুৱক এজনে লৈ গৈ প্ৰায় এসপ্তাহ দিন ধৰি ভাবাঘৰত ৰাখি থৈছিল। মহিলাগৰাকীৰ ভাষ্য অনুসৰি বেংকলৈ বুলি ঘৰৰ পৰা ওলাই যোৱাৰ পাছত ৰাস্তাৰ পৰাই এখন মটৰচাইকেলেৰে জয়নাল হকে প্ৰলোভনেৰে মহিলাগৰাকীক লৈ যায়। আনহাতে, অসমৰ বাহিৰলৈ লৈ যোৱাৰ কথা আছিল মহিলাগৰাকীক। উল্লেখ্য, দৰিদ্ৰ পৰিয়ালৰ মহিলাগৰাকী বৰপথাৰ নগৰৰ এটা ভাবাঘৰত মাতৃৰ সৈতে বসবাস কৰে। সেই একেটা ভাবাঘৰৰ কামত আছিল অভিযুক্ত জয়নাল হক। ইপিনে, বিচাৰ-খোঁচাৰ কৰিও মহিলাৰ সন্ধান নোপোৱাত যোৱা ১৬ ছেপ্টেম্বৰত মাতৃয়ে বৰপথাৰ আৰক্ষী থানাত কন্যা নিৰুদ্দেশ হোৱাৰ বিষয়ে এখন এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত বৰপথাৰ আৰক্ষীয়ে ৩৬-২০২২ নম্বৰত এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখে। ইপিনে, বৰপথাৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰেমেশ্বৰ শইকীয়াৰ নেতৃত্বত ক্ষিপ্ৰতাৰে তদন্ত কৰি দেওবাৰে এই ঘটনাৰ লগত জড়িত অভিযুক্তৰ লগতে আন তিনি অভিযুক্তকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। সন্দেহযুক্ত নাৰী সৰবৰাহৰ লগত জড়িত চাৰি অভিযুক্ত হৈছে জয়নাল হক (৩০), চাজাদুল হক(২৯), মুজাকিৰ হুছেইন (২৪) আৰু আব্বাছ আলী (৫৩)। আটাইৰে ঘৰ ধুবুৰী জিলাৰ ফকিৰগঞ্জ আৰক্ষী থানাৰ অন্তৰ্গত ফুলকাটাৰীত। ইপিনে, আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ৩৬৬ আৰু ৩৭০ ধাৰাৰ অধীনত আটাইকে গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে বৰপথাৰৰ বিভিন্ন ঠাইত দীৰ্ঘদিনৰ পৰা পকী কামত নিয়োজিত হৈ আছিল চাৰি অভিযুক্ত।

## ডবকা হাজী আনফৰ আলী কলেজত অৰাজকতা
# সাতজন ছাত্ৰক কলেজৰ পৰা বহিষ্কাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ডবকা, ২০ ছেপ্টেম্বৰ ঃ** ডবকাৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান হাজী আনফৰ আলী কলেজত চৰম অৰাজকতাই বিৰাজ কৰিছে। দুই ছাত্ৰক ৰাষ্টিকেট কৰাক লৈ উত্তেজনা। কলেজখনৰ উপাধ্যক্ষৰ ৰূমত গৰু, ছাত্ৰৰ হাতত ম'বাইল আৰু ডান্স কৰা ছাত্ৰৰ ভিডিঅ' ভাইৰেলক লৈ চৰম সিদ্ধান্ত ছাত্ৰৰ বিৰুদ্ধে। অভিযোগ অনুসৰি কিছুদিন পূৰ্বে কলেজৰ ছাত্ৰ একতা সভাৰ বিদায়ী সভাৰ পিছত একাংশ ছাত্ৰই ফূৰ্তি কৰি ডেন্স কৰি ভিডিঅ প্ৰস্তুত কৰি ভাইৰেল কৰাৰ বাবেই ডবকা আনফৰ আলী মহাবিদ্যালয়ৰ দুই ছাত্ৰক ৰাষ্টিকেট কৰে অধ্যক্ষই। যোৱা ৮ ছেপ্টেম্বৰতো বিভিন্ন দাবী লৈ ছাত্ৰ একতা সভাৰ সম্পাদকসহ পাঁচগৰাকী ছাত্ৰই অধ্যক্ষক স্মাৰক-পত্ৰ দিবলৈ যাওঁতেই সম্পাদকসহ নিলম্বন কৰে পাঁচ ছাত্ৰক। বহু পুৰণি ভাইৰেল ভিডিঅ'ৰ বাবেই দুই ছাত্ৰক কলেজৰ পৰা উলিয়াই দিয়া কাৰ্যক সহজভাৱে ল'ব পৰা নাই অভিভাৱকসকলে। কলেজৰ পৰা ৰাষ্টিকেট আৰু বহিষ্কাৰ কৰাৰ পূৰ্বে ছাত্ৰৰ পিতৃ-মাতৃক কলেজ কৰ্তৃপক্ষই অৱগত কৰিব লাগিছিল বুলি অভিযোগ কৰে অভিভাৱকসকলে। পাঁচ ছাত্ৰক নিলম্বন কৰাৰ লগতে ছাত্ৰৰ বিৰুদ্ধে থানত গোচৰ প্ৰিঞ্চিপালৰ। অভিভাৱক, সচেতন লোকৰ মাজত আৰম্ভ হৈছে তীব উত্তেজনা। জিলা উপায়ুক্ত, মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰীৰ হস্তক্ষেপ দাবী জনাইছে ভুক্তভোগী ছাত্ৰৰ লগতে পিতৃ-মাতৃয়ে। ঐতিহাসিক কলেজখনত শৈক্ষিক পৰিৱেশ একপ্ৰকাৰ বিনষ্ট হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। অধ্যক্ষৰ মইমতালিত অতিষ্ঠ হৈ ভুক্তভোগী ছাত্ৰবোৰে লৈছে চৰম পন্থা, চৰম পন্থাৰ কাৰণে ব্যৰ্থ চেষ্টা কলেজৰ একাংশ ছাত্ৰৰ। এজন-দুজন নহয়, কে'বাজনো ছাত্ৰই চলাইছে এই অপচেষ্টা। পৰিয়ালৰ লোক আৰু বন্ধু-বান্ধৱৰ বুজনিত প্ৰাণৰক্ষা পৰে কে'বাজন ছাত্ৰৰ। আনফৰ আলী কলেজৰ গুৰু-শিষ্যৰ মাজৰ সংঘাতে ধাৰণ কৰিছে তীব্ৰ ৰূপ। যিকোনো সময়ত সংঘটিত হ'ব পাৰে অঘটন। অধ্যক্ষ ড° মামুন আজম বৰভূঞাৰ বিৰুদ্ধে উত্থাপিত হৈছে কে'বাটাও ভয়ংকৰ অভিযোগ। অভিযোগ উত্থাপন কৰিছে স্বয়ং কলেজৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ইক্ৰামুল ইছলাম আৰু তেওঁৰ সহপাঠীৰ লগতে একাংশ অভিভাৱকে। ইতিমধ্যে যোৱা ১৪ ছেপ্টেম্বৰত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকে কলেজৰ অধ্যক্ষই আক্ৰোশমূলকভাৱে কে'বাগৰাকী ছাত্ৰৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা লোৱাত ছাত্ৰ-ছাত্ৰীৰ বাক খৰ্ব কৰা, কলেজৰ কোটি কোটি টকাৰ কামৰ লাখ লাখ টকাৰ বিত্তীয় খেলিমেলিৰ তদন্ত, অনুশাসনমূলক ব্যৱস্থা প্ৰত্যাহাৰৰ দাবীত বিদ্যালয় পৰিচালনা সমিতিক এক লিখিত অভিযোগ দাখিল কৰে। একাংশ ছাত্ৰ সমাজ আৰু অভিভাৱকৰ অভিযোগ মতে অধ্যক্ষ মামুন আজম বৰভূঞাই ছাত্ৰসকলক চলাইছে মানষিক নিৰ্যাতন। ঐতিহাসিক কলেজখনৰ অধ্যক্ষ বৰভূঞাই দুই ছাত্ৰই ৰাষ্টিকেট আৰু পাঁচজনকৈ ছাত্ৰক কলেজৰ পৰা কৰিলে বহিষ্কাৰ। কেৱল বহিষ্কাৰ কৰাই নহয়, থানাতো গোচৰ তৰে অধ্যক্ষগৰাকীয়ে। এফালে আৰক্ষীৰ গোচৰ, আনফালে কলেজৰ পৰা বহিষ্কাৰ। এনে ঘটনাৰ পিছতে মানসিকভাৱে ভাগি পৰিছে ছাত্ৰসকল। কে'বাজনো ছাত্ৰই ঘৰতে চৰম সিদ্ধান্ত গ্ৰহণৰ অপচেষ্টা চলোৱা বুলিও জনাইছে একাংশ অভিভাৱকে। কলেজখনৰ ভিতৰত অধ্যাপকে পুহে গৰু, গৰুক শিক্ষা দিয়া হয় নে ছাত্ৰক অধ্যক্ষলৈ ছাত্ৰৰ প্ৰশ্ন। ইফালে, গুৰু-শিষ্যৰ সংঘাতৰ ফলত শিক্ষাৰ পৰিৱেশ বিনষ্ট নকৰিবলৈ আহ্বান জনাইছে ডবকাৰ সচেতন সমাজে। আনপিনে কলেজখনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ইক্ৰামুল ইছলামে অধ্যক্ষৰ ওপৰত বিভিন্ন অভিযোগ তুলি কলেজ পৰিচালনা সমিতিৰ লগতে জিলা উপায়ুক্তক হস্তক্ষেপ বিচাৰি অভিযোগ-পত্ৰ দাখিল কৰিছে। আন এক অভিযোগ অনুসৰি কলেজৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে অসামাজিক কাৰ্যকলাপ কৰি পৰিৱেশ বিনষ্ট কৰিছে, সেই বাবেই কলেজ কৰ্তৃপক্ষই কলেজখনত শেহতীয়াকৈ ম'বাইল ফোন নিষিদ্ধ কৰিছে, ম'বাইল ফোন নিষিদ্ধ কৰাত শৈক্ষিক পৰিৱেশ কিছু উন্নত হৈছে বুলিও জানিব পৰা গৈছে। এতিয়া প্ৰশ্ন হয় কোন সঁচা, কোন মিছা সেয়া তদন্ততহে পোহৰলৈ আহিব।

## হাতত দা লৈ সমষ্টিত হাবি-জংঘল পৰিষ্কাৰ বিধায়ক ৰঞ্জিত দত্তৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২০ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ আন আন ঠাইৰ লগতে সোমবাৰে বিশ্বনাথৰ বিহালী সমষ্টি বিজেপি কৰ্মীসকলে সেৱা পযেক পালন কৰে। সেৱা পযেক উপলক্ষে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি স্বচ্ছ ভাৰত অভিযান কাৰ্যসূচী ৰূপায়ণ কৰে। বিহালী সমষ্টিৰ বিজেপি কৰ্মীসকলে সমষ্টিটোৰ বিভিন্ন গাঁও পঞ্চায়ত আৰু ৰাজহুৱা স্থানত হাতে হাতে ঝাড়ু, দা লৈ চাফাই অভিযানত নামি পৰে। ইফালে এই চাফাই অভিযানত অসম চৰকাৰৰ প্ৰাক্তন ৰেচম আৰু হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী তথা বিহালী সমষ্টিৰ বিধায়ক ৰঞ্জিত দত্তকো দেখা গ'ল হাতত দা লৈ হাবি-জংঘল চাফা কৰা। উল্লেখ্য, সোমবাৰে সমষ্টিটোৰ বিহালী মণ্ডলৰ অন্তৰ্গত বিজেপিৰ কৰ্মীৰ লগতে বিধায়ক ৰঞ্জিত দত্তই স্বচ্ছ অভিযানৰ জৰিয়তে ঐতিহ্যমণ্ডিত গাংমৌথানৰ পদুমপুখুৰী পাৰত থকা হাবি-জংঘল চাফা কৰাৰ লগতে বহু ৰাজহুৱা স্থান পৰিষ্কাৰ কৰি তোলে বিজেপি কৰ্মীসকলে।

## তিনিগৰাকী অশীতিপৰ শিক্ষাগুৰুক বাসগৃহত সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২০ ছেপ্টেম্বৰ ঃ** যোৱা শতিকাৰ পঞ্চাশ যাঠি দশকৰ স্কুলীয়া শিক্ষা সমাপ্ত কৰি বিভিন্ন কৰ্মক্ষেত্ৰত নিয়োজিত একাংশ ছাত্ৰই তিনিগৰাকী অশীতিপৰ শিক্ষাগুৰুক তেওঁলোকৰ বাসগৃহত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সম্বৰ্ধনা জনায়। ১৯৫১ চনৰ পৰা ১৯৯৬ চাৰি দশকৰো অধিক কাল শিক্ষকতা কৰা সৰুলাহৰ উপেন্দ্ৰ নাথ দাস (৯০), ১৯৬৩ চনৰ পৰা ১৯৯৮ চনলৈ শিক্ষকতা কৰা ল'ৰা হাইস্কুলৰ শিক্ষক ভূধৰ বৈশ্য (৮৭) আৰু ১৯৫৯ চনৰ পৰা ১৯৯৮ চনলৈ শিক্ষকতা কৰা শুৱালকুছি ল'ৰা হাইস্কুলৰ শিক্ষক প্ৰিয়নাথ শৰ্মা (৭৮)ক গামোচা, পাটৰ চেলেং চাদৰ শৰাই আৰু মুগা কাপোৰত ছপা কৰা মান-পত্ৰৰে সম্বৰ্ধনা কৰা হয়। সম্বৰ্ধনাৰ অন্তত ছাত্ৰসকলে আঁঠু লৈ সেৱা জনায়। সম্বৰ্ধনাৰ সময়ত প্ৰতিজন শিক্ষকে তেওঁলোকৰ অতীতৰ কৰ্মজীৱন সুঁৱৰি আৱেগিক হৈ পৰে। গুৰু-শিষ্যৰ গুৰু বন্দনাৰ এই মিলন নৱ প্ৰজন্মৰ বাবে ইতিবাচক হ'ব বুলি কয়। জীৱনজোৱা সাধনাৰে মানৱ সম্পদ গঢ়াত ব্ৰতী থকা শিক্ষাগুৰুসকলক জীৱনৰ বিয়লি বেলাত তেওঁলোকে শিক্ষাদান কৰা ছাত্ৰসকলে খবৰ ল'বলৈ আহৰি নাপায়। এই সময়ত এই অনুষ্ঠানে শিক্ষকসকলক আনন্দিত কৰি তুলিছে।

## ছাগলীয়াত ড্ৰাগ্‌ছসহ এজন লোকক আটক কৰে আৰক্ষীয়ে

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২০ ছেপ্টেম্বৰ ঃ** আজি ৪৮ বিএনএল আৰক্ষী জোৱানে ছাগলীয়া আৰক্ষীৰ সৈতে ড্ৰাগ্‌ছসহ এজন লোকক আটক কৰে। লোকজনৰ নাম ৰাৰোছুনুৰ সেখ, (২৮ বছৰ) পিতা হাকিম সেখ। ছাগলীয়াৰ নিজা ঘৰতে তালাচী চলাই ১৮০০টা আৰ-৭ YABA টেবলেটসহ আটক কৰি আৰক্ষী থানাত গতাই দিয়ে। বৰ্তমান জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

### পাটাছাৰকুছিত জ্যেষ্ঠ নাগৰিকৰ স'তে বজালীৰ আৰক্ষী অধীক্ষকৰ মনোজ্ঞ আলাপ

## নাগৰিকৰ মঞ্চ আৰু পুলিচ প্ৰশাসন একেটি মুদ্ৰাৰে ইপিঠি-সিপিঠি ঃ অধীক্ষক দাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, বজালী, ২০ ছেপ্টেম্বৰ ঃ** বজালী জিলাৰ আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ দাসৰ আহ্বানমৰ্মে আৰু জ্যেষ্ঠ নাগৰিক সন্মিলনীৰ উদ্যোগত কালি পাটাছাৰকুছিৰ প্ৰাগজ্যোতি ক্লাবৰ ভূপেন্দ্ৰ ভৱন প্ৰেক্ষাগৃহত অঞ্চলটোৰ অৰ্ধশতাধিক জ্যেষ্ঠ নাগৰিকৰ লগত এক মনোজ্ঞ মত বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সমাজৰ উত্তৰণত আৰক্ষী আৰু জ্যেষ্ঠ নাগৰিকৰ মাজত সু-সম্পৰ্কৰ প্ৰয়োজনীয়তা বিষয়বস্তু হিচাপে লৈ অনুষ্ঠিত কৰা এই অন্তৰংগ অনুষ্ঠানৰ আনুষ্ঠানিকভাৱে মুকলি কৰে বজালী জিলাৰ উপায়ুক্ত কাবেৰী বি শৰ্মাই। অনুষ্ঠান মুকলি কৰি উপায়ুক্তগৰাকীয়ে এনে পদক্ষেপৰ শলাগ লৈ ইয়াৰ প্ৰয়োজনীয়তা আছে আৰু এনে পদক্ষেপে সমাজত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব বুলি আশা প্ৰকাশ কৰে। এই অনুষ্ঠানৰ আৰম্ভণিতে শশীমোহন গোস্বামীয়ে স্তোত্ৰ পাঠ কৰে। অশীতিপৰ সমাজকৰ্মী মুনীন্দ্ৰ নাৰায়ণ গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত বিশেষ আলাপ অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক ভুৱন শৰ্মাই। আদৰণী ভাষণ আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে পাটাছাৰকুছিৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি পৰেশ চন্দ্ৰ দাসে। আৰক্ষী অধীক্ষকগৰাকীৰ আহ্বানমৰ্মে জ্যেষ্ঠ নাগৰিকসকলৰ তৰফৰ পৰা এজন এজনকৈ বহুকেইগৰাকীয়ে বিভিন্ন সমস্যাৰ কথা উনুকিয়ায়। এই সমস্যাসমূহৰ ভিতৰত পাৰিবাৰিক সমস্যাই সৃষ্টি কৰা সমস্যা, জিলাখনত জ্যেষ্ঠ নাগৰিকৰ বাবে বেংক, চৰকাৰী কাৰ্যালয় আদিত বহাৰ ব্যৱস্থা কৰা, বাছ ষ্টেচনত ভালদৰে বাছ ৰখোৱা, টাউন এলেকাত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰা, মদ, জুৱা, আদি অসামাজিক কাৰ্যকলাপ নিয়ন্ত্ৰণ আদি বিষয়বস্তু উত্থাপন কৰে। পৰেশ চন্দ্ৰ দাস, অৱসৰী শিক্ষক ৰবীন শৰ্মা, শশীমোহন গোস্বামী, কাচিম আলী, নৃপেন শৰ্মা, ফণীধৰ শৰ্মা, দুৰ্লভ শৰ্মা, প্ৰতিভা দেৱচৌধুৰী আদিয়ে বিভিন্ন সমস্যা উত্থাপন কৰে। আৰক্ষী অধীক্ষকগৰাকীয়ে সমস্যাসমূহৰ সম্ভৱপৰ সমাধানৰ আশ্বাস প্ৰদান কৰে। তেওঁ বহু সমস্যাৰ লগতে সামাজিক ব্যাধি বুজাই-বঢ়াই কাউন্সেলিঙৰ দ্বাৰা সজাগতা সৃষ্টি কৰি সমাধান কৰিব পাৰি বুলি কয়। এইক্ষেত্ৰত তেওঁ সদায় সাজু বুলি কৈ ভৱিষ্যতে এনে কাউন্সেলিঙৰ ব্যৱস্থা কৰাৰ বাবেও জ্যেষ্ঠ নাগৰিক সন্মিলনীক অনুৰোধ জনায়। এনে কাউন্সেলিঙত তেওঁ সামাজিক সমস্যা সমাধানৰ স্বাৰ্থত উপস্থিত থাকিব বুলি কয়। যি কোনো অসামাজিক কাৰ্যকলাপ দৃষ্টিগোচৰ হ'লে তৎক্ষণাৎ তেওঁক ৯৪৩৫১৬৫২৬৫ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনায়। দুৰ্ঘটনা ৰোধৰ বাবে অভিভাৱকসকলক নিজৰ ল'ৰা-ছোৱালীৰ ওপৰত দৃষ্টি ৰখাৰ উপৰি লাইচেন্স, হেলমেট ফিটা মাৰি পিন্ধাটো নিশ্চিত কৰিবলৈ আহ্বান জনায়। পুলিচ প্ৰশাসনত নাগৰিকৰ গুৰুত্বপূৰ্ণ ভূমিকা থকা বুলি উল্লেখ কৰি সত্ৰত চুৰি কাৰ্য ৰোধ কৰাৰ বাবে নিৰাপদভাৱে তলা মৰা আৰু নগদ ধন সত্ৰত পৰাপক্ষত নাৰাখিবলৈ অনুৰোধ জনায়। তেওঁ বজালী জিলা গঠনৰ প্ৰায় দুবছৰত আৰক্ষীৰ আন্তঃগাঁথনিৰ আমূল পৰিৱৰ্তনৰ চমু খতিয়ান ৰাইজক ব্যক্ত কৰে আৰু অনুষ্ঠানত উল্লিখিত বিষয়ৰ পৰৱৰ্তী সময়ত কি কৰা হ'ল সেয়াও ৰাইজক জনাবলৈ উদ্যোক্তাসকলক অনুৰোধ জনায়। এই অনুষ্ঠানত উপস্থিত থাকি অতিৰিক্ত আৰক্ষী অধীক্ষক ড° ৰশ্মিৰেখা শৰ্মাই জ্যেষ্ঠ নাগৰিকসকলক অভিজ্ঞতাপুষ্ট জ্ঞানৰ ভঁৰাল বুলি উল্লেখ কৰে আৰু এনে জ্ঞানে সমাজৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্টখিনি অৰিহণা যোগাব পাৰে বুলি ব্যক্ত কৰে। সঞ্চালক মুনীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে বিষয়বস্তুৰ ওপৰত আলোকপাত কৰাৰ লগতে আলাপত মত প্ৰকাশ কৰা বিভিন্ন বিষয় সামৰি নিজৰ বক্তব্য আগবঢ়ায়।

## পালেংবাৰীৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২০ ছেপ্টেম্বৰ ঃ** চিৰাং জিলা বিদ্যালয় সংমণ্ডলৰ অন্তৰ্গত পালেংবাৰীৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। বিদ্যালয়খনত থকা গছ-গছনি বিক্ৰী কৰাৰ অভিযোগ তুলিছে ৰাইজে। বিদ্যালয়খনৰ কমিটীৰ লগত কোনোধৰণৰ আলোচনা নকৰাকৈ মইমতালিৰে বিদ্যালয়খন পৰিচালনা কৰাৰ অভিযোগ প্ৰধান শিক্ষক আবু বক্কাৰ ছিদ্দিকৰ বিৰুদ্ধে। বিদ্যালয়খনৰ কোনোধৰণৰ উন্নীতকৰণ কথা চিন্তা নকৰি নিজৰ পকেটৰ চিন্তা কৰি আহিছে বুলি মন্তব্য কৰে স্থানীয় ৰাইজে। যাৰ ফলত ৰাইজ অতিষ্ঠ হৈ পৰিছে। নিজৰ মইমতালিৰে বিদ্যালয়খন পৰিচালনা কৰা প্ৰধান শিক্ষকৰ বিৰুদ্ধে বিভাগীয় উৰ্ধ্বতন কৰ্তৃপক্ষক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে স্থানীয় ৰাইজে।

## ধুবুৰী উপায়ুক্তৰ ফকিৰগঞ্জৰ খহনীয়া অঞ্চল পৰিদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২০ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ ফকিৰগঞ্জ অঞ্চলৰ তীব্ৰ খহনীয়া প্ৰতিৰোধৰ বাবে জিলা প্ৰশাসনে জিঅ'বেগ আঁচনি গ্ৰহণ কৰিছিল যদিও উক্ত আঁচনি নিৰ্মাণৰ দায়িত্বত থকা ঠিকাদাৰৰ বিৰুদ্ধে ৰাইজৰ ব্যাপক অভিযোগৰ ভিত্তিত উপায়ুক্ত অম্বামুথন এম পিয়ে কালি ফকিৰগঞ্জৰ খহনীয়া অঞ্চল পৰিদৰ্শন কৰি অৱস্থাৰ বুজ লয় আৰু ৰাইজৰ লগত কথা পাতি আঁচনিখন সফল ৰূপায়ণৰ বাবে সহযোগিতাৰ আহ্বান জনায়।




*ড° অন্নদা চৰণ ভাগৱতীৰ জন্মজয়ন্তী উপলক্ষে 'পূৰ্বোত্তৰ হিমালয়' শীৰ্ষক গ্ৰন্থ উন্মোচন, গুৱাহাটীত মঙলবাৰে*

## নগাঁৱত মহিলাসহ দুজনক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২০ ছেপ্টেম্বৰ ঃ** সোণ ক্ৰয়-বিক্ৰয় কৰি নগাঁৱত ৰঙাঘৰৰ আলহী হ'ল এগৰাকী মহিলাসহ দুজন লোক। আৰক্ষীৰ জালত পৰা লোক দুজন হ'ল গুলজাৰ হুছেইন আৰু উমে কুলচুম। নগাঁও চহৰৰ সমীপৰ কাতিমাৰীৰ উমে কুলচুম নামৰ মহিলাগৰাকীয়ে গুলজাৰ হুছেইনৰ সহযোগত কাতিমাৰী অঞ্চলত সোণ-ৰূপৰ ক্ৰয়-বিক্ৰয়ৰ এক ব্যৱসায় চলাই আহিছিল। জানিব পৰা মতে ধৃত গুলজাৰ এজন গভাইত চোৰ। গুলজাৰে চুৰি কৰা সোণ-ৰূপ কুলচুমে কম দামত ক্ৰয় কৰি এই ব্যৱসায় চলাই আহিছে। কুলচুমে গুলজাৰৰ পৰা ক্ৰয় কৰা সোণ-ৰূপৰ গহনা নিজৰ ঘৰত থকা কাৰখানাত নতুনকৈ প্ৰস্তুত কৰি সুলভ মূল্যত গ্ৰাহকক বিক্ৰী কৰে। নগাঁৱৰ হয়বৰগাঁও আৰক্ষীয়ে গোপন সূত্ৰে এই খবৰ লাভ কৰি অভিযান চলায়। এই অভিযানৰ সময়ত কালি নিশা আৰক্ষীয়ে গুলজাৰ হুছেইনক গ্ৰেপ্তাৰ কৰে। গুলজাৰ হুছেইনৰ স্বীকাৰোক্তিৰ ভিত্তিত কালি পুৱা আৰক্ষীয়ে কাতিমাৰীত কুলচুমৰ ঘৰত অভিযান চলাই কুলচুমক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁৰ ঘৰৰ পৰা সুলভ মূলত বিক্ৰী কৰিবলৈ মজুত কৰি ৰখা বুজন পৰিমাণৰ সোণৰ গহনা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। অধিক তথ্য আহৰণৰ বাবে আৰক্ষীয়ে দুয়োকে জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে গুলজাৰ আৰু কুলচুমে দীৰ্ঘদিন ধৰি সোণ-ৰূপৰ ক্ৰয়-বিক্ৰয়ৰ এক মুকলি বজাৰ চলাই আহিছিল।



*জিমচিএইচৰ ৬২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ দৃশ্য, মঙলবাৰে*

## লিডু কয়লাখনিত যোগীঘোপাৰ দুই শ্ৰমিকৰ মৃত্যু

### মালিকপক্ষই ঘটনা গাপ দিয়াৰ চেষ্টাৰে জেচিবিৰে পুতি থ'লে মৃতদেহ ঃ নিহত শ্ৰমিকৰ ঘৰত শোকাকুল পৰিৱেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২০ ছেপ্টেম্বৰ ঃ** অসম-অৰুণাচল সীমান্তৱৰ্তী তিনিচুকীয়া জিলাৰ লিডুৰ কয়লাখনিত এক ভয়ংকৰ ঘটনা সংঘটিত হোৱাৰ তথ্য পোহৰলৈ আহিছে। বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত পাল্লীৰতল ছেদামাৰী গাঁৱৰ দুজন শ্ৰমিকৰ লিডুৰ কয়লাখনিত গেছ নিৰ্গত হৈ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে। লিডুৰ কয়লাখনিৰ মালিক পক্ষই ঘটনা গাপ দিয়াৰ চেষ্টাৰে নিহত শ্ৰমিকৰ মৃতদেহ গোপনে নিৰ্জন ঠাইত জেচিবিৰে পুতি থোৱাৰ অভিযোগ উত্থাপন কৰিছে পৰিয়ালৰ লোকে। নিহত শ্ৰমিক দুজন যোগীঘোপা থানাৰ অন্তৰ্গত পাল্লীৰতল ছেদামাৰী গাঁৱৰ ছহিদুল ইছলাম আৰু হুছেইন আলী বুলি জনা গৈছে। আনহাতে, যোগীঘোপাৰ শ্ৰমিক দুজনৰ সৈতে গোৱালপাৰা জিলাৰ বগুৱানৰ আছমত আলী নামৰ আন এজন শ্ৰমিকৰো মৃত্যু হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, যোগীঘোপাৰ পাল্লীৰতল ছেদামাৰী গাঁৱৰ ছজনকৈ শ্ৰমিকে প্ৰায় এমাহ পূৰ্বে তিনিচুকীয়া জিলাৰ লিডুৰ কংগ্ৰেছ ফিল্ডৰ সমীপত থকা কয়লা খনিত কাম কৰিবলৈ যায়। লিডুৰ কুখ্যাত কয়লা মাফিয়া ডেভিদ নাগা আৰু খান নামৰ কয়লা খনিৰ মালিকৰ কয়লাখনিত যোগীঘোপাৰ এটা শ্ৰমিকৰ দল কাম কৰিবলৈ যায়। শ্ৰমিক ছহিদুল ইছলামে কালি সন্ধিয়া পৰিয়ালৰ লোকৰ সৈতে ফোনত কথা-বতৰা পতাৰ পিছত নিশা প্ৰায় ৯.৩০ বজাত আন শ্ৰমিকে ছহিদুল পৰিয়ালৰ লোকক ফোনযোগে ছহিদুল ইছলাম, হুছেইন আলী আৰু বগুৱানৰ আছমত আলীৰ মৃত্যুৰ খবৰ দিয়ে। শ্ৰমিক তিনিজনে কয়লাখনিত গেছ নিৰ্গত হৈ এনেদৰে অকাল মৃত্যুক আঁকোৱালি লয় বুলি জনা গৈছে। নিশা এনেদৰে মৃত্যুৰ খবৰ লাভ কৰাত পৰিয়ালৰ মাজত হুৱা-দুৱাৰ সৃষ্টি হয়। আনহাতে, নিশা প্ৰায় এক বজাত লিডুৰ কয়লাখনিৰ মালিক পক্ষই মৃতদেহ তিনিটা গোপন স্থানলৈ নি জেচিবিৰে মাটিত পুতি থোৱা বুলি জনায় পৰিয়ালৰ লোকে। পৰিয়ালৰ লোকে অভিযোগ কৰা মতে, কয়লাখনিৰ মালিক ডেভিদ নাগা আৰু খান নামৰ লোকজনে সমগ্ৰ ঘটনা গাপ দিয়াৰ অপচেষ্টা চলাই নিহতসকলৰ পৰিয়ালৰ লোকক কোনোধৰণৰ খবৰ দিয়া নাই। আনকি কয়লাখনিত থকা আন শ্ৰমিককো এই সমগ্ৰ ঘটনাৰ বাবে মুখ নুখুলিবলৈ বিভিন্ন ধৰণৰ ভাবুকি দি আহিছে মালিক পক্ষই। আজি পুৱাৰ পৰা ছহিদুল ইছলাম আৰু হুছেইন আলীৰ যোগীঘোপাৰ পাল্লীৰতল ছেদামাৰী গাঁৱৰ বাসগৃহত এক শোকাকুল পৰিৱেশে বিৰাজ কৰে। আৰক্ষী প্ৰশাসন তথা চৰকাৰে মৃতদেহ তিনিটা উদ্ধাৰ কৰি পৰিয়ালৰ লোকক চমজাই দিবলৈ দাবী জনায়। আনহাতে, এই সমগ্ৰ ঘটনাৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী উত্থাপন কৰে স্থানীয় ৰাইজে। আনহাতে, তিনিগৰাকী শ্ৰমিকৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ মিঞা জনগোষ্ঠীয় মঞ্চ, অসমে সমবেদনা জ্ঞাপন কৰে আৰু কয়লাখনিৰ মালিক ডেভিড নাগা আৰু খানৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱাৰ লগতে নিহত শ্ৰমিকৰ নিকটাত্মীয়লৈ বিশ লাখকৈ আৰ্থিক ক্ষতিপূৰণ আদায় দিয়াৰ বাবে চৰকাৰক দাবী জনায়। লগতে শীঘ্ৰে শ্ৰমিক তিনিজনৰ মৃতদেহ উদ্ধাৰ কৰি পৰিয়ালক চমজাই দিবলৈ চৰকাৰক দাবী জনায়।

### নদী পৰ্যটনৰ দিশত নতুন সংযোজন

## ডিব্ৰুগড় বগীবিলত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দুটাকৈ আঁচনি উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২০ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ বগীবিলত মহাবাহু ব্ৰহ্মপুত্ৰৰ পৰিৱেশ উপভোগ কৰিব পৰাকৈ নিৰ্মাণ হোৱা দুটা প্ৰকল্পৰ শুভ উদ্বোধন কৰিলে আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ডিব্ৰুগড় বগীবিলত 'NFR' ৰে'লৱেৰ জৰিয়তে নিৰ্মাণ সম্পূৰ্ণ হোৱা অসমৰ প্ৰথমটো 'RIVERFRONT PASSENGER JETTY' শুভ উদ্বোধন কৰি ৰাইজৰ বাবে মুকলি কৰাৰ লগতে বগীবিলতে Indian waterways authority of Indiaৰ জৰিয়তে ডিব্ৰুগড়ৰ বগীবিল আৰু গুঁইজানত নিৰ্মাণ হ'বলগীয়া Foating jetties নিৰ্মাণৰ বাবে আধাশিলা স্থাপন কৰে। ডিব্ৰুগড়ৰ বগীবিলত ইতিমধ্যে মহাবাহু ব্ৰহ্মপুত্ৰৰ নৈসৰ্গিক পৰিৱেশ উপভোগ কৰিব পৰাকৈ নিৰ্মাণ সম্পূৰ্ণ হোৱা riverfront passenger jettyখনত আছে পৰ্যটকৰ বাবে অত্যাধুনিক সা-সুবিধা। প্ৰতিদিনেই পৰ্যটকৰ বাবে মুকলি থাকিব এই riverfront passenger jettyখন। যাৰ পৰা পৰ্যটকে মহাবাহু ব্ৰহ্মপুত্ৰৰ নৈসৰ্গিক পৰিৱেশ উপভোগ কৰিব পাৰিব। ইফালে Indian waterways authority of India জৰিয়তে ডিব্ৰুগড়ৰ বগীবিল আৰু গুঁইজানত নিৰ্মাণ হ'বলগীয়া Floating jetties নিৰ্মাণ হ'লেই মুকলি কৰা কৰা হ'ব বগীবিলত জাহাজ ঘাট। ইতিমধ্যে নিৰ্মাণ হোৱা riverfront passenger jetty প্ৰকল্পই ৰাজ্যখনলৈ পৰ্যটনৰ আগমন বৃদ্ধি কৰিব বুলি আশা প্ৰকাশ কৰিছে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ডিব্ৰুগড় আৰু তিনিচুকীয়ালৈকে জাহাজ চলাচল কৰিলে উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ ধাৰা বৃদ্ধি পাব বুলি কয়। মহাবাহু ব্ৰহ্মপুত্ৰ হৈছে অসমৰ সম্পদ আৰু সভ্যতা-সংস্কৃতিৰ পৰিচায়ক বুলি কয়। নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে নদীপথত গুৰুত্ব আৰোপ কৰিছে বুলি কয়।

# অসমীয়া মহিলাৰ সৰ্বত্ৰ সমাদৰ লাভ কৰা খাতি অসমীয়া গহনা 'ডুগডুগী'ৰ প্ৰতিষ্ঠান তেজপুৰত শুভাৰম্ভ

### অসমত এসপ্তাহত ৩-৪খনকৈ ছবিৰ মুক্তিয়ে চলচ্চিত্ৰ উদ্যোগলৈ প্ৰত্যাহ্বান কঢ়িয়াই আনিছে ঃ গৰিমা শইকীয়া গাৰ্গ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২০ ছেপ্টেম্বৰ ঃ** জধেমধে এখন ছবি নিৰ্মাণ কৰিলেইনহ'ব, একোখন ছবিত যেনেদৰে সামাজিক বাৰ্তাৰ প্ৰয়োজন, তেনেদৰে সকলো শ্ৰেণীৰ দৰ্শকক আমোদ দিব পৰা কাহিনীও সংপৃক্ত হৈ থাকিব লাগিব। কিন্তু এতিয়া অসমত দেখা গৈছে এসপ্তাহতে তিনিখনলৈকে ছবিৰ মুক্তি হৈছে, কিন্তু সেই ছবিৰ বিষয়ে সচেতন দৰ্শক যেনেদৰে অৱগত নহয়, তেনেদৰে ইয়াৰ কাহিনী বা উপস্থাপন শৈলীক লৈয়ো চলচ্চিত্ৰ উদ্যোগলৈ এক প্ৰত্যাহ্বানহে কঢ়িয়াই আনিছে বুলি তেজপুৰত মন্তব্য কৰে প্ৰতিষ্ঠিত ফেশ্বন ডিজাইনাৰ তথা চলচ্চিত্ৰ নিৰ্মাতা গৰিমা শইকীয়া গাৰ্গে। উল্লেখ্য যে অসমৰ সবাতোকৈ জনপ্ৰিয় শুদ্ধ অসমীয়া গহনাৰ বাবে বিখ্যাত ১২টাকৈ ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত প্ৰতিষ্ঠান ডুগডুগীৰ এটা নতুন শাখা তেজপুৰ চহৰত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ সহধৰ্মিণী তথা চলচ্চিত্ৰ নিৰ্মাতা গৰিমা শইকীয়া গাৰ্গে। তেজপুৰ চহৰৰ মূল পথৰ পাৰ্কিং প্লেছৰ সন্মুখত নতুনকৈ নিৰ্মাণ কৰা এই ডুগডুগীৰ প্ৰতিষ্ঠান শুভাৰম্ভ কৰাৰ পিছত গৰিমা গাৰ্গে যিকোনো চলচ্চিত্ৰ জধেমধে নিৰ্মাণ কৰাৰ দিশটোত উদ্বিগ্নতা প্ৰকাশ কৰি সামাজিক বাৰ্তা তথা সকলো শ্ৰেণীৰ দৰ্শকক আমোদ দিব পৰা ছবি নিৰ্মাণৰ ওপৰত গুৰুত্ব আৰোপ কৰি বৰ্তমানে চাৰিজনীয়া এটা পৰিয়ালে যদি এখন চলচ্চিত্ৰ উপভোগ কৰিবলৈ যাব লগা হয় তেতিয়া অতি কমেও এহেজাৰ টকা খৰচ কৰিব লগা হয়। এহেজাৰ টকা খৰচ কৰি চোৱা ছবিখনৰ সকলো দিশ উন্নত মানৰ হ'ব লাগিব। কিন্তু এতিয়া দেখা গৈছে যিকোনো কাহিনীৰ ছবিও দৰ্শকে সেই একে ধন খৰচ কৰি চাব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। আনহাতে, ডুগডুগী প্ৰতিষ্ঠানে ইতিমধ্যে নিৰ্ভেজাল অসমীয়া গহনাৰে অসমৰ লোকসকলৰ সমাদৰ লাভ কৰাই নহয়, দেশৰ বিভিন্ন প্ৰান্তত থকা বা দেশৰ বাহিৰৰো অসমীয়া লোকসকলৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰে। সততে বৰ্তমান সময়ত মানুহে সাজপাৰ বা গহনা আদি ক্ৰয় কৰাৰ পিছত তাৰ গুণাগুণৰ ওপৰত সন্দেহ ৰৈ যোৱাৰ বিপৰীতে ডুগডুগীৰ এই অসমীয়া গহনাত গুণগত মান অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত স্বত্বাধিকাৰী তথা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ডিজাইনাৰ উৎপল বণিয়াই বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি মন্তব্য কৰে। অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী গীতালী দেৱী, সংগীত পৰিচালক জয়ন্ত কাকতি, ফেশ্বন ডিজাইনাৰ জুৰি কলিতাকে ধৰি অসমৰ গণ্যমান্য ব্যক্তিসকল উপস্থিত থকা শুভাৰম্ভণী অনুষ্ঠানৰ পূৰ্বে এক মাংগলিক কাৰ্য সম্পন্ন কৰা হয়। উল্লেখ্য যে ইতিমধ্যে নগাঁও, গুৱাহাটী, যোৰহাট, ডিব্ৰুগড়, লখিমপুৰত গ্ৰাহকৰ ব্যাপক সঁহাৰি লাভ কৰাৰ পাছত তেজপুৰত মুকলি কৰা ডুগডুগীৰ নতুন শাখাটোকো ৰাইজে আঁকোৱালি ল'ব বুলি আশা ব্যক্ত কৰিছে গৰিমা শইকীয়া গাৰ্গে। নতুন শাখাটোৰ গ্ৰাহকক অহা ২০ অক্টোবৰলৈ ২০ শতাংশ পৰ্যন্ত ৰেহাই দিয়াৰ লগতে একোটাকৈ উপহাৰ কুপন প্ৰদান কৰা হ'ব।

# ডিমৌত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিকৃতি দাহ তাই আহোম ছাত্ৰ সন্থাৰ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২০ ছেপ্তেম্বৰ ঃ** শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ কেবিনেট বৈঠকৰ পিছৰে পৰা ৰাজ্যৰ ছয় জনগোষ্ঠীৰ দল-সংগঠনৰ প্ৰতিবাদত ৰাজ্য উত্তাল হৈ আছে। উল্লেখ্য যে কেন্দ্ৰীয় কেবিনেটে দেশৰ পাঁচখন ৰাজ্যৰ প্ৰায় ১২টাকৈ সম্প্ৰদায়ক জনজাতিৰ মৰ্যাদা প্ৰদান কৰাত ৰাজ্যৰ ছয় জনগোষ্ঠীয় সংগঠন ক্ষুণ্ণ হৈ পৰিছে। আজি ডিমৌত আহোমৰ ছাত্ৰ সংগঠন সদৌ তাই আহোম ছাত্ৰ সন্থা চমুকৈ আটাছুৰ ডিমৌ আঞ্চলিক আৰু ডিমৌ কলেজ গোটে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিকৃতি দাহ কৰি ডিমৌ চাৰিআলি উত্তাল কৰি তোলে। অৰ্ধ শতাধিক আটাছু কৰ্মী উপস্থিত থকা প্ৰতিবাদী কাৰ্যসূচীত নৰেন্দ্ৰ মোদী মুৰ্দাবাদ, নৰেন্দ্ৰ মোদী গ' বেক, বিজেপি চৰকাৰ মিছলীয়া, আমাক জনজাতি লাগিবই, ন' এছ টি ন' ৰেষ্ট, এছ টি আমাৰ ন্যায্য দাবী আদি শ্ল'গান দি ডিমৌ চাৰিআলি কিছু সময়ৰ বাবে অৱৰোধ কৰে সংগঠনটোৱে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি আটাছু শিৱসাগৰ মহকুমা সমিতিৰ সাধাৰণ সম্পাদক সুমিত কুমাৰ সন্দিকৈয়ে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ প্ৰতাৰণাৰ ৰাজনীতি বেছি দিন নিটিকে বুলি উল্লেখ কৰে। ছাত্ৰ নেতাজনে কয় যে, ২০১৪ নিৰ্বাচনত বিজেপিয়ে ৬ জনগোষ্ঠীয় ৰাইজক জনজাতিৰ মৰ্যাদা দিম বুলি ভুৱা প্ৰতিশ্ৰুতি দি বৰ্তমান পাভলুটি মৰা কাৰ্যই তেওঁলোকৰ প্ৰতাৰক চৰিত্ৰ উদঙাই দিছে বুলিও কয়। এনে মিছলীয়া চৰকাৰৰ বিৰুদ্ধে ছয় জনগোষ্ঠীয় ৰাইজক মাৰবান্ধি থিয় দিবলৈ তেওঁ আহ্বান জনায়। কাৰ্যসূচীত উপস্থিত থকা শিৱসাগৰ জিলা সমিতিৰ মুখ্য উপদেষ্টা গোবিন গগৈয়ে কয় যে, বিজেপি দলে ৬ জনগোষ্ঠীৰ ৰাইজৰ আৱেগ-অনুভূতিৰ লগত খেলা কৰিছে, যাৰ পৰিণাম আগন্তুক নিৰ্বাচনত বিজেপিয়ে ভোগ কৰিব। উপ-সভাপতি নিপন বৰুৱাই কয় যে, জনজাতিকৰণৰ দাবী আৰু বিজেপি চৰকাৰৰ প্ৰতাৰণাৰ বিৰুদ্ধে ২২ ছেপ্তেম্বৰত বিধানসভা ঘেৰাও আৰু ২৬ ছেপ্তেম্বৰত সৰ্বাত্মক অসম বন্ধৰ আহ্বান কৰিছে ছয় জনগোষ্ঠীয় ঐক্য মঞ্চই। এই কাৰ্যসূচীসমূহ সফল কৰিবলৈ তেওঁ সকলো ৰাইজক আহ্বান জনায়। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত ডিমৌ আটাছুৰ সভাপতি বিদ্যুৎ দুৱৰা, সম্পাদক দেৱশিস গগৈ, ডিমৌ কলেজ গোটৰ সভাপতি অৰিন্দম দুৱৰা আদি বিষয়ববীয়াসকল উপস্থিত থাকে।

## মাজবাটৰ ওৰাং ৰূপা পথত পথ দুৰ্ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২০ ছেপ্তেম্বৰ ঃ** ওদালগুৰি জিলাৰ মাজবাটত এক পথ দুৰ্ঘটনাত এজনৰ মৃত্যু, আন এজনক সংকটজনক অৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ। জানিব পৰা মতে যোৱা ১৯ ছেপ্তেম্বৰ তাৰিখে আবেলি ৪ মান বজাত মাজবাটৰ আদৰ্শ গাঁও ট্যানিং বজাৰৰ কাষত ওৰাং ৰূপা পথত লামাবাৰী দিশৰ পৰা এখন টি ভি এছ মটৰচাইকেল আৰু একে দিশৰ পৰা অহা ফ্লিপকাৰ্টৰ মাল কঢ়িয়াই নিয়া ফ'ৰ জিৰো ছেভেন কণ্টেইনাৰক অভাৰটেক কৰোতে মটৰচাইকেলখন কণ্টেইনাৰত পিছ ফালৰ পৰা খুন্দা মাৰে। লগে লগে মটৰচাইকেল আৰোহী লামাবাৰী চাহ বাগিচাৰ ৩নং লাইনৰ পিউছ এক্কা (১৮) ঘটনাস্থলীতে মৃত্যু হয়। আন এজন মটৰচাইকেলত উঠি অহা লামাবাৰী ৩নং লাইনৰে মনোজ ৰাজপুতক সংকটজনক অৱস্থাত টি এম চিলৈ প্ৰেৰণ কৰে বুলি মাজবাট আৰক্ষীয়ে জানিবলৈ দিয়ে। মাজবাট আৰক্ষীয়ে ফ্লিপকাৰ্টৰ কণ্টেইনাৰ বাহনখন লগতে পিউছ এক্কাৰ মৃতদেহ মাজবাট থানালৈ লৈ আনে। মাজবাট অঞ্চলত সঘনাই পথ দুৰ্ঘটনা হোৱাক লৈ সচেতন মহল চিন্তিত হৈ পৰে।

## আলিটাঙনি ওচমানীয়া উঃ মাঃ বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰূপহীহাট, ২০ ছেপ্তেম্বৰ ঃ** ঐতিহ্যমণ্ডিত আলিটাঙনি ওচমানীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিক কেন্দ্ৰ কৰি আজি আলিটাঙনিত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰা ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। বৃহত্তৰ আলিটাঙনিৰ প্ৰায় শতাধিক লোকে বিদ্যালয়ৰ কাষতে থকা ৰাস্তাত প্ৰতিবাদ সাব্যস্ত কৰে। দুৰ্নীতিপৰায়ণ ৰুকুন উদ্দিনক সভাপতি হিচাপে মানি লোৱা নহ'ব, ৰুকুন উদ্দিন গ'বৈক আদি বিভিন্ন ধ্বনিৰে আলিটাঙনিৰ আকাশ-পাতাল উত্তাল কৰি তোলে। উল্লেখ্য যে, ৰুকুন উদ্দিন নামৰ ব্যক্তিজনৰ বিৰুদ্ধে পূৰ্বেও বহু দুৰ্নীতি তথা জালিয়াতিত নিমজ্জিত হৈ থকাৰ অভিযোগ আছে। এনে এজন দুৰ্নীতিগ্ৰস্ত ব্যক্তিক ঐতিহ্যমণ্ডিত আলিটাঙনি ওচমানীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে নিৰ্বাচিত কৰাত ক্ষোভিত হৈ পৰিছে আলিটাঙনিৰ সচেতন মহল।

## ওৰাঙত কেৰম প্ৰতিযোগিতাৰ শুভাৰম্ভণি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২০ ছেপ্তেম্বৰ ঃ** ১৮ ছেপ্তেম্বৰত ওৰাং ভিচিডিচিৰ অন্তৰ্গত বগৰীবাৰী চ'কত এখন কেৰম প্ৰতিযোগিতাৰ শুভাৰম্ভণি কৰে ওদালগুৰি জিলা ভাজপাৰ অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ সভাপতি তথা ওৰাং ভিচিডিচিৰ সভাপতি দিব্যজ্যোতি শইকীয়াই। ২০০৩ চনত সদৌ অসম ভিত্তিত কেৰম প্ৰতিযোগিতা এখন ওৰাঙত অনুষ্ঠিত হৈছিল। সেই দিন ধৰি আজিলৈ এই খেল ওৰাংবাসী ৰাইজে দেখা পোৱা নাছিল। সেই সময়ৰ খেল সম্পাদক দিব্যজ্যোতি শইকীয়াই আজি এই খেলখন অনুষ্ঠিত কৰা বাবে আয়োজক সমিতিক ধন্যবাদ জ্ঞাপন কৰে। এই বিশেষ অনুষ্ঠানটোত উপস্থিত থাকে ওদালগুৰি জিলা কোঁচ ৰাজবংশী সন্মিলনৰ উপ-সভাপতি সোমেশ্বৰ ডেকা, যুৱ খেলুৱৈ ৰাজু ডেকা, ৰাজু শইকীয়া, হেমন্ত বড়ো, ৰত্নে ইছলাৰী, প্ৰসেনজিত ইছলাৰী, চন্দন বৰাল, বিনন্দ হাজৰিকা, নয়নজ্যোতি ডেকা, হিৰণ্য ৰয়, প্ৰশান্ত ডেকা, বলেন মাহাতো আদি বিশিষ্ট ব্যক্তিসকল।

## টীয়ক ৰজাবাৰী নীলমণি ফুকন বালিকা বিদ্যালয়ত কিশোৰী পঞ্চায়ত সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২০ ছেপ্তেম্বৰ ঃ** টীয়ক ৰজাবাৰী নীলমণি ফুকন উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত সোমবাৰে কলিয়াপানী সংহত শিশু উন্নয়ন প্ৰকল্প পোষণ মাহ উদ্‌যাপন সম্পৰ্কে কিশোৰী পঞ্চায়ত সজাগতা সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ সমূহ ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগত বিদ্যালয়ৰ সহকাৰী প্ৰধান শিক্ষক বিজয় চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যসূচীত খণ্ড সমন্বয়ক ধ্ৰুৱজ্যোতি কলিতা উপস্থিত থকা কাৰ্যসূচীত উদ্দেশ্য ব্যাখ্যা কৰে অংগনৱাড়ী কৰ্মী চফিকা বেগমে। সহঃ শিক্ষয়িত্ৰী স্বৰ্ণলতা বৰাৰ সহযোগত নৱম শ্ৰেণীৰ ছাত্ৰীসকলে এটি সমৱেত সংগীত পৰিৱেশন কৰে। বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থকা যোৰহাটৰ জেণ্ডাৰ স্পেচিয়েলিষ্ট পায়েল বৰাই কিশোৰীসকলৰ সবলীকৰণৰ ওপৰত এক চমু বক্তব্য দাঙি ধৰে। আনহাতে, পল্লৱী বৰাই কিশোৰী কালত এনিমিয়া কেনেদৰে হ'ব পাৰে তাৰ ওপৰত ব্যাখ্যা দাঙি ধৰাৰ লগতে কিশোৰীসকলৰ লগত কথোপকথনেৰে ভাষণ আগবঢ়ায় পৰিসংখ্যা সহায়ক প্ৰভাকৰ দত্তই। উক্ত কাৰ্যসূচীতে কিশোৰী ঋতু চক্ৰৰ ওপৰত সাৱলীল ভাষণ প্ৰদান কৰে কৰবী বৰাই। কাৰ্যসূচীৰ লগত উপস্থাপন ৰাখি অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলে চয়নিকা বৰাৰ সহযোগত এনিমিয়া কেনেকৈ হয় তাক কেনেদৰে ৰোধ কৰিব পাৰি তাৰ ওপৰত এখন নাট মঞ্চস্থ কৰে।



## মাজবাটৰ বাহীপুখুৰী চাহ বাগিচাৰ শ্ৰমিকৰ জীয়ৰী আৰক্ষী কমাণ্ডো ফ'ৰ্চত বাছনি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২০ ছেপ্তেম্বৰ ঃ** ওদালগুৰি জিলাৰ ৭০নং মাজবাট বিধানসভা সমষ্টি তথা বিটিআৰৰ পাঁচনৈ চেৰফাং সমষ্টিৰ অধীনস্থ মাজবাট ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰী বুলবুলি মুণ্ডাই কমাণ্ডো ফ'ৰ্চৰ বাছনি লাভ কৰিছে। ছাত্ৰীগৰাকীয়ে এইবাৰ বাছনি লাভ কৰাৰ বাবে বিদ্যালয়ৰ কৰ্তৃপক্ষৰ পৰা ১৯ ছেপ্তেম্বৰত এখন গামোচাৰে অভিনন্দন জনাইছে। মাজবাটৰ বাহীপুখুৰী চাহ শ্ৰমিকৰ ছোৱালী বুলবুলি মুণ্ডাই অসম আৰক্ষীত নিকা প্ৰক্ৰিয়াৰে নিযুক্তি পোৱাত ভাৰতীয় জনতা পাৰ্টীৰ পাঁচনৈ চেৰফাং মণ্ডলৰ তৰফৰ পৰা তেওঁক এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তেওঁৰ পৰিয়ালে ধন্যবাদ জনাইছে।

## আঁহতগুৰি শিকলী চাপৰিত আঁহতগুৰি উৎসৱ
### খোল তাল বজাই চাপৰিবাসীৰ আদৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২০ ছেপ্তেম্বৰ ঃ** মাজুলী আঁহতগুৰি ধুৱাহাট-বেলগুৰিত মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ মহামিলনৰ ৫০০ বছৰ পূৰ্ণ হোৱা উপলক্ষে মাজুলী সাহিত্যৰ উদ্যোগত অহা ২১, ২২, ২৩ জানুৱাৰী-২০২৩ ত বিশাল আঁহতগুৰি উৎসৱ আঁহতগুৰিৰ শিকলিচাপৰি চেঁচুগুৰিত অনুষ্ঠিত হ'ব। আঁহতগুৰি উৎসৱ উদ্‌যাপন সমিতিৰ কৰ্ণধাৰ সমিতিৰ সভাত এই সিদ্ধান্ত গ্ৰহণ কৰাৰ লগে লগে ব্যাপক উৎসাহ সৃষ্টি হৈছে অঞ্চলটোত। আজি বৃহত্তৰ শিকলিচাপৰি, চেঁচুগুৰি, মাজৰ চাপৰি, কাঠচাপৰি আদি চৰ অঞ্চলৰ ৰাইজ আঁহতগুৰি সত্ৰৰ প্ৰাংগণত সমৱেত হৈ সেই ঘোষণাক আদৰণি জনায়। ৰাইজে খোল-তালৰ ধ্বনি আৰু গুৰুজনাৰ ৰচিত গীতেৰে মাজুলীৰ সাহিত্য আৰু আঁহতগুৰি সন্মিলনৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি ধ্বনি দিয়ে আৰু উৎসৱ সফল কৰি তুলিবলৈ সকলো শ্ৰেণীৰ ৰাইজৰ সহযোগত বিচাৰে। আঁহতগুৰি বৰসত্ৰৰ সত্ৰাধিকাৰ ৰূপচন্দ্ৰ গোস্বামী আৰু আঁহতগুৰি চৰ-চাপৰি সন্মিলনীৰ সম্পাদক ভৱেন ফুকন, উদ্যোগী ব্যক্তি অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰবীণ বৰা প্ৰভৃতি বহু ৰাইজে বক্তব্য আগবঢ়াই শংকৰ-মাধৱ মিলন ক্ষেত্ৰ ৰক্ষা মানেই আঁহতগুৰি মৌজা সুৰক্ষা হোৱা বুলি ধ্বনি দিয়ে। শ্ৰীশ্ৰীভোগপুৰ সত্ৰত উদ্‌যাপন সমিতিৰ সভাপতি তথা ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীদত্তদেৱ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাখত মাজুলী সাহিত্যৰ সভাপতি কমল দত্তই বিষয়বস্তুৰ আঁত ধৰে। সভাই সৰ্বসন্মতিক্ৰমে আঁহতগুৰি উৎসৱ মৌজাটোৰ মধ্যস্থল আঁহতগুৰিৰ চেঁচুগুৰি চাপৰিত অনুষ্ঠিত কৰা আৰু উৎসৱথলীৰ নাম 'শংকৰ-মাধৱ মণিকাঞ্চন মিলন থলী'ৰূপে নামকৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। শংকৰ-মাধৱৰ মিলনৰ ৫০০ বছৰ পূৰ হোৱা উপলক্ষে পাঁচশগৰাকী নামলগোৱা আৰু পাঠকৰ নামধ্বনিৰে মূল কাৰ্যসূচী উদ্বোধন, পাঁচশগৰাকী মহিলাৰ দ্বাৰা ব্ৰহ্মপুত্ৰৰ জল আনয়ন আৰু মূল স্থানত স্থাপন, পাঁচশগৰাকী অভিনেতাৰ অভিনয়ৰে 'পত্নী প্ৰসাদ' নাট প্ৰদৰ্শন আদি বৰ্ণাঢ্য কাৰ্যসূচী তিনি দিনত ৰূপায়িত কৰাৰ প্ৰাথমিক সিদ্ধান্ত গ্ৰহণ কৰে। সভাপতি দত্তদেৱ গোস্বামীয়ে বানবিধ্বস্ত আঁহতগুৰি মৌজাৰ সুৰক্ষা আৰু দুজনা গুৰুৰ মিলন স্থান পুনৰ উজ্জীৱিতকৰণৰ এই ঐতিহাসিক পদক্ষেপক 'মাজুলীৰ সাহিত্য' আগুৱাই অনাত মাজুলীবাসীৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে প্ৰতিগৰাকী আঁহতগুৰীয়া তথা মাজুলীয়ালে নিজকে এই মহত্তম প্ৰচেষ্টাত জড়িত কৰি জাতীয় দায়িত্ব পালন কৰিব বুলি আহ্বান জনায়।

## ব্ৰহ্মপুত্ৰৰ সিপাৰে ঝাওগৰীয়া হামুচৰত চলিছে গুণ্ডাৰাজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২০ ছেপ্তেম্বৰ ঃ** মৰিগাঁও জিলাৰ ভেলৌবৰী থানাৰ অন্তৰ্গত ঝাওগৰীয়া চৰ অৰ্থাৎ হামু চৰত চলি আছে এচাম গুণ্ডাৰ দপদপনি। গুণ্ডাৰাজৰ কথা এই বুলি কোৱা হৈছে, কাৰণ কালি দিনৰ ভাগত দুটা ফৈদৰ মাজত পুৰণা কাজিয়াৰ মীমাংসা কৰা হ'ব বুলি মাতি নি নুৰ ইছলাম নামৰ ৬০বছৰীয়া এজন বৃদ্ধাক দাৰে কোবাই মূৰত আৰু শৰীৰত প্ৰচণ্ড আঘাত কৰে। আঘাতপ্ৰাপ্ত বৃদ্ধাগৰাকী আৰু তেওঁৰ পৰিয়ালৰ লোকৰ ভাষ্য মতে, গৰৈমাৰী চৰৰ গেগা নুৰ ইছলামৰ গুণ্ডাবাহিনীয়ে ঝাওগৰীয়া চৰৰ একেই নামৰ ৬০বছৰীয়া বৃদ্ধাক দা আৰু লাঠিৰে মাৰপিট কৰি সংকটজনক অৱস্থা কৰে। তেওঁলোকে জনোৱা মতে মেলখনত প্ৰায় ৩ শতাধিক লোক উপস্থিত আছিল। আঘাতপ্ৰাপ্ত বৃদ্ধাগৰাকীক পৰিয়ালৰ লোকে ভুতভুটি নাৱেৰে নদী পাৰ হৈ লাহৰীঘাট মডেল হাস্পতালত প্ৰাথমিক চিকিৎসা কৰোৱায় যদিও অধিক ৰক্তক্ষৰণ হোৱাত চিকিৎসকে ততাতৈয়াকৈ মৰিগাঁৱলৈ স্থানান্তৰ কৰাৰ নিৰ্দেশ দিয়ে। বাতৰিটো আঘাতপ্ৰাপ্ত বৃদ্ধা আৰু পৰিয়ালৰ লোকৰ ভাষ্যৰ ওপৰত যুগুত কৰা হৈছে। আৰক্ষীৰ তদন্তৰ পিছতে আচল ঘটনাৰ তথ্য পোহৰলৈ আহিব।

## অসম গণিত শিক্ষায়তন শোণিতপুৰ জিলা শাখাৰ প্ৰতিষ্ঠা দিৱস



**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২০ ছেপ্তেম্বৰ ঃ** অসম গণিত শিক্ষায়তন, শোণিতপুৰ জিলা শাখাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন অসম গণিত শিক্ষায়তন, শোণিতপুৰ জিলা শাখাৰ প্ৰতিষ্ঠা দিৱস তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যক্ষ ৰিমনি নেওগ বৰাৰ সভাপতিত্বত আজি অনুষ্ঠিত হয়। তেজপুৰ চৰকাৰী উচ্চতৰ মহুমুখী মাধ্যমিক কন্যা বিদ্যালয়ৰ ছাত্ৰীসকলে অসম গণিত শিক্ষায়তনৰ প্ৰতীকী গীতৰে সভাখন আৰম্ভ কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে অসম গণিত শিক্ষায়তন জন্মৰ বিষয়ে অৱগত কৰে শশী উপাধ্যায়ে। প্ৰতিষ্ঠা দিৱসৰ প্ৰথম বক্তৃতানুষ্ঠান 'জ্যামিতিৰ সাধাৰণ কথা' শীৰ্ষক আলোচনা ড° ৰামচৰণ ডেকাই সকলোৰে মনোগ্ৰাহী হোৱাকৈ বক্তব্য দাঙি ধৰে। তেজপুৰ বিশ্ববিদ্যালয়ৰ ড° ভীমপ্ৰসাদ শৰ্মাই 'গণিতৰ যাদু' শীৰ্ষক দ্বিতীয় বক্তৃতানুষ্ঠানৰ আলোচনা কৰে গণিত কেৱল যোগ-বিয়োগেই নহয়, গণিতৰ জৰিয়তে আমি আনন্দ লাভ কৰিব পাৰো বুলি জনায়। তেওঁ নেওঁতাৰ যাদু আৰু গণিতৰ আমোদজনক খেলো দেখুৱায়। অসম গণিত শিক্ষায়তন শোণিতপুৰ শাখাই তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী চিন্ময়ী কাকতি আৰু তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়ৰ শিক্ষয়িত্ৰী অনামিকা গগৈক তেওঁলোকৰ নিজ নিজ বিদ্যালয়ত গণিতৰ লেবৰেটৰী বনোৱাত বিশেষ পদক্ষেপ লোৱাৰ বাবে দুয়োগৰাকীকে সম্বৰ্ধনা জনায়। অসমৰ চৰকাৰী বিদ্যালয়ত এই দুটাই হৈছে প্ৰথম গণিতৰ লেবৰেটৰী, যাক পঞ্চম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মনোগ্ৰাহী হোৱাকৈ বনোৱা হৈছে। সভাত সম্পাদিকা অনামিকা গগৈয়ে অসম গণিত শিক্ষায়তনে পাতি অহা অলিম্পিয়াদ পৰীক্ষা সম্বন্ধে জনোৱাৰ লগতে ইয়াৰ প্ৰশিক্ষণৰ বিষয়েও অৱগত কৰে। সভাপতি ৰিমনি নেওগে অসম গণিত শিক্ষায়তনৰ সকলো কৰ্মকৰ্তাক ধন্যবাদ জনোৱাৰ লগতে বক্তৃতানুষ্ঠানৰ বাবে ছাত্ৰসকল বহু ধৰণে উপকৃত হৈছে বুলি জনায়।

## ডিমৌৰ পৌৰ এলেকাত জাৱৰ-জোঁথৰ সংগ্ৰহক লৈ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২০ ছেপ্তেম্বৰ ঃ** ডিমৌ পৌৰ এলেকাৰ সমূহ ৱাৰ্ডৰ আৱাসিক এলেকা আৰু ব্যৱসায়িক প্ৰতিষ্ঠানত উৎপন্ন হোৱা কেঁচা-শুকান জাবৰ-জোঁথৰসমূহ পৃথকে পৃথকে সংগ্ৰহ কৰিবলৈ ডিমৌৰ স্বেচ্ছাসেৱী সংগঠন চ'নাপুৰ সামাজিক উন্নয়ন সমিতিক ২৭-৭-২০২১ তাৰিখে পৌৰ সভাৰ কাৰ্যবাহী বিষয়াই দায়িত্ব অৰ্পণ কৰাৰ পিছতো অতি ৰহস্যজনক কাৰণত স্বেচ্ছাসেৱী সংগঠনটোক এই কাৰ্যৰ পৰা আঁতৰাই ৰখা কাৰ্যক তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সংস্থাটোৱে। এই সন্দৰ্ভত ১৩-৯-২০২২ তাৰিখে চ'নাপুৰ সামাজিক উন্নয়ন সমিতিৰ সভাপতি সঞ্জয় প্ৰসাদ শ্বাহে ডিমৌ পৌৰ সভাৰ কাৰ্যবাহী বিষয়াক সমগ্ৰ বিষয়টো সন্দৰ্ভত এখন আৱেদন দাখিল কৰি কিয় দায়িত্ব দিয়াৰ পিছত উক্ত দায়িত্ব কাৰ্যকৰী কৰাত বাধা প্ৰদান কৰিছে সেই সন্দৰ্ভত স্থিতি স্পষ্ট কৰিবলৈ দাবী জনায়। স্বেচ্ছাসেৱী সংগঠনটোৰ সভাপতি সঞ্জয় প্ৰসাদ শ্বাহে উক্ত আৱেদনত উল্লেখ কৰিছে যে, যোৱা ছটা মাহ ধৰি ডিমৌ পৌৰ সভা এলেকাৰ বিভিন্ন স্থানৰ দোকান আৰু গৃহসমূহৰ পৰা জাবৰ সংগ্ৰহৰ কাম পৌৰ সভাৰ এগৰাকী ব্যক্তিয়ে চলাই আছে যদিও পৌৰ সভাৰ একাধিক স্থানৰ পৰা জাবৰ সংগ্ৰহ নকৰাৰ গুৰুতৰ অভিযোগ তুলিছে। যাৰ ফলত ৱাৰ্ডসমূহৰ ৰাইজে প্ৰতিক্ৰিয়াও প্ৰকাশ কৰিছে। যিহেতু পৌৰ সভাৰ কৰ্তৃপক্ষই মাহেকৰ মূৰত ডিমৌৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ আৱাস গৃহ সমূহৰ পৰা জাবৰ সংগ্ৰহৰ নামত কৰ প্ৰদান কৰি আহিছে। কিন্তু সেই অনুসৰি ৰাইজে কোনো সুফল লাভ কৰা নাই। বিগত সময়ত এই বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা চ'নাপুৰ সামাজিক উন্নয়ন সমিতিক এবাৰ দায়িত্ব অৰ্পণ কৰি মূৰকত সেই দায়িত্বৰ পৰা আঁতৰাই ৰখা কাৰ্যৰ এক তদন্তৰ দাবী কৰিছে।

## ওদালগুৰিত ৰক্তদান অমৃত মহোৎসৱৰ শুভাৰম্ভ
### ভাৰতীয় সেনাৰ জোৱানেও কৰিলে ৰক্তদান




**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২০ ছেপ্তেম্বৰ ঃ** ১৭ ছেপ্তেম্বৰত ওদালগুৰিতো ওদালগুৰি জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু ওদালগুৰি জিলা প্ৰশাসনৰ সহযোগত ৰক্তদান অমৃত মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। ওদালগুৰি অসামৰিক চিকিৎসালয়ত ৰক্তদান শিবিৰৰ শুভাৰম্ভণী অনুষ্ঠানত উপস্থিত থাকি ওদালগুৰি জিলাৰ অতিৰিক্ত উপায়ুক্ত বিৰাজ বৰুৱাই এই কাৰ্যসূচীৰ জৰিয়তে জিলাখনত ৰক্তৰ চাহিদা পূৰণ হ'ব বুলি উল্লেখ কৰি এই শিবিৰত সেনাৰ লগতে বিভিন্ন দল-সংগঠনৰ কৰ্মীয়ে ৰক্তদান কৰিব বুলি জানিবলৈ দিয়ে। এই অনুষ্ঠানত ওদালগুৰি জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অনুৰাধা বৰুৱা, প্ৰতিষেধক বিষয়া ডাঃ গণেশ ব্ৰহ্মকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ১৭ ছেপ্তেম্বৰৰ ৰক্তদান অমৃত মহোৎসৱৰ প্ৰথমটো দিনত ভাৰতীয় সেনাৰ ১৭৬ ফিল্ড ৰেজিমেণ্ট, হাতীগড়ৰ ১৩গৰাকী জোৱানে ৰক্তদান কৰে। উল্লেখ্য যে ১ অক্টোবৰলৈ চলিবলগীয়া এই মেগা ৰক্তদান অভিযানত ১৮-৬৫ বছৰ বয়সৰ সকলো সুস্থ ব্যক্তিকে অংশগ্ৰহণ কৰিবলৈ স্বাস্থ্য বিভাগৰ পৰা অনুৰোধ জনাইছে।

## পাথৰিঘাটত ৬১সংখ্যক দুৰ্গাপূজা উদ্‌যাপনৰ প্ৰস্তুতি তুংগত

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২০ ছেপ্তেম্বৰ ঃ** কঁহুৱাৰ কোমলতা আৰু শেৱালিৰ সুবাস লৈ শৰৎ আকৌ আহিল। ৰাজ্যত এতিয়া শাৰদীয় বতৰ। দুৰ্গতিনাশিনী দেৱী দুৰ্গাক আৰাধনা কৰিবলৈ সাজু ৰাজ্যবাসী। দৰং জিলাৰ ঐতিহাসিক পাথৰিঘাটত অনুষ্ঠিত হোৱা দুৰ্গা পূজাৰ আছে বিশেষ গুৰুত্ব। এইবেলি ৬১সংখ্যক সাৰ্বজনীন দুৰ্গা পূজা উদ্‌যাপনৰ বাবে প্ৰস্তুতি তুংগত উঠিছে। ভৱানী চৰণ শইকীয়াক সভাপতি, হৰেন্দ্ৰ নাথ ডেকাক কাৰ্যকৰী সভাপতি, হৰেশ্বৰ ডেকা, ভবেন ঠাকুৰীয়া, কৰ্মেশ্বৰ ভূঞা, হেমচন্দ্ৰ দাস আৰু হিৰণ্য কুমাৰ ডেকাক সম্পাদক, সতীশ ডেকা, হৰেশ্বৰ শইকীয়া, নৰ কুমাৰ ডেকা আৰু জিতুমণি ভূঞাক সহযোগী সম্পাদক হিচাপে লৈ দুৰ্গা পূজা উদ্‌যাপনৰ মূল সমিতিখন গঠন কৰা হয়। ইয়াৰ উপৰি বিত্তীয় উপ-সমিতি, সাংস্কৃতিক উপ-সমিতি গঠন কৰা হয়। ১৪ আহিনৰ পৰা ১৮ আহিনলৈ বিস্তৃত কাৰ্যসূচীৰে ৬১সংখ্যক দুৰ্গা পূজা আয়োজন কৰা হৈছে। মহাষষ্ঠীৰ দিনটোত পুৱা স্বচ্ছ অভিযানেৰে পূজাৰ আৰম্ভণি হ'ব। ষষ্ঠীৰ সন্ধিয়া মন্দিৰৰ দ্বাৰ উন্মোচন, প্ৰতিমা স্থাপন আৰু আয়তী দলৰ নাম প্ৰদৰ্শন হ'ব। মহাসপ্তমীৰ দিনটোত পুৱা গছপুলি ৰোপণ, জল আনখন, পানীতোলা, শোভাযাত্ৰা দুপৰীয়া ওজাপালি পৰিৱেশন, সন্ধিয়া আৰতি আৰু মহিলাৰ নাগাৰা নাম প্ৰদৰ্শন কৰা হ'ব। মহাঅষ্টমীৰ দিনটোত পুৱা আয়তীৰ দেৱী বন্দনা, দুপৰীয়া মহিলাৰ নাগাৰা নাম, সন্ধিয়া আৰতি প্ৰতিযোগিতা আৰু আয়তীৰ নাম প্ৰতিযোগিতা। মহানৱমীৰ দিনটোত আয়তীৰ দেৱী বন্দনা, মহিলাৰ নাগাৰা নাম প্ৰদৰ্শন, সন্ধিয়া আৰতি, নিশা মেন্দোলীয়ানৰ সুৰ পৰিৱেশন আৰু সাংস্কৃতিক সন্ধিয়া। নৱমীৰ সাংস্কৃতিক সন্ধিয়াত গীতৰ শৰাই আগবঢ়াব অসমৰ জনপ্ৰিয় গায়ক নেকিবে। দশমীৰ দিনাখন মা দুৰ্গাৰ প্ৰতিমা লৈ শোভাযাত্ৰা কৰি দ্বীগজ নৈত প্ৰতিমা বিসৰ্জন দিব। এই সকলো কাৰ্যসূচীতে উদ্যোক্তাই ৰাইজৰ অংশগ্ৰহণ আন্তৰিকতাৰে কামনা কৰিছে।



## ৰহা চহৰৰ মাজ-মজিয়াত দিনতেই চুৰি কাৰ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২০ ছেপ্তেম্বৰ ঃ** ৰহা চহৰৰ মাজ-মজিয়াতে সংঘটিত হৈছে এক চাঞ্চল্যকৰ চুৰি কাণ্ড। ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰে চলালে চাফাই অভিযান। ৰহা মহাবিদ্যালয়ৰ প্ৰবক্তা বিৰাজ হাজৰিকাৰ ৰহা টোপাকুছিৰ সাত নং ৱাৰ্ডৰ থুকুলা গাঁৱৰ বাসগৃহত সংঘটিত হয় এই চুৰিকাণ্ড। ঘৰৰ তলা ভাঙি চোৰে লুটিলে নগদ ধনসহ দুই লক্ষাধিক টকাৰ সোণৰ গহনা। জানিব পৰা মতে কালি প্ৰবক্তাজনে পৰিয়ালসহ মৰিগাঁৱৰ লাহৰীঘাটৰ তিনিচুকীয়াত থকা শহুৰৰ ঘৰলৈ বিশেষ এটা সকামৰ বাবে গৈছিল। সন্ধিয়া প্ৰায় ছয় বজাত ৰহালৈ ঘূৰি অহা প্ৰবক্তাজনে ঘৰৰ সন্মুখত গাড়ীৰ পৰা নামি গেটৰ তলা খুলি ঘৰত প্ৰৱেশ কৰিবলৈ ঘৰৰ তলা খুলিব বিচাৰে যদিও তলাটো মাটিত পৰি থকা দেখে আৰু দুৱাৰখন ভিতৰৰ পৰা বন্ধ হৈ থকাত ভিতৰত চোৰ থকা বুলি চিঞৰ-বাখৰ কৰে। চুবুৰীয়াৰ সৈতে প্ৰবক্তাজনে ঘৰৰ পাছফালে গৈ দুৱাৰখন বন্ধ দেখে যদিও ঠেলি দিয়াত খোলা যোৱাত ভিতৰত সোমাই চোৰে লণ্ড-ভণ্ড কৰি ঘৰৰ আলমাৰীৰ পৰা লকাৰ ভাঙি পত্নী পম্পী ডেকাৰ সোণৰ আ-অলংকাৰ আৰু নগদ টকা লুটি নিয়াৰ বিষয়ে গম পায়। পিছত ৰহা আৰক্ষীক এজাহাৰ দিয়াত আৰক্ষীয়ে অনুসন্ধান আৰম্ভ কৰিছে যদিও একো শুংসূত্ৰ উলিয়াব পৰা নাই। একাংশ প্ৰতিৱেশীয়ে জনোৱা মতে দিনৰ প্ৰায় বাৰ বজাত ঘৰটোৰ দৰ্জা খোলা-মেলাৰ শব্দ শুনিছিল আৰু ঘৰত কাম কৰা মানুহ থকা বুলি চোৰৰ সন্দেহ কৰা নাছিল। সেয়ে দিন-দুপৰতে এই চুৰিকাণ্ড হোৱা বুলি নিশ্চিত কৰিছে গৃহস্থই। নগদ ধন, সোণৰ অলংকাৰৰ লগতে এটা কেমেৰা চোৰে নিয়াৰ লগতে ঘৰটোৰ সকলো বয়-বস্তু লণ্ড-ভণ্ড কৰি বাকী বস্তু এৰি গৈছে। কিছু দিনৰ আগতে ৰহা চহৰৰ তিনি নম্বৰ ৱাৰ্ডত ৰণ্টু শৰ্মাৰ ঘৰতো দিনতেই চুৰি হৈছিল। ১৫ ছেপ্তেম্বৰত ৰহা থানাৰ এলেকাধীন দীঘলদৰি কাকতি গাঁৱৰ কৃষ্ণ কান্ত নাথৰ গোহালিৰ পৰা এটা বলধ গৰু চুৰি হৈছে। বগৰীগুৰিতো বহুকেইটা গৰু চুৰি ঘটনা সংঘটিত হৈছে। আনকি চোৰে এৰি যোৱা ম'বাইল ফোনো থানাত জমা দিছে। একেদৰে ৰহা থানাৰ এলেকাধীন মহাদেউশালীত কেইবাখনো দোকানত চুৰি হৈছে। চোৰে দোকানৰ তলা ভঙা কামত ব্যৱহাৰ কৰা এডাল দীঘল 'প্লাছ' চোৰে মানুহ অহাৰ বাবে এৰি গৈছে। চোৰে দোকান চুৰি কৰিবলৈ গাড়ীও লৈ আহিছিল বুলিও জানিব পৰা গৈছে। নিশা চোৰৰ দপদপনিৰ সমানে দিনৰ পোহৰতে চোৰৰ চাফাই অভিযানত হতভম্ব হৈ পৰিছে ৰাইজ।

## বানমুখত 'সাধাৰণ জাতি সুৰক্ষা সন্মিলন, অসম'ৰ বিনামূলীয়া হোমিঅ' চিকিৎসা শিবিৰ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, শিৱসাগৰ, ২০ ছেপ্তেম্বৰ ঃ** সাধাৰণ জাতি সুৰক্ষা সন্মিলনৰ আগন্তুক প্ৰতিষ্ঠা দিৱসৰ অংশস্বৰূপে সাধাৰণ জাতি সুৰক্ষা সন্মিলন অসমৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত, শিৱসাগৰৰ চন্দন হোমিঅ' চেম্বাৰৰ সৌজন্যত আৰু শিৱসাগৰৰ অন্যতম সামাজিক অনুষ্ঠান 'সমন্বয় সাংস্কৃতিক গোষ্ঠী'ৰ সহযোগত শিৱসাগৰ জিলাৰ অন্তৰ্গত বৃহত্তৰ বানমুখ অঞ্চলৰ ৰাইজৰ উপকৃত হোৱাৰ উদ্দেশ্য আগত ৰাখি বানমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তথা জিলাখনৰ কৃতী শিক্ষয়িত্ৰী বঁটাপ্ৰাপক পুণ্যৱতী টায়েৰ বিশেষ প্ৰচেষ্টাত বিদ্যালয় প্ৰাংগণত ১৮ ছেপ্তেম্বৰ, দেওবাৰে এটা বিনামূলীয়া হোমিঅ' চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। সাধাৰণ জাতি সুৰক্ষা সন্মিলন, অসমৰ মুখ্য সম্পাদক অমৃত কুমাৰ শৰ্মাই আঁত ধৰা সভাত হোমিঅ' চিকিৎসা শিবিৰটো মুকলি কৰি শিৱসাগৰ জিলাৰ উপ-আৰক্ষী অধীক্ষক ডেইজী গগৈয়ে বক্তব্যত স্বাস্থ্যই পৰম ধন, স্বাস্থ্য ভালে থাকিলে আমি সকলো কামেই কৰিব পাৰো বুলি উল্লেখ কৰাৰ লগতে অনুষ্ঠানটিৰ জৰিয়তে মহিলা সবলীকৰণৰ আদৰ্শ দাঙি ধৰা আয়োজক সমিতিৰ সকলো বিষয়ববীয়াকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে, বানমুখ অঞ্চলৰ প্ৰায় শতাধিক লোকে অংশগ্ৰহণ কৰা উক্ত বিনামূলীয়া হোমিঅ' চিকিৎসা শিবিৰত চিকিৎসা সেৱা আগবঢ়ায় ক্ৰমে ডাঃ ৰুণাশ্ৰী গগৈ, ডাঃ ঋতৃষ্ণা হাতীমূৰীয়া আৰু ডাঃ চৈয়দা নাজনিন ৰাব্বানিয়ে। শিৱসাগৰ চন্দন হোমিঅ' চেম্বাৰৰ স্বত্বাধিকাৰী তথা সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ উপ-সভাপতি প্ৰবীণ বেজবৰুৱাই পৰিচালনা কৰা চিকিৎসা শিবিৰ অনুষ্ঠানত বিশেষভাৱে উপস্থিত থাকে 'সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসম'ৰ কেন্দ্ৰীয় উপ-সভাপতি তথা সমাজকৰ্মী ক্ষীৰোদ কুমাৰ বৰদলৈ, শিক্ষক দিলীপ টায়ে, সংবাদকৰ্মী বিশ্বজিৎ বড়া আদি। পুৱা ১১ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ আয়োজন কৰা উক্ত শিবিৰে অঞ্চলবাসী ৰাইজক যথেষ্ট উপকৃত কৰিব বুলি আশা কৰা হৈছে।

## প্ৰতিমা

**গায়ত্ৰী শইকীয়া**

তুমি মোৰ বাবে এটি মাথোঁ প্ৰতিমা
মোৰ দুচকুত চকুলো হৈ তিৰবিৰাই থকা
ঠিকনাবিহীন হৃদয়ৰ কবিতা
সেউজীয়াৰ পৰা সোণোৱালী হোৱালৈ
এতিয়াও বহুত বাকী
ঢৌ খেলি থকা মোৰ আশাবোৰে
তোমাকে বিচাৰে দিনে ৰাতিয়ে
তোমাক হেৰোৱাৰ সপোন মোৰ নাই
মোৰ উকা হৃদয়ত তুমি এটি
তেজে ধোৱা কজলা গান
হোৱাটছএপ ফেচবুকৰ দৰে নহয় মোৰ ঠিকনা
জীৱন বাটত হেৰাই নাযায় মোৰ ভালপোৱা
তুমি মোৰ কেঁচা কলিজাৰ টুকুৰা
নহয় তুমি মোৰ বাবে ডিলিট কৰিব
পৰা এটি এছ এম এছৰ টোপোলা
দিনৰ পাছত ৰাতি, ৰাতিৰ পাছত দিন
মোৰ দুচকুত উজলি থকা
এটি মাথোঁ প্ৰতিমা।

## তোমাৰ কুশল কামনা

**ভৱেন চন্দ্ৰ নাথ**

তুমি জীৱন জুখিব খোজা
'সময়ৰ টিকনি আগফালে' জানা
তোমাৰ সেউজ চেতনা
তোমাৰ জীৱন সেউজীয়া
তোমাৰ কুশল কামনা

পথাৰ-বজাৰতো
তোমাক বিচাৰি হাজাৰ গুণমুগ্ধ
তুমি অতন্দ্ৰ প্ৰহৰী
আদৰ্শৰ বতৰা
বাস্তৱৰ ছবি অঁকা
তোমাৰ আভাই
কৰ্মসংস্কৃতিক সোঁৱৰায়
তুমি পোহৰৰ সন্ধানত বাট বোলা
আশাৰ পানচৈ হৈ
আলোকিত কৰা
তোমাৰ কুশল কামনা

তুমি স্বাভিমানী সত্তা
স্বপ্নাতুৰক জীৱনবোধ জগোৱা
সাধনা, সহিষ্ণুতাৰ
আলোক শিখা
তোমাৰ কুশল কামনা

কথা আৰু কবিতাৰে
জীৱনৰ ছন্দোময় জ্যোতিৰে
অনুভৱৰ 'কুসুম কানন' ৰচা
তুমি প্ৰেমৰ সঁফুৰা
'তোমাৰ তেজত
তগবগাই এহাজাৰ
এটা ৰণুৱা ঘোঁৰা'
তোমাৰ কুশল কামনা

তুমি জাগ্ৰত জনতাক
পোহৰৰ মন্ত্ৰ দিয়া
তোমাৰ বিমলতাই
আনে সৰগী সুখৰ
বতৰা
তোমাৰ সুখ সমৃদ্ধিয়েই দেশৰ দহৰ, সমাজৰো
আশা আৰু হেঁপাহৰ
বতৰা
তোমাৰ কুশল কামনা।

# ম'বাইল, নৱপ্ৰজন্ম আৰু কিছু অনুভৱ

**■ মৌচুমী ভট্টাচাৰ্য**



সিদিনা ওচৰৰে মানুহ এঘৰৰ তাত ফুৰিবলৈ গ'লোঁ। মানুহগৰাকীৰ সৈতে বিভিন্ন কথা পাতি থকাৰ মাজতে কথা প্ৰসংগত তেওঁ ক'লে, তেওঁ সেইখন ঘৰলৈ বিয়া হৈ অহাৰ কথা। তেওঁ ক'লে, তেওঁ হেনো ১৭ বছৰ বয়সতে বিয়া হৈ আহিছিল। সেই কম বয়সতে তেওঁ সেইখন ঘৰৰ চোতাল মোচাৰ পৰা ভাত ৰন্ধালৈ আটাইখিনি কৰিছিল। ইমানখিনিলৈ বাৰু ঠিকেই আছিল। কিন্তু তাৰ পিছত তেওঁ ক'লে, 'আজিকালিৰ ছোৱালীয়ে এইবোৰ পাৰিব জানো? আমি ১৭ বছৰ বয়সতে বিয়া হৈ ঘৰৰ সমস্ত কাম কৰাৰ উপৰি আন বহুতো কাম জানিছিলোঁ। আজিকালিতো ইমান কষ্ট নায়েই, তথাপিও আজিকালিৰ ছোৱালীয়ে এইবোৰ নাজানে। কেৱল ম'বাইল টিপাৰ বাহিৰে একোৱেই নাই নৱপ্ৰজন্মৰ।' তেওঁৰ এইখিনি কথা শুনাৰ পিছত মই এই কথাখিনি নিলিখি নোৱাৰিলোঁ। বৰ্তমান সময়ত প্ৰায়ে শুনো তেওঁৰ দৰে বয়সৰ লোকে আমাৰ নৱপ্ৰজন্মৰ বিষয়ে বিভিন্ন সংজ্ঞা দিয়ে। প্ৰথমে মই এটা কথাই ক'ম যে বৰ্তমান যুগৰ বহু পৰিৱৰ্তন হৈছে। আগৰ সেই কম বয়সতে বিয়া দিয়া পিতৃ-মাতৃ আজিকালি আৰু পাবলৈ নাই। তেওঁলোকৰ সময়ত অভিভাৱকসকলৰ প্ৰায়ভাগৰেই বিশেষ আনুষ্ঠানিক শিক্ষা নাছিল বুলি ক'লেও অত্যুক্তি কৰা নহয়। তেনেস্থলত ঘৰৰ এজনী ছোৱালী বিয়া দিব পৰা মানেই বহু সকাহ পোৱা বুলি ভাবি তেওঁলোকে কম বয়সতে ছোৱালী বিয়া দিছিল। অজ্ঞানতাৰ বাবেই তেওঁলোকে ছোৱালীজনীৰ ভৱিষ্যতৰ ভয়লগা ছবিখন কল্পনা কৰিব পৰা নাছিল। ফলত বহুতেই কম বয়সত বিয়া হৈ মাতৃত্বৰ কষ্ট সহিব নোৱাৰি অকাল মৃত্যুক সাবটি লৈছিল। কিন্তু বৰ্তমানৰ অভিভাৱকে তেনে নকৰে। আজিৰ অভিভাৱকসকলে ভালদৰে উপলব্ধি কৰিব পাৰে নিজ সন্তানৰ ভৱিষ্যতৰ কথা। সন্তান সকলো ফালৰ পৰা উপযুক্ত নোহোৱালৈকে অভিভাৱকে বিয়াৰ বোজা জাপি নিদিয়ে। দুই এগৰাকী ব্যতিক্ৰম হ'ব পাৰে। কিন্তু বেছিভাগেই নিজৰ ল'ৰা-ছোৱালীক আগতে মানুহ কৰি নিজে জীয়াই থকাৰ শিক্ষা দিয়ে। দ্বিতীয়তে, তেওঁ কোৱা ধৰণে তেওঁলোকৰ দিনত যি থলুৱা খাদ্য সম্পৰ্কে তেওঁলোকে জানিছিল সেয়া আজিৰ নৱপ্ৰজন্ময়ো জানে আৰু হয়তো ভৱিষ্যৎ প্ৰজন্ময়ো নিশ্চয় জানিব। আৰু আজিৰ প্ৰজন্মৰ বহু ল'ৰা-ছোৱালীয়ে আগৰ বহু কথা জানিবলৈ আগ্ৰহী। যুগৰ পৰিৱৰ্তন হ'বই। সদায় আমি এটা বস্তুকেই ব্যৱহাৰ কৰিব লাগিব বুলি কোনো কথা নাই। যুগৰ লগত নিজকে খাপ খুৱাই চলিব জনাটোৱেই সফল ব্যক্তিৰ পৰিচয়। তাৰ বাবে নৱপ্ৰজন্ম দোষী হ'ব নোৱাৰে। তেওঁ কৈছিল নৱপ্ৰজন্মই পঢ়াৰ বাহিৰে আন একোতে পাৰ্গত নহয়। এইখিনিতে এটা প্ৰশ্ন হয়-আগৰ যুগত কেইজনী ছোৱালীয়ে নিজে স্বাৱলম্বী হৈ বিয়াত বহিছিল? ইমানখিনি সাহস আছিল নে সেই প্ৰজন্মৰ? আজিৰ যুগত পঢ়াৰ ক্ষেত্ৰত কিমান প্ৰতিযোগিতা আহি পৰিছে সেয়া সকলোৰে জ্ঞাত। আগৰ দিনত সামান্য মেট্ৰিক পাছ কৰিলেই চাকৰি কৰিবলৈ মাতি নিছিল। কিন্তু বৰ্তমানে ব্যক্তি এগৰাকীয়ে স্নাতকোত্তৰ হ'লেও চাকৰি নাপায়। তেনেস্থলত কিছুমান অযুক্তিকৰ কথা কৈ নৱপ্ৰজন্মৰ উঠি অহা প্ৰতিভাসমূহক কলিতে উভালি নেপেলাব। সমাজ তথা যুগৰ পৰিৱৰ্তনৰ এটা উল্লেখযোগ্য উপাদান হৈছে প্ৰযুক্তিমূলক উপাদান। আগবাৰ্নৰ মতে, 'প্ৰযুক্তিয়ে আমাৰ পৰিৱেশৰ পৰিৱৰ্তন সাধন কৰি সমাজৰ পৰিৱৰ্তন আনিছে যিটো আমি গ্ৰহণ কৰিব বাধ্য।' বৰ্তমান প্ৰযুক্তিবিদ্যাৰ যুগ। আগৰ সেই সাত সাগৰ তেৰ নদী পাৰ হৈ পঢ়িবলৈ যোৱাৰ সংজ্ঞা আজি সলনি হ'ল। বৰ্তমান সময়ত যিকোনো প্ৰয়োজনীয় বিষয় সম্পৰ্কে ইণ্টাৰনেটত চাৰ্চ কৰিলেই বিষয়টো সম্পৰ্কে আমি জ্ঞান লাভ কৰিব পাৰোঁ। কোনোবা অচিনাকি ঠাই এখনলৈ যাবলৈ আজি কাৰো সহায়ৰ প্ৰয়োজন নহয়। গুগল মেপৰ জৰিয়তে আমি অচিনাকি ঠাইসমূহ অতি সহজে বিচাৰি উলিয়াব পাৰোঁ। বিভিন্নধৰণৰ পৰীক্ষাসমূহৰ বাবে আজিকালি এই ম'বাইলতেই ইণ্টাৰনেটৰ সহায় লৈ বিষয়বস্তু সম্পৰ্কে অৱগত হৈ বহুতে সফল হোৱাৰ উদাহৰণ বহু আছে। ইমান এটা ভাল সুবিধা হাতৰ মুঠিতে পাই দায়িত্বশীল নৱপ্ৰজন্মই অথলে যাবলৈ নিদিয়ে। তেনেস্থলত তেওঁলোকে ম'বাইলৰ যোগেদি কি কি দিশত আগবাঢ়িছে এইবোৰ কোনোদিনে জানিবলৈ চেষ্টা নকৰাকৈ এচামে পোনচাটেই নৱপ্ৰজন্মক দোষাৰোপ কৰিছে। সকলোৰে কথা মই কোৱা নাই। কিছুৱে ম'বাইলৰ বেয়া দিশটোৰ প্ৰতি আকৰ্ষিত হৈ নিজৰ ধ্বংস নিজে মাতিছে। কিন্তু সেইসকলৰ মাজৰ বহু এনেও আছে যি সামান্য ম'বাইলটোৰ জৰিয়তে নিজকে জিলিকাইছে। কোনো এক বস্তুৰ সঠিক ব্যৱহাৰ সম্পৰ্কে কোনো ধাৰণা নোহোৱাকৈ নৱপ্ৰজন্মক দোষাৰোপ কৰাৰ যুক্তি ক'ত? তেতিয়াৰ যুগত তেওঁলোকে যিখিনি পাইছিল তেনেকৈ চলিছিল আৰু এতিয়া আমি যিখিনি পাইছোঁ তাৰ সৈতে পাৰ্যমানে নিজকে খাপ খুৱাবলৈ চেষ্টা কৰিছোঁ। আমাৰ ভৱিষ্যৎ প্ৰজন্মই হয়তো আৰু নতুন উদ্ভাৱনৰ সৈতে চিনাকি হ'ব। এইটোৱেই নিয়ম। এটা বস্তুকেই খামুচি ধৰি থাকিলে পৰিৱৰ্তন তথা বিকাশ কাহানিও সম্ভৱ নহয়। হেৰী জনচনৰ মতে,'মানুহৰ কাৰ্যপদ্ধতি আৰু চিন্তাচৰ্চাৰ সংশোধনেই হ'ল সামাজিক পৰিৱৰ্তন।' আগৰ কিছু নিয়ম সংশোধন হৈ শুদ্ধ হ'লেহে পৰিৱৰ্তন সম্ভৱ হ'ব। আমি সকলোৱে সংগ্ৰহালয় দেখিছোঁ। ভালদৰে মন কৰিলে দেখা যায় যে এই সংগ্ৰহালয়সমূহৰ এটা উল্লেখযোগ্য কাৰণ হ'ল যুগৰ পৰিৱৰ্তন। আমি সংগ্ৰহালয়লৈ গ'লে দেখিবলৈ পাওঁ আগৰ দিনত ব্যৱহৃত কিছুমান বস্তু তাত থৈ দিয়ে যাতে সকলোৱে আমাৰ উত্তৰ প্ৰজন্মৰ জীৱনশৈলী তথা তেওঁলোকৰ ব্যৱহৃত বিভিন্ন বস্তু সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰোঁ। বহু বস্তু যিবোৰ আমাৰ মাজত বৰ্তমানে ব্যৱহৃত নহয় সেইবোৰ বস্তু আমি সংগ্ৰহালয়ত দেখিবলৈ পাওঁ। তাহানিৰ পৰাই প্ৰতিদিনে পৃথিৱীয়ে নতুন বস্তুৰ সৈতে চিনাকি হৈছে বাবেই বহু টান কামো আজিৰ যুগত উজু হৈ পৰিছে। এই ক্ষেত্ৰত আমি নতুনক দলিয়াই পুৰণিবোৰকেই আজীৱন খামুচি থাকিলে কাহানিও আগবাঢ়িব নোৱাৰিম নতুনৰ দিশে। যুগৰ পৰিৱৰ্তন আমি স্বীকাৰ কৰিবই লাগিব। আমি যদি দেশৰ শাসন ব্যৱস্থাৰ কথাই চাবলৈ যাওঁ তেনেহ'লে আমি দেখা পাম যুগৰ পৰিৱৰ্তনৰ লগে লগে শাসন ব্যৱস্থাৰো বহু পৰিৱৰ্তন আহিছে। আগতে ৰাজতন্ত্ৰ আছিল, এতিয়া গণতন্ত্ৰ হ'ল। আমি যদি এতিয়াও গণতন্ত্ৰক অমান্য কৰি ৰাজতন্ত্ৰক শুদ্ধ বুলি ধৰি থাকোঁ আমাৰ উন্নতি কেতিয়াও নহয়। তেতিয়াৰ যুগত ৰাজতন্ত্ৰই সঠিক আৰু শুদ্ধ আছিল, কিন্তু বৰ্তমান যুগৰ পৰিৱৰ্তনৰ লগে লগে গণতন্ত্ৰই বেছি প্ৰাধান্য পালে।

সেয়ে কওঁ, সকলো কথাতে নৱপ্ৰজন্ম আৰু তেওঁলোকৰ ম'বাইলটোক দোষাৰোপ কৰাৰ আগতে এটা কথা ভবা উচিত যে তেওঁলোকে জীৱনৰ এই বয়সলৈকে যিখিনি কৰিব নোৱাৰিলে তেনে কাম আজিৰ প্ৰজন্মই অনায়াসে সম্পাদন কৰে। বৰ্তমান ম'বাইলটোৰ বাবে বহুতেই ফেচবুকৰ জৰিয়তে নিজ নিজ প্ৰতিভাসমূহৰ যিটো হাৰত বিকাশ কৰিছে, সেয়া হয়তো তেওঁলোকৰ দৰে লোকে কোনোদিনে কল্পনা কৰিব নোৱাৰে। সামান্য ম'বাইলটোৰ জৰিয়তে কোনোবাই যদি নিজ জীৱনত সফল হৈছে, কোনোবাই আকৌ স্বাৱলম্বিতাৰ দিশে আগবাঢ়ি গৈছে। কোনোবাই যদি দহৰ হকে কিবা কৰিছে, কোনোবাই আকৌ সাহিত্যৰ পথাৰত নিজকে জিলিকাই তুলিছে। সম্বল একমাত্ৰ সেই ম'বাইলটো। ম'বাইলটো যে সকলোৱে ভাল কামত খটুৱাইছে সেই কথা মই ক'বলৈ নাযাওঁ। কিন্তু কেইটামানৰ বাবে নৱপ্ৰজন্মৰ সকলো ল'ৰা-ছোৱালীক দোষাৰোপ নকৰিব। নৱপ্ৰজন্মক উৎসাহ দিব নোৱাৰিলেও হেয়জ্ঞান নকৰিব।

*ফোন ঃ ৮০১১৯০৭৬১৫*

# হাতী আৰু মানুহৰ সংঘাত

**■ ৰিংকুমণি তামুলী**

ৰাজ্যত দিনক দিনে বনৰীয়া হাতীৰ উপদ্ৰৱ বাঢ়িছে। আগতে যিবোৰ ঠাইত এটা বা দুটা বনৰীয়া হাতীৰ উপদ্ৰৱ চলিছিল সেই ঠাইবোৰত এতিয়া ২৫টাৰ পৰা ৪০টালৈকে বনৰীয়া হাতীৰ জাকে উপদ্ৰৱ চলাই আহিছে। ৰাজ্যখনত বনৰীয়া হাতীৰ সংখ্য বৃদ্ধি পাইছে। লগে লগে হাতী-মানুহৰ সংঘাত বৃদ্ধি পাইছে। নিতৌ ভিন্ন ঠাইত হাতীৰ আক্ৰমণত বহুতো লোকে প্ৰাণ হেৰুৱাইছে। যদি ক'ৰবাত ঘৰ ভাঙিছে, ক'ৰবাত পূৰঠ হোৱা বিস্তৰ খেতিপথাৰত ক্ষতি কৰিছে। পূৰঠ খেতিডৰা তহিলং কৰাৰ পাছতে খেতিয়কে মূৰে-কপালে হাত দি বহিছে। ভাগি থকা পঁজাটো পুনৰবাৰ নিৰ্মাণৰ বাবে হাড়ভগা সংগ্ৰাম কৰিব লগা হৈছে। দিন-ৰাতি প্ৰতিটো মুহূৰ্ততে সংশয়ৰ মাজেৰে সময় অতিবাহিত কৰিছে। বৰ্তমান সময়ত বানপানীৰ সমানেই বন্যহস্তীয়েও কৃষকে মাটিত ঘাম পেলাই দেখা সপোনবোৰ ভাঙি চূৰমাৰ কৰিছে। আনকি ভঁৰালত সাঁচি থোৱা ধানো হাতীৰ বাবে হেৰুৱাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে।

বিশেষকৈ অসমৰ যোৰহাট, গোলাঘাট, নগাঁও, কাৰ্বি আংলং, চিৰাং, বঙাইগাঁও, বাক্সা, লখিমপুৰ, শোণিতপুৰ, দৰং আদি জিলাকেইখনত হাতীৰ উপদ্ৰৱ বেছি। দৰঙৰ ভাৰত-ভুটান সীমান্তৰ লগতে যোৰহাটৰ মৰিয়নি, কাৰ্বি আংলং আৰু নগাঁও জিলাৰ সীমামূৰীয়া স্থান, বাক্সাৰ ভাৰত-ভূটান সীমান্তত দিনক দিনে বন্যহস্তীৰ আক্ৰমণৰ পৰিমাণ বৃদ্ধি হৈছে।

ভুক্তভোগী ৰাইজে অভিযোগ উত্থাপন কৰিছে যে হাতী-মানুহৰ সংঘাত আঁতৰাবলৈ বন বিভাগে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা নাই। কেতিয়াবা বনকৰ্মী ঘটনাস্থলীত পলমকৈ উপস্থিত হোৱাক লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছে। হাতীৰ আক্ৰমণত বনকৰ্মীসকলো আঘাতপ্ৰাপ্ত হৈছে। ইয়াৰ বিপৰীতে লক্ষ্য কৰিলে দেখা যায় যে হাতীৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ ঘৰ বা খেতিপথাৰত বিদ্যুৎ পৰিবাহী তাঁৰ সংযোগ কৰি থোৱাৰ ফলত বহু হাতীৰ মৃত্যু হৈছে।

শেষত কথা হ'ল এই 'হাতী আৰু মানুহৰ সংঘাত' কিয় হৈছে? আধুনিকতাৰ নামত হেৰুৱাই পেলোৱা হৈছে নেকি জীৱকুল আৰু প্ৰকৃতিৰ ভাৰাসাম্যতা। উন্নয়নৰ নামত প্ৰকৃতিৰ উদ্ভিদ প্ৰজাতিক ক্ষতি কৰি মাতি অনা হৈছে নেকি নিজৰ কাৰণেই শংকা। প্ৰতিদিনেই বাতৰিৰ শীৰ্ষ স্থানত থকা 'হাতী আৰু মানুহৰ সংঘাত' যেন বনাঞ্চল ধ্বংসৰেই ফল। নিজৰ চাহিদা পূৰণৰ বাবে দিনে দিনে কাটি থকা গছবোৰৰ নামত অসমৰ বনাঞ্চলত গছৰ পৰিমাণ খুবেই কমি গৈছে। পৰ্যাপ্ত পৰিমাণৰ খাদ্যৰ লগতে সুৰক্ষিত স্থানৰ অভাৱত বন্যপ্ৰাণীসমূহে বাট লৈছে গাঁও অঞ্চলসমূহলৈ। এতিয়াও যদি আমি সচেতন নহওঁ, বনাঞ্চলত গছৰ পৰিমাণ বৃদ্ধি কৰাৰ সলনি হ্ৰাস কৰি যাওঁ তেন্তে ভৱিষ্যতে মানৱ জাতিয়ে আৰু সংকটৰ সন্মুখীন হ'বলৈ সাজু হৈ থকাই ভাল

*ফোন ঃ ৯৩৯৫২৩৭৯৬৫*

# এটা চৰকাৰী চাকৰি নাপালে বুলিয়েই কোনো শিক্ষিত যুৱক-যুৱতী অযোগ্য নহয়

**■ অনামিকা দাস**

প্ৰত্যেকজন শিক্ষিত যুৱক-যুৱতীৰে নিজৰ জীৱনটোক লৈ সপোন থাকে। জীৱনত কিবা এটা কৰিব, দেউতাৰ বোজা কমাব, অভাৱেৰে ভৰি থকা ঘৰখনৰ অভাৱবোৰ এদিন নিজৰ উপাৰ্জনৰ পইচাৰে দূৰ কৰিব। কোনো শিক্ষিত যুৱক-যুৱতীয়ে সদায় দেউতাক-মাকৰ পইচাৰে চলিব বুলি কল্পনা নকৰে। এদিন নিজে উপাৰ্জন কৰিব, এদিন স্বাৱলম্বী হ'ব বুলি এটা সপোন পুহি ৰাখে মনৰ ভিতৰতে। সেয়ে নিজৰ সপোনবোৰ বাস্তৱত পূৰণ কৰিবলৈ প্ৰত্যেকজন যুৱক-যুৱতীয়ে নামি পৰে জীৱন নামৰ সংগ্ৰামখনত, য'ত কেৱল প্ৰতিযোগিতা চলে। আৰু এই প্ৰতিযোগিতাত কোনোৱাই বিজয়ী হয় আৰু কোনোৱাই থমকি ৰৈ যাব লগা হয়। কিন্তু কোনোৱাই হাৰিলে বুলিয়েই সেই শিক্ষিত যুৱক-যুৱতীসকল অযোগ্য নহয়।

বৰ্তমান সময়ত অসমত শিক্ষিত যুৱক-যুৱতীৰ অভাৱ নাই। বহুতো শিক্ষিত যুৱক-যুৱতীয়ে পঢ়ি থকা সময়তেই ভাবে জীৱনত কিবা এটা কৰিব লাগিব আৰু যিসকলে শিক্ষা শেষ কৰি ঘৰতে থাকে, তেওঁলোকেও অহৰহ চেষ্টা কৰে জীৱনটোক কিবা এটা গতি দিয়াৰ। সেয়ে যেতিয়াই চাকৰিৰ খবৰ ওলাই, সকলো শিক্ষিত যুৱক-যুৱতীয়ে বহুত কষ্ট কৰে এটা চৰকাৰী চাকৰি পাবলৈ। কাৰণ তেওঁলোকে জানে, বৰ্তমান সময়ত ইণ্টাৰভিউত পাছ কৰাটো ইমান সহজ নহয়, ইয়াৰ বাবে ভালকৈ অধ্যয়ন কৰিব লাগিব। দিন-ৰাতি এক কৰি বহুতো যুৱক-যুৱতীয়ে পঢ়া-শুনা কৰে। কিন্তু তথাপি এটা চৰকাৰী চাকৰি বহুতেই নাপায়। ইয়াৰ বাবেই আমাৰ সমাজৰ একাংশ মানুহে তেওঁলোকক হাঁহিৰ পাত্ৰ সজায়। ইমান পঢ়া-শুনা এনেই কৰিলে এটা চৰকাৰী চাকৰি যোগাৰ কৰি ল'ব নোৱাৰিলে।

আমি সকলোৱে জানো বৰ্তমান অসমত শিক্ষিত যুৱক-যুৱতীৰ অভাৱ নাই। উদাহৰণ স্বৰূপে যদি চাকৰিৰ বাবে পোষ্ট ওলাই এশটা, তেতিয়াহ'লে প্ৰাৰ্থী হয় হাজাৰজন। এয়া বাৰু সম্ভৱ হ'ব নেকি চৰকাৰৰ এশটা পোষ্টত হাজাৰজনক একেলগে চাকৰি দিয়াটো? আমি সকলোৱে জানো এয়া সম্ভৱ নহয়। সকলোকে একেলগে চাকৰি দিয়াটো অসম্ভৱ। ইয়াৰ বাবে চৰকাৰ দায়ী নহয় আৰু যিখিনি প্ৰাৰ্থীয়ে চাকৰি নাপালে তেওঁলোকো অযোগ্য নহয়।



পঢ়ি-শুনি জীৱনত এটা চৰকাৰী চাকৰি নেপালি এনেকৈ কৈ কোনো শিক্ষিত যুৱক-যুৱতীক অপমান নকৰিব, এটা চাকৰিয়ে কাৰোবাৰ যোগ্যতা নিৰ্ণয় কৰিব নোৱাৰে। এটা চৰকাৰী চাকৰি নেপালে বুলিয়ে শিক্ষিত যুৱক-যুৱতীসকল অযোগ্য নহয়। প্ৰত্যেকৰে মাজত কিবা নহয় কিবা প্ৰতিভা থাকে, যদি সেই ব্যক্তিজনে নিজক চিনিব পাৰে, এদিন সকলোৱে জীৱনত সফল হ'ব পাৰে। সেয়ে পাৰিলে প্ৰতিজন শিক্ষিত যুৱক-যুৱতীক সাহস দিয়ক, অনুপ্ৰেৰণা দিয়ক তেওঁলোকেও জীৱনত কিবা এটা বিশেষ কৰিব পাৰিব, নিজৰ ভৰিত নিজে থিয় হৈ আগুৱাই যাব পাৰিব।

যেতিয়া মানুহৰ চিন্তাবোৰ উন্নত হ'ব, তেতিয়াহে আমাৰ ৰাজ্যখন, আমাৰ দেশখন উন্নত হ'ব। কাৰণ এখন দেশ উন্নত তেতিয়াহে হয় যেতিয়া দেশখনৰ মানুহবোৰ স্বাৱলম্বী হয়। সেয়ে পাৰিলে শিক্ষিত যুৱক-যুৱতীসকলক স্বাৱলম্বী হ'বলৈ সাহস দিয়ক। কাৰণ দেশখন উন্নত কৰিবলৈ খেতিয়ক, ব্যৱসায়ী আদি কৰি প্ৰতিজন মানুহৰে প্ৰয়োজন আছে। প্ৰতিজন মানুহৰে গুৰুত্বপূৰ্ণ ভূমিকা আছে দেশখন উন্নত কৰাত। যদি প্ৰতিজন শিক্ষিত যুৱক-যুৱতীয়ে নিজৰ প্ৰতিভাক চিনি নিজৰ নিজৰ যাত্ৰাত নামি পৰে প্ৰত্যেকজন যুৱক-যুৱতীয়ে উন্নতিৰ জখলাডাল বগাব পাৰিব। এটা চৰকাৰী চাকৰি নাপালে বুলিয়েই আৰু কোনো মানুহৰ হাঁহিৰ পাত্ৰ হ'ব নালাগিব। এটা চৰকাৰী চাকৰিয়ে কোনো শিক্ষিত যুৱক-যুৱতীৰ যোগ্যতাৰ কেন্দ্ৰবিন্দু হৈ নাথাকিব।

*ফোন ঃ ৬০০৩১৭১৪২৫*

# ইণ্টাৰনেট আৰু আমি

**■ ৰিণ্টু কুৰ্মী**

এটা সময় আছিল যিকোনো বাৰ্তা প্ৰেৰণ কৰিবলৈ পাৰ চৰাই ব্যৱহাৰ কৰিছিল। ৰজা-মহাৰজাসকলে বাৰ্তা প্ৰেৰণ কৰিবলৈ ৰাজদূত হিচাপে মানুহৰ প্ৰয়োগ কৰিছিল।
সময় পৰিৱৰ্তন হোৱাৰ লগে লগে সামাজিক মাধ্যমৰ ক্ষেত্ৰতো পৰিবৰ্তন আহিল। কাগজ আৱিষ্কাৰ হ'ল চিঠিৰ মাধ্যমৰে বাৰ্তা প্ৰেৰণ কৰাৰ পদ্ধতিৰ আৰম্ভণি হ'ল সেই সময়ত চিঠি এখন ঠাইৰ পৰা আন এখন ঠাইলৈ গৈ পাওঁতে কমেও দুই তিনি মাহ সময় লাগিছিল, সেইকাৰণে অফিচ কছাৰী আদিৰ ক্ষেত্ৰত চাকৰি মঞ্জুৰী চিঠি প্ৰাৰ্থীজনলৈ তিনি মাহমানৰ আগতেই প্ৰেৰণ কৰা হয়, যাতে প্ৰাৰ্থীজনে সময়মতে চাকৰিত যোগদান কৰিব পাৰে।
১৮৭৮ চনৰ এপ্ৰিল মাহত বিজ্ঞানী আলেকজেণ্ডাৰ গ্ৰাহামবেলে টেলিফোনৰ আৱিষ্কাৰ কৰিলে। মানুহৰ মাজলৈ ১৯১০ চনত টেলিফোন স্থায়ীভাৱে আহিল। এই আৱিষ্কাৰ কিন্তু খুব কম সময়ৰ ভিতৰত অধিক জনপ্ৰিয় হৈ পৰিল, কাৰণ যিকোনো ঠাই বা দেশৰ পৰা যিকোনো ঠাইত থাকি এজনে আনজনৰ লগত কথা পাতিব পাৰিছিল। টেলিফোনক মানুহে সামাজিক মাধ্যম হিচাপে আদৰি ল'লে। পৰৱৰ্তী সময়ত উনৈশ শ শতিকাত চাৰ্লছ বেবেজে কম্পিউটাৰ নামৰ যন্ত্ৰটোৰ আৱিষ্কাৰ কৰিলে। সমাজত কম্পিউটাৰৰ প্ৰৱেশৰ ফলত মানুহৰ কাম-কাজবোৰ অতি সহজ হৈ পৰিল।
আমি পুৱা শুই উঠাৰ পৰা নিশা টোপনি যোৱাৰ আগলৈকে ইন্টাৰনেট ৰ জৰিয়তে এখন ভাৰ্চুয়েল পৃথিৱীৰ সৈতে সংযুক্ত হৈ আছোঁ। কেঁচুৱাই আঁঠু দিব হোৱাৰ পৰা এজন বৃদ্ধ ব্যক্তিলৈকে ইন্টাৰনেটৰ মেৰপেঁচত বান্ধ খাই আছে। পইচাৰ লেনদেন, অনলাইন শ্বপিং, হোম ডেলিভাৰী আদি সকলো ইন্টাৰনেটৰ যোগেদিয়েই হৈ আছে আৰু বহু পৰিয়ালে এনেদৰেই জীৱন নিৰ্বাহ কৰি আছে। বিগত কিছুদিনৰ আগত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ বাছনি পৰীক্ষাৰ সময়ছোৱাত ইন্টাৰনেট সেৱা বন্ধ কৰাৰ পিছত বিভিন্ন ভুক্তভোগীৰ বিভিন্ন প্ৰতিক্ৰিয়া শুনিবলৈ পোৱা গৈছিল, ইন্টাৰনেট নহ'লে কেনেকৈ তেওঁলোকে পৰিয়াল চলাই ইন্টাৰনেট ব্যৱহাৰকাৰীসকলেহে উপলব্ধি কৰে। ইন্টাৰনেট এনেকুৱা এক মাধ্যম হৈ পৰিছে যি মাধ্যমৰ যোগেদি বহুলোক সংস্থাপিত হোৱাৰ লগতে জীৱনটোক ন-ৰূপত গঢ় দিছে।



# সফলতা

**■ নৰকান্ত বৰুৱা**



গোপাল গাঁওখনৰ আটাইতকৈ দৰিদ্ৰ লোক। ঘৰে ঘৰে দিন হাজিৰা কৰে। দিন হাজিৰা কৰিয়েই ঘৰখন কোনোমতে চলাইছে। উৰুখা পঁজাৰ ছালেৰে বাৰিষাৰ দিনত বৰষুণৰ পানী পৰে। তথাপি অতি কষ্টৰে সন্তান দুটাক শিক্ষিত কৰিলে। সন্তান দুটাই এইবাৰ চাকৰিৰ বাবে পৰীক্ষাত অৱতীৰ্ণ হৈছে। পৰীক্ষা ভাল হৈছে বুলি কৈছে দুয়ো। তথাপি তেওঁৰ দৰে দুখীয়া মানুহৰ ঘৰৰ সন্তানে চাকৰি পাব জানো? টকা-পইচা নিদিলে ক'ত চাকৰি পাব? দিবলৈ সামৰ্থই বা ক'ত?

অৱশেষত ফলাফলৰ দিন আহিল। গোপালৰ দুয়োটা সন্তানেই চাকৰি পালে। ইণ্টাৰভিউ ল'বলৈ নিউজ চেনেল আৰু বাতৰি কাকতৰ সাংবাদিক আহিল। গোপালে নিযুক্তি প্ৰক্ৰিয়া স্বচ্ছভাৱে অনুষ্ঠিত কৰি দৰিদ্ৰজনৰ ঘৰত হাঁহি বিৰিঙোৱা বাবে চৰকাৰক ধন্যবাদ জনালে।

*ফোন ঃ ৭০০২৮৯৬৮৬০*

# এখন শান্তিৰ পৃথিৱী লাগে..

**■ নন্দেশ্বৰ মিলি**

যান্ত্ৰিকতাৰে ভৰা এই পৃথিৱীখনে আমাক আমুৱাইছে। প্ৰতিটো পলে-অনুপলে আমাৰ উশাহবোৰ চুটি হৈ আহিব খোজে যন্ত্ৰৰ গিৰিপ্-গাৰাপ্ খোজত। বন্দুক-বাৰুদ, অস্ত্ৰ-শস্ত্ৰৰ ঝন্‌ঝনিত গিৰি-পৰ্বত কঁপিব ধৰিছে। যান-বাহন, কল-কাৰখানাৰ শব্দ, ধোঁৱাত বসুমতীৰ নাজল-নাথল পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছে।

আমি ক্ৰমে ক্ৰমে হেৰুৱাই পেলাইছোঁ কৃষ্টি-সংস্কৃতিৰ ধ্যান-ধাৰণাবোৰ। আমি নিজে নিজৰ মাজতে খোৱা-কামোৰা কৰি বাদ-বিবাদবোৰ বঢ়াই তুলিছোঁ। শান্তি, সুখ, বুজাবুজি, বিশ্বাসবোৰৰ ঠাইত আমি অশান্তি, হিংসা, অবিশ্বাসৰ বীজবোৰ ৰোপণ কৰিছোঁ। পদে পদে বিপদ-বিঘিনি বঢ়াই তুলিছোঁ। আমি আমাৰ সম্পৰ্কবোৰৰ দূৰত্ব বঢ়াই তুলিছোঁ। কৰ্মব্যস্ততাৰ দোহাই দি আমি নিজৰ মাজতে মগন হৈ আত্মকেন্দ্ৰিক হৈ পৰিছোঁ। ক্ষমতা, ধন-সম্পদৰ আহৰণৰ স্বাৰ্থত দিনৰ জিৰণি আৰু নিশাৰ নিদ্ৰা পাহৰি গৈছোঁ। আনকি পূৰ্ণিমাৰ জোনটি চাবলৈ, কুলিৰ সুৱদি মাতটো শুনিবলৈ, আঘোণৰ পথাৰত ৰবাব টেঙাৰ চকলা একেলগে বহি খাবলৈ, দূৰৈৰ উঁইচিৰিঙা জাকৰ সংগীতৰ ৰাগিনী শুনিবলৈ, শাৰদীয় নিশাৰ জোনাকী পৰুৱাৰ জ্যোতিৰ সন্ধান কৰিবলৈ, ককা-আইতাৰ কোলাত বহি সাধুকথা শুনিবলৈ আমাৰ সময়ৰ অভাৱ। ফেচবুক-ৱাটছএপ্ খোলোতে, ভিডিঅ' গেম খেলোঁতে সময়বোৰ কেনেকৈ যায় ক'বই নোৱাৰে। হেডফোনটো অনবৰতে কাণত ৰাখি কথা পাতি থকা চেঙেলীয়া ডেকা-ডেকেৰীমখাই সৃষ্টি-কৃষ্টিৰ কথাই পাহৰে।



আধুনিকতাবাদ, গোলকীয়কৰণ, পশ্চিমীয়াকৰণ আদিৰ দৰে বিভিন্ন ধুমুহাজাকে আহি বাৰুকৈয়ে কোবাই থৈ গৈছে আমাৰ ঘৰৰ ভেটিবোৰ। আমাৰ ঘৰৰ ভেটিবোৰ থৰক-বৰক হৈ যোৱাৰ উপক্ৰম ঘটিছে সেই কাল ধুমুহাবোৰৰ প্ৰকোপত। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ বলত মানৱ সমাজে আজি উন্নতিৰ শিখৰত খোজ পেলাইছে। তাৰ মাজতে বিভিন্ন অশুভ পৰম্পৰাই মানৱ সমাজত বাৰুকৈয়ে শিপাব ধৰিছে।

ওঁঠত তেল গছত ফল। বৰ্তমান সময়ৰ মানৱ সমাজৰ এটি বিশেষ বৈশিষ্ট্য। কৰ্ম-সংস্কৃতিৰ দোহাই দি আমি চমু পথ বিচাৰি ফুঁৰো। কষ্টসহিষ্ণুতা, ধৈৰ্য, সহনশীলতা আদি পৰিহাৰ কৰি আমি চমু উপায়েৰে অধিক ফল লাভৰ সপোন দেখোঁ। নিজৰ ভোগবাদী আৰু লোলুপ কামনা পৰিপূৰণ কৰিবলৈ গৈ দুৰ্নীতি, অনীতিৰ পথ অৱলম্বন কৰি আহিছোঁ। যোগ্য-ভোগ্য বসুন্ধৰাৰ ওপৰত বিশ্বাস ৰাখি ধনবল, বাহুবলৰ দৰে পন্থা অৱলম্বন কৰি আনৰ সুযোগ-সুবিধা কাঢ়ি আনিছোঁ। সম্প্ৰতি ৰূপে কি তৰে গুণেহে আচল কথা ফাঁকি মাথোন কিতাপৰ পৃষ্ঠাতেহে শুৱনি হয়। বাস্তৱিক পৃথিৱীখন আমি ভবা বা কিতাপত শিকা জ্ঞানবোৰৰপৰা সম্পূৰ্ণ ওলোটা বুলি ক'লেও হয়তো মিছা কোৱা নহ'ব। তাৰ ফলত আমাৰ ভুকুতে কল নপকে বোলা আপ্তবাক্যশাৰী ফলাফল হিচাপে লাভ কৰিছোঁ।

আমি নিজকে উন্নত সভ্যতা-সংস্কৃতিৰ জীৱ হিচাপে প্ৰতিপন্ন কৰিবলৈ যাওঁতে পদে পদে বাধাৰ প্ৰাচীৰ সন্মুখীন হ'বলগীয়া হৈছে। খেতি-বাতি কৰোঁতে কীটনাশক সাৰ, ৰাসায়নিক সাৰ তথা দুগুণ উৎপাদন হোৱাৰ স্বাৰ্থত বিভিন্ন কৃত্ৰিম উপায়বোৰ অৱলম্বন কৰাৰ ফলত আমি বিষাক্ত ফচলবোৰ ভোগ কৰি আহিছোঁ। কল-কাৰখানা তথা উদ্যোগবোৰৰ পৰা বাহিৰ হোৱা ধোঁৱা আৰু দ্ৰব্যবোৰে আমাৰ সমগ্ৰ পৃথিৱীলৈ ভাবুকি কঢ়িয়াই আনিছে। যাতায়াতৰ বাবে যিমানে উন্নত আলি-পদূলি আৰু যান-বাহনৰ সংখ্যা বাঢ়ি আহিছে সিমানেই দুৰ্ঘটনা, যান-জঁটৰ সমস্যা বৃদ্ধি পাই আহিছে। আধুনিকতাৰ জীৱন-যাপনৰ শৈলী গ্ৰহণৰ নামত বিভিন্ন ৰোগ-ব্যাধি, মহামাৰীবোৰ আমি আমন্ত্ৰণ কৰি আহিছোঁ। নম্বৰকেন্দ্ৰিক, ডিগ্ৰী-ডিপ্ল'মাকেন্দ্ৰিক তথাকথিত শিক্ষা-দীক্ষাত গুৰুত্ব আৰোপ কৰাৰ ফলত প্ৰকৃত শিক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। মুঠতে আমি পোহৰ বিচাৰি হাবাথুৰি খোৱা প্ৰাণীবোৰে অমৃত বুলি গৰলকে পান কৰি আহিছোঁ।

বাহিৰে ৰং-চং ভিতৰি কোৱাভাতুৰী। বৰ্তমান সময়ত মানুহবোৰে নিজকে সজাই-পৰাই দেখাত টপাটপ হৈ থাকিব খোজে। বিভিন্ন প্ৰসাধন সামগ্ৰী কিনি তাক সানি নিজকে বিশ্বসুন্দৰী কৰি ৰাখিব বিচাৰে। কিন্তু মন-মানসিকতা, মগজু, বুদ্ধি-বৃত্তি, জ্ঞান-প্ৰজ্ঞা, প্ৰকৃত শিক্ষা লাভৰ ক্ষেত্ৰত জলাঞ্জলি দি আহিছোঁ। মন-মগজুবোৰৰ উচিত ব্যৱহাৰ নকৰাৰ ফলত বিভিন্ন সামাজিক, মানসিক সমস্যাবোৰ গা কৰি উঠিছে। একতা, ভাতৃত্ববোধৰ জৰিডাল ছিগি অসমতা, হিংসা-বিদ্বেষবোৰ বৃদ্ধি পাই আহিছে। ধৰ্ষণ, ব্যাভিচাৰ, অপহৰণ, ব্লেকমেইলৰ দৰে অপকৰ্মবোৰৰ মাত্ৰা বৃদ্ধি পাই আহিছে। ভাং, ড্ৰাগ্‌ছ, মদ, চিগাৰেট, গুট্‌খাৰ দৰে বিষাক্ত দ্ৰব্যবোৰৰ সেৱন কৰা লোকৰ সংখ্যা দিনক দিনে বাঢ়ি আহিছে। পৃথিৱীত থকা মানুহৰ যিমান ওজন তাৰ লগত তেওঁলোকে কৰা অপকৰ্মবোৰৰ ওজন এটা তুলাচনীত যদি জোখে তেন্তে নিতান্তই অপকৰ্মবোৰৰ ওজন অধিক হ'ব বুলি আমি ক'ব পাৰোঁ। মুঠতে আমি নিজৰ মনৰ প্ৰকৃত শুদ্ধ মানসিকতাৰ গঢ়াৰ বিপৰীতে নেতিবাচক মন-মানসিকতা, উগ্ৰতা, বিভেদকামী মনোভাববোৰ লালন-পালন কৰাত গুৰুত্ব দিয়া যেন অনুভৱ হয়।

আমি এনে এখন পৃথিৱীত বা সমাজত বসবাস কৰিছোঁ য'ত আমাৰ প্ৰমূল্য বা নৈতিকতাৰ অভাৱ। য'ত আমি সুখ-শান্তি, আনন্দবোৰ বিচাৰি পোৱাটো সম্ভৱৰ নহয়। আমি অন্ধকাৰময় এখন ভয়াৱহ ভৱিষ্যতলৈ গতি কৰি আছোঁ। দিনক দিনে অসুস্থ প্ৰতিযোগিতাত লিপ্ত হৈ যান্ত্ৰিকতাবোৰ আঁকোৱালি লৈছোঁ। জীৱন আৰু উশাহ কোন দিনা শেষ হয় তাৰ নিশ্চয়তা নাই। কাৰ সন্মান, কাৰ স্বাধীনতা কেতিয়া হৰণ হয় তাৰ সীমা নাই। পুৱা ঘৰৰ পৰা ওলোৱা ব্যক্তিজনে গধূলি ঘূৰি আহিবনে নাই তাৰ কোনো নিশ্চয়তা নাই। গতিকে অনিশ্চয়তা, দুৰ্যোপূৰ্ণ, অবিশ্বাসী পৃথিৱীখনত থাকি থাকি মানুহবোৰে আমুৱাইছে। তাৰ সলনি এনে এখন সমাজ বা পৃথিৱী বিচাৰোঁ য'ত অন্ততঃ সকলোৱে নিজৰ নিজৰ মৰ্যাদা, অধিকাৰ, স্বাধীনতা পোৱাৰ লগতে আনজনৰো কোনো স্বাৰ্থ বিঘ্নিত নোহোৱাকৈ একতাৰ ডোলেৰে বান্ধি নিজৰ নিজৰ কৰ্মবোৰ সম্পন্ন কৰি উঠিব পাৰে। য'ত আমি শান্তিৰে এছাটি উশাহ ল'ব পাৰোঁ, য'ত আমাৰ সপোনবোৰে পোখা মেলিব, য'ত আশাবোৰ লহপহকৈ বাঢ়ি অহাৰ পৰিৱেশ লাভ কৰিব পাৰিব।



*ফোন ঃ ৮৬৩৮৮৮১৯৫৩*

## প্ৰথম পৃষ্ঠাৰ পৰা—

## জনজাতিকৰণত প্ৰতাৰণা

চৰকাৰখনে খেলা খেলি আছে তাক কিন্তু কেতিয়াও সহ্য কৰা নহ'ব। অচিৰেই আমি কোচ ৰাজবংশী বাচাও, বিজেপি হাটাও শ্ল'গানেৰে প্ৰতিবাদী কাৰ্যসূচী হাতত ল'ম। বিজেপি চৰকাৰে যদি ভাবিছে যে হিটলাৰী শাসনৰ নিচিনাকৈ তেওঁলোকে যি কৰিব তাকে আমি মানি ল'ম সেয়া ভুল ভাবিছে। কাৰণ আক্ৰাছুৰে সেয়া কেতিয়াও সহ্য নকৰে। বৰং অনাগত দিনত কোচ ৰাজবংশী জনগোষ্ঠীৰ অধিকাৰৰ স্বাৰ্থত যি কোনো কাৰ্যপন্থা হাতত ল'বলৈ আমি সাজু আছো। চৰকাৰে কেৱল প্ৰতিশ্ৰুতি দিয়ে নিৰ্বাচনৰ বৈতৰণী পাৰ হৈ আহিছে। বিশেষকৈ আমাৰ কোচ ৰাজবংশী অধ্যুষিত পিছপৰা অঞ্চলৰ লোকসকলক নানা প্ৰলোভন দি আমাক কেৱল ভোট বেংক হিচাপেহে ব্যৱহাৰ কৰি নিৰ্বাচনী বৈতৰণী পাৰ হৈ আহিছে। সেয়ে বহু হ'ল, ধৈৰ্যও বহু ধৰিলো। গতিকে এইবাৰ স্ব-গোষ্ঠীয় সকলো দল-সংগঠনে একত্ৰিত হৈ এই প্ৰতাৰক বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ জংগী আন্দোলন গঢ়ি তুলিম। কাৰণ চৰকাৰে আমাৰ গণতান্ত্ৰিক আন্দোলনৰ ভাষা বুজি নাপায়। ইয়াৰ বিপৰীতে যিসমূহ অস্ত্ৰধাৰী সংগঠন সেইসকলৰ সৈতে শান্তি আলোচনাৰ জৰিয়তে তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে পথ উলিয়াই দিছে। অথচ আক্ৰাছুৰে ১৯৯০ চনৰ পৰা জনজাতিকৰণৰ দাবী কৰি আহাৰ পিছতো কেৱল প্ৰতাৰণা আৰু বঞ্চনাৰ বাহিৰে একো নাপালো। অসমত বসবাস কৰা ভূমিপুত্ৰ কোচ ৰাজবংশীসকলক জনজাতিকৰণ কৰিব লাগে বুলি আমি আক্ৰাছুৰে দশক দশক ধৰি দাবী উত্থাপন কৰি আহিছো যদিও কোনো এখন চৰকাৰে আমাৰ সমস্যা সমাধান নকৰিলে। বৰ্তমান কেন্দ্ৰ আৰু ৰাজ্যত শাসনৰ গাদীত থকা বিজেপি চৰকাৰখনে কোচ ৰাজবংশীসকলক জনজাতিৰ মৰ্যাদা প্ৰদানৰ ক্ষেত্ৰত যি নিকৃষ্ট ৰাজনীতি আৰম্ভ কৰিছে এনে লেতেৰা ৰাজনীতিক আমি আক্ৰাছুৰে ধিক্কাৰ আৰু গৰিহণা দিছো। কাৰণ ২০১৯ চনত বিজেপি চৰকাৰখনে কোচ ৰাজবংশীসকলক জনজাতিকৰণৰ বিধেয়কখন মাত্ৰ নাটক কৰি ৰাজ্য সভাত উত্থাপন কৰিছিল। সেইদৰে ২০২০ চনৰ ৯ ছেপ্টেম্বৰত মন্ত্ৰী গোটৰ অধ্যক্ষ তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এখন চূড়ান্ত বৈঠক অনুষ্ঠিত হৈছিল আৰু উক্ত বৈঠকত এমাহৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰলৈ প্ৰতিবেদন পঠিয়াব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু দুখ আৰু পৰিতাপৰ বিষয় এয়ে যে সেই প্ৰতিবেদনখন আজিলৈকে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ নকৰি ওলোটাই প্ৰতিবেদনৰ নামত চৰম ৰাজনীতি আৰম্ভ কৰিছে। বিজেপি চৰকাৰৰ এনে নিকৃষ্ট ৰাজনীতি বন্ধ কৰিবলৈকো সকীয়াই দিয়ে আক্ৰাছুৰ নেতাদ্বয়ে। লগতে কোচ ৰাজবংশীসকলৰ যি সমস্যা সেই সমস্যাক লৈ ৰাজনীতি নকৰি সমাধানৰ বাবে বাস্তৱ পদক্ষেপ গ্ৰহণ কৰিবলৈ চৰকাৰক অনুৰোধ জনায়। ইপিনে ছয় জনগোষ্ঠীয় ঐক্য মঞ্চই অসমত বাস কৰা খিলঞ্জীয়া ভূমিপুত্ৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত ২৬ ছেপ্টেম্বৰত আহ্বান জনোৱা ২৪ঘণ্টীয়া অসম বন্ধৰ কাৰ্যসূচীলৈ সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাই পূৰ্ণ সমৰ্থন জনোৱাৰ কথা ঘোষণা কৰে। সংবাদ মেলত আক্ৰাছুৰ সভাপতি আৰু সাধাৰণ সম্পাদকে বৰ্তমান সময়ত ছাত্ৰ- ছাত্ৰীসকলৰ যিহেতু পৰীক্ষা চলি আছে, সেয়ে শিক্ষাৰ্থীসকলৰ অসুবিধা নোহোৱাকৈ ৰাইজক সহায় - সহযোগিতা আগবঢ়াই বন্ধৰ কাৰ্যসূচী সফল কৰি তুলিবলৈ আহ্বান জনায়। লগতে ছয় জনগোষ্ঠীয় ঐক্য মঞ্চক চৰকাৰৰ মিছা আশ্বাসত ভোল গৈ বন্ধৰ কাৰ্যসূচী কোনো কাৰণতে প্ৰত্যাহাৰ নকৰিবলৈকো আহ্বান জনায়। আনহাতে, আক্ৰাছুই অতি কম সময়ৰ ভিতৰত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰি জনগোষ্ঠীটোৰ প্ৰাপ্য অধিকাৰ জনজাতিকৰণ আৰু পৃথক কমতাপুৰ ৰাজ্য পুনৰ গঠনৰ দাবীত জংগী আন্দোলন গঢ়ি তোলাৰ লগতে বিজেপি চৰকাৰৰ বিৰুদ্ধে বিজেপি হাটাও কোচ ৰাজবংশী বাচাও শ্ল'গানেৰে বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী হাতত ল'ব বুলিও কয়। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কেৱল সমস্যাবিলাকক সমস্যা হিচাপে ৰাখিব বিচাৰে । কেতিয়াও সমস্যাবোৰ সমাধান কৰিব নিবিচাৰে বুলি কৈ শেহতীয়াকৈ ছয় জনগোষ্ঠীয় ঐক্য মঞ্চই জনজাতিকৰণৰ দাবীত ঘোষণা কৰা আন্দোলনৰ কাৰ্যসূচীৰ পিছতে ট্ৰাইবেল সংঘৰ আদিত্য খাখলাৰী জাঙুৰ খাই উঠা কাৰ্যক ধিক্কাৰ জনায়। আক্ৰাছুৰ নেতৃত্বই কয় যে আদিত্য খাখলাৰী অসমৰ ৰজা নহয়। যি কোনো এটা ইচ্ছুক তেওঁলোকে আনপিনে নিব বিচাৰে। এইক্ষেত্ৰত চৰকাৰ জড়িত আছে বুলিও সন্দেহ প্ৰকাশ কৰে। কাৰণ বন্ধ ঘোষণা কৰাৰ পিছতে ট্ৰাইবেল সংঘই কিয় ইমান জাঙুৰ খাই উঠে ? আমি আদিত্য খাখলাৰীৰ পৈতৃক সম্পত্তি বিচৰা নাই। সংবিধানৰ গণ্ডিৰ ভিতৰত থাকি কোচ ৰাজবংশীসকলৰ যিখিনি ন্যায্যতা, কোচ ৰাজবংশীকে ধৰি অসমৰ ছয় জনগোষ্ঠীৰ যিখিনি ন্যায্যতা সেইখিনি আমি বিচাৰিছো। আমি অসমত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীয়ে ভাতৃত্ববোধেৰে থাকিব বিচাৰিছো। কাৰো সৈতে আমি সংঘাতত লিপ্ত হ'ব নিবিচাৰো। সেই কাৰণে প্ৰতিটো জাতি-জনগোষ্ঠীৰ যিখিনি সমস্যা সেই সমস্যাখিনি যাতে বৰ্তি নাথাকে আৰু সমাধান হয়, তাৰ কাৰণে সকলো জাতি- জনগোষ্ঠীৰে দল-সংগঠনসমূহক প্ৰতিটো জাতি-জনগোষ্ঠীৰে সমস্যাক নিজৰ সমস্যা বুলি ভাবি সমাধান কৰাৰ বাবে চৰকাৰক দাবী জনাবলৈ আহ্বান জনায়। আনহাতে, অসমত বৰ্তমান এইখন বিজেপি চৰকাৰে খিলঞ্জীয়াৰ ওপৰত খিলঞ্জীয়াৰ ভাতৃঘাতী সংঘাত লগোৱাৰ চিন্তা-চৰ্চা কৰে বুলি সভাপতি আৰু সাধাৰণ সম্পাদকে মন্তব্য কৰে। লগতে কয় যে কোনো আনুষ্ঠানিক বৈঠক এতিয়ালৈকে নোহোৱাকে ট্ৰাইবেল সংঘই কিহৰ ইংগিত পালে যে ছয় জনগোষ্ঠীৰ যে জনজাতিকৰণ পোৱাৰ ক্ষেত্ৰত ন্যায্যতা নাই ? কাৰণ আমি আনৰ অধিকাৰ খৰ্ব কৰি আমাৰ অধিকাৰ বিচৰা নাই। আমি সমিলমিলেৰে সকলোৰে থাকিব বিচাৰিছো। সেয়ে আগলৈ এনে ধৰণৰ [illegible] বিৰোধিতা কৰিছিল আৰু এতিয়াও সদিচ্ছা নাই বুলিহে প্ৰকাশ পাইছে। সেয়ে এনে স্থিতি অটল থাকিলে অনাগত দিনত তেওঁৰ বিৰোধিতা কৰিবলৈ আমি বাধ্য হ'ম। সেই দিনটো অহাৰ পূৰ্বেই সদিচ্ছা দেখুৱাবলৈকো আহ্বান জনায়। সংবাদ মেলত কে এল অ'ৰ সৈতে অচিৰেই ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক শান্তি আলোচনাৰ পৰিৱেশ সৃষ্টি কৰাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিবলৈকো দাবী জনায়। সংবাদ মেলত সংগঠনটোৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত আছিল।

## কলকাতাৰ শিল্পী লোপামুদ্ৰা

আনন্দৰাম ঢেকিয়াল ফুকন, আনন্দৰাম বৰুৱা আদিৰ সৈতে কম বয়সতে জীৱন নাট সামৰা ক্ষণজন্মা পুৰুষসকলৰ সৈতে জয়ন্ত হাজৰিকাকো একে শাৰীতে ৰাখিব পাৰি যিসকলে অল্পায়ুহৈও নিজ কৰ্মৰে জাতিটোক মহিয়ান কৰি থৈ গ'ল - মন্ত্ৰী বড়াই তেওঁৰ ভাষণত কয়। এই অনুষ্ঠানতে মন্ত্ৰী বড়াই শিল্পী মনীষা হাজৰিকা, অভিনেতা প্ৰাঞ্জল শইকীয়া আদিৰ সহযোগত পশ্চিমবংগৰ শিল্পী লোপামুদ্ৰা মিত্ৰক জয়ন্ত হাজৰিকা ব্যতিক্ৰম জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰে। ইয়াৰ পূৰ্বে অক্টোবৰত প্ৰকাশ পাব লগা জয়ন্ত হাজৰিকা শীৰ্ষক স্মৃতিগ্ৰন্থ এখনৰ বেটুপাতো সকলোৰে সহযোগত উন্মোচন কৰে। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত আয়োজিত অনুষ্ঠানটিত শিল্পী লোপামুদ্ৰা মিত্ৰ আৰু মনীষা হাজৰিকাই সংগীত পৰিৱেশন কৰে।

## মাজুলীত আহিনীয়া ধুমুহা

উজনি মাজুলী ৰাজহ চক্ৰৰ অন্তৰ্গত চামগুৰি, কচ়াল গাঁও, কঁঠালখোৱা, গেজেৰাকে আদি কৰি মাজুলীৰ বহু গাঁও ধুমুহাত ক্ষতি হয়। গাঁওসমূহৰ বহু পৰিয়ালৰ বাসগৃহত প্ৰকাণ্ড গছ উভালি পৰাত বিস্তৰ ক্ষতিৰ সন্মুখীন হৈছে। পুৱতি নিশা অহা এই ধুমুহাত বহু পৰিয়ালৰ ঘৰৰ মূধচ উৰুৱাই নিয়াত বয়-বস্তুৰ বহু ক্ষতি হৈছে। বহুকেইটা পৰিয়ালৰ ঘৰ একেবাৰে ভাঙি যোৱাত কোনোমতে নিজৰ প্ৰাণ ৰক্ষা কৰিছে পৰিয়ালৰ লোকে। ঘৰ ভাঙি বিস্তৰ ক্ষতি হোৱা পৰিয়ালসমূহক মাজুলী জিলা প্ৰশাসনৰ লোকৰ সহযোগত দুৰ্যোগ প্ৰশমন বিভাগে ৰেচন আৰু টাৰপলিন যোগান ধৰিছে। ধুমুহাৰ প্ৰভাৱত গছ পৰি বিদ্যুতৰ তাঁৰ ছিঙি যোৱাৰ লগতে পথত গছ পৰি যোৱাত পুৰা ভাগত যাতায়াতৰ বহুকেইটা অঞ্চল ব্যাহত হৈ পৰে। বিদ্যুতৰ তাঁৰৰ লগতে খুঁটাসমূহ প্ৰকাণ্ড গছ পৰি ভাঙি যোৱাত বিদ্যুৎ সেৱা উজনি মাজুলীৰ বহু গাঁৱত ব্যাহত হৈ আছে। ধুমুহাৰ প্ৰভাৱত বিভিন্ন কৃষিৰো ক্ষতি হোৱাৰ খবৰ আহিছে। আনহাতে, ভকত চাপৰি অঞ্চলতো ধুমুহাই কৃষিৰ লগতে গছ-গছনি ভাঙি পেলোৱাৰ খবৰ অহাৰ লগতে নামনি মাজুলীৰো বহুকেইখন গাঁৱত ধুমুহাৰ প্ৰভাৱ পৰে।

## ভকত-বৈষ্ণৱৰ সমাগম নাই

যোৱাৰ পিছত আজি ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি একেবাৰে সেৰেঙা দেখা গৈছে। আনহাতে, পৰিচালনা সমিতি আৰু কৰ্ণধাৰ সমিতিৰ সংঘাত আঁতৰ কৰি ৰাজ্যৰ ধৰ্মীয় উপাসনাৰ অন্যতম স্থলী শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰ ভাগত ভকত-বৈষ্ণৱৰ মুক্ত উপাসনাৰ স্থলীলৈ ৰূপান্তৰ কৰিবলৈ ভক্তপ্ৰাণ ৰাইজে অনুৰোধ জনাই ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাইছে।

## ছোৱালীৰ শৌচাগাৰৰ

তথ্যৰ পৰা আইআইটি বোম্বাইৰ বাথৰুমৰ দৃশ্য সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা হৈছে। ঘটনাটো দেওবাৰে নিশা সংঘটিত হৈছিল বুলি কোৱা হৈছে। অভিযোগ অনুসৰি এগৰাকী ছাত্ৰীয়ে আইআইটি বোম্বাইৰ শৌচালয়ত থকাৰ সময়ত অভিযুক্ত ব্যক্তিজনে খিৰিকীৰে তেওঁৰ ভিডিঅ' কৰি আছিল। আইআইটি বোম্বাইৰ নিৰাপত্তা কৰ্মীয়ে অভিযুক্তজনক ধৰিবলৈ সক্ষম হৈছে আৰু তেওঁক আৰক্ষীৰ হাতত গতাই দিয়া হৈছে। গ্ৰেপ্তাৰ কৰা ব্যক্তিজনক পিণ্টু বুলি চিনাক্ত কৰা হৈছে। ঘটনাটোৰ বিষয়ে আইআইটি বোম্বাইৰ এগৰাকী কৰ্মচাৰীয়ে কয় যে ছোৱালীৰ হোষ্টেলৰ কেণ্টিনৰ এজন কৰ্মচাৰীয়েই এনে ভিডিঅ' কৰিছে।

## 'দৰঙক বানমুক্ত কৰিবলৈ

আঁচনিৰ অধীনত এককালীন আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত আজি সমগ্ৰ অসমতে ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত এককালীন আৰ্থিক সাহায্য প্ৰদান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শোণিতপুৰ জিলাত কেন্দ্ৰীয়ভাৱে সাহায্য প্ৰদান কাৰ্যসূচী আৰম্ভ কৰাৰ বিপৰীতে মন্ত্ৰী পীযূষ হাজৰিকাই দৰং জিলাত এই কাৰ্যসূচী আৰম্ভ কৰি জিলাখনৰ কেইবাগৰাকীও হিতাধিকাৰীক আনুষ্ঠানিকভাৱে অনুমোদন-পত্ৰ প্ৰদান কৰে। উল্লেখ্য যে ২০১৯ চনৰ ১ এপ্ৰিল অথবা তাৰ পিছত পতিৰ মৃত্যু হোৱা ১৮ৰ পৰা ৪৫ বছৰ বয়সৰ ৰাজ্যখনৰ প্ৰায় ১২,০০০ মহিলাৰ ভিতৰত দৰং জিলাৰো ১৭৩ গৰাকী হিতাধিকাৰীক আজি ২৫,০০০ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হয়। এই উপলক্ষে মঙলদৈৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে সকলো হিতাধিকাৰীকে গভীৰ সমবেদনা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে এই স্বামীহাৰা মহিলাসকলৰ জীৱনৰ দুখক কোনোমতেই আঁতৰ কৰিবলৈ সক্ষম নহ'লেও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে তেওঁলোকৰ দুখৰ সমভাগী হোৱাৰ লগতে বিপদৰ সময়ত ওচৰত থিয় হোৱাৰ প্ৰয়াস কৰিছে। আগতে ৰাজ্য চৰকাৰৰ অধীনত সাৰ্বজনীন কোনো বিধৱা পেন্সন অথবা সাৰ্বজনীন বৃদ্ধ পেন্সনৰ ব্যৱস্থা নাছিল বুলি উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই কয় যে প্ৰায় চাৰি বছৰমানৰ আগতে ৰাজ্য চৰকাৰে ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আৰু শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনিৰ আৰম্ভ কৰিছিল। আনহাতে, আজিৰ অনুষ্ঠানতে মন্ত্ৰী হাজৰিকাই সম্পূৰ্ণ মেধাৰ ভিত্তিত ৰাজ্য চৰকাৰৰ চাকৰি লাভ কৰা বিষয়ত মন্তব্য প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে শেহতীয়াকৈ অসম আৰক্ষীত নিযুক্তিৰ ক্ষেত্ৰত সম্পূৰ্ণ নিকা প্ৰক্ৰিয়াৰে বাছনি হোৱা প্ৰসংগত মন্তব্য কৰে যে বৰ্তমানৰ চৰকাৰৰ দিনত সম্পূৰ্ণ মেধাৰ ভিত্তিত [illegible] । আনহাতে, দৰং জিলাক ক্ষতিগ্ৰস্ত কৰা নদীকেইখনৰ মথাউৰিত সুবিধাজনক স্থানত শ্লুইছ গেট নিৰ্মাণৰ বাবেও ব্যৱস্থা লোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। আজিৰ ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত এককালীন আৰ্থিক সাহায্য প্ৰদান অনুষ্ঠানত মন্ত্ৰীগৰাকীৰ লগতে মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, বিধায়কত্ৰয় ড° পৰমানন্দ ৰাজবংশী, বসন্ত দাস আৰু মজিবুৰ ৰহমান আৰু অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসেও ভাষণ দিয়ে।

## ডাঃ এনএন দত্তলৈ ডিএছচি ডিগ্ৰী প্ৰদান

### ইউএছটিএমৰ ৮ম সমাৱৰ্তন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ ছেপ্টেম্বৰ ঃ** ভালেকেইগৰাকী উপাচাৰ্য, প্ৰতিষ্ঠানৰ মুৰব্বী আৰু বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত আজি ইউনিভাৰ্চিটী অব্ চায়েন্স এণ্ড টেকন'লজি মেঘালয়ৰ অষ্টম সমাৱৰ্তনখন সফলতাৰে অনুষ্ঠিত হয়। সমাৱৰ্তনত মুঠ ১৩০৫ গৰাকী স্নাতকক ডিগ্ৰী প্ৰদান হয়। ইয়াৰে ১৫ গৰাকী শিক্ষাৰ্থীক পি এইচ ডি, ৭৭৫ গৰাকীক স্নাতকোত্তৰ ডিগ্ৰী আৰু ৫১৫ গৰাকী শিক্ষাৰ্থীক স্নাতক ডিগ্ৰী প্ৰদান কৰা হয়। সমাৱৰ্তনত অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক তথা আচাৰ্য আৰু ডাউন টাউন হাস্পতালৰ প্ৰখ্যাত ই এন টি বিশেষজ্ঞ ডাঃ এন এন দত্তই সন্মানীয় ডক্টৰেট অব্ চায়েন্স (ডি.এছচি) আৰু দ্য শ্বিলং টাইমছ কাকতৰ প্ৰাক্তন সম্পাদক তথা মেঘালয়ৰ প্ৰাক্তন শিক্ষামন্ত্ৰী পদ্মশ্ৰী মানস চৌধুৰীয়ে মেঘালয়ৰ ৰাজ্যপালৰ পৰা সন্মানীয় ডি.লিট লাভ কৰে। সমাৱৰ্তনত অধ্যক্ষতা কৰে মেঘালয়ৰ ৰাজ্যপাল তথা ইউএছটিএমৰ ভিজিটৰ শ্ৰী সত্যপাল মালিকে। মেঘালয়ৰ শিক্ষামন্ত্ৰী লাহকমেন ৰিম্বুই আৰু একাধিক উপাচাৰ্যই সন্মানীয় অতিথি হিচাপে এই অনুষ্ঠানত শোভা বঢ়ায়। সমাৱৰ্তনত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত আছে হায়দৰাবাদ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বি জে ৰাও; মণিপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° এন লোকেন্দ্ৰ সিং; শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° আৰ এম পন্ত; অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক সাকেত কুশৱাহা আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° ভি কে জৈন। সমাৱৰ্তন ভাষণ প্ৰদান কৰে হায়দৰাবাদ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক বি জে ৰাওৰ উপৰিও ইউএছটিএমৰ আচাৰ্য শ্ৰী মহবুবুল হক আৰু ইউএছটিএমৰ উপাচাৰ্য অধ্যাপক জি ডি শৰ্মাই। সমাৱৰ্তন ভাষণ প্ৰদান কৰে হায়দৰাবাদ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক বি জে ৰাওৱে। ইউএছটিএমৰ আচাৰ্য শ্ৰী মহবুবুল হকে সমাৱৰ্তনত উপস্থিত সকলোকে আদৰণি জনাই কয়, "আমি বিশ্বমানৰ বিশ্ববিদ্যালয় হোৱাৰ আকাংক্ষা কৰিছো আৰু এই বিশ্ববিদ্যালয়খনক এখন বিশ্বমানৰ প্ৰতিষ্ঠানলৈ ৰূপান্তৰিত কৰাৰ আৰু ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাৰ আমাৰ প্ৰচেষ্টাত সকলো অংশীদাৰক আমাৰ সৈতে যোগদান কৰিবলৈ আহ্বান জনাইছো।" তেওঁ ইউএছটিএম সৃষ্টিৰ ক্ষেত্ৰত মেঘালয় চৰকাৰৰ সহায়-সহযোগিতাৰ বাবেও কৃতজ্ঞতা জ্ঞাপন কৰে। ইয়াৰ পূৰ্বে বিশ্ববিদ্যালয়ৰ প্ৰতিবেদন দাখিল কৰে ইউএছটিএমৰ উপাচাৰ্য অধ্যাপক জি ডি শৰ্মাই। ইয়াৰ পিছতে ডিগ্ৰী আৰু সোণৰ পদক প্ৰদান কৰা হয়। ড° এ পি জে আব্দুল কালাম শ্ৰেষ্ঠ পি জি ছাত্ৰ বঁটা লাভ কৰে মিছ অজুংলা কুণ্ডাং, এম এ গ্ৰামোন্নয়ন আৰু পি এ চাংমা শ্ৰেষ্ঠ ইউ জি ছাত্ৰ বঁটা লাভ কৰে মিছ যশোধৰা গোস্বামী, বি.এছচি বায়'টেকন'লজি। ইয়াৰ উপৰিও নিজ নিজ বিভাগৰ শ্ৰেষ্ঠ স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীক ২৪টা সোণৰ পদক প্ৰদান কৰাৰ বিপৰীতে বিভিন্ন বিভাগৰ শ্ৰেষ্ঠ স্নাতক ছাত্ৰ-ছাত্ৰীক ২১টা সোণৰ পদক প্ৰদান কৰা হয়। সন্মানীয় ডি.এছচি ডিগ্ৰী প্ৰাপক ডাঃ এন এন দত্তৰ চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত অশেষ অৱদান আছে। পদ্মশ্ৰী মানস চৌধুৰী শিক্ষা আৰু সাংবাদিকতাৰ ক্ষেত্ৰত অপৰিসীম অৱদানৰ বাবে সুপৰিচিত। এক আড়ম্বৰপূৰ্ণ তথা সুন্দৰ শৈক্ষিক শোভাযাত্ৰাৰে সমাৱৰ্তন অনুষ্ঠানৰ আৰম্ভণি হয় য'ত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, একাডেমিক পৰিষদৰ সদস্য, গৱৰ্ণৰ ব'ৰ্ডৰ সদস্য, বিভিন্ন বিদ্যালয়ৰ ডীন, বিভিন্ন বিভাগৰ মুৰব্বী আৰু বঁটা প্ৰাপকসকলে অংশগ্ৰহণ কৰে। শপত বাক্য পাঠ আৰু ৰাষ্ট্ৰীয় সংগীতেৰে সমাৱৰ্তন অনুষ্ঠানৰ সামৰণি পৰে।

## কাকীত সোপাধৰাৰ

হোজাইৰ এছ পি বৰুণ পুৰকায়স্থই কঠোৰ স্থিতি গ্ৰহণ কৰিছে যদিও অপপ্ৰচাৰ যেন বন্ধ হোৱা নাই। সামাজিক মাধ্যমক ব্যৱহাৰ কৰি একাংশই আতংক বিয়পাই গৈছে। তাৰ মাজতে এইবাৰ স্থানীয় 'চিলেটী' ভাষাত সামাজিক মাধ্যমত 'সোপাধৰাৰ উৰাবাতৰি'ৰে কবিতা লিখি আৰক্ষীৰ জালত পৰিছে এজন যুৱকসহ এগৰাকী মহিলা। হোজাই জিলাৰ লংকাৰ কাকী আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱা যুৱকজন হৈছে খাইৰুল ইছলাম আৰু মহিলাগৰাকী হ'ল মমতা বেগম। দুয়োজনৰে ঘৰ লংকাৰ কাকী ২নং টঙিয়াত। উল্লেখ্য, সাম্প্ৰতিক সময়ত এক স্পৰ্শকাতৰ বিষয় হৈ পৰা সোপাধৰাক লৈ খাইৰুল ইছলামে সামাজিক মাধ্যমত কবিতা লিখি অপ-প্ৰচাৰ চলাইছিল। তাৰ বিপৰীতে মমতা বেগমে পোষ্টটো শ্বেয়াৰ কৰিছিল। ইতিমধ্যে দুয়োজনকে কাকী থানাত ৰুজু হোৱা ৭৫/২২ নং গোচৰত গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছে আৰক্ষীয়ে। সোপাধৰা ধৰা পৰাৰ মিছা অপপ্ৰচাৰ চলাই লংকাৰ লস্কৰ পথাৰতো গ্ৰেপ্তাৰ হৈছে ২জনকৈ যুৱক। ধৃত যুৱকদ্বয় হ'ল লংকাৰ দক্ষিণ লস্কৰপথাৰৰ আয়ুব ৰহমান (২৪) আৰু লংকাৰ কপিলীপাৰৰ আছাদুল হক (২২) । এই দুয়োজনেও সোপাধৰা ধৰা পৰিছে বুলি ফেচবুকত মিছা প্ৰচাৰ চলাইছিল। লংকা আৰক্ষী থানাৰ অধীনৰ আমতলা নামৰ ঠাইত সোপাধৰা ধৰা পৰিছে বুলি ফেচবুকত প্ৰচাৰ চলাই ৰাইজক আতংকিত কৰিছিল বুলি স্থানীয় ৰাইজে অভিযোগ কৰে। এনে প্ৰচাৰৰ তথ্য লাভ কৰি লংকা আৰক্ষীয়ে অনুসন্ধান চলাই সোপাধৰা ধৰা পৰাৰ ঘটনা মিছা অপপ্ৰচাৰ বুলি তথ্য লাভ কৰে। এনেদৰে মিছা অপপ্ৰচাৰ চলাই সমাজত অশান্তি আৰু আতংক বিয়পোৱা লোকৰ বিৰুদ্ধে আৰক্ষী অধীক্ষক বৰুণ পুৰুকায়স্থই কঠোৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়াত লংকা আৰক্ষীয়ে লগে লগে দুয়োজনৰ বিৰুদ্ধে ৩৯১/২২ নম্বৰত এক গোচৰ ভাৰতীয় দণ্ডবিধি ধাৰাৰ 203/153A/294(a)/506 আৰু R/W Section 67 of IT Act. ধাৰাত পঞ্জীয়ন কৰি গ্ৰেপ্তাৰ কৰে দুয়োকে। সম্প্ৰতি এই দুয়োজনো ৰঙাঘৰৰ আলহী। ইফালে যোৱানিশা মোৰাঝাৰৰ যমুনাগাঁৱতো সোপাধৰাৰ সন্দেহত ৰাইজৰ ৰোষত পৰা তিনিজকৈ যুৱকক উদ্ধাৰ কৰে মোৰাঝাৰ আৰক্ষীয়ে। উল্লেখ্য, এটাৰ পাছত এটাকৈ সোপাধৰাৰ উৰাবাতৰিত ৰাইজ আতংকিত হৈ পৰা সময়ত হোজাইৰ আৰক্ষী প্ৰশাসনে কঠোৰ স্থিতি লৈ এনে অপপ্ৰচাৰকাৰীৰ বিৰুদ্ধে চোকা দৃষ্টি ৰাখিছে।

## নগাঁৱত পুৰণি পেন্সন নীতি

দাবী উত্থাপন কৰে। কাৰ্যসূচীস্থলীত হোৱা প্ৰতিবাদী সভাত অংশগ্ৰহণ কৰি সন্মিলনীৰ ৰাজ্যিক উপ-সভাপতি ভৈৰৱ মহন্ত, নগাঁও জিলা সমিতিৰ সভাপতি ৰূপ সাগৰ দাস, সম্পাদক পৱন জ্যোতি বৰা, কলিয়াবৰ, হোজাই মহকুমা সমিতিৰ সভাপতি, সম্পাদক নগাঁও জিলা টে'ট শিক্ষক সমাজৰ সভাপতি-সম্পাদকে ভাষণ প্ৰদান কৰি শিক্ষক সমাজৰ সমস্যাসমূহ শীঘ্ৰে সমাধান কৰিবলৈ চৰকাৰক দাবী জনায়। কাৰ্যসূচীৰ অন্তত সন্মিলনীয়ে এই সন্দৰ্ভত ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ নগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ জৰিয়তে প্ৰেৰণ কৰে।

**ধুবুৰীত পুৰণি পেন্সন নীতি বাহাল ৰখাৰ বাবে এঘণ্টীয়া ধৰ্ণা**

[illegible] শিক্ষক সংস্থাৰ সভাপতি জাহিদ উদ্দিন আহমেদ, ধুবুৰী জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপদেষ্টা জগদীশ চন্দ্ৰ ৰায়ৰ উপৰি বিভিন্ন চাৰ্কলৰ সভাপতি, সম্পাদক, বিষয়ববীয়া আদিয়ে বিষয়বস্তুৰ ওপৰত নিজ নিজ বক্তব্য প্ৰদান কৰি ভাৰতৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীলৈ দাবীসমূহ পূৰণ কৰাৰ বাবে আহ্বান জনায়। ধৰ্ণা কাৰ্যসূচীস্থলীতে ধুবুৰী জিলা প্ৰাথমিক শিক্ষা বিষয়া ৰাতুল চন্দ্ৰ দাসৰ হাতত দাবীসম্বলিত পত্ৰ জমা দিয়া হয় আৰু উক্ত পত্ৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীলৈ আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা হয়। ইয়াৰ পিছতে ধৰ্ণা কাৰ্যসূচী সফলতাৰে সামৰণি মৰা হয়।

## লাহৰীঘাটৰ ধূপগুৰিত দুই চাইবাৰ অপৰাধী আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২০ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত ধূপগুৰিত গোপন সূত্ৰৰ পম খেদি লাহৰীঘাট থানাৰ আৰক্ষীয়ে ২ চাইবাৰ অপৰাধী আটক কৰে। ধৃত চাইবাৰ অপৰাধী দুজনৰ নাম আজহাৰ উদ্দিন আৰু আব্দুল আজিজ। দুয়োৰে ঘৰ ভুএগ্ৰাবাৰী গাঁৱত। ধৃত চাইবাৰ অপৰাধী দুজনৰ পৰা ৮টা মোবাইল আৰু ১২৩ টা ম'বাইলৰ ছিমকাৰ্ড, পেনকাৰ্ড, আধাৰ কাৰ্ড আৰু ভোটাৰ কাৰ্ড আদি জব্দ কৰে। সম্প্ৰতি দুয়োকে সোধা-পোছা অব্যাহত ৰাখিছে। উল্লেখ্য যে ধৃত চাইবাৰ অপৰাধী আজহাৰ উদ্দিন ইয়াৰ পূৰ্বতো জে'ল হাজতলৈ গৈছিল এনে কু-কাৰ্য কৰি।

## ব্যক্তিগত খণ্ডৰ প্ৰেমত ৰাজ্য

শতাংশই কৰ-কাটল আদায় নিদিয়ে চৰকাৰক। অৰ্থাৎ নিগমৰ বিষয়া-কৰ্মচাৰীৰ এইক্ষেত্ৰত কোনো দায়িত্ব নাই। আচাৰ্যৰ বিষয় বিশ্ববিদ্যালয়ৰ পৰীক্ষা অনুষ্ঠিত কৰে ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানে। শক্তি খণ্ডৰ 'ই-সুবিধা'ৰ কৰ্তৃত্ব কলকতীয়া কোম্পানীৰ হাতত। অসমৰ অভিযন্তাক গুৰুত্বহীন কৰি চৰকাৰৰ এনে হঠকাৰী সিদ্ধান্ত অসমবাসীৰ বাবে নুবুজা সাঁথৰ। যদি অসমীয়া বিষয়া-আমোলা চৰকাৰৰ দৃষ্টিত অকৰ্মণ্য তেনেহ'লে ৰাজকোষৰ ধন ব্যয় কৰি বেতন দি পুহি ৰখাও যুক্তিহীন। একেদৰে বিভাগে বিভাগে মন্ত্ৰিত্বৰ দায়িত্ব অৰ্পণ কৰাও হৈ পৰিব অৰ্থহীন। চৰকাৰে অসমৰ মানৱ সম্পদ অপচয় কৰি বহিঃৰাজ্যৰ প্ৰতিষ্ঠানৰ প্ৰতি দেখুৱাই অহা অহেতুক প্ৰীতিয়ে ৰাজ্যখনক কিমান আগুৱাই নিবলৈ সক্ষম হয় সেয়া সময়ত পোহৰলৈ আহিব।

## ২৩ ছেপ্টেম্বৰত দহ হাজাৰক

পুনৰ ২৩ ছেপ্টেম্বৰত নিযুক্তি দিয়া হ'ব ১০ হাজাৰ নিবনুৱা যুৱক-যুৱতীক। চৰকাৰৰ প্ৰতিশ্ৰুতি অনুসৰি অনাগত ৬-৭ মাহৰ ভিতৰত ৰাজ্যখনত ১ লাখ যুৱক-যুৱতীয়ে লাভ কৰিব চৰকাৰী চাকৰি। আজি তেজপুৰত সাংবাদিকৰ আগত এই কথা ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ কয় যে, সম্পূৰ্ণ নিকা আৰু স্বচ্ছভাৱে নিযুক্তি প্ৰক্ৰিয়া চলাই নিয়াৰ ফলতেই সাধাৰণ দুখীয়া মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে চাকৰি লাভ কৰিছে। সেই বাতৰি এতিয়া সংবাদ মাধ্যমত প্ৰচাৰ হোৱাও পৰিলক্ষিত হৈছে। কিন্তু চাকৰি প্ৰদানৰ নামত উৎকোচ লোৱাৰ প্ৰসংগ যিসকলে উত্থাপিত কৰিছিল, সেই বিষয়টো কেৱল মাত্ৰ সংবাদ মাধ্যমে সৃষ্টি কৰা এক অনাহুত বিতৰ্ক। প্ৰকৃততে যোগ্য দৰিদ্ৰ পৰিয়ালৰ সন্তানে নিজৰ কষ্টৰ ফলত উত্তীৰ্ণ হৈ চাকৰি লাভ কৰাৰ বহু উদাহৰণ আছে। তেনে ল'ৰা ছোৱালীৰ সংবাদ মাধ্যমে মাতি আনি সাক্ষাৎকাৰো লৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। সেইসকল দুখীয়া পৰিয়ালৰ সন্তানে কিদৰে জীৱন সংগ্ৰাম চলাই গৈছিল লক্ষ্য কৰিলেই বুজি পাব বুলি কৈ তেনে পৰিয়ালৰ সন্তানে চাকৰিৰ নামত কৰ পৰা টকা দিব পাৰিব বুলিও প্ৰশ্ন কৰে। তেওঁ লগতে দৃঢ়তাৰে কয় যে, এতিয়ালৈ যিমানখিনি যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰা হ'ল, তেওঁলোকে সম্পূৰ্ণ যোগ্যতাৰ ফলত চাকৰি লাভ কৰিছে। অনাগত দিনতো মেধাৰ যোগ্যতাৰ ভিত্তিতেই চাকৰি লাভ কৰিব বুলি মন্তব্য কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই।

## ৰাহুল গান্ধীয়ে কংগ্ৰেছৰ

সভাপতি পদৰ বাবে মনোনয়ন দাখিলৰ অন্তিম তাৰিখ হৈছে ৩০ ছেপ্টেম্বৰ। সূত্ৰ অনুসৰি শশী থাৰুৰে 'আভ্যন্তৰীণ গণতন্ত্ৰ' শক্তিশালী কৰিবলৈ ১৭ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ ইচ্ছা প্ৰকাশ কৰে। ইয়াৰ প্ৰত্যুত্তৰত ছোনিয়া গান্ধীয়ে তিৰুৱনন্তপুৰমৰ সাংসদগৰাকীক সন্মতি প্ৰদান কৰি কয় যে যিকোনো লোকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। গান্ধী পৰিয়ালৰ ঘনিষ্ঠ বুলি গণ্য কৰা অশোক গেহলট আৰু শশী থাৰুৰেও কংগ্ৰেছৰ অন্তৰ্বৰ্তীকালীন সভাপতি ছোনিয়া গান্ধীৰ বাবে সন্মতি লাভ কৰিছে।

## উপকৃত হ'ব সকলো খেতিয়ক

'প্ৰাকৃতিক কৃষি, ৰাসায়নিক মুক্ত কৃষিয়ে দেশৰ আত্মনিৰ্ভৰশীল হোৱাৰ লক্ষ্যক শক্তি প্ৰদান কৰিব পাৰে।' চলিত বৰ্ষৰ জুলাই মাহত প্ৰাকৃতিক কৃষি সন্মিলনত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কৃষকসকলক সোঁৱৰাই দিছিল যে প্ৰাকৃতিক কৃষি হৈছে সমৃদ্ধিৰ [illegible] বোজা হ্ৰাস কৰাত সহায় কৰিব প্ৰাকৃতিক কৃষি। যোৱা বছৰ, কেন্দ্ৰটোৱে সাৰৰ ৰাজসাহায্যৰ বাবে প্ৰায় ১.৬২ লাখ কোটি টকা ব্যয় কৰিছিল আৰু ২০২২-২৩ চনত ইয়াক ২.২৫ লাখ কোটি টকালৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে।

## তেজপুৰত সেনা জোৱানৰ

চিকিৎসালয় হাস্পতাললৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে অনা হয় যদিও ইয়াত মৃতদেহৰ ফটো সংগ্ৰহ আৰু ঘটনাৰ বিষয়ে উপস্থিত সেনাৰ লোকৰ পৰা তথ্য সংগ্ৰহত বাৰণ কৰা হয় সেনা কৰ্তৃপক্ষই। উল্লেখ্য যে, এই সন্দৰ্ভত সেনাৰ ফালৰ পৰা নিশা পৰ্যন্ত কোনো আনুষ্ঠানিক বক্তব্য প্ৰকাশ কৰা হোৱা নাই। জোৱানজনে ছাৰ্ভিচ পিষ্টলেৰে আত্মহত্যা কৰা আঁৰৰ কাৰণ সন্দৰ্ভত এই পৰ্যন্ত কোনো তথ্য উদ্ধাৰ হোৱা নাই যদিও স্থানীয় কছাৰীগাঁও আৰক্ষীয়ে পিষ্টলটো জব্দ কৰিছে।

## গহপুৰৰ ঐতিহাসিক থানাখন

কাকতিয়ে বিশাল সমদলত অংশগ্ৰহণ কৰি গহপুৰ থানাত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ গৈ ব্ৰিটিছ আৰক্ষীৰ হাতত প্ৰাণ আহুতি দিছিল। পিছত ৰামপতি ৰাজখোৱা নামৰ সাহসী যুৱকজনে চতুৰতাৰে ইউনিয়ন জেক আঁতৰাই ত্ৰিৰংগ পতাকা থানাত উৰুৱাইছিল। এই বীৰ শ্বহীদ দুগৰাকীৰ স্মৃতিত আজি বিশ্বনাথ জিলা প্ৰশাসনৰ উদ্যোগত আৰু গহপুৰ মহকুমা প্ৰশাসন তথা স্থানীয় বিধায়কৰ সহযোগত শ্বহীদ দিৱস উদ্‌যাপন কৰা হয়। শ্বহীদ দিৱসৰ দিনা গহপুৰলৈ আহি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰথমে গহপুৰ নগৰৰ বৰপুখুৰীৰ পাৰত থকা শ্বহীদ কনকলতা আৰু মুকুন্দ কাকতিৰ যুগল প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলনেৰে পুষ্পাঞ্জলি অৰ্পণ কৰে। ১.১০ বজাত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গহপুৰ নগৰত ১৭.৫ কোটি টকাৰে নিৰ্মাণ কৰা মহকুমা চিকিৎসালয়খন স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত আৰু সাংসদ পল্লৱলোচন দাসৰ উপস্থিতিত ৰাইজৰ বাবে মুকলি কৰে। ইয়াৰ পিছত বৰঙাবাৰী আৰু ঘাঁহিগাঁৱত থকা শ্বহীদ দুগৰাকীৰ প্ৰতিমূৰ্তিত মুখ্যমন্ত্ৰীয়ে পুষ্পাঞ্জলি অৰ্পণ কৰে। ঘাঁহিগাঁৱত 'ছিগনেচাৰ প্ৰজেক্টৰ' ১০ কোটি টকাৰে উদয়াদিত্য গোস্বামীয়ে নিৰ্মাণ কৰা ষ্টেডিয়ামখনৰ শুভ উদ্বোধন কৰে। উক্ত ষ্টেডিয়ামতে অনুষ্ঠিত শ্বহীদ দিৱসৰ বিশাল ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ২.৩০ বজাৰ পৰা আৰম্ভ হোৱা সভাত বিশ্বনাথ জিলা উপায়ুক্ত মুনিন্দ্ৰ নাথ ঙাংটেই আদৰণী ভাষণ প্ৰদান কৰে। গহপুৰৰ বিধায়ক উৎপল বৰা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্ত আৰু সাংসদ পল্লৱ লোচন দাসে ভাষণ প্ৰদান কৰে। সভাত মুখ্য অতিথিৰ ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে, অসমবাসীৰ বাবে এই দিনটো পৱিত্ৰ দিন। লগতে ভাৰতবাসীৰ বাবেও গৰিমামণ্ডিত দিন। বিশাল সমদলত অংশগ্ৰহণ কৰি কনকলতা বৰুৱা, মুকুন্দ কাকতি গহপুৰ থানাত পতাকা সাহসৰে উৰুৱাবলৈ গৈ ব্ৰিটিছৰ গুলীত প্ৰাণ ত্যাগ কৰিছিল। একেদিনাই গহপুৰৰ দৰে ঢেকীয়াজুলিতো ১৩জনে প্ৰাণ আহুতি দি শ্বহীদ হৈছিল। বীৰ শ্বহীদসকললৈ প্ৰণিপাত জনাইছোঁ। স্বাধীনতা আন্দোলনত গহপুৰৰ ৰাইজৰ অৱদান অনস্বীকাৰ্য।' ভাষণত মুখ্যমন্ত্ৰী শৰ্মাই কয়— 'অসম চৰকাৰৰ বিকাশমুখী আঁচনিৰ অংশ হিচাপে ১০০খন বিছনাযুক্ত মহকুমা অসামৰিক চিকিৎসালয়খন ৰাইজৰ বাবে মুকলি কৰিছো। তদুপৰি ক্ৰীড়াৰ বিকাশৰ বাবে ঘাঁহিগাঁৱত এই ষ্টেডিয়ামখনৰ শুভ উদ্বোধন কৰা হয়। অসমত স্বাস্থ্যৰ উন্নতিৰ বাবে প্ৰতি বছৰে ২/৩খন মেডিকেল কলেজ খোলাৰ লক্ষ্য বান্ধি লৈছো। হেলেমত থকা চিকিৎসায়খন ৫০খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰা হ'ব। গহপুৰত কনকলতা বৰুৱাৰ নামত এখন ৰাজ্যিক বিশ্ববিদ্যালয় নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰিছিলো। স্থানীয় বিধায়কক প্ৰশাসনৰ লগত লগ হৈ ২০০/৩০০ বিঘা মাটি ঠিক কৰিবলৈ কৈছো। গুৱাহাটী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমকক্ষ কৰা আশা কৰিছো। ষ্টেডিয়ামখনৰ আৰু এটা গেলাৰী ব্যৱসায়িক স্থল আৰু ছিনথেটিক ট্ৰেকৰ বাবে আজি মই ১৫ কোটি টকা দিয়াৰ কথা ঘোষণা কৰিছো। ঐতিহাসিক গহপুৰ থানা আটকধুনীয়াকৈ সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা হ'ব আৰু তাত থকা এছ ডি পি অ'ৰ কাৰ্যালয় আঁতৰাই নিয়াৰ ব্যৱস্থা কৰা হ'ব। ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত বৰঙাবাৰীত থকা শ্বহীদ কনকলতাৰ প্ৰতিমূৰ্তি থকা ঠাইখন সুন্দৰকৈ নিৰ্মাণ কৰিবলৈ উপায়ুক্তক দায়িত্ব অৰ্পণ কৰে। আমি ঐতিহ্যমণ্ডিত ভোলাগুৰি চাহ বাগিচাখন 'হেৰিটেজ ক্ষেত্ৰ' নিৰ্মাণ কৰি তেজপুৰৰ 'পকী'ৰ দৰে কৰি তুলিম। একেদৰে আমি ইতিহাসপ্ৰসিদ্ধ কল্যাণী দেৱালয় উন্নয়নৰ কাম কৰি আছো বুলি কোৱাৰ লগতে কয় যে 'এইবৰ্ষৰ অক্টোবৰ-নৱেম্বৰৰ পৰা অসমত ৮ লাখ নতুন অৰুণোদয় হিতাধিকাৰী দিয়া হ'ব আৰু গহপুৰত সাত হাজাৰ পৰিয়ালক বিনামূলীয়া চাউলৰ কাৰ্ড দিয়া হ'ব।' সভাত শ্বহীদ কনকলতাৰ ভাতৃ কালিচৰণ বৰুৱা, শ্বহীদ মুকুন্দ কাকতিৰ বোৱাৰী ৰূপা কাকতি, বিহালী সমষ্টিৰ বিধায়ক ৰঞ্জিত দত্ত, বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিহপুৰীয়াৰ ড° অমিয় ভূএগ্ৰা আদিয়ে অংশগ্ৰহণ কৰে।

## ১,২৫০ টকাকৈ পাব অৰুণোদয় হিতাধিকাৰীয়ে

আৰু ইয়াকে লৈ ৰাজ্যখনত ৫২ লাখ লোকে ৰেচন কাৰ্ড লাভ কৰিব। এই ৫২ লাখ পৰিয়ালক ৫ লাখকৈ টকাৰ স্বাস্থ্য বীমা কাৰ্ড প্ৰদান কৰা হ'ব আৰু এই কাৰ্ডৰ জৰিয়তে এইসকল পৰিয়ালে ৰাজ্যৰ লগতে দেশৰ বিভিন্ন চিকিৎসালয়ত বছৰি ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসা লাভ কৰিব। অৱশ্যে ইয়াৰ লগতে আয়ুস্মান কাৰ্ড থকা সকলে অতিৰিক্ত স্বাস্থ্য বীমাৰ সুবিধাও লাভ কৰিব। উল্লেখ্য যে, আজি তেজপুৰ কলেজিয়েট হাইস্কুল খেলপথাৰত আয়োজিত বিশাল সভাত ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আঁচনিৰ অধীনত এককালীন সাহায্য প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰি তেওঁ কয় যে, এতিয়াৰে পৰা ১৮-৪৫ বছৰ বয়সৰ মহিলাই দুৰ্ভাগ্যবশতঃ বিধৱা সাজ পৰিধান কৰিলে সেই মহিলা গৰাকীলৈ চৰকাৰে আগবঢ়াব পেঞ্চনৰ সুবিধা। ইন্দিৰা মিৰিৰ নামত উৎসৰ্গিত সাৰ্বজননীন বিধৱা পেঞ্চন আঁচনিৰ অধীনত আজি ৰাজ্যৰ সৰ্বমুঠ ১১,৮৯৬ গৰাকী বিধৱা মহিলালৈ আগবঢ়োৱা হৈছে ২৫ হেজাৰ টকাৰ চেক। ৰাজ্যৰ প্ৰায় সমূহ জিলা সদৰতে এই আঁচনি মন্ত্ৰী-বিধায়ক আৰু জিলা প্ৰশাসনৰ লোকৰ উপস্থিতিত মুকলি কৰাৰ বিপৰীতে তেজপুৰত এই অনুষ্ঠানৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। একেটা অনুষ্ঠানতে ৰাজ্যৰ বান পৰিস্থিতিৰ বাবে ঘৰ বাৰি, সা-সম্পত্তি ক্ষতিগ্ৰস্ত হোৱা ৩০৮ টা পৰিয়ালক এক লাখকৈ টকাৰ আৰ্থিক অনুদান আগবঢ়োৱা হয়। তেজপুৰ কলেজিয়েট হাইস্কুল খেলপথাৰত অনুষ্ঠিত চেক বিতৰণী অনুষ্ঠানত শোণিতপুৰৰ ৪৬৪ গৰাকী, বিশ্বনাথৰ ২৩১ গৰাকী আৰু ওদালগুৰিৰ ১৭৫ গৰাকী বিধৱা মহিলাৰ লগতে নগাঁও জিলাৰ কলিয়াবৰ মহকুমাৰ ৭২১ গৰাকী ১৮-৪৫ বছৰ বয়সৰ বিধৱা মহিলাক তেজপুৰত এককালীন আৰ্থিক সাহাৰ্যৰ চেক প্ৰদান কৰা হয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ দাসে আদৰণি ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত মন্ত্ৰী কেশল মহন্ত, অশোক সিংহাল, তেজপুৰৰ সাংসদ পল্লৱ লোচন দাস, তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা, বৰছল্লাৰ বিধায়ক গণেশ কুমাৰ লিম্বু, ৰঙাপৰাৰ বিধায়ক কৃষ্ণ কমল তাঁতী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত বিক্ৰম কৈৰী, শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, জিলা পৰিষদৰ সভানেত্ৰী ডলী চুৰিণ, এমট্ৰনৰ উপাধ্যক্ষ ঋতুবৰণ শৰ্মা, এ আই ডি চিৰ অধ্যক্ষ কিশোৰ উপাধ্যায়, পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ তুলসী বৰঠাকুৰ, বিজেপিৰ জিলা সভাপতি বাতাচ ওৱাং উপস্থিত থাকে।

**তেজপুৰত গোলাপ ফুলৰ কলিৰে আদৰণী জনোৱা দিব্যাংগ যুৱতীক আশীষ প্ৰদানেৰে অনাগত দিনৰ শুভাশিষ জনালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঃ হেলিপেডলৈ যোৱাৰ কালত হঠাৎ কলাগুৰুৰ বাসগৃহৰ সন্মুখত ৰৈ সেৱা জনালে মুখ্যমন্ত্ৰীয়ে**

ইন্দিৰা মিৰি বিধৱা পেঞ্চন আঁচনিৰ শুভাৰম্ভকে ধৰি একাধিক আঁচনিলৈ তেজপুৰৰ ব্যস্ততাপূৰ্ণ সূচীৰ মাজতে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্বভাৱসুলভ আচৰণেৰে থাওকতে পোৱা সকলো শ্ৰেণীৰ নাগৰিকৰ মনৰ খবৰ লোৱাৰ লগতে তেজপুৰৰ সকলোৰে মৰমৰ সীমা ঠাকুৰ নামৰ এগৰাকী দিব্যাংগ যুৱতীক মানসিক ভাৱে সাহস প্ৰদান কৰে। উল্লেখ্য যে, তেজপুৰৰ ৰাষ্ট্ৰভাষা বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী তথা হুইলচেয়াৰতেই জীৱন অতিবাহিত কৰা আৰু তেজপুৰ চহৰৰ মহাভৈৰৱ বজাৰত এখন তামোল পাণৰ দোকান দি পৰিয়ালক আৰ্থিক সকাহ প্ৰদান কৰি অহা সীমাৰ লগত সৌহাদ্যপূৰ্ণভাৱে আলাপ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। ৰাজ্যখনৰ দিব্যাংগ লোকসকলৰ কল্যাণৰ বাবে প্ৰথমবাৰৰ কাৰণে অধিক গুৰুত্ব প্ৰদান কৰি তৎপৰতা গ্ৰহণ কৰা মুখ্যমন্ত্ৰী গৰাকীক ওচৰৰ পৰা পাবলৈ এক আশা পুহি ৰখা সীমাই আজি হুইলচেয়াৰত বহি পালেহি মুখ্যমন্ত্ৰী গৰাকীয়ে অংশগ্ৰহণ কৰা তেজপুৰৰ কলেজিয়েট বিদ্যালয়ৰ খেল পথাৰ। হাতত ৰঙা গোলাপৰ কলি লৈ অতিকৈ ভাল পোৱা মুখ্যমন্ত্ৰী গৰাকীৰ হাতত হাঁহি মুখেৰে গোলাপৰ কলি তুলি দিয়া সীমাক মুখ্যমন্ত্ৰী গৰাকীয়ে যেন অন্তৰৰ পৰা আশীষ প্ৰদান কৰিলে। সীমাৰ সুন্দৰ জীৱন আৰু সুস্বাস্থ্যৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। একেদৰে আজি এই কাৰ্যসূচীৰ মাজতে এগৰাকী হিতাধিকাৰীয়ে কোলাত কেঁচুৱা লৈ আঁচনিৰ ধনৰাশি গ্ৰহণ কৰিবলৈ মঞ্চলৈ উঠি অহাৰ পিছত মুখ্যমন্ত্ৰী গৰাকীয়ে নিজৰ আসনৰ পৰা উঠি গৈ হিতাধিকাৰী গৰাকীৰ কোলাত থকা কেঁচুৱাটিক আলফুলেৰে চুমা খোৱা দৃশ্যই সকলোকে আপ্লুত কৰে। আনহাতে কলেজিয়েট বিদ্যালয়ৰ কাৰ্যসূচী সামৰি মুখ্যমন্ত্ৰী গৰাকীয়ে গহপুৰৰ আন এক চৰকাৰী কাৰ্যসূচীলৈ ৰাওনা হ'বলৈ তেজপুৰ চহৰৰ আৰক্ষী চাউনিৰ অস্থায়ী হেলিপেডলৈ অহাৰ পথত হঠাৎ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বাসগৃহৰ সন্মুখত চালকক গাড়ী ৰাখিবলৈ কৈ গাড়ীৰ পৰা নামি কোনেও টলকিবৈ নোৱাৰাকৈ কলাগুৰু গৰাকীৰ বাসগৃহত সেৱা কৰাৰ মুহূৰ্তত হঠাৎ ওচৰ চুবুৰীয়া জুম বান্ধে। মনকৰিবলগীয়া যে মুখ্যমন্ত্ৰী গৰাকীয়ে এইদৰে সেৱা কৰাৰ কথা আজিৰ অনুষ্ঠানত লগতে উপস্থিত থকা কলাগুৰুৰ পুত্ৰ তথা তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই পিছতহে জানিবলৈ সক্ষম হয়।

**মুখ্যমন্ত্ৰীৰ কাৰ্যসূচীৰ দিনটোতে দুই শতাধিক প্ৰাথমিক শিক্ষকে উত্তাল কৰিলে তেজপুৰ ঃ অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ প্ৰতিবাদ**

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তেজপুৰত চৰকাৰী কাৰ্যসূচী লৈ উপস্থিত থকা দিনটোতে অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ আহ্বানত বিভিন্ন দাবীৰে তেজপুৰত প্ৰাথমিক শিক্ষক- শিক্ষয়িত্ৰী সকলে ধৰ্ণা-শ্লোগানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। পুৰণি পেন্সন নীতি বাহাল ৰখা, সকলো প্ৰকাৰৰ ঠিকাভিত্তিত শিক্ষকক নিয়মীয়া কৰা, ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ থকা সকলো শিক্ষক বিৰোধী দফা প্ৰত্যাহাৰ কৰা, দেশৰ সকলো ঠাইতে সপ্তম দৰমহা বিধি প্ৰয়োগ কৰা, বিধিমতে প্ৰাপ্য আদায় দিয়া আৰু শিক্ষাত ৰাজহুৱা অংশীদাৰীত্ব বন্ধ কৰা দাবীৰে সোচ্চাৰ হৈ পৰে প্ৰতিবাদী শিক্ষক-শিক্ষয়িত্ৰী সকল। তেজপুৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক অৱনী বৰাই আঁত ধৰা আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সৰ্ব ভাৰতীয় সদস্য পৰেশ বৰা,কল্পনা দাস,আৰু তিনিওটা মহকুমাৰ সভাপতি,সম্পাদক সহ প্ৰায় ২০০ শিক্ষক শিক্ষয়িত্ৰী। শেষত জিলা শিক্ষা বিষয়াৰ জৰিয়তে দেশৰ প্ৰধান মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

**শ্বহীদ কনকলতা বৰুৱাৰ নামত গহপুৰ মহকুমা অসামৰিক চিকিৎসালয়খন উচৰ্গা মুখ্যমন্ত্ৰীৰ ঃ ভোলাগুৰি চাহ বাগিচাক ঐতিহ্যস্থলীৰূপে প্ৰতিষ্ঠা কৰা হ'ব মুখ্যমন্ত্ৰী**

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, গহপুৰ, ২০ ছেপ্টেম্বৰ ঃ** আজি শ্বহীদ দিৱস। ১৯৪২ৰ ভাৰত ত্যাগ আন্দোলনত গহপুৰ থানাত পতাকা উৰুৱাব গৈ ব্ৰিটিছৰ গুলী বুকুত পাতি আত্মবলিদান দিছিল বিৰাঙ্গনা শ্বহীদ কনকলতা বৰুৱা আৰু বীৰ শ্বহীদ মুকুন্দ কাকতিয়ে। আজিৰ এই ঐতিহাসিক দিনটোত গহপুৰত উপস্থিত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। গহপুৰত উপস্থিত হৈ ১৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হোৱা ১০০খন বিছনাযুক্ত মহকুমা অসামৰিক চিকিৎসালয়খন মুকলি কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে এই চিকিৎসালয়খন ২০১৯ চনৰ ১০ মাৰ্চত মুখ্যমন্ত্ৰীগৰাকীয়ে আধাৰশিলা স্থাপন কৰিছিল। ইফালে গহপুৰ বৰপুখুৰী পাৰত থকা দুই শ্বহীদ কনকলতা বৰুৱা আৰু মুকুন্দ কাকতি আৱক্ষ মূৰ্তি শ্ৰদ্ধাঞ্জলি জনাই মুখ্যমন্ত্ৰীয়ে। আনহাতে, কণকণা বৰুৱা আৰু মুকুন্দ কাকতিয়ে জাতীয় পতাকা উত্তোলন কৰিবলৈ গৈ প্ৰাণ আহুতি দিয়া গহপুৰ থানাখন পৰিদৰ্শন কৰি সংৰক্ষণ ব্যৱস্থা কৰা কথা প্ৰকাশ কৰে মুখ্যমন্ত্ৰীয়ে। লগতে সুন্দৰভাৱে জাকত-জিলিকা কৰি তুলিবলৈ জিলা উপায়ুক্ত নিৰ্দেশ দিয়া হ'ব বুলি উল্লেখ কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীৰ পোনে পোনে ১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ঘাঁহিগাঁওস্থিত ক্ৰীড়া প্ৰকল্পৰ শুভ উদ্বোধন কৰাৰ লগতে ক্ৰীড়া প্ৰকল্পটোৰ বাবে অতিৰিক্ত ১৫ কোটি টকা আবণ্টন দিয়াৰ কথা ঘোষণা কৰাৰ উপৰি গহপুৰৰ ভোলাগুৰি চাহ বাগিচাক ঐতিহ্যস্থলীৰূপে প্ৰতিষ্ঠা কৰা হ'ব বুলি মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে। বিশ্বনাথ জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত শ্বহীদ দিৱসৰ মুকলি সভাত অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰীগৰাকী। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰীক সংগ দিয়ে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, সাংসদ পল্লৱ লোচন দাস, বিধায়ক উৎপল বৰা, বিধায়ক ৰঞ্জিত দত্তৰ লগতে বিধায়ক প্ৰমোদ বৰঠাকুৰে।

**কামৰূপত ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত এককালীন আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভণি কৰিলে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ঃ জিলাখনৰ বানত ঘৰ-বাৰী সম্পূৰ্ণ উটি যোৱা ১৩টা পৰিয়াললৈ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা অতিৰিক্ত ১ লাখ টকাকৈ অনুদান প্ৰদান ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰ প্ৰকৃতাৰ্থত এক জনদৰদী চৰকাৰ ঃ মন্ত্ৰী পাটোৱাৰী**

**আমিনগাঁও, ২০ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তেজপুৰ কলেজিয়েট ফিল্ডত কেন্দ্ৰীয়ভাৱে আয়োজিত এক অনুষ্ঠানত ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত ১৮ৰ পৰা ৪৫ বছৰ বয়সৰ বিধৱা মহিলাসকললৈ এককালীন ২৫,০০০ টকা আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভণি তথা সাম্প্ৰতিক বানত সম্পূৰ্ণৰূপে ঘৰ-বাৰী উটি যোৱা পৰিয়াললৈ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ নিয়মীয়া পুনৰ সংস্থাপন অনুদানৰ উপৰি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা অতিৰিক্ত ১ লাখ টকাকৈ অনুদান প্ৰদান কৰা কাৰ্যসূচীৰ লগত সংগতি ৰাখি কামৰূপ জিলাতো আজি ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত এককালীন সাহায্য প্ৰদানৰ শুভাৰম্ভণিৰ লগতে বানত সম্পূৰ্ণ ঘৰ-বাৰী উটি যোৱা পৰিয়াললৈ ১ লাখ টকাৰ অনুদান প্ৰদান কৰা হয়। আমিনগাঁওস্থিত সংহত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এই অনুষ্ঠানত ৫গৰাকী বিধৱা মহিলাক ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত ২৫ হাজাৰ টকাৰ আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰে জিলাৰ অভিভাৱক মন্ত্ৰী তথা পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। উল্লেখ্য যে আঁচনিখনৰ অধীনত বৰ্তমান জিলাখনৰ মুঠ ৬২গৰাকী বিধৱা মহিলাই এই সাহায্য লাভ কৰিব। তদুপৰি এই একেটা অনুষ্ঠানতে বিগত বানত ঘৰ-বাৰী সম্পূৰ্ণ উটি যোৱা জিলাখনৰ মুঠ ১৩টা পৰিয়ালৰ প্ৰত্যেকলৈ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ১ লাখ টকাৰ চেক প্ৰদান কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেজপুৰত অংশগ্ৰহণ কৰা এই কাৰ্যসূচীৰ কেন্দ্ৰীয় অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে বৰ্তমানৰ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনক জনদৰদী চৰকাৰ বুলি অভিহিত কৰি বৰ্তমানৰ চৰকাৰখনে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ দিশত দিনে-ৰাতিয়ে কৰ্মত অৱতীৰ্ণ হৈ আছে বুলি কয়। ভাষণ প্ৰসংগত তেওঁ মহিলা তথা আই মাতৃসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা আঁচনি যেনে- মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই, অৰুণোদয় আদিৰ দৰে যুগান্তকাৰী আঁচনিসমূহে দুখীয়া মহিলাসকলৰ জীৱনলৈ অনা পৰিৱৰ্তনৰ বিষয়েও সবিস্তাৰে ব্যাখ্যা কৰে। তদুপৰি ৰাজ্যখনৰ সংখ্যালঘু লোকসকলৰ সৰ্বাংগীণ কল্যাণৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহৰ কথাও তেওঁ উল্লেখ কৰে। এনে ধৰণৰ বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰা চৰকাৰত তেওঁ নিজে মন্ত্ৰী হৈ থাকিলেও পূৰ্বতে প্ৰত্যক্ষ কৰা নাছিল বুলিও তেওঁ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে জনসাধাৰণক চৰকাৰে লোৱা সকলো আঁচনিৰ সফল ৰূপায়ণৰ দিশত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনোৱাৰ উপৰি ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ দৰে আঁচনিসমূহৰ সফল ৰূপায়ণৰ বাবে খণ্ড উন্নয়ন বিষয়াৰ লগতে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক উপযুক্ত নিৰীক্ষণ কৰাৰ বাবে আহ্বান জনায়, যাতে কোনো প্ৰকৃত হিতাধিকাৰীয়ে জনকল্যাণকামী আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত হ'ব নালাগে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই বৰ্তমানৰ চৰকাৰখনে সম্পূৰ্ণ স্বচ্ছতাৰে তথা এক সাৰ্বজনীন দৃষ্টিভংগীৰে দুখীয়া জনসাধাৰণৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে ৰাজ্যখনৰ বিকাশৰ এক ঊৰ্ধ্বগামী যাত্ৰাৰ সূচনা কৰিছে বুলি কয়। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমাজৰ শেষৰ গৰাকী ব্যক্তিয়েও যাতে আঁচনিৰ সুবিধা লাভ কৰিব পাৰে তাৰ বাবে চৰকাৰখনে নিৰৱচ্ছিন্নভাৱে কাম কৰি আছে বুলি কয়। তেওঁ লগতে অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে জিলাখনত বিভিন্ন আঁচনি ৰূপায়ণৰ দিশত প্ৰদান কৰা পৰামৰ্শৰ শলাগ লয়। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া পৰাগ কুমাৰ কাকতিয়ে আদৰণী ভাষণ প্ৰদান কৰা উক্ত অনুষ্ঠানত কামৰূপ জিলা পৰিষদৰ অধ্যক্ষ ৰীতা তালুকদাৰ, অতিৰিক্ত উপায়ুক্ত ধ্ৰুৱজ্যোতি দাস, প্ৰণৱ দত্ত গোস্বামী, হাজো সমষ্টিৰ বিধায়িকাৰ প্ৰতিনিধি, জিলাখনৰ উন্নয়ন খণ্ডসমূহৰ খণ্ড উন্নয়ন বিষয়াৰ লগতে হিতাধিকাৰীসকল উপস্থিত থাকে।

## মমতাৰ ইউটাৰ্ণ বিজেপিলৈ

# প্ৰধানমন্ত্ৰীয়ে হিংসা-অশান্তি নিবিচাৰে



**নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** পশ্চিমবংগত শিক্ষক নিযুক্তিৰ ব্যাপক কেলেংকাৰীয়ে শাসকীয় তৃণমূল কংগ্ৰেছ দলৰ চৰকাৰক সাঙুৰি লোৱাৰ পিছত প্ৰথমবাৰলৈ ৰাজনৈতিকভাৱে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে বিজেপিৰ প্ৰতি নমনীয় হৈ পৰা দেখা গৈছে। ইয়াৰ পূৰ্বে বিভিন্ন সময়ত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতি কঠোৰ স্থিতি গ্ৰহণ কৰাৰ লগতে সমালোচনাৰে থকাসৰকা কৰি আহিছিল। কিন্তু বিগত আগষ্ট মাহত তদানীন্তন মন্ত্ৰী পাৰ্থ চেটাৰ্জীক গ্ৰেপ্তাৰ আৰু তেওঁৰ জিম্মাৰ পৰা ১০০কোটিতকৈ অধিক মূল্যৰ সা-সম্পদ জব্দ কৰাৰ পিছত বিমোৰত পৰিছে মুখ্যমন্ত্ৰী মমতা। গতিকে বিগত এমাহত পশ্চিমবংগৰ মুখ্যমন্ত্ৰীয়ে দুবাৰকৈ দেশৰ প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰিছিল। এদিনৰ পূৰ্বে মোদীক সাক্ষাতৰ পিছত মমতা বেনাৰ্জীয়ে ব্যক্ত কৰিছিল যে চিবিআই আৰু এনফ'ৰ্চমেণ্ট বিভাগক অপব্যৱহাৰ কৰা কাৰ্যৰ সৈতে প্ৰধানমন্ত্ৰী মোদী জড়িত নহয়। বহুক্ষেত্ৰত মোদীয়ে এনেবোৰ বিষয়ৰ খবৰ লাভ নকৰে। দেশজুৰি তদন্তকাৰী সংস্থাসমূহ ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰা বুলি বিৰোধী দলবোৰে অভিযোগ উত্থাপনৰ সময়তে মমতা বেনাৰ্জীৰ হঠাৎ স্থিতি সলনি কৰা কাৰ্যই একপ্ৰকাৰ আত্মসমৰ্পনৰ ইংগিত দিয়া বুলিব পাৰি। মমতা বেনাৰ্জীৰ এই বক্তব্যৰ পিছতে বিজেপিৰ আই টি চেলৰ মুৰব্বী অমিত মালব্যই মমতা বেনাৰ্জীকো ওলোটাই দায়বদ্ধ কৰিব খোজা দেখা গ'ল। এই সম্পৰ্কত বিজেপি কৰ্মীজনে কয় যে যিহেতু মমতা বেনাৰ্জী চৰকাৰৰ শীৰ্ষ মন্ত্ৰীৰ পৰা আৰম্ভ কৰি চৰকাৰী বিষয়া, দলীয় কৰ্মকৰ্তা আৰু পৰিয়ালৰ সদস্য একাংশ কেন্দ্ৰীয় সংস্থা পৰ্যবেক্ষণৰ অধীনত আছে, গতিকে মমতা বেনাৰ্জীৰ এই স্থিতি আচৰিত নহয়। কিয়নো ন্যায়ালয়ৰ নিৰ্দেশত এনেদৰে তদন্ত কৰি থকা হৈছে। সোমবাৰে প্ৰধানমন্ত্ৰীক ৰেহাই দি পশ্চিমবংগৰ মুখ্যমন্ত্ৰীয়ে বিজেপিৰ একাংশ কৰ্মকৰ্তাক কেন্দ্ৰীয় সংস্থাসমূহ অপব্যৱহাৰ কৰা বুলি অভিযোগ আনিছিল। আনকি প্ৰতিদিনে বিজেপিৰ একাংশ নেতাই বিৰোধী পক্ষক হাৰাশাস্তি কৰাৰ লগতে গ্ৰেপ্তাৰৰ ভাবুকি প্ৰদান কৰি আহিছে। দেশত কেন্দ্ৰীয় সংস্থাই এনেদৰে কাৰ্যনিৰ্বাহ কৰে বুলি বিশ্বাসযোগ্য নহয়। গতিকে প্ৰধানমন্ত্ৰী মোদী এনেধৰণৰ কাম কাজত জড়িত থকা বুলি সন্দেহ কৰাৰ থল নাই। এনেকৈয়ে মমতা বেনাৰ্জীৰ নমনীয় স্থিতিৰ পিছত বিজেপি নেতৃত্বই এতিয়া মমতা বেনাৰ্জীকো উভতি ধৰিছে। নিজৰ ৰাজ্যত বিৰোধী বিজেপিক নেতা আৰু কৰ্মীক অত্যাচাৰ কৰা ঘটনাসমূহ কোনো বিজেপি কৰ্মীয়ে বাঞ্চা নকৰে। আনকি প্ৰধানমন্ত্ৰীয়েও এনেধৰণৰ কাম-কাজ পচন্দ নকৰে। গতিকে মমতা বেনাৰ্জী নিজেই আইনবিৰোধী কাম-কাজৰ পৰা আঁতৰি থকাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা উচিত বুলি বিজেপিয়ে আঙুলিয়াই দিছে।


## ভাৰতীয় সেনাৰ পদক্ষেপ
## সাগৰপৃষ্ঠৰ পৰা ১৯,০০০ ফুট উচ্চতাত ইণ্টাৰনেট সেৱা



**নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** ভাৰতীয় সেনাই চিয়াচেন হিমবাহত ইণ্টাৰনেট সেৱা আৰম্ভ কৰিছে। দেওবাৰে চিয়াচেন হিমবাহৰ পাদদেশত উপগ্ৰহ-আধাৰিত ইণ্টাৰনেট সেৱা আৰম্ভ কৰা হয়। ভাৰতীয় সেনাই এতিয়া সাগৰ পৃষ্ঠৰ পৰা প্ৰায় ২০,০০০ ফুট উচ্চতাত ইণ্টাৰনেট সেৱা লাভ কৰিব। ভাৰতীয় সেনাই এই বিষয়ে টুইট কৰিছে য'ত এজন ভাৰতীয় সৈনিকক টিলাটোত এটা ডিছ এণ্টেনা স্থাপন কৰা দেখা গৈছে। টুইট কৰাৰ পিছত নেটিজেনসকলে ভাৰতীয় সেনাক প্ৰশংসাৰে উপচাই পেলাইছে। তদুপৰি, সাধাৰণ মানুহে ভাবে যে বিশ্বৰ সৈতে যোগাযোগ এতিয়া বহুত সহজ হৈ পৰিছে।জানিব পৰা গৈছে যে ভাৰত ব্ৰডবেণ্ড নেটৱৰ্ক লিমিটেডৰ সৌজন্যত ইমান উচ্চতাত ইণ্টাৰনেট সেৱা আৰম্ভ কৰা হৈছে।

## চিকিৎসালয়ত ভৰ্তি হ'ল টাইটানিকৰ নায়িকা কেট উইন্সলেট

**লণ্ডন, ২০ ছেপ্টেম্বৰ ঃ** টাইটানিক'ৰ নায়িকা অভিনেত্ৰী কেট উইন্সলেটক শ্বুটিঙৰ সময়ত ভৰি পিছলি আঘাত পোৱাৰ পিছত চিকিৎসালয়ত ভৰ্তি



কৰোৱা হৈছে। ক্ৰোৱেছিয়াত শ্বুটিঙৰ সময়ত তেওঁ বাগৰি পৰে আৰু ভৰিত আঘাতপ্ৰাপ্ত হয়। তেওঁক এখন স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। কিন্তু কেট বৰ্তমান সুস্থিৰ হৈ আছে। খবৰ অনুসৰি তেওঁ সোনকালেই শ্বুটিঙলৈ উভতি আহিব। এক বিবৃতিত কোৱা হৈছে, "কেটৰ ভৰি পিছলি গৈছিল আৰু প্ৰডাকশ্যনৰ প্ৰয়োজনীয় সাৱধানতামূলক ব্যৱস্থা হিচাপে তেওঁক চিকিৎসালয়লৈ লৈ যোৱা হৈছে। তেওঁ ভালে আছে আৰু এই সপ্তাহতে শ্বুটিংলৈ উভতি আহিব।" ক্ৰোৱেছিয়াৰ এখন গাঁৱত 'লী' ছবিখনৰ দৃশ্যগ্ৰহণ চলি আছে। চলচ্চিত্ৰখন ফটোগ্ৰাফাৰ লী মিলাৰৰ জীৱনৰ ওপৰত আধাৰিত। বৰ্তমান ৪৬ বছৰীয়া কেট উইন্সলেটক এই ছবিখনৰ শীৰ্ষ চৰিত্ৰত দেখা যাব। ছবিখন পৰিচালনা কৰিছে এলেন কুৰাছে।

## ম্যানমাৰৰ বিদ্যালয়ত হেলিকপ্টাৰেৰে আক্ৰমণ
### ৭ শিশুসহ নিহত ১৩, চৰকাৰী সেনা জড়িত থকাৰ সন্দেহ

**ৰেংগুইন, ২০ ছেপ্টেম্বৰ ঃ** ম্যানমাৰত চৰকাৰী সেনাই আজি অসামৰিক লোকৰ ওপৰত এক ভয়ংকৰ আক্ৰমণ ঘটায়। সামৰিক প্ৰশাসনৰ হেলিকপ্টাৰে উত্তৰ-মধ্য ম্যানমাৰৰ এখন বিদ্যালয় আৰু গাঁৱত আক্ৰমণ চলায়। ফলত সাতটা শিশুসহ কমেও ১৩ জন লোক নিহত হৈছে। বিদ্যালয়ৰ সৈতে জৰিত এজন ব্যক্তিয়ে সংবাদ মাধ্যমৰ আগত এই আক্ৰমণৰ কথা প্ৰকাশ কৰিছে। উল্লেখ্য দেশ খনত গণতন্ত্ৰকামী বিদ্ৰোহী আৰু তেওঁলোকৰ মিত্ৰশক্তিৰ ওপৰত সামৰিক চৰকাৰৰ সেনাই আক্ৰমণ অব্যাহত ৰাখিছে। এই আক্ৰমণত এতিয়ালৈকে বহু অসামৰিক লোকৰ মৃত্যু ঘটিছে। অৱশ্যে শেহতীয়াকৈ চাগাইং অঞ্চলৰ টাবায়িনত হোৱা বিমান আক্ৰমণত নিহত হোৱা শিশুৰ সংখ্যা যোৱা বছৰ ফেব্ৰুৱাৰীত সেনাই ক্ষমতা দখল কৰাৰ পিছত সৰ্বাধিক হোৱা দেখা গৈছিল। চলিত মাহত ইউনিচেফে প্ৰকাশ কৰা এক প্ৰতিবেদন অনুসৰি ম্যানমাৰত গাওঁ জ্বলোৱাৰ ঘটনা ইমনেই বৃদ্ধি পাইছে যে আধা নিযুতৰো অধিক লোক স্থানচ্যুত হৈ পৰিছে।শুক্ৰবাৰে হোৱা আক্ৰমণটো দেশৰ দ্বিতীয় বৃহত্তম চহৰ মান্দালয়ৰ পৰা প্ৰায় ১১০ কিলোমিটাৰ (৭০ মাইল) উত্তৰ-পশ্চিমত থকা তাবায়িনৰ লেট ইয়েট কোনে গাঁৱত সংঘটিত হৈছে। সেই অঞ্চলক ডেপাইন বুলিও জনা যায়। বিদ্যালয়ৰ প্ৰশাসক মাৰ মাৰে কয় যে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক তলৰ মহলাৰ শ্ৰেণীকোঠাত সুৰক্ষিত ভাৱে লুকুৱাই ৰাখিবলৈ চেষ্টা কৰিছিল। গাওঁখনৰ উত্তৰে আকাশত চাৰিখন এমআই-৩৫ হেলিকপ্টাৰ উৰি আছিল। দুখনে গাওঁখনৰ বৌদ্ধ মঠৰ চৌহদত অৱস্থিত



বিদ্যালয়খনত আক্ৰমণ চলাইছিল। হেলিকপ্টাৰৰ পৰা মেচিনগানেৰে ধাৰাসাৰ গুলীবৰ্ষণ কৰা হৈছিল। যোৱা বছৰ সেনাই ম্যানমাৰৰ ক্ষমতা দখল কৰাৰ পিছত নিৰাপত্তা বাহিনীয়ে কমেও ২,২৯৮ জন নাগৰিকক হত্যা কৰিছে। ৰাষ্ট্ৰসংঘই অভ্যুত্থানৰ পিছত বিদ্যালয় আৰু শিক্ষা কৰ্মীৰ ওপৰত ২৬০ টা আক্ৰমণৰ ঘটনা ঘটা বুলি প্ৰকাশ কৰিছে।

## কেন্দ্ৰীয় মন্ত্ৰী নাৰায়ণ ৰাণেৰ ঘৰৰ অবৈধ অংশ উচ্ছেদৰ নিৰ্দেশ বোম্বাই উচ্চ ন্যায়ালয়ৰ

**মুম্বাই, ২০ ছেপ্টেম্বৰ ঃ** বোম্বে উচ্চ ন্যায়ালয়ে মোদী মন্ত্ৰীসভাৰ সদস্য তথা মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী নাৰায়ণ ৰাণেৰ জুহুৰ ঘৰৰ এটা অবৈধ অংশ ভাঙি পেলোৱাৰ নিৰ্দেশ দিছে। বৃহন্মুম্বাই পৌৰ নিগমে (বিএমচি) দুসপ্তাহৰ ভিতৰত এই কাম কৰিব লাগিব।লগতে ন্যায়াধীশ আৰ ডি ধনুকা আৰু ন্যায়াধীশ কমল খাট্টাৰ এক খণ্ড বিচাৰপীঠে ৰাণেক ১০ লাখ টকাৰ জৰিমনাও বিহিছে। ৰাণেৰ জুহু বাংলোটো নিৰ্মাণৰ সময়ত কেইবাটাও নিয়ম উলংঘা কৰা হৈছে। এই অভিযোগত বিএমচিয়ে অবৈধ অংশটো ভাঙিবলৈ এখন পত্ৰ দিছিল। ৰাণেই সিদ্ধান্তটোৰ পুনৰীক্ষণৰ বাবে আবেদন জনাই ওলোটাই এখন পত্ৰ লিখে। এই পত্ৰ প্ৰত্যাখ্যান কৰাৰ পিছত ৰাণেই পুনৰ একেটা আবেদন জনাই আন এখন পত্ৰ লিখে।অৱশেষত আদালতে কয় যে সিদ্ধান্তটো পুনৰ বিবেচনা কৰাৰ কোনো অৱকাশ নাই। ঘৰটোৰ অবৈধ অংশটো ভাঙি পেলাব লাগিব।মঙলবাৰে আদালতে বিএমচিক অহা দুসপ্তাহৰ ভিতৰত অবৈধ অংশটো ভাঙি পেলাবলৈ নিৰ্দেশ দিছে। কামটো সম্পূৰ্ণ কৰাৰ পিছত এই সন্দৰ্ভত তিনি সপ্তাহৰ ভিতৰত আদালতত এক প্ৰতিবেদন দাখিল কৰিব



লাগিব।আদালতে ৰাণেৰ ওপৰত ১০ লাখ টকাৰ জৰিমনাও আৰোপ কৰে। তেওঁ অহা ১৪ দিনৰ ভিতৰত মহাৰাষ্ট্ৰ ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণৰ ওচৰত এই ধন জমা কৰিব লাগিব।মঙলবাৰৰ শুনানিৰ সময়ত ৰাণেৰ অধিবক্তা শাৰদুল সিঙে আদালতৰ পৰা ছয় সপ্তাহৰ সময় বিচাৰিছিল। যাতে তেওঁলোকে এই সময়ৰ ভিতৰত উচ্চতম ন্যায়ালয়ত আবেদন জনাব পাৰে। অৱশ্যে বোম্বাই উচ্চ ন্যায়ালয়ে সেই আবেদনখনো খাৰিজ কৰে।

## কৰ্মচাৰীৰ বাবে পুৰণি পেন্সন নীতি ঘূৰাই অনাৰ প্ৰতিশ্ৰুতি কেজৰিৱালৰ

**বদোদৰা, ২০ ছেপ্টেম্বৰ ঃ** গুজৰাটত যদিহে আম আদমী পাৰ্টিয়ে চৰকাৰ গঠন কৰিব পাৰে, তেনেহ'লে চৰকাৰী কৰ্মচাৰী সকলৰ বাবে পুৰণি পেন্সন নীতি ঘূৰাই আনিব। বৰ্তমান আম আদমী পাৰ্টিয়ে পঞ্জাৱত চৰকাৰ গঠনৰ পিছত পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি কৰ্মচাৰীৰ কাৰণে পুৰণি পেন্সন নীতি প্ৰৱৰ্তন কৰিছে। মঙলবাৰে আম আদমীৰ মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে গুজৰাটৰ বদোদৰাত এই প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। স্থানীয় প্ৰেক্ষাগৃহত আয়োজন কৰা



এক সংবাদমেলত কেজৰিৱালে কয় যে গুজৰাটৰ চৰকাৰী কৰ্মচাৰীসকলে বিজেপি চৰকাৰৰ পৰা নিতৌ বঞ্চিত হৈ আছে। তেওঁলোকে দীৰ্ঘদিন ধৰি পুৰণি পেন্সন নীতি প্ৰৱৰ্তন কৰিবলৈ জনোৱা দাবী বিজেপিয়ে অগ্ৰাহ্য কৰিছে। যদিহে আম আদমীয়ে গুজৰাটত চৰকাৰ গঠন কৰিব পাৰে, তেনেহ'লে পুৰণি পেন্সন নীতি ঘূৰাই আনিব। বৰ্তমান পুৰণি পেন্সন নীতিৰ দাবীত গুজৰাটৰ কৰ্মচাৰীয়ে ধৰ্মঘট পালন কৰি আছে। যদিহে বিজেপি চৰকাৰে কৰ্মচাৰীক পুৰণি পেন্সন নীতি ঘূৰাই দিয়ে, তেনেহ'লে সেয়া হ'ব আদৰণীয়। যদিহে দিব নোৱাৰে তেনেহ'লে আগন্তুক নিৰ্বাচনত আম আদমী পাৰ্টিয়ে চৰকাৰ গঠন কৰিবলৈ সক্ষম হ'লে কৰ্মচাৰীসকলৰ কাৰণে পুৰণি পেন্সন নীতি প্ৰৱৰ্তন কৰিব। ৰাজ্যখনত চলিত বৰ্ষৰ ডিচেম্বৰ মাহত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা। এই নিৰ্বাচনত আগতীয়াকৈ যুঁজ দিবলৈ আম আদমীয়ে ব্যাপক প্ৰচাৰ আৰম্ভ কৰি দিয়া পৰিলক্ষিত হৈছে।

## ইউক্ৰেইন যুদ্ধৰ মাজতে অন্য দুই প্ৰাক্তন ছোভিয়েট ভূখণ্ডত চলা সংঘৰ্ষত নিহত শতাধিক



**কিয়েভ, ২০ ছেপ্টেম্বৰ ঃ** ইউক্ৰেইনৰ পিছত প্ৰাক্তন ছোভিয়েট ভূখণ্ডত আকৌ যুদ্ধৰ পৰিস্থিতিয়ে বিৰাজ কৰিছে। এইবাৰ যুদ্ধত জড়িত হৈ পৰিছে কিৰ্গিজস্তান আৰু তাজিকিস্তান। দুয়োখন দেশৰ মাজৰ সীমান্ত সংঘৰ্ষত এতিয়ালৈকে কমেও ১০০ জন লোক নিহত হৈছে। আহত হৈছে আন বহুতো। ইপিনে, দুয়োখন দেশৰ মাজত হোৱা যুঁজ বন্ধ কৰিবলৈ তৎপৰ হৈ পৰিছে ৰাছিয়া।বাতৰি অনুসৰি, বুধবাৰে মধ্য এছিয়াৰ দুয়োখন চুবুৰীয়া দেশৰ সেনাবাহিনীৰ মাজত সীমান্ত সংঘৰ্ষ আৰম্ভ হয়। শুকুৰবাৰে ৰাছিয়াৰ মধ্যস্থতাত সাময়িক যুদ্ধবিৰতি হয় যদিও দেওবাৰে পুনৰ যুঁজ আৰম্ভ হোৱাৰ বাতৰি পোৱা গৈছে। দুয়োপক্ষই সংঘৰ্ষৰ বাবে ইটোৱে সিটো পক্ষক দোষাৰোপ কৰিছে।তাজিকিস্তানে দাবী কৰিছে যে সংঘৰ্ষত ইয়াৰ ৩৫ জন নাগৰিকে প্ৰাণ হেৰুৱাইছে। আন ২০ জন লোক আহত হৈছে। একাংশ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি তাজিকিস্তানৰ উত্তৰৰ সুগাদ অঞ্চলৰ পৰা সামৰিক অভিযান চলোৱা হৈছে। আনহাতে, কিৰ্গিজস্তানে কৈছে যে তাজিক সেনাই সীমান্তৱৰ্তী অঞ্চলত প্ৰৱেশ কৰিছে। সংঘৰ্ষত ৫৯ জন লোক নিহত হয়। সীমান্ত অঞ্চলৰ নিৰীহ লোকসকলক যুদ্ধৰ পৰা ৰক্ষা কৰিবলৈ প্ৰায় ১,৩৭,০০০ লোকক সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰা হৈছে। ইপিনে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে দুয়োখন দেশলৈ শান্তিৰ বাৰ্তা প্ৰদান কৰিছে। তেওঁ কয়, "সমস্যাটো সংঘৰ্ষ নহয়, আলোচনাৰ জৰিয়তে সমাধান কৰিব পাৰি। যুদ্ধ বন্ধ কৰিবলৈ দুয়োপক্ষৰ মাজত হোৱা আলোচনাত ৰাছিয়া সদায় মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰিবলৈ সাজু।" উল্লেখ্য যে কিৰ্গিজস্তান আৰু তাজিকিস্তান দুয়োখন দেশৰে সৈতে ৰাছিয়াৰ সম্পৰ্ক বন্ধুত্বপূৰ্ণ। দুয়োখন দেশতে ৰাছিয়াৰ সামৰিক ঘাটি আছে। সেয়েহে ইউক্ৰেইন যুদ্ধ চলি থকাৰ সময়ত এই যুদ্ধৰ ফলত মস্কোৰ ওপৰত চাপ বৃদ্ধি পাইছে। ১৯৯০ৰ দশকৰ আৰম্ভণিতে ভাঙি পৰা ছোভিয়েট ইউনিয়নৰ পৰা বিচ্ছিন্ন হৈ স্বাধীন হোৱা দুখন দেশ তাজিকিস্তান আৰু কিৰ্গিজস্তানৰ মাজত প্ৰায় ১,০০০ কিলোমিটাৰ সীমান্ত আছে। ইয়াৰে এক-তৃতীয়াংশক লৈ তেওঁলোকৰ মাজত বিবাদ আছে।ইয়াৰ পূৰ্বে আন দুখন প্ৰাক্তন ছোভিয়েট গণৰাজ্য আৰ্মেনিয়া আৰু আজাৰবাইজান সংঘৰ্ষত জড়িত হৈছে। তাতো ইতিমধ্যে শতাধিক সেনা আৰু অসামৰিক লোকৰ মৃত্যু হোৱাৰ বাতৰি পোৱা গৈছে।

## মধ্যপ্ৰদেশ চৰকাৰৰ বিৰুদ্ধে সাংসদ প্ৰজ্ঞা ঠাকুৰৰ সমালোচনা

**নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** মধ্যপ্ৰদেশৰ বিজেপি চৰকাৰৰ বিৰুদ্ধে নিজ দলৰ সাংসদ প্ৰজ্ঞা ঠাকুৰে কঠোৰ ভাষাৰে সমালোচনা কৰিছে। তেওঁ কয় যে মধ্যপ্ৰদেশত যুৱতী-নাৰীক উৎকোচ হিচাপে প্ৰদান কৰা হয় আৰক্ষীৰ ওচৰত। গ্ৰামাঞ্চলত সাধাৰণ ৰাইজৰ বাবে জীৱিকাৰ তাড়নাত এনে কাৰ্য কৰি আহিছে। লগতে দেশীয়ভাৱে প্ৰস্তুত কৰা সুৰাৰ ব্যৱসায় কৰি গ্ৰাম্যাঞ্চলৰ ৰাইজে জীয়াই থাকিব লগা হৈছে। আৰক্ষীয়ে মাজে সময়ে এনে সুৰা ব্যৱসায়িক আটক কৰে আৰু সেই সময়ত নিজৰ কন্যা বা নাৰীক আৰক্ষীৰ ওচৰত উপহাৰ দি ব্যৱসায়ীজনক মোকলাই অনা হয়। উল্লেখ্য যে মধ্যপ্ৰদেশত শিৱৰাজ সিং চৌহানৰ নেতৃত্বত বিজেপি দলৰ চৰকাৰ



শাসনত আছে। নিজ দলৰ সাংসদৰ এনে সমালোচনাৰ পিছত বিৰোধী কংগ্ৰেছে বিজেপি চৰকাৰ 'বেটী পঢ়াও, বেটী বচাও' শ্ল'গান অসাৰ হৈ পৰা বুলি সমালোচনা কৰিছে।



*উৰণীয়া গাড়ী ঃ প্ৰতিঘণ্টাত ২৩০ কিলোমিটাৰ বেগত উৰিব পৰা গাড়ীৰ পৰীক্ষণ সম্পন্ন কৰিছে চীনত*

## ফ্লেটৰ পৰা উদ্ধাৰ অভিনেত্ৰী দীপাৰ মৃতদেহ



**মুম্বাই, ২০ ছেপ্টেম্বৰ ঃ** আৰক্ষীয়ে দূৰদৰ্শন আৰু ডাঙৰ পৰ্দাৰ জনপ্ৰিয় অভিনেত্ৰী দীপাৰ মৃতদেহ তেওঁৰ ফ্লেটৰ পৰা উদ্ধাৰ কৰিছে। তাৰপিছতে তামিল চলচ্চিত্ৰ উদ্যোগত বেয়া খবৰটোৱে যথেষ্ট শোকৰ সৃষ্টি কৰিছে।আৰক্ষীয়ে সোমবাৰে চেন্নাইত থকা তেওঁৰ এপাৰ্টমেণ্টৰ পৰা পাউলিন জেছিকা ওৰফে দীপাৰ মৃতদেহ উদ্ধাৰ কৰে। ২৯ বছৰীয়া অভিনেত্ৰীগৰাকী দৰাচলতে অন্ধ্ৰ প্ৰদেশৰ কন্যা। কৰ্মসূত্ৰে তেওঁ চেন্নাইত বাস কৰিছিল।সোমবাৰে তেওঁৰ মৃতদেহ উদ্ধাৰ কৰা হয় আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয়। এই সন্দৰ্ভত কোয়াম্বেডু আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰিছে। আৰক্ষীৰ সূত্ৰ অনুসৰি, দীপাৰ ঘৰৰ পৰা এখন ডায়েৰীত এটা চুইচাইড নোট পোৱা গৈছে। য'ত তেওঁ তেওঁৰ মৃত্যুৰ বাবে সম্পৰ্ক ভাঙি যোৱাক দোষাৰোপ কৰিছে। আৰক্ষীয়ে লগতে জানিবলৈ দিয়ে যে প্ৰভাকৰণ নামৰ দীপাৰ এজন বন্ধুৱে তেওঁক ফোনত নাপাই এপাৰ্টমেণ্টত উপস্থিত হৈছিল। তেওঁ দুৱাৰখন ভাঙি সোমাই প্ৰথমে দীপাক মৃত অৱস্থাত পৰি থকা দেখে। আৰক্ষীক অৱগত কৰাৰ পিছত তেওঁলোকে মৃতদেহটো উদ্ধাৰ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। অৱশ্যে অভিনেত্ৰীগৰাকীৰ মৃত্যুক লৈ যথেষ্ট বিভ্ৰান্তি আছে। তেওঁ আত্মহত্যা কৰিছিল নে আত্মহত্যা কৰিবলৈ বাধ্য হৈছিল সেয়া অনুসন্ধান কৰা হৈছে। তেওঁলোকে আনকি এই আত্মহত্যাৰ টোকাটো দীপাৰ দ্বাৰা লিখা হৈছিল নে নাই সেই বিষয়েও সন্দেহ প্ৰকাশ কৰিছে।



*৮০০ কোটি টকা ব্যয় কৰি নতুনকৈ নিৰ্মাণ কৰি উলিওৱা মধ্যপ্ৰদেশৰ মহাকালেশ্বৰ মন্দিৰ কৰিড'ৰ উন্মোচন কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে, ১১ অক্টোবৰত ৰাইজৰ বাবে উছৰ্গা কৰিব এই নৱ-নিৰ্মিত মন্দিৰ*

## আমিয়েই প্ৰকৃত শিৱসেনা
### মহাৰাষ্ট্ৰৰ পঞ্চায়ত নিৰ্বাচনত জয়ী হোৱাৰ দাবী কৰিলে মুখ্যমন্ত্ৰী একনাথ সিন্দেই

**মুম্বাই, ২০ ছেপ্টেম্বৰ ঃ** মহাৰাষ্ট্ৰৰ শাসকীয় বিজেপি-একনাথ সিন্দে নেতৃত্বাধীন শিৱসেনাই ৰাজ্যখনৰ পঞ্চায়ত নিৰ্বাচনত ভাল ফলাফল লাভ কৰিব বুলি দাবী জনাইছে। নিৰ্বাচনৰ ভোটগ্ৰহণৰ পিছতে একনাথ সিন্দেৰ নেতৃত্বাধীন শিৱসেনাৰ গোটটো প্ৰকৃত শিৱসেনা বুলিও দাবী উত্থাপন কৰিছে। ৰাজ্যখনৰ পঞ্চায়ত নিৰ্বাচনত বিৰোধী পক্ষৰ মহাবিকাশ আঘাড়ী মৰ্চাই তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। কিন্তু এই প্ৰতিদ্বন্দ্বিতা চৰকাৰী পক্ষৰ তুলনাত অধিক শক্তিশালী হোৱা নাই বুলি পৰ্যবেক্ষকসকলে ধাৰণা কৰিছে। উল্লেখ্য যে ৰাজ্যখনৰ যোল্লখন জিলাত ৫৮১খন গাঁও পঞ্চায়তৰ বাবে ভোট গ্ৰহণ কৰা হৈছিল। বিজেপিয়ে দাবী কৰিছে যে তেওঁলোকে অকলেই ২৭৪ খন গাঁও পঞ্চায়তৰ ক্ষমতা দখল কৰিছে। অৱশ্যে বিজেপিৰ এই দাবীৰ পৰিসংখ্যাত অন্তৰ্ভুক্ত হৈ আছে একনাথ সিন্দে নেতৃত্ব দিয়া শিৱসেনাৰ গোটটো। আনহাতে বিৰোধী পক্ষত এনচিপি, কংগ্ৰেছ আৰু উদ্ধৱ ঠাকৰে নেতৃত্বাধীন শিৱসেনা আছে, এই তিনি দলে যথাক্ৰমে ৬২, ৩৭ আৰু ১২ খন গাঁও পঞ্চায়তৰ ক্ষমতা দখল কৰিছে। শিৱসেনাৰ উদ্ধৱ থাকৰে গোটে ১২খন গাঁও পঞ্চায়তৰ পৰিৱৰ্তে একনাথ সিন্ধে গোটে ৪১খন পঞ্চায়ত দখল কৰিছে। গতিকে মহাৰাষ্ট্ৰৰ ভোটাৰে প্ৰকৃত শিৱসেনা হিচাপে একনাথ সিন্দে গোটটো আকোঁৱালি লোৱা বুলি মুখ্যমন্ত্ৰীয়ে দাবী তুলিছে। উল্লেখ্য যে যোৱা জুন মাহত মৰ্চা চৰকাৰৰ পৰা ওলাই আহি একনাথ সিন্দে বিজেপিৰ সৈতে নতুন মৰ্চা গঠন কৰিছিল। এই মৰ্চাই ৰাজ্যখনত চৰকাৰ গঠন কৰি ব্ৰতী আছে। ইয়াৰ মাজতে অনুষ্ঠিত হোৱা পঞ্চায়ত নিৰ্বাচনত বিজেপি-একনাথ শিবিৰে তিনি শতাধিক আসন দখল কৰা বুলি দাবী কৰিছে। ফলত মহাৰাষ্ট্ৰৰ জনগণে একনাথ পন্থী শিৱসেনাক প্ৰকৃত শিৱসেনা দল হিচাপে স্বীকৃতি দিয়া বুলি দাবী কৰা দেখা গৈছে। অৱশ্যে এনচিপিৰ ৰাজ্যিক সভাপতি জয়ন্ত পাটিলে বিজেপিৰ দাবী অগ্ৰাহ্য কৰিছে। তেওঁ কয় যে গাঁও পঞ্চায়তৰ নিৰ্বাচনত



কোনো প্ৰাৰ্থীক ৰাজনৈতিক দলৰ প্ৰতীক ব্যৱহাৰৰ অনুমতি দিয়া হোৱা নাছিল। প্ৰতীক অবিহনে প্ৰাৰ্থীসকলে নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। গতিকে নিৰ্বাচনত জয়ী হোৱা প্ৰাৰ্থীসকল নিজ দলৰ বুলি দাবী কৰাৰ কোনো গ্ৰহণযোগ্য ভিত্তি নাই। কিয়নো সকলো দলে বিজয়ী হোৱা প্ৰাৰ্থীসকল নিজ দলৰ অনুগত বুলি দাবী কৰিব পাৰে। গতিকে বিজেপি আৰু একনাথ সিন্দে পন্থী শিৱসেনাই মহাৰাষ্ট্ৰৰ পঞ্চায়ত নিৰ্বাচনত বৃহৎ সংখ্যক আসনত জয়লাভ কৰা বুলি উত্থাপন কৰা দাবী গ্ৰহণযোগ্য নহয় বুলি এনচিপিৰ নেতাজনে অভিহিত কৰিছে।

## অৰ্পিতাৰ বাবে বছৰি ডেৰ কোটি টকাৰ এলআইচি প্ৰিমিয়াম দিয়ে পাৰ্থ চেটাৰ্জীয়ে



**কলকাতা, ২০ ছেপ্টেম্বৰ ঃ** পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰীৰ প্ৰধান অভিযুক্ত হিচাপে চিহ্নিত হোৱা তদানীন্তন মন্ত্ৰী পাৰ্থ চেটাৰ্জীয়ে বছৰি ডেৰ কোটি টকাৰ জীৱন বীমাৰ পলিচিৰ বিনিময়ত প্ৰিমিয়াম আদায় দিয়ে ঘনিষ্ঠ সংগী অৰ্পিতা মুখাৰ্জীৰ নামত। সম্প্ৰতি এনফ'ৰ্চমেণ্ট বিভাগে পাৰ্থ আৰু অৰ্পিতাৰ পৰা এশ কোটিতকৈ অধিক মূল্যৰ সা-সম্পদ জব্দ কৰিছে। এইসমূহৰ মাজত আছে ৩১টা এলআইচি পলিচি। ইয়াৰে একাংশ ৫০ হাজাৰ টকাকৈ আৰু অন্য একাংশ ৪৫ হাজাৰ টকাকৈ বছৰি আদায় দিয়া হয়। তদন্তকাৰী সংস্থাৰ এই তথ্যই লগাইছে খলকনি।

## সাংবিধানিক অধিকাৰক ৰাজ্য চৰকাৰে ৰাজনীতিৰ পাশা খেলত আবদ্ধ কৰি ৰাখিছে ঃ আদিবাসী ছাত্ৰ সন্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানেৰী, ২০ ছেপ্টেম্বৰ ঃ** সদৌ চাওতাল ছাত্ৰ সন্থা, ওদালগুৰি জিলা সমিতিৰ উদ্যোগত আজি চিৰাং, বাক্সা, শোণিতপুৰ জিলাৰ যৌথ বিক্ষোভ কাৰ্যসূচীৰ জিলা প্ৰশাসনে অনুমতি প্ৰদান নকৰি বাধা প্ৰদান কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে ধিক্কাৰ জনায় জিলা সভাপতি লক্ষ্মীৰাম চৰেনে। এই সংবাদ মেলত উপস্থিত থাকে জিলা সম্পাদক ৰবেট মুৰ্মু, সহঃ সম্পাদক ৰাজেশ মুৰ্মু, যোছেপ টপ্প, চোলেমন মুৰ্মু, কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বিমল কুমাৰ হেমব্ৰম আদি। সংবাদ মেলত উপস্থিত থকা কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বিমল হেমব্ৰমে কয় যে চাওতাল জনগোষ্ঠীয় লোকসকলৰ নিজস্ব ভাষা-সংস্কৃতি আদি লৈ সুকীয়া পৰিচয় থকাৰ পিছতো শাসনাধিষ্ঠিত চৰকাৰে, অষ্ট্ৰিক মূলৰ চাওতালসকলক চাহ আৰু প্ৰাক্তন চাহ জনজাতি সন্মিলনক জাতিগত প্ৰমাণ-পত্ৰ দিয়া, চাওতাল জনগোষ্ঠীৰ লগতে আদিবাসীসকলক কেন্দ্ৰীয় চৰকাৰে জনজাতিকৰণৰ ঘোষণা কৰাৰ পিছত সেই সাংবিধানিক অধিকাৰক ৰাজ্য চৰকাৰে ৰাজনীতিৰ পাশাখেলত আবদ্ধ ৰখা বুলি অভিযোগ কৰে।

### শুৱালকুছিত ব্যতিক্ৰমী জন্মদিন উদ্‌যাপন

## পুত্ৰৰ জন্মদিনত কিতাপ উন্মোচনেৰে উপহাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২০ ছেপ্টেম্বৰ ঃ** শুৱালকুছিৰ এক ব্যতিক্ৰমী জন্মদিনে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। গতানুগতিকভাৱে জন্মদিন উদ্‌যাপন নকৰি পিতৃয়ে লিখা এখন গ্ৰন্থ উন্মোচন কৰি উপহাৰ দিলে এবছৰীয়া পুত্ৰক। শুৱালকুছি বুদৰাম মাধৰ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক বিজয় কৃষ্ণ দলেৰ ১৬ ছেপ্টেম্বৰত পুত্ৰ লুংচাঙৰ এবছৰীয়া জন্মদিন আছিল। সেই উপলক্ষে তেওঁ লিখা গ্ৰন্থ ভিন্ন দৃষ্টিভংগী উন্মোচন কৰে। গ্ৰন্থখন উন্মোচন কৰে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপেশ চন্দ্ৰ ভাগৱতীয়ে। এখন ব্যতিক্ৰমী জন্মদিনত গ্ৰন্থ উন্মোচন কৰি অধ্যক্ষগৰাকীয়ে নিজৰ অনুভৱ ব্যক্ত কৰি কয় যে জীৱনত বহু জন্মদিনত ভাগ লৈছোঁ, কিন্তু এনেকুৱা ব্যতিক্ৰমী জন্মদিন দেখাৰ সৌভাগ্য হোৱা নাই। য'ত পুত্ৰৰ জন্মদিনৰ উপহাৰ স্বৰূপত পিতৃয়ে গ্ৰন্থ লিখি উপহাৰ দিব। আমাৰ সমাজৰ কাৰণে ই এক ইতিবাচক বাৰ্তা। কিয়নো এনেকুৱা ঘৰুৱা পৰিৱেশত পিতৃ এগৰাকীয়ে পুত্ৰৰ জন্মদিনৰ উপহাৰ হিচাপে কিতাপ এখন প্ৰকাশ কৰাটো সঁচাই অগতানুগতিক আৰু ব্যতিক্ৰমধৰ্মী চিন্তা। আনহাতে, অনুষ্ঠানত উপস্থিত থাকে একেখন মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক গোপাল শৰ্মা, অৰ্থনীতি বিভাগৰ অধ্যাপক ড° নীহাৰ ৰঞ্জন কলিতা, ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ক্ৰমে ক্লাৰাটে টেৰংপী আৰু হিমাক্ষী ফুকন, এনিমেচন আৰু গ্ৰাফিক্সৰ অধ্যাপক তন্ময় মিশ্ৰকে ধৰি কে'বাজনো গণ্যমান্য ব্যক্তি।



আই আই টি গুৱাহাটীত নেচনেল চেমিনাৰ মুকলি ৰাজ্যপাল জগদীশ মুখীৰ

## মৰিগাঁৱাৰ বৰালিমাৰী হয়বৰগাঁৱত ৰাষ্ট্ৰীয় পোষণ মাহ উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা মায়ং, ২০ ছেপ্টেম্বৰ ঃ** ১ ছেপ্টেম্বৰৰ পৰা ৩০ ছেপ্টেম্বৰলৈ সমগ্ৰ ভাৰতবৰ্ষতে ৰাষ্ট্ৰীয় পোষণ মাহ উদ্‌যাপন হৈ আছে। মৰিগাঁও জিলাৰ লাহৰীঘাট সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত বেহেলা চুলতানাৰ গ্ৰুপৰ উদ্যোগত হয়বৰগাঁও মিকিৰামাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত পোষণ মাহ উপলক্ষে বিস্তৃত কাৰ্যসূচীৰে পোষণ সজাগতাত অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই উপলক্ষে পুৱা ৮টা অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী, সহায়িকাসকলে স্বতস্ফুৰ্ত কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ পিছতে কেন্দ্ৰটোৰ শিশুসকলক আৰু তেওঁলোকৰ মাতৃসকলক যোগাসনৰ সজাগতাৰ বিষয়ে কোৱা হয় আৰু যোগাসন কৰোৱা হয়। ইয়াৰ পিছতে হয়বৰগাঁও মিকিৰামাৰী প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ফকৰ আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হয় পোষণ সজাগতা সভা। সভাৰ আৰম্ভণিতে বস্তি প্ৰস্তুত আৰু ঘৰুৱা শাক-পাচলিৰ প্ৰদৰ্শনী মুকলি কৰা হয়। মুখ্য অতিথি হিচাপে সভাত উপস্থিত থাকে হয়বৰগাঁও মিকিৰামাৰী বিদ্যালয়ৰ সহকাৰী শিক্ষক গিয়াছ উদ্দিন আহমেদ। সভাৰ মুখ্য অতিথি তথা হয়বৰগাঁও মিকিৰামাৰী প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক গিয়াছ উদ্দিন আহমেদে ভাষণ প্ৰদান কৰি পোষণ মাহৰ তাৎপৰ্য ব্যাখ্যা কৰে আৰু পুষ্টিকৰ সহজলভ্য খাদ্য, পৰিষ্কাৰ পৰিচ্ছন্নতা, কভিড সজাগতা আদি বিষয়ৰ ওপৰত বহল ব্যাখ্যা আগবঢ়াই সকলোকে সজাগ কৰে। উক্ত অনুষ্ঠানত অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলে গীত, কবিতা, ঘোষা নাম, বিয়াগীত, নাটক আদি পৰিবেশন কৰে। অংগনবাড়ী কৰ্মী বেহেলা চুলতানাই আঁত ধৰা ৰাষ্ট্ৰীয় পোষণ মাহ উদ্‌যাপনৰ অনুষ্ঠানত অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকল, স্বাস্থ্য কৰ্মী, আশাকৰ্মীৰ লগতে স্থানীয় ৰাইজে অংশ লয়। উল্লেখ্য যে পোষণ সজাগতা সভাৰ কাৰ্যসূচীত বৃক্ষ ৰোপণ আৰু ECCE DAY ৰ কাৰ্যসূচীয়ে বিশেষভাৱে স্থান লাভ কৰে।

### জনজাতিকৰণৰ ক্ষেত্ৰত বিজেপি চৰকাৰৰ প্ৰতাৰণা

## কোচ-ৰাজবংশী জনগোষ্ঠীটোৰ সকলো দল-সংগঠনক লৈ ঐক্যমঞ্চ গঠনেৰে আন্দোলন গঢ়ি তোলাৰ সিদ্ধান্ত আক্ৰাছুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২০ ছেপ্টেম্বৰ ঃ** এইবাৰ আমি কেৱল আক্ৰাছুৱে অকলে আন্দোলন নকৰোঁ। বৰং এইবাৰ কোচ-ৰাজবংশী জাতিৰ যিমানবোৰ দল-সংগঠন আছে আমি সকলোৱে এটা মঞ্চত উপনীত হৈ আমাৰ জাতিৰ স্বাৰ্থত আৰু জনজাতিকৰণৰ স্বাৰ্থত একত্ৰিত হৈ বিজেপি চৰকাৰক ওফৰাই দিয়াৰ কাৰণে ঐক্যবদ্ধ সংগ্ৰাম কৰিম। এই মন্তব্য আক্ৰাছুৰ নেতৃত্বৰ। সোমবাৰে বঙাইগাঁও চহৰৰ বৰপাৰাস্থিত আক্ৰাছুৰ মুখ্য কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত আক্ৰাছুৰ নেতৃত্বই এই মন্তব্য কৰে। উল্লেখ্য যে সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ দীৰ্ঘদিনীয়া পৃথক কমতাপুৰ ৰাজ্য পুনৰ্গঠন আৰু কোচ-ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ দাবীক লৈ বিজেপি নেতৃত্বাধীন চৰকাখনে শেহতীয়াভাৱে লোৱা ভূমিকাক লৈ সৰৱ হৈ পৰিছে আক্ৰাছু। সংবাদ মেলত আক্ৰাছুৰ সভাপতি ক্ষীতিশ বৰ্মন আৰু যুটীয়া সাধাৰণ সম্পাদক কপিল দেৱ সিংহই দেওবাৰে অনুষ্ঠিত সংগঠনটোৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাত চৰকাৰৰ বিৰুদ্ধে জনগোষ্ঠীটোৰ সকলো দল- সংগঠনক লৈ এখন ঐক্যমঞ্চ গঠন কৰি আন্দোলন গঢ়ি তোলাৰ ওপৰত অধিক গুৰুত্বাৰোপ কৰা বুলি কয়। লগতে এই সন্দৰ্ভত চলিত ছেপ্টেম্বৰ মাহৰ শেষৰফালে এখন সভা অনুষ্ঠিত কৰি সভালৈ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সকলো দল-সংগঠনক আমন্ত্ৰণ জনাই এই সভাতেই ঐক্যমঞ্চ গঠন কৰি এইবাৰ চৰকাৰৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিয়াৰ লগতে জনগোষ্ঠীটোৰ যি জনজাতিকৰণৰ প্ৰাপ্য সেয়া চৰকাৰৰ পৰা আদায় কৰিহে এৰিব বুলিও হুংকাৰ দিয়ে। কাৰণ বাৰম্বাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিব আৰু বাৰম্বাৰ প্ৰতাৰণা কৰিব, এইবোৰ আৰু নচলিব বুলিও স্পষ্ট কৰি দিয়ে। আনহাতে, কাৰ্যনিৰ্বাহক সভাত জনজাতিকৰণৰ দাবীত ছয় জনগোষ্ঠীয় ঐক্যমঞ্চৰ আন্দোলনলৈ আক্ৰাছুৱে পূৰ্ণ সমৰ্থন আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। সেই অনুসৰি অহা ২২ ছেপ্টেম্বৰত বিধানসভা ঘেৰাও আৰু ২৬ ছেপ্টেম্বৰৰ ২৪ ঘণ্টীয়া অসম বন্ধৰ কাৰ্যসূচীলৈ আক্ৰাছুই পূৰ্ণ সমৰ্থন জনোৱা বুলি সংবাদ মেলত সংগঠনটোৰ সভাপতি আৰু সাধাৰণ সম্পাদকে সদৰী কৰে। সংবাদ মেলত সভাপতি আৰু যুটীয়া সাধাৰণ সম্পাদকদ্বয়ে শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰৰ কেবিনেটত দেশৰ পাঁচখন ৰাজ্যৰ বাৰটাকৈ জনগোষ্ঠীক জনজাতিকৰণৰ যি সিদ্ধান্ত গ্ৰহণ কৰিলে আক্ৰাছুৱে তাক আদৰণি জনাই কয় যে ইয়াৰ বিপৰীতে কিন্তু দুৰ্ভাগ্যৰ কথা এয়ে যে চৰকাৰে অসমৰ ভূমিপুত্ৰ কোচ-ৰাজংশীসকলৰ জনজাতিকৰণৰ বাস্তৱ পদক্ষেপ গ্ৰহণ নকৰিলে। আজিৰ পৰা দুবছৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে লোকসভা আৰু ৰাজ্যসভাৰ অধিৱেশনৰ কাৰ্যক্ৰমণিকাত কোচ-ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ বিষয়টো উল্লেখ কৰিছিল যদিও সংসদত বিষয়টো আলোচনা নকৰাকৈ এৰাই চলিলে। ইয়াৰোপৰি অসমৰ মন্ত্ৰীক লৈ গঠন কৰা মন্ত্ৰী গোটৰ প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ কেন্দ্ৰীয় চৰকাৰে দিছিল যদিও আজি পৰ্যন্ত অসম চৰকাৰে মন্ত্ৰী গোটৰ প্ৰতিবেদন দাখিল নকৰিলে। এই কথাবিলাকৰ পৰা এইটো স্পষ্ট হৈ উঠিছে যে কোচ- ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণকলৈ বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ সদিচ্ছাৰ অভাৱ। কোচ-ৰাজবংশী জনগোষ্ঠীৰ আৱেগ-অনুভূতিক লৈ খেল খেলা বিজেপি চৰকাৰখন কোচ-ৰাজবংশী জনগোষ্ঠীক লৈ চিন্তিত নহয়। সেয়ে আগন্তুক দিনত কোচ-ৰাজবংশী ছাত্ৰ সন্থাই পুনৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব। চৰকাৰৰ সৈতে আভুৱা-ভাঁৰা আলোচনা কেতিয়াও নহ'ব বুলিও সকীয়াই দিয়ে। লগতে অক্টোবৰ মাহৰ প্ৰথম সপ্তাহত এখন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰি সংগঠনটোৱে এলানি আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও সংবাদ মেলত উল্লেখ কৰে আক্ৰাছুৰ নেতাদ্বয়ে। সংবাদ মেলত আক্ৰাছুৰ কে'বাগৰাকীও বিষয়ববীয়া উপস্থিত আছিল।

## তেজপুৰত ৬ দিনীয়া দক্ষতা পৰীক্ষণ আৰু প্ৰামাণীকৰণ কাৰ্যসূচী উদ্বোধন উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২০ ছেপ্টেম্বৰ ঃ** তেজপুৰৰ আৱৰ্ত ভৱনত আয়োজিত এখন সভাত ৰান্ধনী আৰু পৰিচাৰকৰ বাবে এক ছদিনীয়া দক্ষতা পৰীক্ষণ আৰু প্ৰামাণীকৰণ কাৰ্যসূচী উদ্বোধন কৰে উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কৰবী শইকীয়া, গুৱাহাটীৰ হোটেল ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ (Institute of Hotel Management)ৰ অধ্যক্ষ অমিতাভ দে', বিভাগীয় মুৰব্বী সাক্য সিন্‌হা, জিলা উদ্যোগ আৰ বাণিজ্য কেন্দ্ৰৰ মহাপ্ৰবন্ধক ৰঞ্জন ভট্টাচাৰ্য আৰু ভাৰপ্ৰাপ্ত জিলা পৰ্যটন বিষয়া বাষৱ বৰা আৰু আন বিষয়ববীয়াসকল কাৰ্যসূচীত উপস্থিত থাকে। সভাত দিয়া ভাষণ প্ৰসঙ্গত উপায়ুক্তগৰাকীয়ে কয় যে সমগ্ৰ জিলাখনৰ বিভিন্ন চৰকাৰী আৰু ব্যক্তিগত অতিথিশালা, হোটেল আদিত জিলাখনলৈ অহা পৰ্যটকসকলক আগবঢ়োৱা সেৱাৰ মান উন্নত কৰাৰ উদ্দেশ্যে ৰান্ধনী আৰু পৰিচাৰকসকলৰ বাবে এই ছদিনীয়া প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে। তেওঁ লগতে জনায় যে শোণিতপুৰ জিলা প্ৰশাসন আৰু জিলা উদ্যোগ আৰ বাণিজ্য কেন্দ্ৰৰ সহযোগত আই এইচ এম, গুৱাহাটীয়ে চলিত বৰ্ষৰ ভিতৰতে আন তিনিটা প্ৰশিক্ষণৰো আয়োজন কৰিব। ইয়াৰ ভিতৰত, হোটেল আৰু ধাবাৰ কৰ্মচাৰী, গাড়ীচালক, টেক্সিচালক, অটোৰিক্সা চালক, ৰিক্সা চালক, ই- ৰিক্সা চালক, নাৱৰীয়া আদিৰ বাবে এক পৰ্যটন ক্ষেত্ৰৰ বিষয়ে সজাগতা কাৰ্যসূচীৰো আয়োজন কৰা হ'ব। এই সহযোগিতাৰ অধীনত অনাগত মাহত ৰান্ধনীশালৰ সহায়কৰ লগতে বেকাৰী ব্যৱসায়ৰ বাবে ইচ্ছুক লোকৰ বাবেও দুটা পৃথক প্ৰশিক্ষণ অনুষ্ঠিত কৰা হ'ব। প্ৰশিক্ষণত মুঠ ৩৮গৰাকী ৰান্ধনী আৰু পৰিচাৰকে অংশগ্ৰহণ কৰে আৰু এই প্ৰশিক্ষণ অহা ২৪ ছেপ্টেম্বৰত সমাপ্ত হ'ব। উল্লেখ্য যে আই এইচ এম, গুৱাহাটীয়ে ভাৰত চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়ৰ অধীনৰ নেচনেল কাউন্সিল ফৰ হোটেল মেনেজমেণ্ট এণ্ড কেটাৰিং টেকন'লজীৰ অধীনত গন্তব্যস্থানভিত্তিক দক্ষতা বিকাশ কাৰ্যসূচীৰ অংশ হিচাপে এই প্ৰশিক্ষণৰ আয়োজন কৰে।

## স্বাধীনতাৰ ৭৫ বছৰৰ পিছতো এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে হাহাকাৰ

### খোৱাপানীৰ সমস্যা সমাধানৰ দাবীত উপায়ুক্তক স্মাৰক-পত্ৰ প্ৰদান যোৰহাট আছুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ২০ ছেপ্টেম্বৰ ঃ** কোটি কোটি টকাৰে সৰ্বসাধাৰণ ৰাইজৰ বাবে যি সময়ত চৰকাৰে জলজীৱন মিছনৰ লগতে অন্যান্য আঁচনিৰে বিশুদ্ধ খোৱাপানী যোগানৰ পৰিকল্পনা কৰিছে সেই সময়তেই এই আঁচনি যেন অলীক কল্পনা হৈ পৰিছে যোৰহাট নগৰবাসী ৰাইজৰ বাবে। যোৰহাট পৌৰসভা আৰু নগৰ পানী যোগান বিভাগে বিশুদ্ধ খোৱাপানীৰ নামত বৰণযুক্ত, দুৰ্গন্ধময় পানী যোগান ধৰাৰ ফলত একপ্ৰকাৰ দুৰ্বিষহ আৰু যন্ত্ৰণাদায়ক জীৱন অতিবাহিত কৰিবলগীয়া হৈছে যোৰহাট নগৰবাসী ৰাইজে। ইয়াকে লৈ ক্ষুব্ধ হৈ পৰিছে যোৰহাট মহকুমা ছাত্ৰ সন্থা। ৰাইজৰ এই খোৱাপানীৰ সমস্যা আগন্তুক ১৫টা দিনৰ ভিতৰত সমাধানৰ জৰিয়তে ৰাইজক সকাহ প্ৰদান কৰিবলৈ যোৰহাট মহকুমা ছাত্ৰ সন্থাই উপায়ুক্তক স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ সভাপতি নীহাৰিকা শইকীয়া আৰু সাধাৰণ সম্পাদক ৰিয়াজ হুছেইনে কয়— স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ অতিক্ৰম কৰাৰ পিছতো এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে যোৰহাট নগৰবাসী ৰাইজে হাহাকাৰ কৰিব লগা হোৱা কথাটোৱে আচলতে চৰকাৰৰ কোটিটকীয়া জলজীৱন মিছনকে ধৰি অন্যান্য আঁচনিসমূহৰ প্ৰকৃত ফোঁপোলা স্বৰূপ উদঙাই দিছে। বিভিন্ন সময়ত বিভিন্ন নিৰ্বাচনী প্ৰতিশ্ৰুতিৰূপে বিশুদ্ধ খোৱাপানীৰ সমস্যা সমাধানৰ বিষয়টোক জনতাৰ আৱেগৰ ঢাল হিচাপে ব্যৱহাৰ কৰি আহিছে যদিও নিয়মিতভাৱে বিশুদ্ধ স্বাস্থ্যকৰ খোৱাপানী নগৰবাসী ৰাইজে আজি পৰ্যন্ত লাভ নকৰিলে। উপযুক্ত সময়ত নিয়মীয়াকৈ পানী যোগান ধৰাৰ ক্ষেত্ৰত নগৰ পালিকাৰ পানী যোগান বিভাগৰ দায়িত্বজ্ঞানহীন কৰ্ম-কাণ্ডৰ বাবে নগৰবাসী ৰাইজে যি অশান্তিজৰ্জৰ পৰিৱেশৰ মাজেৰে খোৱাপানী ক্ৰয় কৰিবলগীয়া হৈছে ছাত্ৰ সন্থাই এনে কাৰ্য কেতিয়াও গ্ৰহণ নকৰে। ছাত্ৰ সন্থাৰ স্পষ্ট দাবী- ১৫ দিনৰ সময়সীমাৰ ভিতৰত অসম চৰকাৰ, যোৰহাট পৌৰসভা আৰু নগৰ পানী যোগান বিভাগে যদি কোনো সময় নিৰ্দিষ্ট কৰ্মসূচীৰে এটুপি বিশুদ্ধ খোৱাপানী যোৰহাটবাসী ৰাইজে লাভ কৰাৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে অনাগত দিনত ৰাইজৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি কঠোৰ, ধাৰাবাহিক গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলিও ছাত্ৰ সন্থাৰ নেতৃত্ববৃন্দই অৱগত কৰে।

## কবি আয়েছা খাতুনৰ কাব্যগ্ৰন্থ 'নৈৰ ধেমালি' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ২০ ছেপ্টেম্বৰ ঃ** নাজিৰা কবি সন্মিলনে প্ৰকাশ কৰা কবি আয়েছা খাতুনৰ দ্বিতীয়খন কাব্যগ্ৰন্থ 'নৈৰ ধেমালি' ১৮ ছেপ্টেম্বৰত নাজিৰা প্ৰেছ ক্লাবত আয়োজিত এক গ্ৰন্থ উন্মোচনী সভাত উন্মোচন কৰা হয়। নাজিৰা কবি সন্মিলনৰ সভাপতি অজিত খাটনিয়াৰে পৌৰোহিত্য কৰা আৰু সম্পাদক হৰেন চন্দ্ৰ নাথে উদ্দেশ্য ব্যাখ্যা আৰু আঁত ধৰা অনুষ্ঠানত গ্ৰন্থখনি উন্মোচন কৰে নাজিৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক, বিশিষ্ট কবি-সমালোচক ৰাজীৱ বৰাই। শিল্পী প্ৰণীতা লাচিতৰ এটি লোকগীতেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শিৱসাগৰ জিলা কবি সন্মিলনৰ সভাপতি ব্ৰজেন দাসে বক্তব্য আগবঢ়োৱাৰ উপৰি কবিসকলে পাঠ কৰা কবিতাৰাজিৰ এক সম্যক পৰ্যালোচনা আগবঢ়ায়। স্বৰাজ একাডেমীৰ অধ্যক্ষা অসমী গগৈ বৰুৱা, লিয়াকত আলী, অৰুণা চেতিয়া খাটনিয়াৰ আদিয়ে বক্তব্য আগবঢ়োৱা সভাত একোটিকৈ আধুনিক গীত পৰিৱেশন কৰে শিল্পী মৌচুমী সন্দিকৈ আৰু নিবেদিতা ফুকনে। অনুষ্ঠানত পনোজ কুমাৰ দত্ত, অৰুণা চেতিয়া খাটনিয়াৰ, নাৰ্জী ইচলাম, দিতিমণি বুঢ়াগোহাঁই, আয়েছা খাতুন, মঞ্জু ঘৰফলীয়া, জীনামণি বৰগোহাঁই, ময়ুৰী ৰাজোৱাৰ, হৰেন চন্দ্ৰ নাথ আদিয়ে কবিতা পাঠ কৰে আৰু নাজিৰা প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক নৱ বৰগোহাঁই, মৌচুমী মাউট, প্ৰশান্ত বৰঠাকুৰ উপস্থিত থাকে।

## প্ৰকৃতিপ্ৰেমী অনুষ্ঠান গ্ৰীন ছ'চাইটীৰ কাৰ্যনিৰ্বাহক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২০ ছেপ্টেম্বৰ ঃ** উত্তৰ-পূৰ্বাঞ্চল তথা বিহালীৰ প্ৰকৃতি প্ৰেমী অনুষ্ঠান গ্ৰীন ছ'চাইটীৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভাখন নাচবৰ বোৱা-কটা সমাবায় সমিতিৰ সভাকক্ষত অনুষ্ঠিত হৈ যায়। সাধাৰণ সম্পাদক ভুৱন লুইটেলে আঁত ধৰা সভাত সভাপতিৰ আসন গ্ৰহণ কৰে প্ৰেমলাল গঞ্জুৱে। সাংগঠনিক দিশৰ ওপৰত বক্তব্য ৰাখে সাধাৰণ সম্পাদক লক্ষ্মীকান্ত শৰ্মা, ভুৱন লুইটেল, সম্পাদক খগেন মটক, সাংগঠনিক সম্পাদক কল্যাণজ্যোতি শৰ্মা আদিয়ে। সভাত কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। আগন্তুক বন্যপ্ৰাণী সপ্তাহ পালন, দুৰ্গা পূজাৰ পিছতেই বিহালীৰ ভিতৰুৱা অঞ্চলসমূহত স্বাস্থ্য শিবিৰ আয়োজন কৰা, প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিহালীৰ ইটা ভাতাসমূহৰ চাৰিওফালে কমেও এশ গছপুলি ৰোপণৰ বাবে বিশ্বনাথৰ উপায়ুক্তক স্মাৰক-পত্ৰ প্ৰদান কৰা আদি। এই সভাত সদস্য অৰুণ গৌতম, তৰুলতা শৰ্মা, ৰূপক শৰ্মা, কৰণ শইকীয়া আদি উপস্থিত থাকে।




অসম জাতীয় পৰিষদৰ সংবাদমেল, গুৱাহাটীত মঙলবাৰে

## প্লেটিনাম জুবিলী পাৰ্ক মুকলি কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২০ ছেপ্টেম্বৰ ঃ** মহাৰজত জয়ন্তী বৰ্ষ উদ্‌যাপন কৰি থকাৰ মাজতে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ে লাভ কৰিলে এখন আটকধুনীয়া উদ্যান। কালি অসম চিকিৎসা মহাবিদ্যালয়ৰ চৌহদত মুকলি হ'ল 'platinum jubilee prak'। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ৰাইজৰ বাবে মুকলি কৰে এই পাৰ্কখন। উল্লেখ যে সৰ্বানন্দ সোণোৱাল ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ দায়িত্বত থকা সময়ত এএমচিএইচৰ চৌহদত দুখন পাৰ্কৰ বাবে আবণ্টন দিছিল প্ৰায় এক কোটি টকা। ইফালে, কালি চিকিৎসা মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তী বৰ্ষ চলি থকাৰ মাজতে প্ৰথমখন পাৰ্ক মুকলি কৰে। এই অনুষ্ঠানত মুখ্য অতিথি কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে উপস্থিত থাকে কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীৰ লগতে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ, অধীক্ষকৰ লগতে বহু গণ্য-মান্য ব্যক্তি।

## গৌৰীপুৰৰ ৰাষ্ট্ৰীয় ঘাই পথৰ ঠায়ে ঠায়ে পুখুৰী সদৃশ গাঁত

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২০ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ গৌৰিপুৰৰ ১৭নং ৰাষ্ট্ৰীয় ঘাই পথটোৰে দৈনিক হাজাৰ হাজাৰ যান বাহনৰ লগতে কণ কণ ছাত্ৰ ছাত্ৰী তথা শিক্ষাৰ্থীৰ উপৰি ৰাইজে দুৰ্বিষহ যাতায়াত অব্যাহত ৰাখিছে। পথটোৰ ঠায়ে ঠায়ে পুখুৰী সদৃশ গাত তথা জৰাজীৰ্ণ পথৰ বাবে যাতায়াতৰ ক্ষেত্ৰত যমৰ-যাতনাত ভুগিছে যান-বাহনৰ চালক, স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ ৰাইজ। আনকি পুখুৰী সদৃশ গাঁত হোৱা পথৰ বাবে এম্বুলেঞ্চ সেৱাৰ গাড়ীটো গৰ্ভৱতী মহিলা, ৰোগী চিকিৎসালয় নাপাওঁতে আদবাটতে মৃত্যুৰ দৰে ঘটনা ঘটি আহিছে। স্থানীয় জনপ্ৰতিনিধিয়ে এইক্ষেত্ৰত কোনো কাণসাৰ নিদিয়াৰ এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় জনতাই।

### বৰপেটা সত্ৰত আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত

## অসম পুলিচৰ নিযুক্তি প্ৰক্ৰিয়া শুদ্ধ আৰু নিকাভাৱে হৈছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২০ ছেপ্টেম্বৰ ঃ** সোমবাৰে বৰপেটা সত্ৰত আঁঠু লয় আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই। বৰপেটা সত্ৰ দৰ্শন কৰি সাংবাদিকৰ আগত তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। সত্ৰসমূহৰ সংৰক্ষণ অতিকে দৰকাৰী প্ৰসংগ হৈ পৰিছে। সত্ৰই সমাজখনক নেতৃত্ব দিয়ক। বিশেষকৈ ডেকা চামক সত্ৰ-নামঘৰৰ প্ৰতি আকৃষ্ট কৰাৰ সময় আহি পৰিছে। নামঘৰসমূহ আমাৰ হাব চেণ্টাৰ হোৱা উচিত। এসময়ত সত্ৰ-নামঘৰসমূহ আছিল ন্যায় পঞ্চায়ত। সমাজত হৈ থকা সৰু-সুৰা বাদ-বিবাদসমূহ নামঘৰতে সমাধা কৰিব পাৰি। প্ৰতিটো কথাতে পুলিচৰ কাষ চপাৰ কোনো প্ৰয়োজন নাই। সত্ৰ সমাজ ব্যৱস্থাৰ অপূৰ্ব সংস্কৃতি-দৰ্শনৰ প্ৰতি নৱ-প্ৰজন্মক আকৃষ্ট কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। তেনে নকৰাৰ ফলতেই আজি নৱ-প্ৰজন্মই পথভ্ৰষ্ট হৈ বেলেগ বেলেগ দিশত আকৃষ্ট হৈছে। ইপিনে, অসম পুলিচৰ নিযুক্তি প্ৰক্ৰিয়া সন্দৰ্ভত আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে প্ৰকাশ কৰে যে অসম পুলিচৰ নিযুক্তি প্ৰক্ৰিয়া শুদ্ধ আৰু নিকাভাৱে হৈছে। ধনী-দুখীয়া নিৰ্বিশেষে কেৱল মেধাৰ ভিত্তিত সম্পন্ন হৈছে নিযুক্তি প্ৰক্ৰিয়া। এই নিযুক্তি প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰিবলৈ পাই মই অত্যন্ত সুখী, লগতে ভিক্টৰ দাসৰ গ্ৰেপ্তাৰ সম্পৰ্কত আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে কয় যে তেওঁক গ্ৰেপ্তাৰ কৰাৰ অন্তৰালত যুক্তি নথকা নহয়। বিষয়টো সন্দৰ্ভত আৰক্ষীৰ পৰা এক ৰিপৰ্ট বিচৰা হৈছে। আনহাতে, ৰাজ্যৰ আন বিভাগৰ নিযুক্তিসমূহো নিশ্চয়কৈ স্বচ্ছ আৰু নিকা পদ্ধতিৰেই সম্পন্ন হ'ব, ইয়াক লৈ আশাবাদী আৰক্ষী সঞ্চালকপ্ৰধানগৰাকী। ইপিনে, সপত্নীক বৰপেটা সত্ৰ পৰিদৰ্শন কৰি সত্ৰত সেৱা জনাবলৈ পাই ধন্য হোৱা বুলি প্ৰকাশ কৰে আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই। সত্ৰ পৰিদৰ্শন কৰাৰ পিছত আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱশৰ্মাৰ বাসগৃহত উপস্থিত হয় আৰু সত্ৰীয়াগৰাকীৰ স্বাস্থ্যৰ বুজ লয়।

## ধিং মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক অধ্যাপিকাৰ অন্তৰংগ অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ২০ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ পশ্চিমাঞ্চলৰ উচ্চ শিক্ষাৰ অনুষ্ঠান ধিং মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা বহু শিক্ষাৰ্থীয়ে কালি ৰাজ্যৰ লগতে দেশ-বিদেশত বিভিন্ন কৰ্মক্ষেত্ৰত নিয়োজিত হৈ সেৱা আগবঢ়াই আহিছে। এইক্ষেত্ৰত মহাবিদ্যালয়খনৰ অন্যান্য বিভাগসমূহৰ লগতে পদাৰ্থ বিজ্ঞান বিভাগৰ শিক্ষাৰ্থীসকলৰ অৱদান লেখত ল'বলগীয়া। মহাবিদ্যালয়খনত শিক্ষা গ্ৰহণ কৰা বহু শিক্ষাৰ্থীয়ে বিভিন্ন ক্ষেত্ৰত সুনাম অৰ্জন কৰি ইতিমধ্যে মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকল মহাবিদ্যালয়ত সমবেত হৈ এক অন্তৰঙ্গ আলোচনাত মিলিত হয়। অনুষ্ঠানটিত মহাবিদ্যালয়খনত উপস্থিত হৈ অতীতৰ স্মৃতি ৰোমন্থন কৰি সকলো ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা নষ্টালজিক হৈ পৰে।



তেজপুৰত শ্বহীদ মুকুন্দ কাকতিৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি মুখ্যমন্ত্ৰী হিমন্তবিশ্ব শৰ্মাৰ, মঙলবাৰে

## ব্যতিক্ৰমী কাৰ্যসূচীৰে শিৱসাগৰ জিলা যুৱ মৰ্চাই পালন কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওপজা দিন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি শিৱসাগৰ, ২০ ছেপ্টেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২সংখ্যক জন্মদিন এক ব্যতিক্ৰমী কাৰ্যসূচীৰে বিজেপিৰ শিৱসাগৰ জিলা যুৱ মৰ্চাৰ কৰ্মীসকলে পালন কৰে। জিলা যুৱ মৰ্চাৰ উদ্যোগত ভাৰতীয় জনতা পাৰ্টী আৰু যুৱ মৰ্চাৰ জিলাখনৰ আটাইকেইটা মণ্ডলৰ সহযোগত এক ৰক্তদান কাৰ্যসূচী অনুষ্ঠিত হয়। শিৱসাগৰৰ জয়সাগৰস্থ অসামৰিক চিকিৎসালয়ত অনুষ্ঠিত কৰা এই ৰক্তদান শিবিৰত যুৱ মৰ্চাৰ ১৫০জন কাৰ্যকৰ্তাই ৰক্তদান কৰাৰ লগতে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈয়েও ৰক্তদান কৰে। অনুষ্ঠানটোত চিকিৎসালয়খনৰ অধ্যক্ষ ডাঃ সৌৰভ গগৈ, জিলা বিজেপিৰ সাধাৰণ সম্পাদক বীৰেন গোৱালা, উপ-সভাপতি তন্ময় শইকীয়াকে প্ৰমুখ্য কৰি যুৱ মৰ্চাৰ সাধাৰণ সম্পাদকদ্বয় ৰাহুলজ্যোতি গগৈ আৰু সন্দীপ গগৈৰ লগতে জিলাখনৰ বিষয়ববীয়াসকল উপস্থিত থাকি উক্ত কাৰ্যসূচীটো সাফল্যমণ্ডিত কৰে। এই ৰক্তদান কাৰ্যসূচী সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা দৃষ্টিপ্ৰিয়া দত্ত, সমীৰণ বৰদলৈ, মণ্টু বৰগোহাঁই, ৰিণ্টু বৰা, মায়া পৰিয়াৰ, জিতু নেওগ, অনোপল দাসক জিলা যুৱ মৰ্চাৰ তৰফৰ পৰা শলাগ লয়।

### পূজা সমিতিৰ বিষয়ববীয়াৰে কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ সভা

## স্থান, কাল, মান ৰাখি সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰাৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ ছেপ্টেম্বৰ ঃ** আগন্তুক দুৰ্গা পূজা সুকলমে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে কেতবোৰ নীতি-নিৰ্দেশনা সদৰী কৰি কামৰূপ মহানগৰ জিলা প্ৰশাসনে কালি জিলাৰ পূজা সমিতিৰ বিষয়ববীয়াসকলৰ লগত গুৱাহাটী জিলা পুথিভঁৰালত এখন সভা অনুষ্ঠিত কৰে। সভাত পূজা অনুষ্ঠিত কৰাৰ বাবে অনুমতি লোৱাৰ পৰা বিসৰ্জনলৈকে বিভিন্ন বিষয়ে সবিস্তাৰে আলোচনা কৰা হয়। অতিৰিক্ত উপায়ুক্ত গৌৰীশংকৰ দাসে সভাপতিত্ব কৰা সভাত অতিৰিক্ত উপায়ুক্ত ড° ধ্ৰুৱজ্যোতি হাজৰিকাই জিলা প্ৰশাসনৰ হৈ জনায় যে প্ৰত্যেকখন পূজা সমিতিয়ে স্থানীয় থানাৰ পৰা অনুমতি লৈহে পূজা অনুষ্ঠিত কৰিব পাৰিব। ৰাস্তা বন্ধ কৰি জনসাধাৰণৰ অসুবিধাৰ সৃষ্টি কৰি কোনো ঠাইতে পূজা অনুষ্ঠিত কৰিব নোৱাৰিব। পূজা পেণ্ডেলত পে'ট্ৰল, ডিজেল, কেৰাচিন আদি কোনো দাহ্য সামগ্ৰী ৰাখিব নোৱাৰিব। পূজাত পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা থাকিব লাগিব। শব্দ প্ৰদূষণ নকৰাকৈ মাইক ব্যৱহাৰ কৰাৰ বাবে পূজা সমিতিক আহ্বান জনাইছে প্ৰশাসনে। সেইদৰে জাবৰ-জোঁথৰ নিষ্কাশনৰ ক্ষেত্ৰত পূজা সমিতিয়ে নিজা ব্যৱস্থা ল'ব লাগিব। তাৰ বাবে বেচৰকাৰী প্ৰতিষ্ঠানৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনায় অতিৰিক্ত উপায়ুক্তগৰকীয়ে। সেইদৰে খোৱাপানীৰ ক্ষেত্ৰতো উপযুক্ত ব্যৱস্থা ল'বলৈ তেওঁ পূজা সমিতিসমূহক অনুৰোধ জনায়। তেনেদৰে অগ্নি নিৰ্বাপণ, থানা আদিৰ ফোন নং পূজা সমিতিৰ বিষয়ববীয়াসকলৰ ফোন নম্বৰ জনসাধাৰণে দেখা পোৱাকৈ পেণ্ডেলত লিখি ৰখাৰ ব্যৱস্থা কৰিবলৈ প্ৰশাসনৰ তৰফৰ পৰা পূজা সমিতিক আহ্বান জনোৱা হয়। আনহাতে, পূজাত সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত স্থান, কাল, মান ৰাখিহে অনুষ্ঠান পৰিৱেশন কৰাৰ ব্যৱস্থা ল'বলৈ জিলা প্ৰশাসনৰ হৈ সবিনয়ে পূজা সমিতিক আহ্বান জনায় অতিৰিক্ত উপায়ুক্তগৰাকীয়ে। ধাৰ্মিক মনোভাবক সন্মান জনাই অনুষ্ঠান পৰিৱেশন কৰিবলৈ আৰু নিশা বেছি দেৰিলৈকে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন নকৰিবলৈ তেওঁ লগতে আহ্বান জনায়। বিসৰ্জনৰ ক্ষেত্ৰত জিলাখনৰ আন আন স্থানৰ লগতে আগৰ দৰেই এইবাৰো পাণ্ডু ঘাটত ব্যৱস্থা লোৱা হ'ব বুলি সভাত জনোৱা হয়। সেইদৰে প্ৰত্যেকখন পূজা সমিতিক 'ফাষ্ট এইড'ৰ ব্যৱস্থা ৰাখিবলৈ জিলা স্বাস্থ্য বিভাগৰ পৰা আহ্বান জনোৱা হয়। সভাত উপস্থিত থাকি সহকাৰী পৰিবহণ আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা পৰিবহণ বিষয়া গৌতম দাসে পথ সুৰক্ষা নীতি মানি পূজা উদ্‌যাপন কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে জনসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থত এয়া মুখ্যমন্ত্ৰীৰ জনসাধাৰণৰ প্ৰতি আহ্বান।

## অসম ভিত্তিত টাইকোৱানডো প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, শুৱালকুছি, ২০ ছেপ্টেম্বৰ ঃ** শুৱালকুছি টাইকোৱানডো এণ্ড কিক বক্সিং একাডেমীৰ উদ্যোগত আৰু কামৰূপ জিলা ক্ৰীড়া ভাৰতীৰ সহযোগত অহা ৮ আৰু ৯ অক্টোবৰত শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত এখন অসম ভিত্তিত টাইকোৱানডো প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৩০ ছেপ্টেম্বৰৰ আগে আগে সাতশ টকাৰে নামভৰ্তি কৰিব লাগিব। প্ৰতিযোগিতাৰ বাবে ৯৮৫৯২-১৫৭৮৮ আৰু ৯৮৬৪৩-৫৪৩৩৬ যোগাযোগ কৰাৰ বাবে সভাপতি দীপাংকৰ কাকতি আৰু সম্পাদক সুবোধ মেধিয়ে অনুৰোধ জনাইছে।

## সৰ্বভাৰতীয় ফুটবল ফেডাৰেচন লীগ সমিতিৰ উপাধ্যক্ষ হিচাপে নিৰ্বাচিত যোৰহাটৰ সন্তান শান্তনু পূজাৰী



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, যোৰহাট, ২০ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা যোৰহাটৰ সন্তান শান্তনু পূজাৰীক সৰ্বভাৰতীয় ফুটবল ফেডাৰেচন লীগ সমিতিৰ উপাধ্যক্ষ হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। শান্তনু পূজাৰীক সৰ্বভাৰতীয় পৰ্যায়ত এনে ধৰণৰ গুৰুত্বপূৰ্ণ দায়িত্ব ভাৰ প্ৰদান কৰাৰ পিছতেই যোৰহাটত আনন্দৰ বন্যা বোৱা দেখা গৈছে। তাৎপৰ্যপূৰ্ণ যে যোৰহাট ক্ৰীড়া সন্থাৰ গুৰুত্বপূৰ্ণ দায়িত্বত থাকি পূজাৰীয়ে জিলাখনৰ গ্ৰামাঞ্চলৰ প্ৰতিভা উলিয়াই আনি ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পযায়লৈ লৈ গৈছে আৰু বিভিন্ন শিতানত পদক উক্ত প্ৰতিভাধাৰীয়ে দখল কৰিবলৈ সক্ষম হৈছে। তাৎপৰ্যপূৰ্ণ যে শান্তনু পূজাৰীৰ নেতৃত্বত যোৰহাট জিলা ষ্টেডিয়ামে নতুনত্ব লাভ কৰাৰ লগতে বহু ৰাষ্ট্ৰীয় পৰ্যায়ত জিলাখনৰ খেলুৱৈসকলে উজলি উঠিবলৈ সক্ষম হৈছে।

### খেলো ইণ্ডিয়া পূব মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলাৰ মুকলি বক্সিং চেম্পিয়নশ্বিপ

# ছেমি ফাইনেলত প্ৰৱেশেৰে অসমৰ পাঁচটা পদক নিশ্চিত

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ পাঁচগৰাকী বক্সাৰে চলিত খেলো ইণ্ডিয়া পূব মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলাৰ মুকলি বক্সিং চেম্পিয়নশ্বিপ-২০২২ৰ ছেমি ফাইনেলত প্ৰৱেশ কৰি পদক জয় নিশ্চিত কৰাৰ লগতে অহা ডিচেম্বৰত হ'ব লগা ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপলৈ যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে গুৱাহাটীৰ ছাই কেন্দ্ৰৰ ইনড'ৰ ষ্টেডিয়ামত চলি থকা প্ৰতিযোগিতাখনৰ যোৱানিশা হোৱা উভয় শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অসমৰ মুঠ ১১গৰাকী বক্সাৰে অংশ লৈছিল যদিও ইয়াৰে পাঁচগৰাকীয়ে নিজৰ মেচত জয়ী হৈ ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। বাকী ছগৰাকীৰ চাৰিগৰাকী মণিপুৰৰ বক্সাৰৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ বিপৰীতে দুগৰাকী অসমৰ বক্সাৰে ৰাজ্যৰে সতীৰ্থৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ বিদায় লয়। ছেমি ফাইনেলত প্ৰৱেশ কৰা অসমৰ বক্সাৰসকলৰ ভিতৰত আছে জুনিয়ৰ ছোৱালীৰ ৪৬ কিলোগ্ৰাম শাখাত ইলাজ্যোতি পেগু, ৪৮ কিলোগ্ৰাম শাখাত ৰিম্পী পেগু আৰু ৫০ কিলোগ্ৰাম শাখাত ভাৰতী কুমাৰী। উল্লেখ্য যে ইলাজ্যোতিয়ে পৰাস্ত কৰে অসমৰে স্বাগতা লক্ষ্মী দৈমাৰীক। আনহাতে, ৰিম্পী আৰু ভাৰতীয়ে মণিপুৰৰ বক্সাৰক হৰুৱাই ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন কৰে। কিন্তু বিজেতা ব্ৰহ্ম আৰু ভাগ্যশ্ৰী ৰাভা কোৱাৰ্টাৰ ফাইনেলত মণিপুৰৰ বক্সাৰৰ বিৰুদ্ধে পৰাস্ত হয়। ইফালে, যুৱ মহিলাৰ ৫২ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অসমৰ পুণ্যৱতী কুলিয়ে ৰাজ্যৰে ৰশ্মি বালা বসুমতাৰীক পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ৫৪ কিলোগ্ৰাম শাখাত অসমৰ মাইনাও বড়োই মিজোৰামৰ প্ৰতিদ্বন্দ্বীক হৰুৱাই ছেমি ফাইনেললৈ অগ্ৰসৰ হয়। কিন্তু ৫৪ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অসমৰ সংগীতা দাস আৰু আইকণ মিলি মণিপুৰৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে পৰাস্ত হৈ প্ৰতিযোগিতাৰ পৰা বিদায় লয়। ইফালে, আজি নিশাও প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলৰ মেচ অনুষ্ঠিত হয়। অসমৰ মুঠ ২০গৰাকী বক্সাৰে আজি ৰিঙত নামিছে। জুনিয়ৰ ছোৱালীৰ কোৱাৰ্টাৰ ফাইনেল খেলা ১২গৰাকী বক্সাৰ হ'ল ৫২ কিলোগ্ৰাম শাখাত মণিকা চুৰুৱা, আইশ্ৰী হাজৰিকা, শশাদ্ৰী শইকীয়া আৰু প্ৰিয়া বড়ো। ৫৪ কিলোগ্ৰাম শাখাত সুনসুনি কুমবংগ, অনুশ্ৰী ছেত্ৰী আৰু ৰশ্মি চাংমাই। ৫৭ কিলোগ্ৰাম শাখাত স্নেহা সোণোৱাল, নালোসি মাৰ্জাৰী আৰু নিকিতা গগৈ। ৬০ কিলোগ্ৰাম শাখাত পৰী দত্ত আৰু পূৰৱী দৈমাৰী। আনহাতে, আজিৰ যুৱ মহিলাৰ কোৱাৰ্টাৰ ফাইনেল খেলা আঠগৰাকী অসমৰ বক্সাৰ হ'ল ৪৫-৪৮ কিলোগ্ৰাম শাখাত দীক্ষিতা বড়ো, সুজামা বড়ো আৰু ৰূপালী বসুমতাৰী। ৫০ কিলোগ্ৰাম শাখাত উন্নেখা গগৈ আৰু দীপাঞ্জলি দৈমাৰী। ৬০ কিলোগ্ৰাম শাখাত নেনচি নাৰ্জাৰী, প্ৰিয়া বসুমতাৰী আৰু ধৰিত্ৰী চুৰুৱা। উল্লেখ্য যে বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়া চমুকৈ বি এফ আয়ে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ চমুকৈ ছাইৰ সহযোগত দেশত মহিলা বক্সিঙৰ নতুন প্ৰতিভা বিচাৰি উলিওৱাৰ বাবে যি অভিলাষী আঁচনি হাতত লৈ চাৰিখন মাণ্ডলিক প্ৰতিযোগিতা আয়োজন কৰাৰ সিদ্ধান্ত লৈছে তাৰেই প্ৰথমখন প্ৰতিযোগিতা সম্প্ৰতি গুৱাহাটীৰ ছাই কেন্দ্ৰৰ ইনড'ৰ ষ্টেডিয়ামত পূৰ্ণগতিত চলি আছে। কাইলৈ প্ৰতিযোগিতাৰ উভয় শাখাৰ ছেমি ফাইনেল অনুষ্ঠিত হ'ব। আনহাতে, ২২ ছেপ্টেম্বৰত হ'ব ফাইনেল। ছেমি ফাইনেলত প্ৰৱেশ কৰা সকলো বক্সাৰে অহা ডিচেম্বৰত গুৱাহাটীতে হ'ব লগা প্ৰাইজমানি সম্বলিত ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপলৈ যোগ্যতা অৰ্জন কৰিব।







## হৰিশিঙাত ২২সংখ্যক শ্বহীদ বালিৰাম বড়ো সোঁৱৰণী স্বৰ্ণকাপ ফুটবলত শ্বিলং ৰিভয় ইউনাইটেড এফ চি চেম্পিয়ন

### ২-০ গ'লৰ ব্যৱধানত হৰিশিঙা ৰিজিঅ'নেল এছ এ দল পৰাস্ত

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, খৈৰাবাৰী, ২০ ছেপ্টেম্বৰ ঃ** চলিত মাহৰ ৯ তাৰিখৰ পৰা হৰিশিঙা আঞ্চলিক এবছু আৰু হৰিশিঙা ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত ওদালগুৰি জিলাৰ হৰিশিঙা ৰবি কছাৰী মিনি ষ্টেডিয়ামত শ্বহীদ বালিৰাম বড়োৰ সোঁৱৰণত অনুষ্ঠিত কৰা ২২সংখ্যক বালিৰাম বড়ো স্বৰ্ণকাপ ফুটবল চেম্পিয়নশ্বিপৰ চূড়ান্ত খেলখন আজি শ্বিলং ৰিভয় ইউনাইটেড এফ চি বনাম হৰিশিঙা ৰিজিঅ'নেল এছ এ দলৰ মাজত অনুষ্ঠিত হয়। উক্ত খেল প্ৰতিযোগিতাখন উদ্বোধন কৰে নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বিপেন বড়োৱে। লগত উপস্থিত থাকে হৰিশিঙা বিটিচি পৰিষদীয় সমষ্টিৰ পাৰিষদ সঞ্জয় স্বৰ্গীয়াৰী, জিলা এবছুৰ সভাপতি লহিত বড়োৰ লগতে বিশিষ্ট ব্যক্তিসকল। হাজাৰ দৰ্শকে উপভোগ কৰা তীব্ৰ উত্তেজনাপূৰ্ণ খেলখনৰ প্ৰথমাৰ্ধৰ ৪১ মিনিটত শ্বিলং দলৰ ৰবাৰ্ট খঞ্জুৰে এটা গ'ল দি দলক অগ্ৰগতি কৰোৱাৰ পিছত আনটি গ'ল দ্বিতীয়াৰ্ধৰ ৭৬ মিনিটত একেই দলৰে ফেচনিং চাংক্লিয়ে দি হৰিশিঙা দলক মুঠ ২ গ'লত পৰাস্ত কৰি ২০২২ বৰ্ষৰ ২২ সংখ্যক বালিৰাম বড়ো স্বৰ্ণকাপৰ চেম্পিয়ন ট্ৰফীসহ ৩০ হাজাৰ টকা প্ৰাইজমানী পাবলৈ সক্ষম হয়। শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা শ্বিলং দলৰ ৰবাৰ্ট খঞ্জুৰক প্ৰদান কৰে।

### অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে প্ৰথম টি-২০

## ভাৰতৰ সংগ্ৰহ ২০৮-৬

**মোহালি, ২০ ছেপ্টেম্বৰ ঃ** ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ মেচৰ প্ৰথমখন খেলত আজি পোনতে বেটিং কৰি নিৰ্ধাৰিত ২০ অভাৰত ছয় উইকেট হেৰুৱাই ২০৮ ৰাণ কৰিছে। উল্লেখ্য যে ভাৰতৰ হৈ অপেনাৰ লোকেছ ৰাহুলে ৫৫ ৰাণ কৰে যদিও ব্যৰ্থ হয় দুই অভিজ্ঞ বেটাৰ অধিনায়ক ৰোহিত শৰ্মা (১১) আৰু প্ৰাক্তন অধিনায়ক বিৰাট কোহলি (২)। কিন্তু সূৰ্যকুমাৰ যাদবে ৪৬ আৰু হাৰ্দিক পাণ্ডিয়াই অপৰাজিত ৭১ ৰাণ কৰি ভাৰতক শক্তিশালী স্থিতিত উপনীত কৰায়। হাৰ্দিকে ৩০ বলত পাঁচটা ছিক্সাৰ আৰু সাতটা বাউণ্ডেৰীসহ বিস্ফোৰক ইনিংছটো খেলে। কেংগাৰু বাহিনীৰ হৈ নাথন ইলিছে তিনিটা তথা জ'ছ হাজলউদে দুটা উইকেট পায়। উল্লেখ্য যে অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেটলৈ সাজু হোৱাৰ বাবে টীম ইণ্ডিয়াই ঘৰত মুঠ ছখন মেচ খেলাৰ যি পৰিকল্পনা লৈছিল তাৰেই প্ৰথমখন মেচ আজি ম'হালীত খেলিছে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে। উল্লেখ্য যে ভাৰতে প্ৰথমে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন টি-২০ মেচ খেলাৰ পাছত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও তিনিখনীয়া টি-২০ ৰ এক শৃংখলাত অংশ ল'ব। স্বাভাৱিকতে এই ছখন মেচ টীম ইণ্ডিয়াৰ বাবে নিজৰ শক্তি আৰু ৰণনীতি বুজি পোৱাৰ এক সুযোগ। উল্লেখ্য যে অহা ১৬ অক্টোবৰৰ পৰা অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া বিশ্বকাপত পাকিস্তানৰ বিৰুদ্ধে প্ৰথমখন খেল খেলিব ভাৰতে।

## গৰৈমাৰী-হাদলাপাৰা-জেৰামাছাৰ জয়লাভ

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ ডুবাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চলি থকা ডুবাপাৰা আঞ্চলিক ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা দুখনকৈ খেলত ক্ৰমে গৰৈমাৰী ফুটবল ক্লাবে ৪-০ গ'লৰ ব্যবধানত ভালুকডুবি ফুটবল ক্লাৰক আৰু হাদলাপাৰা ফুটবল ক্লাৱে ২-১ গ'লৰ ব্যবধানত উলুপাৰা ফুটবল ক্লাৰক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে । ইপিনে ৰাজাপাৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ সৌজন্যত ৰাজাপাৰা প্ৰাথমিক বিদ্যালয় খেলপথাৰত আয়োজিত ষষ্ঠ বাৰ্ষিক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা খেলখনত জেৰামাছা ফুটবল ক্লাৱে ৬-০ গ'লৰ ব্যৱধানত গোপালপুৰ ফুটবল ক্লাবক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।

## এন আৰ এল আইটা ছুপা ছিৰিজ টেনিছ প্ৰতিযোগিতা

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** যোৰহাট টেনিছ ক্লাবত চলি থকা এন আৰ এল আইটা ছুপাৰ ছিৰিজ ১৬ বছৰ অনূৰ্ধ্ব টেনিছপ্ৰতিযোগিতাৰ আজি দ্বিতীয় দিনা বংগৰ প্ৰতিষ্ঠাক পৰাজিত কৰি ওড়িশাৰ কিস্পট্ৰাই ছেমি ফাইনেলত নিজৰ স্থান নিশ্চিত কৰে। ইফালে, আজিৰ অন্য খেলত ১৬ বছৰ অনূৰ্ধ্ব ল'ৰাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেল মেচসমূহত মনন নাথে শ্ৰীমন্ত গগৈক, চান্দোগ্য ত্ৰিদিৱ পাঠকে বিদ্বান ৰঞ্জন বৰাক, জ্যোতিষ্মান বড়োই জ্যোতিৰাদিত্য কাকতিক, ৰিয়ান কাশ্যপে সুভাশিস ৰয়ক পৰাজিত কৰে। ইফালে, ১৬ বছৰৰ তলৰ ছোৱালীৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ৰিতুজা সাহাই নায়েম হুছেইনক, নেমহা চাৰা কিস্পোটাইপ্ৰতিষ্ঠা ৰায়ক, আদ্ৰিকা ৰাজকুমাৰীয়ে ছাৰা গোমছক, তনিয়া কুমাৰীয়ে অৰ্ণৱী দেৱনাথক পৰাজিত কৰে । ১৬ বছৰৰ অনূৰ্ধ্ব ল'ৰাৰ ডাবলছ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত মোহৰনব বি বৰুৱাই জ্যোতিষ্মান বড়োক, অনিদিত বৰুৱাই সমবিদ বৰুৱাক, বিদ্যান বৰাই অক্লান্তজিৎ ফুকনক, আয়ান দত্তই জ্যোতিৰাদিত্য কাকতিক হৰুৱায়। আনহাতে, ১৬ বছৰ অনূৰ্ধ্ব ছোৱালীৰ ডাবলছ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত নবিহা মৰিয়াম-বিষ্ণুপ্ৰিয়া বৰগোহাঞিয়ে আৰিষা মহিন চৌধুৰী আৰু দেৱস্মিতা ৰায় যুটিক পৰাজিত কৰে। নেমহা চাৰা কিস্পোটা - নায়েম হুছেইনে, অৰ্ণৱী দেৱনাথ আৰু নিষ্ঠপ্ৰিয়া বেজবৰুৱাক পৰাজিত কৰে।

## ফাইনেলত পুৰণিগুদাম আঞ্চলিক ছানফ্লাৱাৰ ক্লাব

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বঢ়মপুৰ, ১৯ ছেপ্টেম্বৰ ঃ** নগাঁৱৰ ভোটাইগাঁৱৰ ভোটাই ডেকা খেলপথাৰত চলি থকা প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ফ্ৰেণ্ডছ ক্লাব-ভোটাইগাঁৱক পুৰণিগুদাম আঞ্চলিক ছানফ্লাৱাৰ ক্লাবে ২-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে আৰু ইয়াৰ লগে লগে অহা বুধবাৰে অনুষ্ঠিতব্য ফাইনেলত অংশ লোৱাটো নিশ্চিত হৈ পৰিছে। কাইলৈ অনুষ্ঠিত হ'ব লগা অন্তিমখন ছেমি ফাইনেলত অংশগ্ৰহণ কৰিব পাইপ এফ চি-ভোটাইগাঁও বনাম মাজগাঁও ফুটবল ক্লাব, জাজৰিয়ে।

## জাজৰি ফুটবল লীগত মাজগাঁও ক'চিং ক্লাব চেম্পিয়ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, জাজৰি, ২০ ছেপ্টেম্বৰ ঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া জাজৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত দলংঘাটৰ বৰমণিপুৰস্থিত সন্থাৰ নিজা খেলপথাৰত সদ্যসমাপ্ত চলিত বৰ্ষৰ ফুটবল লীগ প্ৰতিযোগিতাত মাজগাঁও ক'চিং ক্লাবে চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। এই লীগ প্ৰতিযোগিতাৰ চূড়ান্ত খেলত মাজগাঁও ক'চিং ক্লাবে পাণবাৰীৰ পিবিজেবি ক্লাবক ২-১ গ'লত পৰাজিত কৰে। খেলখনত মাজগাঁও ক'চিং ক্লাবৰ হৈ গ'ল দুটা অপ্পু ডেকা আৰু ছফিকুল ইছলামে দিয়াৰ বিপৰীতে পিবিজেবি ক্লাবৰ হৈ একমাত্ৰ গ'লটো অনুপম কোঁৱৰে দিয়ে। খেলখন পৰিচালনা কৰাত ৰেফাৰী ফাইজ উদ্দিন আহমেদক সহায় কৰে চৈয়দুৰ ৰহমান, ৰাইদুৰ ৰহমান আৰু মুছলেহ উদ্দিন আহমেদে (চতুৰ্থ)। প্ৰতিযোগিতাৰ অন্তত জাজৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি আব্দুল হাছিমৰ সভাপতিত্বত অনুষ্ঠিত সামৰণী অনুষ্ঠানত ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা, সমাজ সংগঠক লৱকান্ত শৰ্মা, পুতকণ বৰদলৈ, ছফিকুল হক, ফৰিদুৰ ৰহমান, ইন্তাজ আলী, জেহিদুৰ ৰহমান, আফটাবউদ্দিন আহমেদ আৰু মাইনুজ জামান আদিয়ে বঁটাসমূহ বিতৰণ কৰে। উল্লেখ্য যে ফাইনেল খেলখন আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে মুখ্য অতিথি সমীৰ হাজৰিকাই।

### মহেন্দ্ৰ-ৰীতেন্দ্ৰ এককালীন প্ৰাইজমানী ফুটবল

## গোৱালপাৰা জিলা ফুটবল দলৰ ছেমি ফাইনেলত প্ৰৱেশ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বঙাইগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** বঙাইগাঁৱৰ পুৰণি বঙাইগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় নৰনাৰায়ণ খেলপথাৰত চলি থকা প্ৰয়াত মহেন্দ্ৰ চন্দ্ৰ পাঠক আৰু ৰীতেন্দ্ৰ চন্দ্ৰ ৰায় সোঁৱৰণী এককালীন প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেল খেলত গোৱালপাৰা জিলা ফুটবল দলে বৰমাৰ উদাংশ্ৰী ক্লাবক ৫-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰে। প্ৰতিযোগিতাখনৰ ছেমি ফাইনেল খেলসমূহ ২৪ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব।

## বড়োলেণ্ড গেলেণ্টছ গ'ল্ডকাপ ফুটবল, চিৰাংদুৱাৰ এফ চিৰ ছেমি ফাইনেলত প্ৰৱেশ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভেৰগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** ডিমাকুছি আঞ্চলিক এবছু আৰু ডিমাকুছি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা ৰূপালী জয়ন্তী বৰ্ষৰ বড়োলেণ্ড গেলেণ্টছ গ'ল্ড কাপ ফুটবল টুৰ্ণামেণ্টত ইউনাইটেড চিৰাংদুৱাৰ এফ চিয়ে শিলিগুড়ি এছএছবি দলক ৭-১ গ'লৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত সৰ্বভাৰতীয় আমন্ত্ৰণমূলক প্ৰতিযোগিতাখনৰ আজিৰ খেলত চিৰাংদুৱাৰৰ হৰপ্ৰীত সিঙে এগ'ল দিয়াৰ লগতে যোছেফ মায়োৱা, লৈথো বসুমতাৰী আৰু মনেশ্বৰ মোছাহাৰীয়ে দুটাকৈ গ'ল দিয়ে। এছ এছ বি দলৰ হৈ অভিমন্যু প'লে পেনাল্টী কিকৰ জৰিয়তে একমাত্ৰ গ'লটো পৰিশোধ কৰে। চিৰাংদুৱাৰৰ যোছেফ মায়োৱাক মেচখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটাৰে পুৰস্কৃত কৰা হয়। কাইলৈ প্ৰতিযোগিতাৰ অন্তিমখন কোৱাৰ্টাৰত মণিপুৰৰ ট্ৰাও এফ চিয়ে ওদালগুৰি দৈমালু ক্লাবৰ মুখামুখি হ'ব।

## নৱেম্বৰত গুৱাহাটীত আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক ৰেংকিং টেনিছ

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰতিভাবান দুই টেনিছ খেলুৱৈ পাৰ্থিৱ কলিতা আৰু চান্দোগ্য টি পাঠকে অইল-আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাত দ্বিমুকুট লাভ কৰি ৰাজ্যৰ টেনিছ ক্ষেত্ৰলৈ নতুন আশা লৈ আনিছে বুলি ব্যক্ত কৰিছে অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই। দুই জুনিয়ৰ খেলুৱৈৰ সফলতাই অনাগত সময়ত অসম টেনিছক অধিক সফলতা দিয়াত সহায় কৰিব বুলি তেওঁ লগতে কয়। উল্লেখ্য যে গুৱাহাটীত হোৱা ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাখনত পাৰ্থিৱে ল'ৰাৰ ১৪ বছৰৰ অনূৰ্ধ্বৰ একক আৰু ডাবলছ শাখাৰ খিতাপ লাভ কৰাৰ বিপৰীতে চান্দোগ্যই ল'ৰাৰ ১২ বছৰৰ অনূৰ্ধ্বৰ একক আৰু ডাবলছ শাখাৰ চেম্পিয়ন হয়। ইফালে, অসমৰ নায়ীন হুছেইনেও ছোৱালীৰ ১২ বছৰৰ অনূৰ্ধ্বৰ ডাবলচ শাখাৰ খিতাপ লাভ কৰিবলৈ সক্ষম হৈছে। ইফালে, অহা নৱেম্বৰত গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত অনুষ্ঠিত হ'ব ১৮ বছৰ অনূৰ্ধ্ব শাখাৰ ল'ৰা-ছোৱালীৰ আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক ৰেংকিং টেনিছ প্ৰতিযোগিতা। অৱশ্যে অসমত হ'বলগা এইখন আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ দিন এতিয়াও আন্তৰ্জাতিক টেনিছ ফেডাৰেছনে ঘোষণা কৰা নাই বুলি কয় অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই। উল্লেখ্য যে সদৌ অসম টেনিছ সন্থাৰ সাংগঠনিক দক্ষতাৰ ওপৰত বিশ্বাস ৰাখি ভাৰতীয় টেনিছ ফেডাৰেছনে চলিত বছৰত মুঠ আঠখন ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ লগতে এখন আন্তৰ্জাতিক প্ৰতিযোগিতাও গুৱাহাটীত আয়োজনৰ দায়িত্ব অৰ্পন কৰিছে।

## সাৰাংগ বুঢ়াগোহাঁই ফুটবল প্ৰতিযোগিতা আৰম্ভ

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** নাহৰকটীয়া ক্ৰীড়া সন্থাৰ সাৰাংগ বুঢ়াগোহাঁই সোঁৱৰণী ফুটবল প্ৰতিযোগিতাখন আজিৰে পৰা নাহৰকটীয়া ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত আৰম্ভ হৈছে। আজি অনুষ্ঠিত উদ্বোধনী খেলখনত জয়পুৰ তৰুণ সংঘই লেংগেৰীজান গছনাৰ ক্লাবক ৫-১ গ'লত পৰাজিত কৰে। উদ্বোধনী অনুষ্ঠানত নাহৰকটীয়া ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি তথা সাৰাংগ বুঢ়াগোহাঁইৰ পিতৃ ক্ৰীড়া সংগঠক প্ৰদীপ বুঢ়াগোহাঁই, নাহৰকটীয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰাঞ্জল সোণোৱাল, কছাৰী স্বায়ত্ত পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহ সদস্য বিশ্বজিৎ সোণোৱাল, প্ৰাক্তন ৰাজ্যিক খেলুৱৈ ৰাতুল গগৈ, সন্থাৰ কাৰ্যকৰী সভাপতি অমূল্য গগৈ, সাধাৰণ সম্পাদক পলাশ কোঁৱৰ, যুটীয়া সম্পাদক পংকজ সোণোৱাল, ফুটবলৰ যুটীয়া সম্পাদক অসীম হাজৰিকা আৰু দীপু নিৰ্মলীয়া, ভলীবলৰ সম্পাদক ভাস্কৰ গগৈ আদি উপস্থিত থাকে। আজিৰ খেলখন পৰিচালনা কৰে হৰেশ্বৰ সন্দিকৈ, ৰাজ কুমাৰ দেৱ, সুব্ৰত বৰ্মন আৰু শক্তি প্ৰধানে।

## প্ৰাইজমানী ফুটবলৰ প্ৰস্তুতি

**গুৱাহাটী,২০ ছেপ্টেম্বৰ ঃ** গুৱাহাটী কাহিলিপাৰাৰ ওদালবাক্ৰা মৰ্ণিং ক্লাবৰ সৌজন্যত অহা ২৪ আৰু ২৫ ছেপ্টেম্বৰ, শনি আৰু দেওবাৰে দুদিনীয়াকৈ আয়োজন কৰা হৈছে প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা । খেলাৰ স্থান ওদালবাক্ৰা জনজাতীয় যুৱ কল্যাণ পৰিষদৰ খেলপথাৰ । প্ৰতিযোগিতাৰ যোগদান মাচুল ২৫০০ টকা আৰু চেম্পিয়ন তথা ফাইনেলিষ্ট দলে লাভ কৰিব ক্ৰমে ৩০ আৰু ২০ হেজাৰ টকা । লগতে থাকিব ব্যক্তিগত পুৰস্কাৰো । যোগদানৰ অন্তিম দিন ২২ ছেপ্টেম্বৰ । মুঠ ১৬ টা দলৰ মাজত এই প্ৰতিযোগিতা অনুষ্ঠিত হব আৰু প্ৰথমে যোগাযোগ কৰা দলবোৰক যোগদানৰ সুযোগ দিয়া হ'ব । যোগদান কৰিবলৈ ইচ্ছুক দলক ৮৬৩৮৮-০৯০৪৮, ৮৭৫২০-৫০৯৬২,৮৬৩৮১-০০২৭৫ অথবা ৮৬৩৮৪-৫৩৭৪৪ নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে । প্ৰতিযোগিতাখন আয়োজনত ওদালবাক্ৰা মৰ্ণিং ক্লাবক সহযোগিতা আগবঢ়াইছে বৃহত্তৰ ওদালবাক্ৰা জনজাতীয় যুৱ কল্যাণ পৰিষদ, ওদালবাক্ৰা ৰাভা জনজাতি উন্নয়ন সমিতি, মিলিজুলি সংঘ আৰু ইভিনিং ক্লাবে।

## অসম ভিত্তিত টাইকোৱান-ড' প্ৰতিযোগিতা

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** শুৱালকুছি টাইকোৱানডো এণ্ড কিক বক্সিং একাদেমীৰ উদ্যোগত আৰু কামৰূপ জিলা ক্ৰীড়া ভাৰতীৰ সহযোগত অহা আঠ আৰু ন অক্টোবৰত শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ এখন অসম ভিত্তিত টাইকোৱানডো প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অংশগ্ৰহণকাৰী খেলুৱৈয়ে অহা ৩০ ছেপ্টেম্বৰৰ পূৰ্বে সাতশ টকাৰে নামভৰ্তি কৰিব লাগিব । প্ৰতিযোগিতাৰ বাবে ৯৮৫৯২-১৫৭৮৮ আৰু ৯৮৬৪৩-৫৪৩৩৬ যোগাযোগ কৰাৰ বাবে সভাপতি দীপাংকৰ কাকতি আৰু সম্পাদক সুবোধ মেধিয়ে আহ্বান জনাইছে।

No. EAA/B/Hailakandi/65/2021/475

**NOTIFICATION**

In pursuance of the Govt. letter No. AEE.156/2022/529 Dated 01/09/2022 and EDN(LC).27/2016/150/Pt-II/511 dated 21/01/2021, the services of 07 (Seven) Teachers and 302 (Three Hundred Two) Tutors under Hailakandi District are hereby newly accommodated under the Directorate of Elementary Education, Assam.

The name of Teachers and Tutors whose services are newly accomodated will be available in the official website of DEE, Assam, i.e. **https://dee.assam.gov.in from 05:00 PM of 21/09/2022.**

The selected candidates are requested to be present in the State Level Function for Orientation **at 9:00 AM on 23/09/2022** at the **Veterinary College Field, Khanapara, Guwahati -22**, wherein the Hon'ble Chief Minister of Assam will ceremonially launch the distribution of Appointment Letters.

The candidates are also requested to bring their Identity Proof (PAN Card/Aadhar Card/ Voter ID Card) in original for entering into the venue.

**Sd/-**
**Director,**
**Elementary Education, Assam**
**Kahilipara, Guwahati-19**

Janasanyog/D/12647/22

No. EPD/45/Provn./NTS/UP/2022/9

**NOTIFICATION**

In pursuance of the Govt. letter No. PMA.36/2021/46 dated 14/09/2022 and in accordance with provisions contained in "the Assam Education (Provincialisation of Services of Non-Teaching Staff of Venture Educational Institution) Act, 2018, the provincialisation of services of non-teaching staff (Grade-IV) of recognized Upper Primary Schools under the Directorate of Elementary Education, Assam are hereby notified.

The name of 1539 (One Thousand Five Hundred Thirty Nine) non-teaching staff (Grade-IV) will be available in the official website of DEE, Assam, i.e. **https://dee.assam.gov.in from 05:00 PM of 21/09/2022.**

The selected candidates are requested to be present in the State Level Function for Orientation **at 9:00 AM on 23/09/2022** at the **Veterinary College Field, Khanapara, Guwahati -22**, wherein the Hon'ble Chief Minister of Assam will ceremonially launch the distribution of Appointment Letters.

The candidates are also requested to bring their Identity Proof (PAN Card/ Aadhar Card/ Voter ID Card) in original for entering into the venue.

**Sd/-**
**Director,**
**Elementary Education, Assam**
**Kahilipara, Guwahati-19**

No. EAA/SIU/125/2022/Pt-I/286

**NOTICE**

It is for information of the candidates of different category of posts, the list in respect of whom will be available in the official website of DEE, Assam, i.e. https://dee.assam.gov.in are requested to be present in the State Level Function for Orientation **at 9:00 AM on 23/09/2022** at the **Veterinary College Field, Khanapara, Guwahati -22**, wherein the Hon'ble Chief Minister of Assam will ceremonially launch the distribution of Appointment Letters.

The candidates are also requested to bring their Identity Proof (PAN Card/ Aadhar Card/ Voter ID Card) in original for entering into the venue.

**Sd/-**
**Director,**
**Elementary Education, Assam**
**Kahilipara, Guwahati-19**

Janasanyog/D/12614/22



# কামৰূপ মহানগৰত ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ এককালীন সাহায্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২০ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে কামৰূপ মহানগৰ জিলাতো আজি ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ এককালীন সাহায্য প্ৰদান কাৰ্যসূচী অনুষ্ঠানিকভাৱে অনুষ্ঠিত কৰা হয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত চানমাৰিৰ খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ সভাকক্ষত আয়োজিত এই সভাত পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পূব গুৱাহাটী সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, জিলা পৰিষদৰ সভানেত্ৰী শিৰোমণি কোঁৱৰে জিলাখনৰ ৩৬৮গৰাকী হিতাধিকাৰীৰ ভিতৰৰ কে'বাগৰাকীও মহিলাক ২৫ হাজাৰ টকাৰ এককালীন সাহায্যৰ অনুমোদন-পত্ৰ বিতৰণ কৰি আনুষ্ঠানিকভাৱে এই আঁচনি শুভাৰম্ভ কৰে। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দৰথি সুচিয়াংগৰ উপৰি বহু বিশিষ্ট ব্যক্তিয়ে এই সভাত অংশগ্ৰহণ কৰে।

## ধুবুৰী যক্ষ্মা হাস্পতালৰ নৱনিৰ্মিত কোঠালিৰ শুভ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২০ ছেপ্টেম্বৰ ঃ** আজি ধুবুৰী চহৰৰ ১৩নং ৱাৰ্ডস্থিত যক্ষ্মা হাস্পতালৰ নৱনিৰ্মিত কোঠালিৰ শুভ উদ্বোধন। ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ বদৰুদ্দিন আজমলৰ সাংসদ পুঁজিৰ দ্বাৰা প্ৰায় ৯৮ লাখ টকা ব্যয়সাপেক্ষে ৩০গৰাকী ৰোগীৰ বিছনাযুক্ত কোঠালিৰ শুভ উদ্বোধন কৰে সাংসদ বদৰুদ্দিন আজমল আৰু সহযোগ কৰে জিলা উপায়ুক্তই। ধুবুৰী পৌৰসভাৰ পৌৰপতি ডাঃ দেৱময় সান্যালৰ সভাপতিত্বত আৰম্ভ হোৱা অনুষ্ঠানটোত উপস্থিত থাকে সাংসদ বদৰুদ্দিন আজমল, জিলা উপায়ুক্ত, জিলা উন্নয়ন বিষয়া, গৌৰীপুৰ সমষ্টিৰ বিধায়ক, বিলাসীপাৰা পূব সমষ্টিৰ বিধায়ক, ধুবুৰী সমষ্টিৰ বিধায়ক নজৰুল হকৰ প্ৰতিনিধি হানিফ আলী আৰু স্বাস্থ্য বিভাগৰ কে'বাগৰাকী বিষয়ববীয়া।

# শান্তি-সম্প্ৰীতি আৰু সমন্বয়ৰ চানেকি বৰপেটাৰ ভেল্লা

## বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মিলনভূমি ভেল্লা ঃ অতিৰিক্ত উপায়ুক্ত লখিমী দত্ত



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২০ ছেপ্টেম্বৰ ঃ** 'শান্তি-সম্প্ৰীতি আৰু সমন্বয়ৰ চানেকি বৰপেটাৰ ঐতিহাসিক ভেল্লা গাঁও। বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মিলনভূমি এইখন গাঁও। ভেল্লাৰ স্বকীয়তা এটা আছে। এয়া সঁচাকৈয়ে বিৰল।'— বৰপেটাৰ ভেল্লাত আজি এইদৰে কয় অতিৰিক্ত উপায়ুক্ত লখিমী দত্তই। ভেল্লাত কালিৰে পৰা আৰম্ভ হোৱা থিয়েটাৰ সূৰ্যৰ মঞ্চ মুকলি অনুষ্ঠানত তেওঁ ভাষণত এইদৰে কৈ পুনৰ কয় যে বিভিন্ন জাতি, জনগোষ্ঠী, ধৰ্মাৱলম্বী লোকৰ শান্তি-সম্প্ৰীতিৰ বসবাসস্থলী বৰপেটাৰ ভেল্লা গাঁও। শৈক্ষিক, সাংস্কৃতিক সকলো দিশতে ভেল্লাৰ এটি সুকীয়া পৰিচয় আছে। উদ্বোধনী অনুষ্ঠানত দিয়া ভাষণত তেওঁ পুনৰ কয় যে 'থিয়েটাৰ অসমীয়া জাতিৰ এটা অবিচ্ছেদ্য অংগ। থিয়েটাৰত অভিনয় কৰাটো খুব কষ্টকৰ কাম'। আজিৰ এই উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি সৰ্বভাৰতীয় নীটত ভাল ফলাফল প্ৰদৰ্শন কৰা তিনিগৰাকী কৃতী ছাত্ৰক সম্বৰ্ধনা জনোৱা হয়। ২০২১ বৰ্ষৰ মেডিকেলৰ সৰ্বভাৰতীয় প্ৰৱেশ পৰীক্ষা চমুকৈ 'নীট'ত উত্তীৰ্ণ হৈ ভেল্লালৈ গৌৰৱ কঢ়িয়াই অনা বনবৰীয়া গাঁৱৰ প্ৰয়াত নুৰ ইছলাম আৰু কমাৰুণ নেছাৰ পুত্ৰ কামাল হাচান ইছলাম, ২০২২ বৰ্ষৰ নীটত উত্তীৰ্ণ ভেল্লাৰ খন্দকাৰপাৰাৰ নাছিৰুদ্দিন আহমেদ আৰু পাৰবিন চুলতানাৰ পুত্ৰ ডানিয়েল আহমেদ আৰু মনু আলী আৰু আজিমা বেগমৰ কন্যা মিৰ্জা মেহবুবা আজমিক সম্বৰ্ধনা জনায় শিশু বিকাশ গোষ্ঠী, ভেল্লা আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয় পৰিষদৰ লগতে আন বহু সংস্থা-সংগঠনে। সম্বৰ্ধনা অনুষ্ঠানত কৃতী ছাত্ৰ তিনিগৰাকীৰ অভিভাৱকৰ লগতে আন কে'বাগৰাকীও ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।



*নেচনেল হেল্থ মিছন, অসমৰ এক কাৰ্যসূচীত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধ্ৰুৱজ্যোতি বৰাসহ অন্যান্য*

MINISTRY OF MICRO, SMALL & MEDIUM ENTERPRISES
GOVERMENT OF INDIA

## দুদিনীয়া মানৱ সম্পদ বিকাশ কাৰ্যক্ৰম

'কয়ৰ ব'ৰ্ড, উপ-ক্ষেত্ৰীয় কাৰ্যালয়, গুৱাহাটী'য়ে বৰপেটা জিলাৰ নেউলৰভিঠাত অহা ২১ আৰু ২২ ছেপ্টেম্বৰ, ২০২২ তাৰিখে দুদিনীয়াকৈ মানৱ সম্পদ বিকাশ কাৰ্যক্ৰম অনুষ্ঠিত কৰিছে। দ্বিতীয় দিনা সমূহ অংশগ্ৰহণকাৰীৰ বাবে স্বাস্থ্য শিৰিৰ অনুষ্ঠিত কৰিব। ইচ্ছুক অংশগ্ৰহণকাৰীক তলত দিয়া ঠিকনাত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হ'ল। প্ৰথমে অহা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব।

**ভাৰপ্ৰাপ্ত বিষয়া**
উপ-ক্ষেত্ৰীয় কাৰ্যালয়
গুৱাহাটী, অসম
ই-মেইল ঃ cbsroghty@gmail.com
ফোন ঃ ০৩৬১-২৫৫৬৮২৮

কমলপুৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়

# বন্ধ হৈ থকা প্ৰসূতি সেৱা পুনৰ মুকলি



**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২০ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ কমলপুৰস্থিত মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত আজিৰে পৰা পুনৰ আৰম্ভ হয় প্ৰসূতিৰ অস্ত্ৰোপচাৰ। বিগত ২০১৭ চনৰ পৰা বন্ধ হৈ থকা অস্ত্ৰোপচাৰ আজিৰ পৰা পুনৰ মুকলি কৰা হয়। কমলপুৰবাসী ৰাইজে প্ৰসূতি বিভাগৰ শৈল চিকিৎসাৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি দাবী উত্থাপন কৰি আহিছিল। ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই কামৰূপ জিলা স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্য সঞ্চালকে কমলপুৰৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত এগৰাকী প্ৰসূতি চিকিৎসক নিয়োগ কৰে। আজি চিকিৎসালয়খনত কমলপুৰৰ লেজা গাঁৱৰ এগৰাকী প্ৰসূতিক শৈল চিকিৎসা পদ্ধতিৰে এটা পুত্ৰ সন্তান প্ৰসৱ কৰোৱা হয়। সুস্থ-সবল পুত্ৰ সন্তান লাভ কৰা প্ৰসূতিৰ আত্মীয়ই অনাবিল আনন্দ লাভ কৰাৰ লগতে চিকিৎসালয়খনত প্ৰসূতিৰ অস্ত্ৰোপচাৰ পুনৰ মুকলি কৰাৰ কাৰণে অশেষ ধন্যবাদ জ্ঞাপন কৰে। আজিৰ এই অস্ত্ৰোপচাৰ কমলপুৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ৰ উপ-অধীক্ষক তথা প্ৰসূতি চিকিৎসক ডাঃ সত্যৰাম বৈশ্য, ডাঃ পংকজ লোচন শৰ্মা আৰু ডাঃ গৌতম তালুকদাৰৰ উপস্থিতিত কৰা হয়। প্ৰতি মঙলবাৰে চিকিৎসালয়খনত অস্ত্ৰোপচাৰৰ কাৰণে প্ৰসূতি চিকিৎসকৰ এটা দল উপস্থিত থাকিব বুলি মহকুমা চিকিৎসা বিষয়া ডিম্বেশ্বৰ শৰ্মা আৰু বিপিএম দীনমণি ঠাকুৰীয়াই জানিবলৈ দিয়ে।

# শালবাৰীত অতি দুখীয়া পৰিয়ালৰ যুৱক-যুৱতীয়ে লাভ কৰিলে অসম আৰক্ষীত সফলতা



**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২০ ছেপ্টেম্বৰ ঃ** অসম অৰক্ষীৰ উপ-পৰিদৰ্শক, কমাণ্ডো, কনিষ্টবল পদত নিযুক্তি লাভ কৰিছে বাক্সাৰ শালবাৰীৰ কে'বাজনো দৰিদ্ৰ তথা মেধা প্ৰাৰ্থীয়ে। সদ্যঘোষিত ফলাফলত বাক্সাৰ আনন্দবজাৰ হাটখোলাৰ দুজন যুৱক ক্ৰমে—কুশল কলিতাৰ পুত্ৰ মৃদুল কলিতা আৰু গিৰীশ দাসৰ পুত্ৰ ৰিদীপ দাসে আৰক্ষীত বাছনি হোৱাত স্বাভাৱিকতে পৰিয়ালৰ লগতে অঞ্চলবাসীয়ে সন্তোষ প্ৰকাশ কৰিছে। ইফালে, মহকুমা সদৰ শালবাৰীৰ উষা বসুমতাৰীৰ লগতে কে'বাগৰাকী অতি দুখীয়া পৰিয়ালৰ সন্তানে অসম আৰক্ষীত বাছনি হোৱাৰ সমান্তৰালকৈ বাঁহবাৰী ৰহাৰপামৰ উমানন্দ দাস আৰু নয়ন দাসে অসম আৰক্ষীৰ কমাণ্ডোত নিযুক্তি লাভ কৰে। একেদৰে আনন্দবজাৰৰ কাষৰৰ ২নং ডুমুৰুগুৰি গাঁৱৰ দিনহাজিৰা কৰা প্ৰাণকৃষ্ণ দাস আৰু চামিনী দাসৰ দুই পুত্ৰ পুতুল দাস আৰু ভাইটী দাস, বৰটাৰীৰ পল্লৱ কলিতা, দলাজানী গাঁৱৰ মুনীন মছাহাৰী। হুদুখাটাৰ চিন্ময় পাঠক, চাইতানগুৰিৰ চন্দন বসুমতাৰীকে ধৰি কে'বাগৰাকী অতি দুখীয়া পৰিয়ালৰ যুৱক-যুৱতীয়ে সফলতা লাভ কৰি গৌৰৱ কঢ়িয়াই আনিছে শালবাৰীলৈ। দৰিদ্ৰতাই যে সফলতাৰ হেঙাৰ হ'ব নোৱাৰে তাৰ প্ৰমাণ কৰি দেখুৱালে বাক্সাৰ শালবাৰীৰ এইসকল যুৱক-যুৱতীয়ে। আনফালে এটকাও খৰচ নকৰাকৈ অসম আৰক্ষীত নিযুক্তি লাভ কৰাত সন্তোষ প্ৰকাশ কৰাৰ উপৰি অসম চৰকাৰ তথা ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে পৰিয়ালৰ লোকে।

# গৌৰীপুৰত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২০ ছেপ্টেম্বৰ ঃ** পশ্চিম অসমৰ সাংস্কৃতিকভাৱে চহকী গৌৰীপুৰ চহৰত অৱস্থিত প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সৌজন্যত মুক্ত আৰু দূৰশিক্ষা ব্যৱস্থাৰে উচ্চ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে এখন সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাত সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যাপক জয়ন্ত কুমাৰ শৰ্মা আৰু সহকাৰী অধ্যাপক ড° ভাস্কৰ ভট্টাচাৰ্যই। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ধীৰেন্দ্ৰ নাথ ৰয়ে সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ইয়াৰোপৰি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্যৰ সৈতে গৌৰীপুৰ শাখা সাহিত্য সভাৰ সভাপতি, গৌৰীপুৰ মহিলা সমিতিৰ বিষয়ববীয়া, দক্ষিণ ধুবুৰী চৰ চাৰ্কোল প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ-সভাপতি হাচানুৰ আলম আৰু সম্পাদক দিবাকৰ শৰ্মাৰ উপৰিও স্থানীয় জ্যেষ্ঠ নাগৰিক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত সজাগতা সভাখন অতি সুন্দৰভাৱে অনুষ্ঠিত হৈ যায়। শিক্ষাৰ্থীসকলৰ প্ৰশ্নোত্তৰ কালত সমল ব্যক্তিদ্বয়ে গতানুগতিক আৰু মুক্ত-দূৰ সংযোগ শিক্ষাৰ বিষয়ে বিষদভাৱে বিশ্লেষণ কৰে। সভাখনৰ আৰম্ভণিতে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় প্ৰমথেশ বৰুৱা মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক ড° আবু তাহেৰ মোল্লাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মফিজুৰ ৰহমান জোদ্দাৰৰ সভাপতিত্ব অনুষ্ঠিত এই সজাগতা সভাই ধুবুৰী আৰু গৌৰীপুৰৰ শিক্ষা আগ্ৰহীসকলক অধিক উৎসাহী কৰিব বুলি বিদ্যান মহলত আলোচিত হৈছে।







শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)
■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি